● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত


সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন

সাফল্যই চূড়ান্ত নহয়, ব্যৰ্থতাও প্ৰাণঘাতী নহয়, চেষ্টা অব্যাহত ৰখাৰ সাহসেই মূল কথা।

উইনষ্টন চাৰ্চিল
*ব্ৰিটিছ প্ৰধানমন্ত্ৰী*



৭ বিজেপিত যোগদান মুলায়মৰ পুত্ৰ বোৱাৰী অপৰ্ণাৰ
১৫ প্ৰথম এদিনীয়াত দক্ষিণ আফ্ৰিকাৰ জয়
৪ ভাৰতৰ এক্ট ইষ্ট পলিচী আৰু দক্ষিণ কোৰিয়াৰ ভূমিকা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১০৩তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৬ মাঘ ১৪২৮ ভাস্কৰাব্দ ২০ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 20 January 2022 মূল্য ঃ ৯.০০ টকা

■ ইউপিপিএলৰ বাধাত সিদ্ধান্ত ল'ব পৰা নাই ঃ স্পষ্ট কৰি দিলে বিজেপি সভাপতি কলিতাই
■ পুনৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ হাগ্ৰামাৰ দলৰ প্ৰতিনিধিৰ ■ 'ভাল খবৰ' আহিব বুলি আশাত বন্দী

# মিত্ৰতা বিচাৰি বিজেপিৰ দ্বাৰস্থ বিপিএফ

■ বিটিচিত সবল বিৰোধীৰ ভূমিকা গ্ৰহণৰ পৰিৱৰ্তে চৰকাৰী পক্ষত যোগ দিবলৈহে তৎপৰ





**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** বিৰোধী হিচাপে থকাৰ মানসিকতা নথকা বিপিএফে বিজেপিৰ লগত একাত্ম হোৱাৰ সৰ্বতো প্ৰকাৰৰ চেষ্টা চলায়ো সফলতা পাবলৈ সক্ষম হোৱা নাই। ইউপিপিএলৰ বাবেই দলটো বাৰে বাৰে বাধাৰ সন্মুখীন হৈছে। অথচ বিজেপিৰ পৰা অতি সোনকালে 'ভাল খবৰ' আহিব বুলি বিপিএফ নেতৃত্ব গভীৰভাৱে বিশ্বাসী। বিটিচি পৰিষদৰ নিৰ্বাচনত মুখ থেকেচা খোৱাৰ পাছত বিধানসভা নিৰ্বাচনতো বিপিএফ শোচনীয়ভাৱে পৰাজিত হয়। পূৰ্বৰ কোনো এটা নিৰ্বাচনতে পৰাজয়ৰ মুখ নেদেখা দলটোৱে সেয়েহে ফলাফলৰ পাছতে শাসক পক্ষ তথা বিজেপিৰ ওচৰ চপাৰ চেষ্টা চলায়; কিন্তু মিত্ৰ দল ইউপিপিএলৰ তীব্ৰ আপত্তিৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ বাবেও বিপিএফৰ প্ৰস্তাৱত সন্মতি প্ৰদান কৰাটো সম্ভৱ হোৱা নাই। *১০ পৃষ্ঠাত চাওক*



*মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠক, হাফলঙত বুধবাৰে।*

■ শিলচৰত স্থাপন হ'ব মুকলিত ঘূৰি ফুৰা জীৱ-জন্তু উপভোগ কৰিব পৰা চিৰিয়াখানা ■ ডিমা হাছাওৰ আন্তঃগাঁথনিৰ বাবে আঁচনি

## মেঘালয়ৰে সীমা সমস্যা সমাধানৰ সূত্ৰত অনুমোদন ৰাজ্যিক কেবিনেটৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** এবা-ধৰাৰ মাজেৰে মেঘালয়ৰ স'তে দীৰ্ঘদিনীয়া সীমা সমস্যা সমাধানৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰা উদ্যোগ আগবঢ়াই নিয়াত আজি অনুমোদন দিয়ে ৰাজ্যিক কেবিনেটে। হাফলঙত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই কেবিনেট বৈঠকৰ অনুমোদনৰ পৰিপ্ৰেক্ষিতত কাইলৈ অসম চৰকাৰে গৃহ মন্ত্ৰণালয়লৈ ইয়াৰ প্ৰতিবেদন প্ৰেৰণ কৰিব। বৈঠকৰ পাছত এক সংবাদমেলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কয়, 'অসমৰ দৰে একে প্ৰক্ৰিয়াৰে মেঘালয় চৰকাৰো আগবাঢ়িছে। কাইলৈ দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা গৃহমন্ত্ৰী অমিত শ্বাহলৈ ছটা বিবদমান অঞ্চলৰ সমস্যাৰ সমাধানৰ প্ৰতিবেদন প্ৰেৰণ *১০ পৃষ্ঠাত চাওক*

■ দুখন মহাবিদ্যালয়ত বাণিজ্য শাখা-আঠখনত বিজ্ঞান শাখা মুকলিৰ সিদ্ধান্ত ■ নিয়ম অনুসৰি চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাৰ পদোন্নতি ■ মৰাণ-মটক-বড়ো-কছাৰী-কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী বিধিত অনুমোদন ■ গুৱাহাটীৰ বাহিৰত পৰৱৰ্তী কেবিনেট বৈঠক শিলচৰত

১১ মাৰ্চৰ পৰা সাধাৰণ ৰোগত পৰিণত হ'ব কৰ'না! ■ দাবী অতিমাৰী বিশেষজ্ঞৰ

## তিনি লাখৰ দুৱাৰমুখত, দেশত এদিনতে আক্ৰান্তৰ সংখ্যা বৃদ্ধি ১৮ শতাংশ



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** দেশত ক্ৰমাৎ বৃদ্ধি পাই আছে ক'ভিড-১৯ত আক্ৰান্তৰ সংখ্যা। যিকোনো সময়তে দৈনিক আক্ৰান্তৰ সংখ্যাই তিনি লাখৰ সীমা অতিক্ৰম কৰাৰ আশংকাই দেখা দিছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে সদৰী কৰা পৰিসংখ্যা অনুসৰি, বিগত ২৪ ঘণ্টাত ভাৰতত দুই লাখ ৮২ হেজাৰ লোক সংক্ৰমিত হয়। মঙলবাৰে দেশত আক্ৰান্ত হৈছিল দুই লাখ ৩৮ হেজাৰ ১৮জন। অৰ্থাৎ আজি আক্ৰান্তৰ সংখ্যা ১৮ শতাংশ বৃদ্ধি পায়। *১০ পৃষ্ঠাত চাওক*

■ পুনৰ এদিনত ৮,৩৩৯ জন আক্ৰান্ত ঃ ১৫ জনৰ মৃত্যু ■ সদ্যহতে জাৰি নহয় নতুন নীতি-নিৰ্দেশনা ■ তৃতীয় ঢৌত সৰ্বাধিক আক্ৰান্ত যুৱ ■ ক'ভিড বিধি উলংঘাৰ প্ৰৱণতাতে সংক্ৰমণ

## ৰাজ্যত উপৰ্যুপৰি অভিলেখ ভংগ আক্ৰান্তৰ

১৫ ফেব্ৰুৱাৰীৰ ভিতৰত ৯০ শতাংশক দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ লক্ষ্য ঃ আক্ৰান্ত বাঢ়িলেও চিকিৎসালয়ত হেঁচা নপৰাৰ দাবী মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসমত ক'ভিডৰ তৃতীয় লহৰত দৈনিক আক্ৰান্তৰ সংখ্যাই দৈনিক অভিলেখ ভংগ কৰিলেও ৰাজ্যত সদ্যহতে নতুন কোনো নীতি-নিৰ্দেশনা জাৰি কৰা নহয় বুলি আজি সদৰী কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। হাফলঙত অনুষ্ঠিত ৰাজ্যিক কেবিনেটত ক'ভিডৰ সংক্ৰমণৰ বিষয়টো বিতংকৈ আলোচনাৰ অন্তত আক্ৰান্তৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি হ'লেও অধিক কঠোৰ নীতি-নিৰ্দেশনা সদ্যহতে বলৱৎ কৰা নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'আক্ৰান্তৰ সংখ্যা বাঢ়িলেও হাস্পতালত কিমান লোক ভৰ্তি হৈছে তাৰ ওপৰতহে আমি গুৰুত্ব দিছো। হাস্পতালত মাত্ৰ ২২ শতাংশ লোকহে ভৰ্তি হৈ আছে। তদুপৰি কেন্দ্ৰীয় চৰকাৰেও নতুন নতুন নিৰ্দেশনা দি আহিছে। আগতে ১৪ দিনলৈ এজন ক'ভিড আক্ৰান্ত আবদ্ধ হৈ থাকিব লগা হৈছিল। এতিয়াৰ নিয়ম অনুসৰি ৰোগ চিনাক্তকৰণৰ পৰা সাতদিন আবদ্ধ হৈ থকাৰ পাছত অষ্টম দিনা এজন ক'ভিড আক্ৰান্ত *আঠ পৃষ্ঠাত চাওক*

■ পাঁচদিন চিকিৎসালয় আৰু দুদিন ঘৰত আইছ'লেছনৰ অন্তত সুস্থ বিবেচিত হ'ব ■ প্ৰয়োজন নাই ক'ভিড পৰীক্ষাৰ ■ নতুন নিৰ্দেশনা জাৰি

## লক্ষণ নাথাকিলে পাঁচদিনৰ দিনা হাস্পতালৰ পৰা মুক্তি পাব আক্ৰান্তই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** দেশজুৰি ক'ভিডৰ তৃতীয় ঢৌৱে তাণ্ডৱ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে নতুনকৈ নিৰ্দেশনা জাৰি কৰিছে। এই মৰ্মে অসম চৰকাৰে জাৰি কৰা নতুন নিৰ্দেশনা অনুসৰি ক'ভিড কেয়াৰ চেণ্টাৰ আৰু ক'ভিড হাস্পতালত ভৰ্তি হোৱা ৰোগীৰ যদি একেৰাহে তিনিদিন কোনো লক্ষণ নাথাকে তেন্তে পাঁচদিন চিকিৎসাধীন হোৱাৰ অন্তত তেওঁক হাস্পতালৰ পৰা মুকলি কৰিব পাৰিব। হাস্পতালৰ পৰা যাবলৈ দিয়াৰ সময়ত ৰেপিড এণ্টিজেন টেষ্ট অথবা আৰটিপিচিআৰ টেষ্টৰ প্ৰয়োজন নাই। অৱশ্যে লক্ষণযুক্ত ৰোগীৰ ক্ষেত্ৰত চিকিৎসকে সিদ্ধান্ত ল'ব। হাস্পতালৰ পৰা মুক্ত হোৱাৰ পাছত ৰোগীজনে ঘৰত দুদিন অধিক অকলশৰীয়াকৈ থাকিব লাগিব। পূৰ্বৰ দৰে ঘৰলৈ গৈ সাতদিন এনেদৰে থাকিব নালাগে। পাঁচদিন চিকিৎসালয়ত *১০ পৃষ্ঠাত চাওক*

## বাংগালুৰুত সংঘৰ্ষৰ পৰা কথমপি ৰক্ষা দুই বিমানৰ

■ **নিউজ ব্যুৰ'**
**বাংগালুৰু, ১৯ জানুৱাৰী ঃ** বাংগালুৰু বিমানকোঠৰ পৰা উৰা মৰা ইণ্ডিগ'ৰ দুখনকৈ যাত্ৰীবাহী বিমান মাজ আকাশত সংঘৰ্ষ সংঘটিত হোৱাৰ পৰা কথমপি ৰক্ষা পৰিল। ফলস্বৰূপে বিমান দুখনত থকা চাৰি শতাধিক যাত্ৰীৰ প্ৰাণৰক্ষা পৰে।

■ বিধায়কৰ বিতৰ্কিত অডিঅ' ক্লিপ ৰাজহুৱা হোৱাক লৈ অ'চিক তলব

## অস্বস্তিত চৰকাৰ ঃ আৰক্ষীক হেঁচা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** বিহপুৰীয়াৰ বিজেপি বিধায়ক অমিয় কুমাৰ ভূঞাই আৰক্ষীয়ে আইন ভংগৰ অভিযোগত গ্ৰেপ্তাৰ কৰা দুজন লোকক এৰি দিবলৈ বেআইনীভাৱে নাৰায়ণপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক হেঁচা দিয়াৰ অডিঅ' ক্লিপ ৰাজহুৱা হোৱা ঘটনাক লৈ আৰক্ষী আৰু চৰকাৰৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। কাৰণ অডিঅ' ক্লিপটোত শাসক দলৰ বিধায়কজনে ক্ষমতাৰ অপপ্ৰয়োগ *১০ পৃষ্ঠাত চাওক*

■ অমিয় ভূঞাক লৈ নীৰৱ ■ বিশেষ আৰক্ষী প্ৰধানক সাক্ষাৎ ■ ঘটনা সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰিলে পুষ্পকমলে



*যমুনামুখত সমূহীয়া মৎস্য চিকাৰ, বুধবাৰে।*

## ১৫ মাৰ্চৰ পৰা আৰম্ভ হ'ব পৰীক্ষা ঃ ২.৪৫ লাখ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব

## উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ সূচী ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** বিগত বৰ্ষত ক'ভিডৰ তাণ্ডৱৰ বাবে পৰীক্ষা অনুষ্ঠিত হোৱা নাছিল যদিও এইবাৰ ক'ভিড বিধি পালনেৰে ৰাজ্যত ১৫ মাৰ্চৰ পৰা অনুষ্ঠিত হ'ব ২০২২ৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা। আজি অসম *১০ পৃষ্ঠাত চাওক*

## অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি অভয় বৰুৱাৰ বিয়োগ



**বিশেষ সংবাদদাতা /অগ্ৰদূত বাৰ্তা**
**নগাঁও/ৰহা, ১৯ জানুৱাৰী ঃ** অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি, নগাঁও জিলা সাহিত্য সভাৰ *১০ পৃষ্ঠাত চাওক*

## ডিমা হাছাওৰ কে'বাটাও আন্তঃগাঁথনি প্ৰকল্প মুকলি মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** কেবিনেট বৈঠকৰ বাবে ডিমা হাছাওত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদে জিলাখনত ৰূপায়ণ কৰি থকা বিভিন্ন *১০ পৃষ্ঠাত চাওক*

## অমঞ্জুৰিকৃত কলেজ শিক্ষকৰ পদ নিয়মীয়াকৰণৰ দাবী সন্থাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** নিজৰ লগতে পৰিয়ালৰ ভৱিষ্যতক লৈ চিন্তিত হৈছে অসমৰ বিভিন্ন মহাবিদ্যালয়ত কৰ্মৰত অমঞ্জুৰিকৃত শিক্ষকসকল। কিয়নো ১০-১৫ বছৰ পৰ্যন্ত শিক্ষকতা কৰাৰ পাছতো আজি পৰ্যন্ত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৫° | ১২° |
| ডিব্ৰুগড় | ২৬° | ১১° |
| দিল্লী | ১৬° | ০৮° |
| কলকাতা | ২৩° | ১৩° |
| মুম্বাই | ২৯° | ১৮° |
| চেন্নাই | ৩০° | ২২° |
| বাংগালুৰু | ২৭° | ১৭° |
| শ্বিলং | ১৭° | ০৫° |

*১৯ জানুৱাৰী, ২০২২*

বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনী বিধি ভংগৰে প্ৰচাৰ চলোৱাৰ অভিযোগ

## আজি চাৰিখন জিলাৰ ঠেঙাল কছাৰী পৰিষদৰ ২১টা সমষ্টিত ভোটদান



**অগ্ৰদূত বাৰ্তা**
**তিতাবৰ/লালুক, ১৯ জানুৱাৰী ঃ** শাসক-বিৰোধী উভয়ৰে এটা পযেকজোৰা নিৰ্বাচনী বাকযুদ্ধৰ পাছত কাইলৈ পুৱা আঠ বজাৰপৰা অনুষ্ঠিত হ'ব বহু প্ৰতীক্ষিত ঠেঙাল কছাৰী নিৰ্বাচনৰ ভোটদান প্ৰক্ৰিয়া। যোৰহাট জিলাৰ ১০টা, গোলাঘাট জিলাৰ পাঁচটা, লখিমপুৰ জিলাৰ পাঁচটা, ডিব্ৰুগড় জিলাৰ এটাকে ধৰি মুঠ ২১টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ধেমাজি জিলাৰ একমাত্ৰ ৰূপহী বৰগড়া সমষ্টিটোৰ বাবেও বিজেপি আৰু কংগ্ৰেছে প্ৰাৰ্থী নিক্ষেপ কৰিছিল। যদিও নাটকীয়ভাৱে কংগ্ৰেছ প্ৰাৰ্থী মৃদুপৱন *১০ পৃষ্ঠাত চাওক*

## পৰীক্ষা স্থগিত অথবা অনলাইনযোগে অনুষ্ঠিত কৰিবলৈ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** সাম্প্ৰতিক ক'ভিড পৰিস্থিতিত পৰীক্ষা স্থগিত কৰিবলৈ অথবা অনলাইনযোগে সম্পন্ন কৰিবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কক আবেদন জনাইছে স্নাতকোত্তৰ ছাত্ৰ সন্থাই। আবেদনপত্ৰত সন্থাৰ সভাপতি আৰু *১০ পৃষ্ঠাত চাওক*

উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলি ঘোষণা সভাপতি ভূপেন বৰাৰ
■ মেঘালয়ৰে সীমা সমস্যা সমাধানৰ অসম চৰকাৰৰ নীতিক নাকচ

## ৰাজ্য চৰকাৰৰ নীতিয়ে অসমৰ সীমা সংকুচিত কৰিব ঃ আশংকা কংগ্ৰেছৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৯ জানুৱাৰী ঃ** অসম চৰকাৰে মেঘালয়ৰ লগত সীমা বিবাদ চলি অহা ছটা স্থানৰ সমস্যাৰ সমাধানৰ বাবে গ্ৰহণ কৰা নীতিক লৈ তীব্ৰ আপত্তি প্ৰকাশ কৰিছে প্ৰদেশ কংগ্ৰেছে। এই সন্দৰ্ভত সভাপতি ভূপেন বৰাই আজি এক সংবাদমেলত মন্তব্য কৰে যে যি প্ৰক্ৰিয়া আৰু ধৰণৰে চৰকাৰে বিবাদ মীমাংসা কৰিব বিচাৰিছে তাত ব্যক্তিগত ৰাজনৈতিক মুনাফাৰ অংশহে নিহিত আছে। বৰাই কাৰো নাম উল্লেখ নকৰাকৈ কয়, 'কেৱল এজন মানুহৰ ৰাজনৈতিক উচ্চাকাংক্ষা সুৰক্ষিত কৰাৰ স্বাৰ্থত বিধানসভাত আলোচনা নকৰাকৈ আৰু অসমৰ জাতীয় সংগঠনক আস্থাত নোলোৱাকৈ সীমা সমস্যা সমাধান কৰিব বিচৰা হৈছে। যি ব্যৱস্থাৰে সমস্যাটোৰ সমাধান কৰিব বিচাৰিছে তাৰ ফলত অসমৰ পৰিসীমা সংকুচিত হ'ব। অসমৰ লগত মেঘালয়ৰ উপৰি *১০ পৃষ্ঠাত চাওক*

### চেঙা তেল



*সিন্ধি ক'ত খান্দিবা! ক'তো একো পাবলৈকে নোহোৱা হ'ল দেখোন! ৰাজধানীৰ ফালেহে যাব লাগিব!*

■ কমলপুৰ-বালিপৰাত বাহনসহ জব্দ কৰিলে

## আৰক্ষীয়ে জব্দ কৰিলে ৫০টা গৰু ঃ উৎকোচ দি সৰবৰাহৰ চেষ্টা, ধৃত দুই

**অগ্ৰদূত বাৰ্তা**
**কমলপুৰ/তেজপুৰ, ১৯ জানুৱাৰী ঃ** ৰাজ্যত অব্যাহত আছে গৰুৰ চোৰাং ব্যৱসায়। ইয়াৰ মাজতে কামৰূপ জিলাৰ কমলপুৰ আৰু শোণিতপুৰ জিলাৰ বালিপৰাত আৰক্ষীৰ অভিযানত জব্দ হৈছে চোৰাংকৈ সৰবৰাহ কৰা মুঠ ৫০টা গৰু। ইয়াৰে বহিঃৰাজ্যৰ পৰা চোৰাংকৈ সৰবৰাহ কৰা ২৬টা গৰু যোৱা নিশা জব্দ কৰিলে কমলপুৰ আৰক্ষীয়ে। এই গৰুসমূহ ৰাজস্থানৰ পৰা গুৱাহাটী মহানগৰীৰ দিশে চোৰাংকৈ *১০ পৃষ্ঠাত চাওক*

৩৫ বছৰ ধৰি অৰণ্যতে বসবাস কৰিছে জামুগুৰিহাটৰ কৈলাশ ভূঞাই ■ অৰণ্যই আপোন ঘৰ এই বিচিত্ৰ মানৱৰ

## ৬০ বছৰীয়া টাৰ্জান! একাত্ম হৈছে গছ-গছনি, বন্যজন্তুৰে

■ মানুহে প্ৰৰোচিত নকৰিলে জীৱ-জন্তুৱে কেতিয়াও কোনো অপকাৰ নকৰে



■ **ফণীন্দ্ৰ বৰুৱা**
**নদুৱাৰ, ১৯ জানুৱাৰী ঃ** বিগত ৩৫ বছৰ ধৰি মানৱ সমাজৰ পৰা আঁতৰত ঘন জংঘলত বসবাস কৰি আহিছে এজন লোকে। তেওঁৰ নাম কৈলাশ ভূঞা। জামুগুৰিহাটৰ ঘিলাধাৰী নদীৰ পাৰৰ বটিয়ামাৰী চাপৰিৰ অৰণ্যত বসবাস কৰি আহিছে এই লোকজনে। জংঘলৰ মাজৰ এডাল প্ৰকাণ্ড বগৰীগছৰ ওপৰত টঙীঘৰ সাজি বছৰ বছৰ ধৰি বসবাস কৰি অহা ভূঞাই বুজি পায় অৰণ্যৰ সুখ-দুখ আৰু বন্য জন্তুৰ ভাষা। জংঘলৰ মাজৰ মাটিতেই খেতি-বাতি কৰি অৰণ্যকে আপোন ঘৰৰূপে সাবটি লৈ ভূঞাৰ স'তে একাত্ম হৈছে বন্য জীৱ-জন্তু। জামুগুৰিহাটৰ দক্ষিণাঞ্চলৰ কাজিৰঙা ষষ্ঠ সংযোজনৰ নিকটৱৰ্তী বটিয়ামাৰীৰ অৰণ্যত বাস কৰা ৬০ বছৰীয়া ভূঞাৰ টঙীঘৰৰ তলত প্ৰায়েই বিচৰণ কৰে বনৰীয়া *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৬ মাঘ ১৪২৮ভাস্কৰাব্দ ২০ জানুৱাৰী ২০২২



# বিশ্ববিদ্যালয়ৰ ৭৫ বছৰ

**গুৱাহাটী** বিশ্ববিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱ আৰম্ভ হৈছে। যোৱা আঠ জানুৱাৰীত বিশ্ববিদ্যালয়ৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱস মহাৰজত জয়ন্তী মহোৎসৱ হিচাপে অনুষ্ঠিত হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আটাইতকৈ পুৰণি তথা আগশাৰীৰ বিশ্ববিদ্যালয় গুৱাহাটী বিশ্ববিদ্যালয়ে ৭৫ বছৰত ভৰি দিয়াত মহাৰজত জয়ন্তীৰ দীঘলীয়া কাৰ্যসূচী গ্ৰহণ কৰা বুলি প্ৰকাশ পাইছে। যোৱা ১৯৪৮ৰ ২৬ জানুৱাৰীত স্থাপিত এই বিশ্ববিদ্যালয় উত্তৰ-পূৱৰ উচ্চ শিক্ষাৰ এক নেতৃত্বকাৰী প্ৰধান শিক্ষা প্ৰতিষ্ঠান হিচাপে গৰিগণিত হৈ আহিছে। শৈক্ষিক ক্ষেত্ৰত গুণগত মানৰ বাবে অসমৰ উপৰি বিভিন্ন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়ে এই বিশ্ববিদ্যালয়ত অধ্যয়ন তথা গৱেষণা কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগ (ইউ জি চি)ৰ ই এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে চিহ্নিত হৈ আহিছে। বৰ্তমান নেছনেল এছেছমেণ্ট এণ্ড এক্ৰেডিটেছন কাউঞ্চিল (নাক)ৰ ‘এ’ গ্ৰেডপ্ৰাপ্ত এই বিশ্ববিদ্যালয়ে নেছনেল ইনষ্টিটিউছনেল ৰেংকিং ফ্ৰেমৱৰ্ক (এন আই আৰ এফ)ৰ ৰেংকিং তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ে ৪৫ সংখ্যক স্থান লাভ কৰাটো লক্ষ্যণীয়। ইতিমধ্যে এই বিশ্ববিদ্যালয়ৰ অধ্যয়ন আৰু গৱেষণাৰ বিষয়ৰ সম্প্ৰসাৰণ ঘটিছে। বহু নতুন বিষয় বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হৈছে। বিশ্ববিদ্যালয়ৰ মহাৰজত জয়ন্তী উৎসৱত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাজ্যপাল জগদীশ মুখীয়ে বিশ্ববিদ্যালয়ৰ অগ্ৰগতিৰ প্ৰশংসা কৰি উচ্চ শিক্ষানুষ্ঠানটিৰ গৱেষণা তথা অধ্যয়নৰ ক্ষেত্ৰ বহল কৰাৰ পৰামৰ্শ দিয়ে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাস তথা ঐতিহ্যক অসমবাসীয়ে নিশ্চয় সদায় স্মৰণ কৰিব। উচ্চ শিক্ষা, বৌদ্ধিক তথা গৱেষণামূলক কামৰ ভেঁটি প্ৰতিষ্ঠা কৰা মহান গৱেষক পণ্ডিত-শিক্ষাবিদসকলৰ বেছিভাগেই এই বিশ্ববিদ্যালয়ত শিক্ষকতা কৰিছে আৰু উচ্চ শিক্ষাৰ সম্প্ৰসাৰণ ঘটোৱাৰ লগতে নৱপ্ৰজন্মক আগুৱাই নিছে। অসমৰ ভাষা-সাহিত্য-সংস্কৃতি, বিজ্ঞান-প্ৰযুক্তি, সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক সকলো ক্ষেত্ৰতে এই বিশ্ববিদ্যালয়ৰ সৰ্বাধিক অৱদান স্বীকাৰ কৰিবই লাগিব। অৱশ্যে পৰৱৰ্তী কালত ডিব্ৰুগড় বিশ্ববিদ্যালয়েও এইবিলাক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। আনহাতে, অসম চুক্তিৰ ফলত দুখনকৈ কেন্দ্ৰীয় বিশ্ববিদ্যালয় (তেজপুৰ আৰু শিলচৰ) স্থাপন কৰা হৈছে যদিও অসমৰ জাতীয় অনুষ্ঠান হিচাপে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নাম প্ৰথমে ল’ব লাগিব। জাতীয় জীৱনৰ ওপৰত গুৱাহাটী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰভাৱ আটাইতকৈ বেছি। অৱশ্যে বহুতে সমালোচনা তথা অভিযোগ কৰিবলৈ লৈছে যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা তথা গৱেষণাৰ মান আৰু আন্তঃগাঁথনি যিদৰে উন্নত হ’ব লাগিছিল সেয়া হোৱা নাই। বিশ্ববিদ্যালয়ৰ বেছিভাগ শিক্ষকে গৱেষণামূলক কামতকৈ পদ, খ্যাতি, সম্পত্তি আদিৰ পিছে পিছে দৌৰিছে বুলি অভিযোগ পোৱা যায়। আনহাতে, বিভিন্ন বিভাগত শিক্ষকৰ পদ খালী হৈ থকাৰ বিৰূপ প্ৰভাৱ পৰিছে ছাত্ৰ-ছাত্ৰীৰ ওপৰত।

অৱশ্যে গুৱাহাটী বিশ্ববিদ্যালয়েই নহয়, দেশৰ অন্যান্য উচ্চ শিক্ষানুষ্ঠানসমূহো আন্তঃৰাষ্ট্ৰীয় মানৰ হ’ব পৰা নাই। আজিও ভাৰতৰ কোনো এখন বিশ্ববিদ্যালয়ে বিশ্বৰ এশখন শ্ৰেষ্ঠ বিশ্ববিদ্যালয়ৰ তালিকাত স্থান লাভ কৰা নাই। সেয়ে ভাৰতে ইয়াৰ উচ্চ শিক্ষা তথা গৱেষণাৰ মান অধিক উন্নত কৰাৰ প্ৰয়োজন আছে। শিক্ষা ব্যৱস্থাৰ সংস্কাৰ প্ৰয়োজন এই ক্ষেত্ৰত সৰ্বাধিক। দেশৰ শিক্ষা ব্যৱস্থাই আজিও গৱেষণা তথা সৃজনাত্মক সমালোচনাত্মক কৰ্ম তথা চিন্তা-চৰ্চাত প্ৰাধান্য দিয়া নাই। ইয়াৰ বিপৰীতে ভাৰতত আজিও ঔপনিৱেশিক যুগৰ শিক্ষা ব্যৱস্থাৰ প্ৰচলন হৈ থকা দেখা যায়। উল্লেখ্য যে ঔপনিৱেশিক যুগৰ শিক্ষাই গৱেষণামূলক, সৃজনাত্মক, সমালোচনাত্মক চিন্তা তথা কৰ্মত গুৰুত্ব দিয়া নাছিল। ইয়াৰ পৰিৱৰ্তে উপনিৱেশবাদী শাসন ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় শিক্ষা ব্যৱস্থাত গুৰুত্ব দিয়া হৈছিল। এই শিক্ষা ব্যৱস্থাই পাঠ্যপুথিকেন্দ্ৰিক শিক্ষা, মুখস্থ বিদ্যাত সৰ্বাধিক গুৰুত্ব দিছিল। দুৰ্ভাগ্যজনক কথা যে দেশত আজিও এনে ঔপনিৱেশিক যুগৰ শিক্ষাই প্ৰচলন কৰি ৰখা হৈছে। যি আটাইতকৈ বেছি পাঠ্যপুথি মুখস্থ ৰাখিব পাৰিব তেৱেঁই আটাইতকৈ মেধাৱী। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে এতিয়া এনে শিক্ষা ব্যৱস্থাৰ সলনি হোৱাটো বিচাৰিছে। কেন্দ্ৰৰ নতুন শিক্ষা নীতি (২০২০)ত মুখস্থ বিদ্যাক গুৰুত্ব দিয়া হোৱা নাই। গুৰুত্ব দিয়া হৈছে সৃজনাত্মক, গৱেষণামূলক, সমালোচনাত্মক চিন্তা তথা কামৰ ওপৰত। মাধ্যমিক পৰ্যায়ৰ পৰাই শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱৰ্তন বিচাৰিছে চৰকাৰে; কিন্তু এই নতুন শিক্ষা নীতিয়ে শিক্ষাক কিমান ৰাজনৈতিক প্ৰভাৱমুক্ত কৰিব পাৰিব, শিক্ষা ব্যৱস্থাত কিমান দূৰ স্বায়ত্তশাসন থাকিব সেই বিষয়ে এতিয়াই খাটাংকৈ ক’ব নোৱাৰি। শিক্ষা যাতে দলীয় ৰাজনীতিৰ উৰ্ধ্বত থাকে, সেইটো নিশ্চিত কৰাৰ দায়িত্বও চৰকাৰৰ। ইতিমধ্যে ইউ জি চিৰ গুৰুত্ব হ্ৰাস কৰি ইয়াক আঁতৰাই ৰাষ্ট্ৰীয় শিক্ষা আয়োগৰ ওপৰত দায়িত্ব প্ৰদানৰ প্ৰয়াস অব্যাহত আছে, যি আয়োগৰ নেতৃত্বত থাকিব স্বয়ং দেশৰ প্ৰধানমন্ত্ৰী। অৱশ্যে বিভিন্ন ৰাজ্যই এই ৰাষ্ট্ৰীয় শিক্ষা আয়োগৰ বিৰোধিতা কৰাত কেন্দ্ৰীয় চৰকাৰে এই বিষয়ে পুনৰ বিবেচনা কৰিবলৈ বাধ্য হৈছে। সি যি কি নহওক, নতুন শিক্ষা নীতিয়ে যাতে শিক্ষাৰ ফেডাৰেল ব্যৱস্থা অথবা স্বায়ত্তশাসন ধ্বংস নকৰে, তাকেই শিক্ষাবিদসকলে আশা কৰিছে।

## খো লা ম ঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে ?



**বৰ্তমান** অসমীয়া ভাষা বিপদাপন্ন হ’বলৈ ধৰিছে। অসমীয়া ভাষাৰ অস্তিত্বৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কিছুমান অবিবেচক সিদ্ধান্তই দায়ী। ‘কা’ আইন প্ৰৱৰ্তনৰ ফলত অসমীয়া ভাষা-সংস্কৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব বুলি ভাবিয়েই সদৌ অসমবাসীয়ে ‘কা’ বিৰোধী আন্দোলনত স্বতঃস্ফূৰ্তভাৱে আন্দোলনত জঁপিয়াই পৰে। অসম সাহিত্য সভাৰ কৰ্মচাৰীসকলে কে’বামাহো ধৰি দৰমহাৰ পৰা বঞ্চিত হৈ আন্দোলন কৰিব লগা বিষয়টো, পুঁজিৰ অভাৱত অসম প্ৰকাশন পৰিষদে কে’বাখনো গ্ৰন্থ প্ৰকাশ কৰিব নোৱৰা বিষয়টো অসমীয়া ভাষাটোৰ প্ৰতি চৰকাৰৰ চৰম উদাসীনতাৰ মনোভাৱক প্ৰমাণিত কৰে। বৰ্তমান চৰকাৰৰ আন এক অবিবেচক সিদ্ধান্ত হ’ল অসমৰ প্ৰতিটো সমষ্টিত একোখনকৈ ইংৰাজী মাধ্যমৰ স্কুল স্থাপন কৰা। আগৰে পৰা চহৰাঞ্চলত থকা আৰু বৰ্তমানে গ্ৰামাঞ্চলত গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ স্কুলত তেওঁলোকৰ সন্তানসকলক নামভৰ্তি কৰি গৌৰৱ অনুভৱ কৰে

**অঞ্জন শৰ্মা**, *লেখক*

আৰু সেই ল’ৰা-ছোৱালীবিলাকে অসমীয়া ভাষাৰ প্ৰতি পিঠি দিয়ে। বৰ্তমানে আমাৰ ৰাজ্যত থকা উচ্চপদস্থ বিষয়া আৰু আন আন কৰ্মচাৰীসকলে গাঁৱৰ বোকা-পানী গচকি অসমীয়া মাধ্যমৰ স্কুলত পঢ়িছিল। প্ৰশ্ন হয়, এওঁলোকে ইংৰাজী বিষয়টো ভালকৈ আয়ত্ত কৰিব নোৱাৰিলে নেকি? ভাৰতবৰ্ষত ব্ৰিটিছে শাসন কৰাৰ সময়ত কলিকতাত ৰাজধানী পাতি সমগ্ৰ অসমতে বাংলা ভাষাৰ প্ৰচলন কৰিছিল আৰু সেই সময়তে অসমীয়া ভাষা পুনৰুদ্ধাৰ কৰাৰ অৰ্থে ভাষা আন্দোলন গঢ় লৈ উঠিছিল। বৰ্তমান যাতে তাৰ পুনৰাবৃত্তি নঘটে তাৰ প্ৰতি বিভিন্ন জাতীয় সংগঠন আৰু বিৰোধী দলসমূহে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে। অসমীয়া জাতি এটা স্বাভিমানী জাতি। শৰীৰত একবিন্দু তেজ থকালৈকে অসমীয়াই স্বাভিমান নেৰে।

*ফোন ঃ ৮৭৫৩৯৪৭৩৪৮*

# ভাৰতৰ এক্ট ইষ্ট পলিচী আৰু দক্ষিণ কোৰিয়াৰ ভূমিকা

## আন ৰাজ্যৰ দৰে অসমেও বাণিজ্যৰ সুযোগ লোৱাৰ এয়েই সময়

> দক্ষিণ কোৰিয়া বা আন পূব এছিয়াৰ দেশৰ লগত ভাৰতৰ সম্পৰ্কই অসমক নোচোৱে । কিন্তু দক্ষিণ কোৰিয়াৰ কোম্পানী তিনিটাই তামিলনাডু, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আদিত কাৰখানা স্থাপন কৰি সেই সেই ৰাজ্যৰ অৰ্থনীতিত অৰিহণা যোগোৱাৰ দৰে অসমেও তেনে দেশৰ পৰা ফৰেইন ডাইৰেক্ট ইনভেষ্টমেণ্ট আনিবলৈ চেষ্টা কৰি নিজৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে চেষ্টা কৰিব নোৱাৰে নে ?

**আমাৰ** দেশৰ সৰহ ভাগ লোকৰ বাবেই ছেমচাং, এল.জি., হুণ্ডাই আদি নাম অতি চিনাকী । ছেমচাং মোবাইল ফোনৰ নাম নুশুনা মানুহ নায়েই কিজানি। তেনেদৰে এল.জি. টেলিভিচন আৰু হুণ্ডাই চেনট্ৰো গাড়ীৰ নাম নুশুনা মানুহৰ সংখ্যাও কমেই হ’ব। আমাৰ দেশৰ মধ্যবিত্ত আৰু উচ্চ মধ্যবিত্ত শ্ৰেণীৰ লোকৰ মাজত উক্ত তিনিটা কোম্পানীৰ কমেও এটা কোম্পানীয়ে প্ৰস্তুত কৰা এপদ হ’লেও ‘গেজেট’ নথকা ঘৰ এখনো নোলাবয়েই কিজানি। এই তিনিটা কোম্পানী দক্ষিণ কোৰিয়াৰ কোম্পানী । সামগ্ৰীসমূহ কিনোতে বা ঘৰত ব্যৱহাৰ কৰোতে কোন দেশত প্ৰস্তুত কৰা সামগ্ৰী সেই বিষয়ে আমি ভাবি নাচাও যদিও এনে সামগ্ৰী কিনা-বেচা আৰু ব্যৱহাৰৰ মাজেদি কেনেবাকৈ ক’ব নোৱাৰাকৈয়েই দেশবোৰৰ মাজত পৰোক্ষভাৱে হ’লেও এক নেদেখা সম্পৰ্ক গঢ়ি উঠে ।




ভাৰতবৰ্ষ আৰু দক্ষিণ কোৰিয়াৰ মাজৰ সম্পৰ্ক বেচ পুৰণি । ১৯৬২ ত কনচুলাৰ (Consular) পৰ্যায়ৰ সম্পৰ্ক স্থাপনৰ পিছত দুয়োখন দেশৰ মাজৰ বাণিজ্যিক সম্পৰ্ক আৰম্ভ হৈছিল আৰু সময়ৰ অগ্ৰগতিৰ লগে লগে দুয়োখন দেশৰ মাজৰ কূটনৈতিক আৰু বাণিজ্যিক সম্পৰ্ক বৃদ্ধি পাই গৈ আছিল। ১৯৭৩ত সেই সম্পৰ্ক ৰাষ্ট্ৰদূত পৰ্যায়লৈ উন্নীত কৰা হৈছিল । ভাৰতবৰ্ষৰ ‘এক্ট ইষ্ট পলিচী’ৰ অধীনত গুৰুত্ব প্ৰদান কৰা দেশসমূহৰ ভিতৰত দক্ষিণ কোৰিয়াও এক কেন্দ্ৰ বিন্দু স্বৰূপ। ভাৰতত দক্ষিণ কোৰিয়াৰ বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰাৰ লক্ষ্যৰে ২০১৬ত দুয়োখন দেশে যুটীয়াভাৱে ‘কোৰিয়া প্লাছ’ নামৰ এক উদ্যোগ গ্ৰহণ কৰিছিল । ইয়াৰ ফলত ছেমচাং, হুণ্ডাই মটৰ্ছ আৰু এল.জি. ইলেক্ট্ৰনিক্সে ভাৰতত নতুনকৈ যথেষ্ট ধন বিনিয়োগ কৰিছে । কোৰিয়াতো মহেন্দ্ৰ এণ্ড মহেন্দ্ৰ, ষ্টেট বেংক অফ ইণ্ডিয়া, বেংক অব বৰোদা আদি ভাৰতীয় প্ৰতিষ্ঠানে যথেষ্ট ধন বিনিয়োগ কৰিছে ।

২০১৮ ৰ ন জুলাইত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছেমচাং ইলেকট্ৰনিক্সে উত্তৰ প্ৰদেশৰ নয়দাত স্থাপন কৰা পৃথিৱীৰ সৰ্ববৃহৎ মোবাইল ফোন প্ৰস্তুত কৰা কাৰখানাটো আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে । ১৯৯৬ তে নয়দাত আৰম্ভ কৰা কাৰখানাটো সম্প্ৰসাৰণ কৰি বৰ্তমান উদ্বোধন কৰা এই কাৰখানাটোত উৎপাদন আৰম্ভ হোৱাৰ লগে লগে নয়দাত ছেমচাঙৰ মোবাইল উৎপাদন ক্ষমতা বছৰি ৬৮ মিলিয়ন চেটৰ পৰা বৃদ্ধি হৈ ১২০ মিলিয়ন হৈছেগৈ। কোম্পানীটোৱে ‘মেক ফৰ দা ৱৰ্ল্ড’ নামৰ এক ইনিচিয়েতিভ বা আঁচনি গ্ৰহণ কৰি ভাৰতত প্ৰস্তুত কৰা মোবাইল সমূহ বিভিন্ন দেশলৈ ৰপ্তানি কৰাৰ পৰিকল্পনা কৰিছে । উল্লেখ্য যে কোম্পানীটোৱে ২০০৭ৰে পৰা ভাৰতত মোবাইল ফোন প্ৰস্তুত কৰি আহিছে। ২০১৭ত ছেমচাঙে নয়দাত মোবাইল ফোনৰ উৎপাদন ক্ষমতাৰ সম্প্ৰসাৰণৰ বাবে ৪,৯১৫ কোটি টকা বিনিয়োগ কৰাৰ পৰিকল্পনাৰ কথা ঘোষণা কৰিছিল। ভাৰত চৰকাৰৰ ‘মেক ইন ইণ্ডিয়া’ আঁচনিৰ অধীনত ছেমচাঙে ভাৰতত স্থাপন কৰা বিশ্বৰ সৰ্ব বৃহৎ মোবাইল ফোন উৎপাদন কৰা কাৰখানাটো ভাৰত- কোৰিয়াৰ মাজৰ সম্পৰ্কৰ এক গগনচুম্বী প্ৰতীক বুলি বিবেচিত হৈছে । ছেমচাং ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া এইচ.চি. হঙে ভাৰতক সৰ্ববৃহৎ মোবাইল ৰপ্তানি কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনাৰ কথা ঘোষণা কৰিছে। নয়দাৰ উপৰি চেন্নাইৰ ওচৰৰ শ্ৰীপেৰুম্বুদুৰ নামৰ ঠাইতো ছেমচাঙৰ মোবাইল ফোন প্ৰস্তুত কৰা কাৰখানা আছে । লগতে দেশখনত কোম্পানীটোৰ পাঁচটা গৱেষণা কেন্দ্ৰ আৰু এটা ডিজাইন চেণ্টাৰ আছে । লগতে আছে প্ৰায় ডেৰ লাখ ৰিটেইল আউটলেট আৰু ৩০০০ টা গ্ৰাহক সেৱা কেন্দ্ৰ।



## সোঁতৰ বিপৰীতে চিন্তা

**প্ৰবীণ চৌধুৰী**

দক্ষিণ কোৰিয়াৰ আন এটা বহুজাতিক আন্তৰ্জাতিক কোম্পানী হৈছে, এল.জি. ইলেকট্ৰনিক্স। কোম্পানীটোৱে টেলিভিচন, ৰিফ্ৰীজাৰেটৰ, ৱাছিং মেচিন, ভেকুৱাম ক্লীনাৰ, এয়াৰ কণ্ডিচনাৰ, হোম থিয়েটাৰ মিউজিক চিষ্টেম, কম্পিউটাৰ, কম্পিউটাৰ মনিটৰ, এল.চি.ডি প্ৰজেক্টৰ, ডিভিডি প্লেয়াৰ, মাইক্ৰোৱেভ অভেন আদি ঘৰত ব্যৱহাৰ কৰা অনেক গেজেট উৎপাদন কৰে । মহাৰাষ্ট্ৰৰ পুনে আৰু উত্তৰ প্ৰদেশৰ নয়দাত এল.জি-ৰ কাৰখানা আছে। ছেমচাং কোম্পানীয়েও মোবাইলৰ উপৰি টেলিভিচন, ৰিফ্ৰীজাৰেটৰ, ৱাছিং মেচিন, এয়াৰ কণ্ডিচনাৰ, মিউজিক চিষ্টেম, মাইক্ৰোৱেভ অভেন আদি অনেক গেজেট উৎপাদন কৰে ।

ভাৰতত উৎপাদন কাৰখানা থকা দক্ষিণ কোৰিয়াৰ আন এটা বৃহৎ কোম্পানী হৈছে হুণ্ডাই মটৰ্ছ। চেন্নাইৰ ওচৰত কোম্পানীটোৰ গাড়ী উৎপাদন কৰা দুটা কাৰখানা আছে । ১৯৯৬ত প্ৰথম কাৰখানা স্থাপন কৰাৰ পিছত ২০০৮ত দ্বিতীয়টো কাৰখানা স্থাপন কৰা হয়। আৰম্ভণিতে উৎপাদন ক্ষমতা আছিল বছৰি ৬০,০০০খন গাড়ী। সেই ক্ষমতা বৃদ্ধি হৈ এতিয়া বছৰি ৭,৪০,০০০ খন গাড়ী হৈছেগৈ ।

ভাৰতত দক্ষিণ কোৰিয়াৰ এই তিনিটা কোম্পানীৰ সবল উপস্থিতিৰ পৰা ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজত থকা অনুকুল বাণিজ্যিক সম্পৰ্কৰ বিষয়ে অনুমান কৰিব পৰা যায় ।

যোৱা ১১ জানুৱাৰী ২০২২ তাৰিখে দক্ষিণ কোৰিয়াৰ বাণিজ্য মন্ত্ৰী য়ো হান-কূ (Yeo Han-Koo) ভাৰতলৈ আহি আমাৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ূষ গোৱেলৰ স’তে নতুন দিল্লীত আলোচনাত মিলিত হয়। দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য আৰু বিনিয়োগক সামৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা অনুষ্ঠিত হয়। দুয়োখন দেশৰ মাজৰ বাণিজ্যৰ পৰিমাণ ২০৩০ত ৫০ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰা হয়। দুয়োখন দেশৰ মাজত ২০০৯-১০তে ‘কম্প্ৰেহেন্সিভ ইকনমিক পাৰ্টনাৰশ্বিপ এগ্ৰীমেণ্ট’ (CEPA) নামৰ চুক্তি এখন স্বাক্ষৰ কৰা হৈছিল। মন্ত্ৰীদ্বয়ৰ মাজত অনুষ্ঠিত হোৱা আলোচনাত সেইখনৰ অধীনত বাণিজ্য সমাপন কৰোঁতে সন্মুখীন হোৱা সমস্যাবোৰ দূৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে আৰু ইয়াক অধিক ফলপ্ৰসূ কৰাৰ নিমিত্তে ইয়াৰ সংশোধনৰ ওপৰতো আলোচনা কৰা হৈছে। সেইখনৰ অধীনত দুয়োখন দেশৰ মাজত হোৱা বাণিজ্যৰ পৰিমাণ আছিল ২০১৭-১৮ত ২০.৮ বিলিয়ন, ২০১৮-১৯ত ২১.৪ বিলিয়ন, ২০১৯-২০ত ২০.৫ বিলিয়ন আৰু ২০২০-২১ত ১৭.৪ বিলিয়ন ডলাৰ । ২০২০-২১ত ১৭.৪ বিলিয়ন ডলাৰৰ ভিতৰত ১২.৮ বিলিয়ন আছিল দক্ষিণ কোৰিয়াৰ পৰা কৰা আমদানি আৰু কেৱল ৪.৭ বিলিয়ন ডলাৰহে আছিল ভাৰতে কোৰিয়ালৈ কৰা ৰপ্তানিৰ পৰিমাণ। তীখা, ইঞ্জিনীয়াৰিং আৰু কৃষিজাত সামগ্ৰীৰ ৰপ্তানিৰ ক্ষেত্ৰত ভাৰতে পোৱা অসুবিধাৰ বিষয়ে কোৰিয়াৰ মন্ত্ৰীগৰাকীক অৱগত কৰোৱা হয়। গতিকে ভাৰতবৰ্ষই দক্ষিণ কোৰিয়ালৈ কৰা ৰপ্তানিৰ পৰিমাণ বৃদ্ধি কৰিবলৈ আৰু দক্ষিণ কোৰিয়াই ভাৰতত কৰা বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে নিয়ম নীতি সমূহত সংশোধন অনাৰ বিষয়েও আলোচনা কৰা হয় । দক্ষিণ কোৰিয়াৰ মন্ত্ৰীগৰাকীয়ে ‘ৰিজিওনেল কম্প্ৰেহেন্সিভ ইকনমিক পাৰ্টনাৰশ্বিপ’ (RCEP)ত ভাৰতক পুনৰ যোগদান কৰাৰ বাবে আহবান কৰিছে। উল্লেখ্য যে নৰেন্দ্ৰ মোদী চৰকাৰে ২০১৯ত চুক্তিখনৰ পৰা ওলাই আহিছিল। ভৱিষ্যতে দুয়োখন দেশৰ মাজত ফ্ৰী ট্ৰেড এগ্ৰীমেণ্ট এখন স্বাক্ষৰ কৰাৰ কথাও মন্ত্ৰীদ্বয়ৰ মাজৰ আলোচনাত ঠাই পাইছিল। এইবোৰ নিঃসন্দেহে ‘এক্ট ইষ্ট পলিচী’-ৰ অধীনত ভাৰতে দক্ষিণ কোৰিয়াৰ লগত কৰিব খোজা বাণিজ্য বৃদ্ধিৰ বাবে গ্ৰহণ কৰা পদক্ষেপ।

‘লুক ইষ্ট পলিচী’য়েই হওক অথবা ‘এক্ট ইষ্ট পলিচী’য়েই হওক, পূবলৈ চোৱা নীতিৰ কথা মনলৈ আহিলেই প্ৰথমে আমাৰ মনলৈ আহে স্থলভূমিৰে সংযোজিত প্ৰতিবেশী ৰাষ্ট্ৰ ম্যানমাৰলৈ। ম্যানমাৰৰ পূবে আৰু দক্ষিণ পূবে ক্ৰমে থাইলেণ্ড, লাওচ, কম্বোডিয়া, ভিয়েটনাম, মালয়েছিয়া আৰু চিংগাপুৰ। এই কেইখন ৰাষ্ট্ৰ ম্যানমাৰৰ স’তে ভূস্থলেৰে সংযোজিত। এই আটাইকেইখন ৰাষ্ট্ৰ ASEAN ( এছ’চিয়েচন অব চাউথ ইষ্ট এচিয়ান নেচনচ-ৰ সদস্য ৰাষ্ট্ৰ) ASEAN ৰ আন কেইখন সদস্য ৰাষ্ট্ৰ ইণ্ডোনেছিয়া, ফিলিপাইনচ আৰু ব্ৰুনেই আন কেইখন ASEAN ৰাষ্ট্ৰৰ লগত স্থলপথেৰে নহয়, জলপথেৰেহে সংযোজিত। অৱশ্যে মালয়েছিয়াৰ এটা অংশও জলপথেৰেহে সংযোজিত। আনহাতে টাৱাইন, উত্তৰ কোৰিয়া, দক্ষিণ কোৰিয়া, মংগোলীয়া, জাপান আৰু চীনদেশ পূব এছিয়াৰ দেশ। বৰ্তমান ভাৰতবৰ্ষই দক্ষিণ কোৰিয়াৰ স’তে মিতিৰালি বৃদ্ধি কৰাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে সেই দেশ প্ৰথমতে পূবলৈ চোৱা নীতিৰ অধীনত বাণিজ্য কৰিব খোজা ১০ খন দক্ষিণ পূব এছিয়াৰ দেশ অতিক্ৰমি যাব লগীয়া দেশ । তালৈ যাব পৰা সাগৰীয় জলপথ এটাই । সেইটো হৈছে দক্ষিণ চীন সাগৰীয় জলপথ । চীনদেশে দক্ষিণ চীন সাগৰৰ ওপৰত একচেটিয়া আধিপত্য বিস্তাৰ কৰিবলৈ চেষ্টা কৰি আছে । ইয়াকে লৈ দক্ষিণ চীন সাগৰৰ পাৰৰ দেশ ব্ৰুনেই, টাইৱান, ফিলিপাইনচ, মালয়েছিয়া, ইণ্ডোনেছিয়া, ভিয়েটনাম আদি দেশৰ লগত চীনদেশৰ সম্পৰ্ক অপ্ৰীতিকৰ হৈ পৰিছে । দক্ষিণ চীন সাগৰৰ পাৰৰ আন দেশ কেইখনে মাছ মৰা, পেট্ৰ’লিয়াম প্ৰাকৃতিক গেছ আদিৰ বাবে অন্বেষণ কৰাৰ অধিকাৰ বিচৰাৰ ফলতো চীনৰ লগত বিবাদ হৈছে। আনহাতে আমেৰিকা, ফ্ৰান্স, ইউ.কে. আদি আন পশ্চিমীয়া দেশ সমূহেও দক্ষিণ চীন সাগৰীয় পথেৰে তেওঁলোকৰ জাহাজ আদিৰ অবাধ গতি বিচাৰিছে । ভাৰতবৰ্ষইও একেদৰেই দক্ষিণ চীন সাগৰীয় জলপথেৰে বাধাহীন নেভিগেচন (Navigation) বিচাৰিছে । গতিকে এক্ট ইষ্ট পলিচীৰ অধীনত দক্ষিণ কোৰিয়া আদি দেশৰ লগত ভাৰতবৰ্ষই সম্পৰ্ক বৃদ্ধিৰ যি পদক্ষেপ গ্ৰহণ কৰিছে তাত বাণিজ্যিক সম্পৰ্কৰ লগতে দক্ষিণ চীন সাগৰত নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ উদ্দেশ্যও যে সন্নিবিষ্ট হৈ আছে সেই কথা সহজে অনুমেয়। উল্লেখ্য যে বিশ্বৰ সাগৰীয় জলপথেৰে কৰা বাণিজ্যৰ প্ৰায় এক তৃতীয়াংশ দক্ষিণ চীন সাগৰেৰে কৰা হয় ।

আপাতদৃষ্টিত দক্ষিণ কোৰিয়া বা আন পূব এছিয়াৰ দেশৰ লগত ভাৰতৰ সম্পৰ্কই অসমক নোচোৱে। কিন্তু দক্ষিণ কোৰিয়াৰ কোম্পানী তিনিটাই তামিলনাডু, মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ আদিত কাৰখানা স্থাপন কৰি সেই সেই ৰাজ্যৰ অৰ্থনীতিত অৰিহণা যোগোৱাৰ দৰে অসমেও তেনে দেশৰ পৰা ফৰেইন ডাইৰেক্ট ইনভেষ্টমেণ্ট আনিবলৈ চেষ্টা কৰি নিজৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে চেষ্টা কৰিব নোৱাৰে নে ? আপাত দৃষ্টিত এনেকুৱাও লাগে যেন ‘এক্ট ইষ্ট পলিচী’ৰ অধীনত অসম লাভবান হ’ব কেৱল স্থলভূখণ্ডেৰে সংযোজিত দেশ সমূহৰ স’তে হোৱা বাণিজ্যৰ পৰাহে। কিন্তু কি এই বাণিজ্য, য’ৰ পৰা অসম লাভবান হ’ব ? ভাৰতৰ মূল ভূখণ্ড আৰু এছিয়ান ৰাষ্ট্ৰসমূহৰ মাজত আমদানি ৰপ্তানি কৰা সামগ্ৰী সমূহৰ পৰিবহণ অসমৰ মাজেদি হ’লে অসমৰ অৰ্থনীতি কেনেদৰে উন্নত হ’ব সেই কথা কোনোবা অৰ্থনীতিবিদ অথবা চৰকাৰৰ সদায় দোষ আঙুলিয়াই দিয়া বুদ্ধিজীৱীয়ে দেখুৱাই দিব নে ? অসমৰ বিজেপি নেতৃত্বাধীন প্ৰথমখন চৰকাৰৰ আমোলত আয়োজন কৰা ‘এডভাণ্টেজ আছাম সন্মিলন’ৰ আৰ্হিত কেৱল এছিয়ান ৰাষ্ট্ৰসমূহক লক্ষ্য কৰি এখন সন্মিলনৰ আয়োজন কৰিব নোৱাৰিনে ? অসম চৰকাৰে ‘এক্ট ইষ্ট পলিচী ডিপাৰ্টমেণ্ট’ নামৰ বিভাগ এটা খুলিছে । মই জনাত বিভাগটোৱে চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰ, ভূটান আৰু বাংলাদেশৰ লগত পথ সংযোগ কৰাৰ বাবে অসমৰ মাজেৰে যোৱা পথসমূহ নিৰ্মাণ তথা উন্নত কৰাৰ বিষয়তে নিজকে আবদ্ধ কৰি ৰাখিছে । এইবোৰে অসমৰ আন্তঃগাঁথনি উন্নত কৰি পলিচীখন ৰূপায়ণ কৰাৰ পথ প্ৰশস্ত কৰিব ঠিকেই; কিন্তু আমদানি-ৰপ্তানি, বিদেশী পুঁজিৰ বিনিয়োগেৰে অসমত উদ্যোগ স্থাপন আদিৰ পথ প্ৰশস্ত নকৰে । বিভাগটোৱে অসমলৈ বিদেশী পুঁজিৰ বিনিয়োগৰ বাবে বিদেশী কোম্পানীক আকৰ্ষণ কৰিব পৰাকৈ আৰু থলুৱা উদ্যোগীয়ে আমদানি-ৰপ্তানি, পৰ্যটন আদি খণ্ডত ব্যৱসায় বাণিজ্য স্থাপন কৰিব পৰাকৈ Specifc আঁচনি প্ৰস্তুত আৰু পদক্ষেপ গ্ৰহণ কৰিলেহে পলিচীখনৰ অধীনত অসম লাভবান হোৱাৰ পথ প্ৰশস্ত হ’ব । ‘এক্ট ইষ্ট পলিচী’ৰ অধীনত লাভবান হ’বলৈ অসমে কি কি দিশত আৰু কেনেদৰে নিজকে প্ৰস্তুত কৰিব লাগিব সেই বিষয়ে চিন্তা চৰ্চা কৰি গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সমূহৰ চিনাক্তকৰণ আৰু প্ৰকল্পকৰণৰ বাবে বোধহয় এয়েই উপযুক্ত সময় । দক্ষিণ কোৰিয়াৰ লগত ২০৩০ৰ ভিতৰত ৫০ বিলিয়ন ডলাৰলৈ বাণিজ্য বৃদ্ধি কৰাৰ যি লক্ষ্য ধাৰ্য্য কৰা হৈছে তাৰ কিছু অংশ অসমলৈ কেনেকৈ আনিব পৰা যায় সেই কথাও চিন্তা কৰিব লাগে ।


*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# আইৰ সমান হ’ব কোন, নৈৰ সমান বব কোন ?

## মাতৃক অকালতে হেৰুওৱাৰ শূন্যতা কোনো সম্পৰ্কই পূৰ্ণ কৰিব নোৱাৰে

**বিশ্বব্ৰহ্মাণ্ডত** মানৱীয় সম্পৰ্কৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টিয়েই হ’ল মাতৃ আৰু সন্তানৰ সৰগীয় সম্বন্ধ। জীৱনৰ আৰম্ভণিতে এটি ফুলকুমলীয়া শিশুৰ মুখত ফুটা প্ৰথম মাতষাৰেই হ’ল ‘মা’। এই মাতষাৰ শুনিবলৈ প্ৰতিগৰাকী জননীয়ে অধীৰ আগ্ৰহেৰে বাট চাই থাকে। কি যে এক অমিয়া সৰগীয় অনুভূতিৰে গঁথা আছে এই পবিত্ৰ বান্ধোনৰ মিঠা মাদকতা। জীৱন বাটৰ প্ৰতিটো খোজতেই ‘মা’ এনে এটি শব্দ যাৰ কোনো আদি অন্ত নাই। ‘মা’ এনেকুৱা এগৰাকী মহিমাময়ী নাৰী যিগৰাকী নাৰীৰ মহত্ত্বই সকলোৰে জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সন্তান যিমানেই ডাঙৰ নহওক মাতৃৰ চকুত সদায়েই এটি অবুজ শিশুৰ দৰে, সন্তানৰ অন্তৰআত্মাত নিহিত হৈ থকা প্ৰতিটো মুহূৰ্তৰ সুখ-দুখৰ প্ৰতিফলন মাতৃগৰাকীৰ চকুত স্পষ্টকৈয়ে ধৰা পৰে। শিশু এটাৰ মাত ফুটা-নুফুটা দিনৰে পৰাই সংকেতত প্ৰকাশ কৰিব বিচৰা মনৰ ভাৱো কেৱল মাত্ৰ মাতৃ গৰাকীয়ে অনায়াসে অনুধাৱন কৰিব পাৰে। এটি শিশুৰ মানসিক, শাৰীৰিক উৎকৰ্ষ সাধনত মাতৃ গৰাকীৰ মহিমা তুলনাবিহীন। জীৱনৰ প্ৰথম শিক্ষক ৰূপত পৰিগণিত হয় মাতৃ গৰাকী। নিস্বাৰ্থ মাতৃত্বৰ উমাল মৰম-চেনেহৰ আচলত জীৱনজুৰি বৈ থাকে মাথোঁ শীতল ছায়াৰ লগতে বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত প্ৰাপ্তি। ‘মা’ৰ কোলা মানেই যেন ক্লান্ত ভাগৰুৱা জনৰ নিৰাপত্তাৰ নিৰাপদ আশ্ৰয়ৰ স্থল। এই সংহাৰত নিজে লঘোণে ভোকে থাকি সন্তানৰ ভোক নিবাৰণ কৰিব পাৰে কেৱল মাত্ৰ জন্মদাত্ৰী জননীয়ে। মাৰ স্পৰ্শ মাৰ সান্নিধ্যত জীৱনৰ সমস্ত বোজা যেন নিমিষতে লাঘৱ হয়। এগৰাকী নাৰীৰ ক্ষেত্ৰত সন্তানতকৈ উৰ্ধত কোনো হ’ব নোৱাৰে, আদৰৰ সন্তানৰ উজ্জ্বল ভৱিষ্যতৰ তুলনাত পৃথিৱীৰ সকলো সুখেই অৰ্থহীন।

‘মা’ শব্দৰ পৰা অকালতে বিতাড়িত হোৱা দুৰ্ভগীয়া সন্তানসকলে অনুভৱ কৰে এই শূন্যতাৰ যন্ত্ৰণা কিমান বেদনাদায়ক। আই মাতৃক অকালতে হেৰুওৱাৰ শূন্যতা কোনো সম্পৰ্কই পূৰ্ণ কৰিব নোৱাৰে। মাতৃহাৰা সন্তানৰ যন্ত্ৰণাৰ তীব্ৰতা মাথোঁ ভুক্তভোগীজনেহে উপলব্ধি কৰিব পাৰে। মাতৃৰ অপত্য স্নেহৰ অত্যাধিক আদৰৰ বাবেই হওক সন্তানসকলে সৰু সৰু কথাতে ঠেহ পাতি জেদ অভিমান কৰাটো এটা নিত্যনৈমিত্তিক নিয়ম। কিন্তু সীমা অতিক্ৰম কৰি মাতৃৰ চকুপানীৰ কাৰণ হোৱাটোও গ্ৰহণযোগ্য হ’ব নোৱাৰে। নিয়তিৰ ওচৰত হাৰ মানি হঠাতে মাতৃ গৰাকীয়ে যেতিয়া চিৰদিনৰ বাবে বিদায় মাগে তেতিয়া সেই সন্তানৰ সন্মুখত খন্তেকৰ বাবে পৃথিৱীখনেই আন্ধাৰ হৈ পৰে। হেৰুওৱাৰ পাছতহে অনুভৱ কৰা হয় মা শব্দৰ গভীৰ গূঢ়াৰ্থ। মানুহ পৰিস্থিতিৰ দাস, পোৱা-নোপোৱাৰ চিৰন্তন নিয়ম মানি সময়ৰ স’তে সহবাস কৰি আমি আগুৱাই যাবই লাগিব। জীৱনৰ গতিশীলতাই সকলোকে সময়ৰ স’তে আগুৱাই যোৱাৰ জ্ঞান দিয়ে। ভবাৰ দৰেই জীৱন যিদৰে সহজ নহয়, একেদৰেই ইমান দিঘলীয়াও নহয়। বয়সৰ কোনো সীমাৰেখা নাই কোন সময়ত উশাহৰ মৰণ হ’ব কোনেও নাজানে। এটি শিশু জন্ম গ্ৰহণ কৰাৰ মুহূৰ্তৰ পৰায়ে পৰিয়ালৰ লোকসকলৰ সহযোগিতাত মাতৃগৰাকীৰ পৰিচৰ্যাত দোপতদোপে ভৱিষ্যতৰ দিশত আগবাঢ়ি ক্ৰমান্বয়ে জীৱনৰ কঠিন শিলত নানান অভিজ্ঞতাৰে অভিজ্ঞ হৈ বিভিন্ন স্তৰ অতিক্ৰম কৰি এজন প্ৰাপ্ত বয়স্ক ব্যক্তিৰ ৰূপত পৰিগণিত হয়। শিশু এটি পূৰ্ণাংগ ৰূপত গঢ় দিয়াৰ ক্ষেত্ৰত এগৰাকী মাতৃৰ অতুলনীয় অৱদান থাকে। দিনক ৰাতি কৰি, ৰাতিক দিন কৰি শিশু কালৰ প্ৰতিটো ক্ষণ বুকুৰ উমত সাবটি আলফুলে শিশুটিৰ পৰিচৰ্যাত ব্যস্ত হৈ থকা মাতৃগৰাকী কাহানিও ভাগৰি নপৰে। আজিৰ দিনত সীমিত পৰিয়ালৰ সুবিধা অনুসৰি প্ৰায়বোৰ পৰিয়ালৰ সদস্যৰ সংখ্যা স্বাভাৱিকতে কম। কিছু বছৰৰ আগলৈকে এটা পৰিয়ালত কে’বাটিও সন্তান থকাৰ পিছতো মাতৃ গৰাকীয়ে প্ৰতিটো সন্তানকে সমানে পৰিচৰ্যা কৰাৰ লগতে মৰম-চেনেহৰ আচলেৰে আৱৰি ৰাখিছিল। পৃথিৱীৰ সকলো সম্পৰ্ক কৃত্ৰিমতাৰ ধামখুমীয়াত শিথিল হৈ পৰিলেও মাতৃৰ মৰম কেতিয়াও ম্লান হ’ব নোৱাৰে। দিন যিমানেই পৰিৱৰ্তনৰ ঢৌত উটি-ভাহি নাযাওক মহিমাময়ী মাতৃত্বৰ স্নেহ বিজড়িত মমতা সন্তানৰ প্ৰতি কোনো কালেই সলনি নহয়, বৰঞ্চ সময়ৰ গতিত এই সম্পৰ্ক অধিক গভীৰৰ পৰা গভীৰতৰ হৈ পৰে।



## অৱলোকন

**চাইৰা ইছলাম বড়া**

জননীৰ নিৰ্ভেজাল চেনেহৰ প্ৰাসংগিকতালৈ লক্ষ্য ৰাখি ল’ৰালিতে আইতাৰ মুখত শুনা এটি সাধুকথালৈ মনত পৰে---- কোনোবা এজন কুলাংগাৰ সন্তানে মাতৃৰ ওপৰত অসন্তুষ্ট হৈ গভীৰ অৰণ্যৰ মাজত অকলশৰে গভীৰ নিশাৰ অন্ধকাৰত আই মাতৃক অকলশৰে এৰি থৈ উভতি অহাৰ সময়ত অহা প্ৰৱল ধুমুহা-বৰষুণ জাকত পৰি সন্তানটিৰ একো অপায়-অমংগল নহ’বলৈ দুৰ্ভগীয়া মাতৃ গৰাকীয়ে ভগৱানক কাতৰ প্ৰাৰ্থনা কৰাৰ কাহিনীটোৱে আজিও হৃদয় কঁপাই তোলে। এয়া মাত্ৰ মাতৃৰ অপত্য স্নেহৰ এটি সাধাৰণ উদাহৰণহে। প্ৰয়োজনৰ খাতিৰত সন্তানৰ সুখৰ বাবে নিজৰ সুখ-শান্তি বিসৰ্জন দিবলৈ কোনো মাতৃয়ে কুণ্ঠাবোধ নকৰে। সন্তানৰ নিৰাপত্তাৰ বাবে এগৰাকী মাতৃ বাঘিনীৰ দৰে, সন্তানৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা সকলক কেতিয়াও ক্ষমা নকৰে। নিঃসন্দেহে সময়ৰ কুটিল ক্ষণত আপোন পৰিয়ালৰ পৰা বিতাৰিত হৈ বৰ্তমানেও বৃদ্ধাশ্ৰমত থকা প্ৰতি গৰাকী মাতৃয়ে অন্তঃকৰণেৰে অবুজন সন্তানসকলৰ মংগল কামনা কৰে। পৃথিৱীৰ কোনো এগৰাকী মাতৃয়ে নিবিচাৰে তেওঁৰ বাবে সন্তানৰ সুখৰ সংসাৰত বিপৰ্যয় নামি অহাটো। সেয়ে কুটিল সময়ৰ আহ্বানত নিজে গঢ়ি তোলা আপোন ঘৰখন এৰি বৃদ্ধাশ্ৰমকে জীৱনৰ শেষ আশ্ৰয় হিচাপে আদৰি লবলৈ বাধ্য হৈ পৰে। গতিশীল সময়ৰ নানান উত্থান-পতনৰ মাজেদি জীৱনে গতি লয়। বৰ্তমান এই কথা অপ্ৰিয় হ’লেও সত্য যে পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত অধিক লোভৰ বশৱৰ্তী হৈ ধন, সম্পত্তি, মাটি-বাৰীৰ লালসাত নতুবা পৰিয়াল কেন্দ্ৰিক সংঘাতৰ বাবেই হওক অতি ঘনিষ্ঠ সম্পৰ্কবোৰৰ মাজতো অতি পুতৌজনকভাৱে দূৰত্ব বাঢ়িছে; কিন্তু এই ক্ষেত্ৰত এগৰাকী মাতৃৰ মমতা নিজৰ সংহতিত অটল থাকে। কোনো অপশক্তিয়ে সন্তান আৰু মাতৃৰ মাজৰ সম্পৰ্কত বাধা প্ৰদান কৰিব নোৱাৰে। শতযোজন আঁতৰত থাকিলেও মাতৃৰ আচলৰ নিৰাপত্তাই সন্তানক আৱৰি ৰাখি যিকোনো বিপদৰ পৰা উদ্ধাৰ কৰে। এই ক্ষেত্ৰত ময়ো সৌভাগ্যশালী যে জীৱনৰ বহু উত্থান-পতনৰ পাছতো মোৰ মা আজিও ছায়াৰ দৰে মোৰ কাষতে আছে। দিনটোৰ চৌব্বিশ ঘন্টাৰ ভিতৰত বহুবাৰ টেলিফোনক বাৰ্তালাপত কুশল কামনা কৰি প্ৰতিটো সময়ৰ কৰ্ম পন্থা জানিবলৈ তেওঁ উদগ্ৰীৱ হৈ থাকে। কেতিয়াবা সঘনাই অহা ফোনটোৱে মোক বিমোৰত পেলাই অলপ টানকৈয়ে কৈ দিওঁ---- দিনটোত দুবাৰমান ফোন কৰিলেই হয়চোন, তথাপি মা নাচোৰ-বান্দা। পুনৰ কেইটামান মুহূৰ্তৰ পিছতেই মাৰ ফোন বাজি উঠে। এয়াই হয়তো স্নেহময়ী মাতৃৰ নিৰ্ভেজাল হৃদয়ৰ অকৃত্ৰিম মৰম, য’ত কোনো স্বাৰ্থবিজড়িত অভিনয়ৰ ৰহণ সনা নাথাকে। এই অপত্য মৰম স্নেহৰ বান্ধোনক কোনো সংখ্যাৰ বিনিময়ত বেচা-কিনা বা দৰদাম কৰিব নোৱাৰি।

এগৰাকী মাতৃৰ বিশাল হৃদয়ৰ বাবে তেওঁৰ প্ৰতিটো সন্তানেই শ্ৰেষ্ঠ সন্তান। অতি গৌৰৱৰ কথা যে এগৰাকী মাতৃৰ কাষত একে সময়তে বহুজন সন্তান থকাৰ পিছতো কোনো কাৰণতে তেওঁলোকৰ প্ৰতি মৰম-চেনেহৰ লগতে পৰিচৰ্যা বা আশ্ৰয়ৰ অভাৱ নহয়, সকলোকে সমভাৱাপন্ন দৃষ্টিৰে আদৰি থাকে। তেনেস্থলত বৰ্তমান সভ্য সমাজত অতি পৰিতাপৰ কথা যে ধন জনেৰে উপযুক্ত দহজন সন্তানৰ কাষতো এগৰাকী জন্মদাত্ৰী আইমাতৃ নিৰাপত্তাহীনতাত ভুগিবলগীয়া হয়। দৃষ্টিকটুভাৱে বৰ্তমান সঘনাই ঘটি অহা মাতৃ নিৰ্যাতনৰ অসহনীয় ঘটনাবোৰে এচাম নিৰ্দয় স্বাৰ্থান্বেষী সন্তানৰ এখন বৰ্বৰ নিষ্ঠুৰ সমাজৰ প্ৰতিচ্ছবি স্পষ্টকৈ দাঙি ধৰে। আমাৰ অনুভৱ হয় পৰিৱৰ্তনৰ অধিক ধামখুমীয়াত পৰি কোনোবাখিনিত জ্যেষ্ঠ সকলৰ প্ৰতি থকা পূৰ্বৰ মান-সন্মান, ভয়- ভক্তি, নমনীয়তাৰ আচৰণবোৰ যেন পুতৌজনক ভাৱে হ্ৰাস পাইছে। নিজকে সৰ্বজ্ঞানী দেখুওৱা এচাম উশৃংখল অসহিষ্ণু লোকৰ মাজত নিভাঁজ মৰম- চেনেহৰ বান্ধোনবোৰ পুতৌজনকভাৱে লাঘৱ হৈ পৰা পৰিলক্ষিত হয়। এইখিনিতে এষাৰ মহৎ উক্তি মনলৈ আহিছে ‘পুত্ৰক চিনি পাবা বিয়াৰ পিছত।’ এই কথাষাৰৰ তাৎপৰ্য বৰ্তমান সময়ত খুবেই প্ৰাসংগিক হৈ পৰিছে। মাতৃৰ ছত্ৰছায়াত থাকি সমাজত সুপ্ৰতিষ্ঠিত হোৱা বহুজন মতলবী পুত্ৰই বিবাহপাশত আৱদ্ধ হৈ মাতৃক বোজা স্বৰূপ জ্ঞান কৰা বৰ্তমান সময়ত অতি সহজলভ্য দৃশ্য। বহু ক্ষেত্ৰত দৃষ্টিকটু- ভাৱে পৰিলক্ষিত হয় তথাকথিত অভিজাত পৰিয়ালৰ সেইসকল ভণ্ড লোকৰ ঘৰত ষ্টেটাছ ছিম্বল হিচাপে ৰখা পোহনীয়া কুকুৰটোতকৈও যেন আই মাতৃৰ গুৰুত্ব মূল্যহীন হৈ পৰে। অসহায় বিধৱা মাতৃ গৰাকীক বৃদ্ধাশ্ৰমত ৰাখি নিজ পৰিয়ালৰ স’তে আৰামদায়ক জীৱন নিৰ্বাহ কৰা এচাম ধুৰন্ধৰ মতলবী পুত্ৰৰ কাষত শত গৰাকী দুৰ্ভগীয়া মাতৃ লাঞ্চনাৰ সন্মুখীন হৈয়েই আছে। সেইসকল নিৰ্দয় সন্তানৰ বোধগম্য হোৱা উচিত যে মৃত্যুৰ অন্তিম মুহূৰ্তটো কোনো মাতৃয়ে বৰ্বৰোচিত সন্তানৰ অত্যাচাৰৰ কথা কৈ নিজৰ গৰ্ভক অপমানিত কৰিব নিবিচাৰে। জন্মদাত্ৰী পিতৃ-মাতৃৰ সপোন বাস্তৱায়িত কৰাটো প্ৰতিজন সুসন্তানৰ নৈতিক দায়িত্ব।

*ফোন ঃ ৯১০১৫১৭৮৪৭*



দৈনিক অগ্ৰদূত



# পেন্সিল আৰু কলমৰ ইতিহাস বিচাৰি

অনিতা গোস্বামী

প্ৰকৃততে কেতিয়াৰ পৰা পেন্সিলৰ ব্যৱহাৰ আৰম্ভ হৈছে তাৰ সঠিক তথ্য অজানা। তথাপিতো অনুমান কৰা হয় প্ৰথম ইয়াৰ ব্যৱহাৰ কৰিছিল ৰোমানসকলে। কিন্তু তেওঁলোকে ব্যৱহাৰ কৰা পেন্সিল বৰ্তমানৰ দৰে কিন্তু নাছিল। চিত্ৰকৰসকলে ৰং কৰিবৰ বাবে যেনেকৈ তুলি ব্যৱহাৰ কৰে, ঠিক তেনেদৰে ৰোমানসকলে প্যাপিৰাচত লিখালিখি কৰিবৰ কাৰণে এক ধৰণৰ পেন্সিল ব্যৱহাৰ কৰিছিল। প্যাপিৰাচক সেইসময়ত কাগজ বোলা হৈছিল। প্যাপিৰাচ নামৰ এবিধ বিশেষ গছৰ বাকলি শুকুৱাই লৈ তাৰ ওপৰত ৰোমানসকলে লিখালিখিৰ কাম কৰিছিল। আৰু এই পেন্সিল শব্দতো আহিছে লেটিন শব্দ 'পেনিচিলিয়াচ'ৰ পৰা। পেনিচিলিয়াচ শব্দৰ অৰ্থ হ'ল 'সৰু নেজ'।

**বৰ্তমান** সমগ্ৰ বিশ্বতে পেন্সিলৰ বহুল প্ৰয়োজন। বিশেষকৈ ছবি অঁকা কামত ইয়াক ব্যৱহাৰ কৰা হয়। তদুপৰি কাপোৰেৰে ছাৰ্ট, পেণ্ট, ব্লাউজ আদি যিকোনো চিলাই কৰোতে আৰু কাঠেৰে কোনো বস্তু নিৰ্মাণ কৰোতে জোখ-মাফ লোৱা কামত ইয়াক ব্যৱহাৰ কৰা হয়। কিন্তু এই পেন্সিল আহিল কেনেকৈ? কেনেকৈ আৰু কেতিয়া ইয়াৰ সৃষ্টি হ'ল?

প্ৰকৃততে কেতিয়াৰ পৰা পেন্সিলৰ ব্যৱহাৰ আৰম্ভ হৈছে তাৰ সঠিক তথ্য অজানা। তথাপিতো অনুমান কৰা হয় প্ৰথম ইয়াৰ ব্যৱহাৰ কৰিছিল ৰোমানসকলে। কিন্তু তেওঁলোকে ব্যৱহাৰ কৰা পেন্সিল বৰ্তমানৰ দৰে কিন্তু নাছিল। চিত্ৰকৰসকলে ৰং কৰিবৰ বাবে যেনেকৈ তুলি ব্যৱহাৰ কৰে, ঠিক তেনেদৰে ৰোমানসকলে প্যাপিৰাচত লিখালিখি কৰিবৰ কাৰণে এক ধৰণৰ পেন্সিল ব্যৱহাৰ কৰিছিল। প্যাপিৰাচক সেইসময়ত কাগজ বোলা হৈছিল। প্যাপিৰাচ নামৰ এবিধ বিশেষ গছৰ বাকলি শুকুৱাই লৈ তাৰ ওপৰত ৰোমানসকলে লিখালিখিৰ কাম কৰিছিল। আৰু এই পেন্সিল শব্দতো আহিছে লেটিন শব্দ 'পেনিচিলিয়াচ'ৰ পৰা। পেনিচিলিয়াচ শব্দৰ অৰ্থ হ'ল 'সৰু নেজ'।

স্বাভাৱিকতে প্ৰশ্ন উঠে বৰ্তমানৰ পেন্সিল আহিল কেনেকৈ? কেনেকৈ ই আহি বৰ্তমানৰ ৰূপ পালে? এই প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱা হৈছে, প্ৰায় ১৫০০ৰ সময়ত ইংলণ্ডৰ বোৰোডেন নামৰ ঠাইত গ্ৰাফাইটৰ এটি খনি পোৱা গৈছিল। বিশাল পৰিসৰৰ আছিল এই খনি। কিন্তু মানুহে তেতিয়াও জনা নাছিল এই গ্ৰাফাইটেৰে কি কাম কৰা যায়। ইয়াক কি কামত ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে তেওঁলোক সম্পূৰ্ণ অজ্ঞ আছিল। কিন্তু তেওঁলোকে এই কথা ঠিকেই বুজি উঠিছিল যে এই বস্তুটোৰ সহায়ত সুন্দৰ দাগ দিব পৰা যায়। গতিকে তেওঁলোকে জাহাজত চিহ্ন দিবৰ কাৰণে গ্ৰাফাইটৰ ব্যৱহাৰ আৰম্ভ কৰিলে। এনেদৰেই প্ৰথম গ্ৰাফাইটৰ দ্বাৰা লিখালিখি আৰম্ভ হয়। বৰ্তমান পেন্সিৰ যি শাহ থাকে, সেয়াই হ'ল গ্ৰাফাইট।

ইয়াৰ পাছৰে পৰা ক্ৰমশঃ গ্ৰাফাইটৰ ব্যৱহাৰ বাঢ়ি যায়। প্ৰথমতে পেন্সিল হিচাপে গ্ৰাফাইটক ব্যৱহাৰ কৰিবলৈ লয় ইংলণ্ডবাসীয়ে। খনিৰ পৰা গ্ৰাফাইট বাহিৰ কৰি সেইবোৰ কাটি কাটি পেন্সিল হিচাপে ব্যৱহাৰ কৰা হৈছিল। সেই সময়ত গ্ৰাফাইট পৃথক কৰি উলিয়াবলৈ হ'লে প্ৰথমতে গুৰি কৰি লোৱা হৈছিল। কিন্তু এই গুৰিবোৰ পেন্সিল হিচাপে ব্যৱহাৰ কৰিব যে কোনোমতেই নোৱাৰি। তেতিয়াই গ্ৰাফাইটৰ গুৰিবোৰ পুনৰ কঠিন গ্ৰাফাইটত পৰিণত কৰি পেন্সিল বনোৱা কাম আৰম্ভ হয়। এই কাম প্ৰথম আৰম্ভ হয় ন্যুৰেমবাৰ্গত।

আকৌ বৰ্তমানৰ পেন্সিলততো গ্ৰাফাইটৰ শাহটো ৰং-বিৰঙৰ কাঠেৰে মেৰিওৱা থাকে। পেন্সিলৰ এই নতুন ৰূপ প্ৰদান কৰে ইটালিৰ এহাল দম্পতীয়ে। তেওঁলোকৰ নাম হ'ল চিমোনিয়ো বাৰ্ণাবোত্তি আৰু নিন্দিয়ানা বাৰ্ণাবোত্তি। তেওঁলোকে কাঠৰ দুটা টুকুৰাৰ মাজত গ্ৰাফাইট ভৰাই টুকুৰা দুটাত আঠা লগাই প্ৰথম পেন্সিল তৈয়াৰ কৰে। বৰ্তমানো পেন্সিল তেনে পদ্ধতিৰে নিৰ্মাণ কৰা হয়। অৱশ্যে সেই সময়ৰ তুলনাত এতিয়া প্ৰযুক্তি বহুতো উন্নত। বৰ্তমান পেন্সিলত মূৰত ৰবৰ সংযুক্ত কৰি নতুন কৃতিত্ব অৰ্জন কৰে হেইমেন নিপম্যান নামৰ এজন ব্যক্তিয়ে। পাছত অৱশ্যে বিশেষ দামত এই পেটেণ্ট তেওঁ বিক্ৰী কৰি দিয়ে জোচেফ ৰেকেলডৰফাৰ নামৰ এজন ব্যক্তিৰ হাতত। কিন্তু বিখ্যাত পেন্সিল নিৰ্মাতা কোম্পানী ফেবাৰ ব্যাচ নৰ মতে এটা সময়ত পেটেণ্টলৈ মনোমালিন্য হয় জোচেফৰ। অৱশেষত আদালতৰ ৰায় মতে এই পেটেণ্ট অবৈধ ঘোষিত হয়। ফলস্বৰূপে যিকোনোৱে ৰাবাৰ লগোৱা পেন্সিল তৈয়াৰৰ অনুমতি পায়।

মানুহে লিখালিখি কৰিবৰ কাৰণে নিতান্তই প্ৰয়োজন কলমৰ। কিছুমান মানুহে বিভিন্ন কলমেৰে লিখি ভাল পায়। কিছুমানে আকৌ হৰেক ৰকমৰ কলম সংগ্ৰহ কৰি ভাল পায়। আন কিছুমানে আকৌ বিভিন্ন কলম কিনে আনক উপহাৰ দিবলৈ। মুঠৰ ওপৰত সকলোৰে ওচৰত কম বেছি পৰিমাণে প্ৰয়োজনীয় আৰু প্ৰিয়।



কলম শব্দতো আহিছে আৰবী শব্দ কলম্বৰ পৰা। অৰ্থাৎ শৰ, নৰ, নল। মুছলমানসকলৰ ৰাজত্ব কালত প্ৰথমতে আদালতত কলম শব্দটো প্ৰচলিত হয়। পৰৱৰ্তী কালত কথ্য ভাষাতো এই শব্দৰ প্ৰচলন হ'বলৈ ধৰে। আদিতে সকলো ধৰণৰ কলমেই আছিল নলিকা বিশেষ। ইয়াৰ আগৰ নাম খাগড়া কলম। নল বা খাগড়া কলমৰ পাছত আহিছে চৰাইৰ পাখিৰ কলম। এনেদৰে কলমে বিভিন্ন সময়ত পৰিৱৰ্তিত হৈ হৈ আহি বৰ্তমানৰ অৱস্থা পাইছে।

কলমৰ ইংৰাজী প্ৰতিশব্দ হ'ল পেন। কলম-চিন্তাশীল, সৃষ্টিকামীসকলৰ ইমানেই প্ৰিয় যে ইয়াক হেৰুৱালে মৰ্মান্তিক বেদনা পায়। অথচ যিমানেই সাৱধানে নাথাকক কিয়, প্ৰায় সকলোৱে ইয়াক হেৰুওৱাৰ পৰা অব্যাহতি নাপায়। কবিগুৰু ৰবীন্দ্ৰ— নাথেও কৈছে—

'পেনগুলি আমাৰ হাতৰ মুঠি ৰইলনা।

সেই যে আমাৰ নানা ৰঙৰ পেনগুলি।

মোৰ আঙুলিৰ চাপ যে তাৰা মইলনা।

সেই যে আমাৰ নানাৰঙৰ পেনগুলি।'

সকলোতকৈ মূল্যৱান কলম ঃ

সাধাৰণতে বিভিন্ন ডিজাইনৰ আৰু ভিন ভিন মূল্যৰ হৰেক ৰকমৰ কলম দেখিবলৈ পোৱা যায়। লণ্ডনৰ হিথৰো বিমান বন্দৰত 'টাৰ্মিনাল দুই-তিনি পেন চপ' নামৰ এখন ফাউণ্টেন পেনৰ দোকান আছে। তাত দেশী-বিদেশী বহুতো কলম দেখিবলৈ পোৱা যায়। এই সকলোবোৰ কলমৰ ভিতৰত সকলোতকৈ মূল্যৱান কলমটোৰ দাম ৮২০০ৰ মাৰ্কিন ডলাৰ বা ৩৫ লাখ টকা। কলমটো হ'ল বিখ্যাত ম'কা কোম্পানীৰ। সম্পূৰ্ণ সোণেৰে নিৰ্মিত এই কলমটোত আছে ৪,৮১০টা সৰু সৰু মূল্যৱান হীৰা।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

# বিলুপ্তিৰ পথত অসমৰ তাহানিৰ খেল-ধেমালিবোৰ

ঘনশ্যাম দাস



**সমগ্ৰ** বিশ্বৰ সকলো জাতি-জনগোষ্ঠীৰ বিভিন্ন ধৰণৰ খেল-ধেমালি যুগ যুগ ধৰি প্ৰচলিত হৈ আহিছে। কিন্তু বিজ্ঞান-প্ৰযুক্তি ক্ৰমবিকাশৰ লগে লগে মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্তন হোৱাৰ ফলত খেল-ধেমালিৰ ক্ষেত্ৰত থকা মানুহৰ ধ্যান-ধাৰণাৰো পূৰ্বৰ তুলনাত অধিকাংশই সলনি হোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে, একোজন ব্যক্তিৰ সুস্থ-সবল তথা নিৰোগী মন-শৰীৰেহে একোটা সুস্থ-সবল আৰু সমৃদ্ধিশালী জাতি-সমাজ গঢ়ি তুলিব পাৰে। এনে মনোভাৱ এতিয়াৰ নহয়, তাহানিৰে পৰা মানুহে উপলব্ধি কৰি আহিছে। সেয়েহে এক সুস্থ আৰু মনৰ প্ৰত্যাশা কৰিয়ে অতীততেই খেল-ধেমালিৰ প্ৰতি মানুহে আকৰ্ষিত হৈ পৰিছিল বুলি জনা যায়। কিন্তু বৰ্তমানৰ দৰে অতীতত ক্ৰিকেট, ফুটবল আদি খেলসমূহে মানৰ জীৱনত অধিক প্ৰভাৱ পেলাব পৰা নাছিল বুলি এচাম বিজ্ঞ লোকে মত পোষণ কৰে। অৱশ্যে সেই খেলসমূহৰ আদিমৰূপে সমাজ জীৱনক উৎসাহিত আৰু আনন্দিত কৰিছিল বুলি তেওঁলোকে কয়।

উল্লেখ্য যে আমাৰ ৰাজ্যতো খেল-ধেমালিয়ে তাহানিতে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছিল। অৱশ্যে অসমত থলুৱা খেল-ধেমালিসমূহে কোন সময়ৰ পৰা স্থায়ীভাৱে প্ৰতিষ্ঠা লাভ কৰে সেয়া সঠিককৈ জনা নাযায়।

যদিও এচাম সমাজ বিজ্ঞানীৰ মতে ত্ৰয়োদশ শতিকাত ছ্যুকাফাই পাটকাই পৰ্বত অতিক্ৰম কৰি আহি আহোম ৰাজ্য স্থাপন কৰাৰ পাছতেই অসমত নানা ধৰণৰ থলুৱা খেল-ধেমালিৰ সূত্ৰপাত হৈছিল। স্মৰ্তব্য যে বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ক্ৰমবিকাশ তথা খেল-ধেমালিৰ আধুনিক ৰূপে সমাজ জীৱনক অন্য দিশলৈ আকৰ্ষিত কৰি তুলিলেও বৰ্তমানও অসমৰ বিভিন্ন অঞ্চলৰ থলুৱা ক্ৰীড়াসমূহৰ মান একেবাৰে বিলুপ্ত হোৱা নাই। অঞ্চল বিশেষে সিঁচৰতি হৈ থকা কিছুমান থলুৱা খেল-ধেমালি এতিয়াও প্ৰচলিত হৈ আছে। আনহাতে, আন কিছুমান আমোদজনক থলুৱা ক্ৰীড়া প্ৰায় বিলুপ্ত হৈ পৰিছে। সেয়েহে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে সমগ্ৰ অসম আৰু পূৰ্বাঞ্চলৰ থলুৱা খেল-ধেমালিসমূহ উদ্ধাৰ কৰি পুনৰ মানুহৰ মাজলৈ উলিয়াই অনাৰ বাবে আজিৰ পৰা পঞ্চাশ বছৰ পূৰ্বেই উদ্যোগ লৈছিল যদিও কোনো সফলতা লাভ কৰিব নোৱাৰিলে। সেয়া যি কি নহওক, অসমৰ থলুৱা খেল-ধেমালিবোৰ মূলতঃ আহোম যুগৰ ৰাজ পৰিয়ালৰ পৃষ্ঠপোষকতাতেই আৰম্ভ হৈছিল। শিৱসাগৰৰ ঐতিহাসিক ৰংঘৰেই আছিল ইয়াৰ কেন্দ্ৰস্থল। ১৮ শ শতিকাত প্ৰথমটো 'এছিয়া ক্ৰীড়া' পেভিলিয়ন' 'ৰংঘৰত আহোম ৰাজ পৰিয়ালৰ উদ্যোগতেই নিৰ্মাণ হৈছিল। দৰাচলতে ৰংঘৰেই হৈছে অসমৰ ঐতিহ্যমণ্ডিত ক্ৰীড়া ইতিহাসৰ অন্যতম বিৰল নিদৰ্শন। ৰংঘৰক কেন্দ্ৰ কৰিয়ে অসমীয়া জনজীৱনক সমৃদ্ধ কৰা থলুৱা খেল-ধেমালিসমূহৰ বিকাশ হৈছিল। অসমৰ জাতীয় জীৱনৰ এৰাব নোৱাৰা বিভিন্ন থলুৱা খেল-ধেমালিয়ে মূৰ দাঙি উঠিলেও অসমৰ খেলা-ধূলাসমূহক লৈ পুনৰ ন-ন চিন্তা-ভাৱনাৰ উন্মেষ ঘটিছিল আহোম যুগতহে। কাৰণ আহোম যুগত ক্ৰীড়াৰ উৎকৃষ্ট পৰিৱেশ এটাৰ সৃষ্টি হৈছিল; যেতিয়া ১৯৪৭ত ৰূপহী পথাৰত আহল-বহল ৰংঘৰটো নিৰ্মাণ কৰা হৈছিল, সেই ৰংঘৰত বহি আহোম ৰাজ পৰিয়ালৰ সদস্যসকলে বিভিন্ন ধৰণৰ খেল-ধেমালি হেঁপাহেৰে উপভোগ কৰিছিল। নিয়োগ কৰা হৈছিল বহুতো বিষয়া-কৰ্মচাৰীক খেল নিৰীক্ষণৰ কাৰণে। উল্লেখ্য যে খেলা-ধূলাসমূহৰ ভিতৰত ম'হযুঁজ, হাতীযুঁজ, কাঁড়খেল, তৰোৱাল খেল, লাঠিখেল, ঘোঁৰা দৌৰ, মল্লযুঁজ, নাওখেল আদি। সম্প্ৰতি সেই ক্ৰীড়াসমূহৰ ভিতৰত ঘোঁৰাদৌৰক ইকুৱেষ্ট্ৰিয়ান, তৰোৱাল খেলক ফেন্সিং আৰু কাঁড় খেলক আৰ্চাৰীৰ আদিৰূপ স্বৰূপে গণ্য কৰা হৈছে। ৰাজ পৰিয়ালৰ সদস্যসকলৰ আমোদ-প্ৰমোদৰ কাৰণে উপৰিউক্ত খেলসমূহৰ প্ৰশিক্ষণৰ বাবে প্ৰশিক্ষকো নিয়োগ কৰা হৈছিল। এই ক্ষেত্ৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰাজনক ৰাজঘৰৰ পৰা বঁটা আৰু চাকৰিও দিয়াৰ ব্যৱস্থা কৰা হৈছিল। এনেদৰে আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত অসমৰ ক্ৰীড়াৰ প্ৰকৃত বুনিয়াদ গঢ় লৈ উঠিছিল। তদুপৰি আহোম যুগত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালতে খেল-ধেমালিয়ে সৰ্বোচ্চ স্থানলৈ আৰোহণ কৰিছিল। তেওঁ বিভিন্ন স্থানত ডাঙৰ ডাঙৰ পুখুৰী খান্দি সাঁতোৰাৰ ব্যৱস্থা



পূৰ্বতে এয়া হৈ উঠা নাছিল। পৰৱৰ্তী সময়ত তেওঁ প্ৰথমে নদীসমূহ আৰম্ভ কৰিছিল নাওখেল; যি নাওখেল বৰপেটাৰ বিভিন্ন নৈ, জান আদিত অনুষ্ঠিত হৈছিল। পাছলৈ অসমৰ আন আন অঞ্চলৰ নৈ-নদ, জান আদিত সেই নাওখেলৰ প্ৰচলন হৈছিল। এই নাও খেলবিধেই ৰাইজৰ অতি প্ৰিয় খেল হৈ পৰিছিল। ফলস্বৰূপে বৰ্ষাকালৰ বিভিন্ন বাৰেৰহণীয়া উৎসৱ-পাৰ্বণৰ সাংস্কৃতিক অনুষ্ঠানত উদ্যোক্তাসকলে নাওখেলৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাটো নিয়মত পৰিণত হৈছিল। খেল উপভোগৰ কাৰণে নৈ-নদৰ পাৰত লোকে লোকাৰণ্য হৈ পৰিছিল; কিন্তু অতি পৰিতাপৰ কথা যে এইবিধ অতি হেঁপাহৰ জনপ্ৰিয় খেল এতিয়া বিলুপ্তিৰ পথত বুলি ক'ব পাৰি। অৱশ্যে আহোম যুগৰ যৱনিকা পৰাৰ পাছতো লুইতৰ দুয়োপাৰে নানা ধৰণৰ খেল-ধেমালি জনজীৱনৰ মাজত প্ৰচলিত হৈ আছিল। এনে খেল-ধেমালিসমূহৰ ভিতৰত টাংগুটি, হাউখেল, কড়িখেল, হাউগুদু খেল, লুকা-ভাকু, কণীযুঁজ, ঘিলাখেল, ধোপখেল ইত্যাদি। ধোপখেলবিধক সম্প্ৰতি সময়ৰ কাবাদী খেলৰ আদিৰূপ হিচাপে গণ্য কৰা হয়। এই খেল-ধেমালিবোৰ সাধাৰণতে পথাৰত গৰু চৰাবলৈ যাওঁতে গৰখীয়াসকলে সময় অতিবাহিত কৰাৰ লগতে মনোৰঞ্জনো লাভ কৰিছিল।


এনেদৰে অসমৰ বিভিন্ন অঞ্চলৰ চুকে-কোণে অঞ্চলভেদে নানা ধৰণৰ খেল-ধেমালি মানুহৰ মন-প্ৰাণক সজীৱ কৰি তুলিছিল। কিন্তু কালৰ কুটিল গতিত প্ৰায়বোৰ খেলেই বিলুপ্ত হৈ পৰিল। তাহানিৰ দান্তিগুটি, কধৰা টানা, ধৰা হাউ, পানীৰ খেলা-ধূলাসমূহৰ ভিতৰত বিভিন্ন ধৰণৰ সাঁতোৰ আদি। তদুপৰি আন কেইবিধ আমোদজনক খেলৰ ভিতৰত— হাউলি খেল, চিকিমিকি খেল, ওকুলি-মুকুলি খেল, কোটোৰা খেল, তেলটোপী খেল, কলহ অনা খেল, ৰছীটনা খেল আদি আমাৰ সমাজ জীৱনৰ পৰা সম্পূৰ্ণৰূপে নিঃশেষ হৈ পৰিছে! এইবোৰ লুপ্তপ্ৰায় থলুৱা খেল-ধেমালিসমূহে প্ৰকৃতাৰ্থত অসমৰ গৌৰৱোজ্জ্বল অতীতৰ কথাকে সোঁৱৰায়। কিন্তু এই লুপ্তপ্ৰায় হৈ পৰা ক্ৰীড়াসমূহক নৱপ্ৰজন্মৰ মাজলৈ পুনৰ ওভোতাই অনাৰ বাবে কোনো উপায় অৱলম্বন কৰা নাই চৰকাৰৰ বিভাগীয় মন্ত্ৰণালয়ৰ লগতে কোনো ক্ৰীড়া সন্থাই। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰ বা ক্ৰীড়া প্ৰাধিকৰণৰ কৰিবলগীয়া দায়িত্ব আছে যদিও সকলোৱে নীৰৱ।

পৰিশেষত উনুকিয়াব খুজিছো যে স্বাস্থ্য ৰক্ষাৰ বাবে শৰীৰ চৰ্চা কৰাটো হৈছে উত্তম উপায় আৰু ইয়াৰ উপযুক্ত মাধ্যম হৈছে বিভিন্ন ধৰণৰ খেল-ধেমালি। খেলা-ধূলাই মানুহক পৰম সুখ-আনন্দ দান কৰি শৰীৰ-মন-সুস্থ-সবল আৰু নিৰোগী কৰি তোলে। গতিকে অসমৰ এনে পুৰণি খেল-ধেমালিসমূহক বৰ্তমানৰ নৱ-প্ৰজন্মৰ বাবে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰৰ বিভাগীয় ক্ৰীড়া মন্ত্ৰণালয়ে প্ৰতিখন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰচলনৰ সু-ব্যৱস্থা গ্ৰহণ কৰাৰ মনোনিৱেশ কৰিব লাগে। কেৱল দিৱস উদ্‌যাপন কৰি থাকিলেই সমস্যাৰ সমাধান নহয়। বস্তুতঃ কাৰ্যক্ষেত্ৰত এয়া প্ৰয়োগ কৰা উচিত। অন্যথা বিলুপ্ত হৈ পৰা তাহানিৰ জনপ্ৰিয় খেল-ধেমালিসমূহ পুনৰ নৱ-প্ৰজন্মৰ বাবে কেতিয়াও উদ্ধাৰ কৰিব পৰা নাযাব।

*ফোন ঃ ৯৯৫৭৮-২৭৭৯৪*



# ডিব্ৰুগড়! ডিব্ৰুগড়



আজিৰ চিন্তা

বিশ্বজিৎ বৰুৱা

টোপনিত থকা নাগৰিকেও সংকট অহাৰ শৰদত সাৰ পাই চিঞৰি উঠে ঃ নাগৰিক সংঘ ক'ত? ইয়াৰ কাৰণ এইটোৱেই যে সময়ে সময়ে নাগৰিকসকলৰ এই দাবীসমূহ যথাযুক্ত স্থানত উপস্থাপন কৰিবলৈ ডিব্ৰুগড় নাগৰিক সংঘই দায়িত্ব গ্ৰহণ কৰি আহিছে।

।। ১৩।।

ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰখনলৈ কে'বাবাৰো সংকট আহিছিল। পাৰ হৈ যোৱা পাঁচোটা দশকত বৰভূঁইকঁপ, প্ৰবল বানপানী, ব্ৰহ্মপুত্ৰৰ ভয়াৱহ খহনীয়া ইত্যাদি বিভিন্ন সংকটৰ মোকাবিলা কৰি অহা ডিব্ৰুগড়বাসী সংকটৰ সন্মুখীন হ'লেই নাম ল'বলগীয়া হয় ডিব্ৰুগড় নাগৰিক সংঘৰ। টোপনিত থকা নাগৰিকেও সংকট অহাৰ শৰদত সাৰ পাই চিঞৰি উঠে ঃ নাগৰিক সংঘ ক'ত? ইয়াৰ কাৰণ এইটোৱেই যে সময়ে সময়ে নাগৰিকসকলৰ এই দাবীসমূহ যথাযুক্ত স্থানত উপস্থাপন কৰিবলৈ ডিব্ৰুগড় নাগৰিক সংঘই দায়িত্ব গ্ৰহণ কৰি আহিছে।

ইয়াৰ কাৰণ হৈছে, এই ঐতিহ্যমণ্ডিত চহৰখনৰ উন্নয়নত কোনো ৰাজনৈতিক নেতাৰে একে উশাহতে ক'ব পৰাকৈ কোনো অৰিহণা নাই। চহৰখনৰ স্থানীয় সম্পদ কোনোটোতেই মন্ত্ৰী-বিধায়কৰ একো স্থায়ী অৱদান নাই। চিকিৎসা মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ, স্বাস্থ্য গৱেষণা প্ৰতিষ্ঠানৰ পৰা ব্ৰহ্মপুত্ৰৰ কৰাল গ্ৰাসৰ পৰা চহৰখনক ৰক্ষা কৰা মূল মথাউৰিটোলৈকে— কোনোটোতেই মন্ত্ৰী-মুদাগৰৰ অৰিহণা নাই, বৰঞ্চ নাগৰিকৰ মিলিত প্ৰচেষ্টাৰহে ফচল সেয়া। আনকি বহু চৰ্চিত বগীবিল দলং, ডিব্ৰুগড়ৰ নতুন ৰেলৱে ষ্টেছন আদি কোনোটোলৈ বিশেষ কোনো ৰাজনৈতিক নেতাৰ কোনো বিশেষ অৰিহণা নাই। বৰঞ্চ ডিব্ৰুগড়ৰ নাগৰিকেহে এই উন্নয়নত এশ শতাংশ সফলতাৰ দাবী কৰিব পাৰে।

এফালৰ পৰা যদি আমি চাই যাওঁ ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন নহ'লহেঁতেন যদিহে শিক্ষা জগতৰ প্ৰতি উছৰ্গিত প্ৰাণ লক্ষী দত্তই নেতৃত্ব নল'লেহেঁতেন, আটাইকেইখন মহাবিদ্যালয়-ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ মহাবিদ্যালয়, ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ বাণিজ্য মহাবিদ্যালয়, ডিব্ৰুগড় মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়, ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ আইন মহাবিদ্যালয় আদি প্ৰতিষ্ঠা নহ'লহেঁতেন, যদিহে কানৈ পৰিয়ালে এই বদান্যতা নেদেখুৱালেহেঁতেন, ড° ৰোহিণীকান্ত বৰুৱা আইন মহাবিদ্যালয় প্ৰতিষ্ঠা নহ'লহেঁতেন, যদিহে চাহ খেতিয়ক বৰুৱাৰ পৰিয়াল আগবাঢ়ি নাহিলহেঁতেন, অসম চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা নহ'লহেঁতেন, যদিহে ড° বেৰী হোৱাইটে বিশ্বৰ এই কোণত মেডিকেল স্কুল প্ৰতিষ্ঠা নকৰিলেহেঁতেন, ভাৰতীয় আঞ্চলিক চিকিৎসা গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠা নহ'লহেঁতেন, যদিহে ড° বংশীধৰ বৰুৱা, ড° মথুৰা ভট্টাচাৰ্যকে আদি কৰি এচাম উছৰ্গিত প্ৰাণে অহোপুৰুষাৰ্থ নকৰিলেহেঁতেন। সেয়েহে ডিব্ৰুগড়ৰ প্ৰতিটো সম্পদৰ প্ৰকৃত দাবীদাৰ ডিব্ৰুগড়ৰ নাগৰিক সমাজহে। ডিব্ৰুগড়ৰ নাগৰিকৰ অবিহনে অন্যৰ অৰিহণা যৎসামান্য।

এইটো আজিৰ ডিব্ৰুগড়বাসীৰ বাবে পৰম সৌভাগ্যৰ কথা যে ডিব্ৰুগড়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়ন শয়নে-সপোনে লৈ দেহে-কেহে লাগি থকা ইচামৰ পাছত সিচাম ব্যক্তি সেই তাহানি কালৰ পৰাই চহৰখনত কৰ্মউদ্যোগী হৈ আছিল। আধুনিক ডিব্ৰুগড়ৰ প্ৰতিষ্ঠাতা কেপ্টেইন হেমিলটন ভেটচৰ পৰা আদি কৰি নতুন প্ৰজন্মলৈকে এইসকল উছৰ্গিত প্ৰাণে ডিব্ৰুগড়ৰ চহৰখনৰ উন্নয়ন ক্ষিপ্ৰ কৰাৰ বাবে যি অৰিহণা আগবঢ়ালে সেয়া ডিব্ৰুগড়বাসীয়ে নিশ্চয় কৃতজ্ঞতাৰে সদায়ে স্মৰণ কৰিব। ডিব্ৰুগড়ৰ উন্নয়ন ত্বৰান্বিত কৰাত এই চহৰৰ কেইজনমান ব্যৱসায়ীৰ অৰিহণাও আমি কৃতজ্ঞতাৰে সুঁৱৰিব লাগিব। ডিব্ৰুগড়ৰ ব্যৱসায়ী সমাজ চহৰখনৰ উন্নয়নৰ প্ৰতি কেনেধৰণৰ আগ্ৰহী আছিল সেয়া প্ৰকাশ হোৱা এটা ঘটনা গণেশ চন্দ্ৰ শৰ্মাই তেওঁৰ 'ইউনাইটেড টায়াৰ্ছ' নামৰ দোকানখনত বহি আমাৰ সন্মুখত ৰোমন্থন কৰিছিল।

সেয়া আছিল সত্তৰ দশকৰ কথা। ডিব্ৰুগড় অভাৰ ব্ৰীজৰ উত্তৰ-পূব প্ৰান্তত থকা শৰ্মাৰ 'ইউনাইটেড টায়াৰ্ছ' নামৰ দোকানখন স্বৰূপতে আছিল সেই সময়ৰ ডিব্ৰুগড়ৰ সচেতন নাগৰিকসকলৰ আলোচনাৰ স্থলী। ব্যৱসায় সামান্য; কিন্তু দোকানত মানুহৰ ভিৰ— চিনেমা হলৰ দৰে। ডিচেম্বৰৰ কোনোবা এটা আবেলি শৰ্মাৰ দোকানৰ কাউণ্টাৰৰ চৌপাশে বিনন্দ চন্দ্ৰ বৰুৱা আৰু জগত চন্দ্ৰ নেওগৰ স'তে, সন্মুখত তদানীন্তন ৰাজ্যপাল লালন-প্ৰসাদ সিঙৰ কাৰ্যালয়ৰ পৰা পঠোৱা এখন আমন্ত্ৰণী পত্ৰ লৈ আটাইকেইজনে মূৰে-কপালে হাত দি চিন্তা কৰি আছিল— পিছদিনা সন্ধিয়া সাত বজাত শ্বিলংস্থিত ৰাজ্যপালৰ বাসভৱনত উপস্থিত হৈ ৰাজ্যপালৰ স'তে আলোচনাত মিলিত হোৱাটো কেনেদৰে সম্ভৱ হ'ব।

উল্লেখযোগ্য যে বিনন্দ চন্দ্ৰ বৰুৱা আৰু গণেশ চন্দ্ৰ শৰ্মাই ডিব্ৰুগড়ক বানপানীৰ কৱলৰ পৰা ৰক্ষা কৰাৰ বাবে দাবী উত্থাপন কৰি দুয়ো স্বাক্ষৰ কৰি পঠোৱা এখন পত্ৰৰ প্ৰত্যুত্তৰ হিচাপে ৰাজ্যপালে দুয়োজনৰ উপৰি ডিব্ৰুগড়ৰ চাৰিজনীয়া এক নাগৰিকৰ দলক আলোচনাৰ বাবে পিছদিনা গধূলি সাত বজাত ৰাজভৱন পোৱাকৈ মাতি পঠিয়াছিল। ঠিক সেইখিনি সময়তে অভাৰব্ৰীজৰ ওপৰেদি সান্ধ্য ভ্ৰমণ কৰিবলৈ যায় প্ৰতিষ্ঠিত গাড়ী বিক্ৰেতা ফিনিক্স অট'মবাইলছৰ স্বত্বাধিকাৰী গোপাল মোদী। অ'ভাৰব্ৰীজৰ ওপৰৰ ফুটপাথৰ পৰাই মোদীয়ে চিঞৰি সুধিলে— 'হেৰা, আজি দেখোন তিনি সিদ্ধ গুম মাৰি বহি আছা? কি হ'ল?' বিনন্দ বৰুৱাই মাত লগালে— 'আহাচোন আহা, আমাৰ সমস্যাৰ সমাধান তুমিহে কৰিব পাৰিবা।' অ'ভাৰব্ৰীজৰ সিকোণেদি নামি আহি বৈঠকীত গোপাল মোদীয়েও ভাগ ল'লেহি। আগবঢ়াই দিয়া ৰাজ্যপালৰ পত্ৰ পঢ়াৰ পাছত বৰুৱাই ক'লে— 'এয়া কেনেকৈ সম্ভৱ হ'ব?' মুখত মিচিকিয়া হাঁহিৰে মোদীয়ে উত্তৰ দিলে— 'শ্ব'ৰূমত তিনিখন নতুন এম্বেছাডৰ আছে; যিখন পছন্দ হয় সেইখন চাই দিয়াগৈ, জানাই কাষতে মোৰ পেট্ৰ'ল ডিপো। আজিয়েই সাজু কৰি থওঁ, ৰাতিপুৱা পাঁচ বজাত ওলাই গ'লে হ'বনে? ৰাজ্যপালৰ লগত আলোচনা কৰি আহাগৈ, ধুই-মেলি পুনৰ ভৰাই থ'লেই হ'ব।' তিনিও যেন হাততে সৰগ ঢুকি পালে। পিছদিনা সন্ধিয়া তিনিও লগত নাগৰিক সংঘৰ সভাপতি ভূৱন ডেকাক লৈ শ্বিলঙত ৰাজ্যপালৰ স'তে আলোচনাত মিলিত হ'ল আৰু ডিব্ৰুগড়ৰ টাউন প্ৰটেকচন ডাইক স্থাপনৰ আঁচনি সফলকাম হোৱাৰ দিশত প্ৰথম খোজ পেলোৱা হ'ল। নাগৰিকৰ এনে মিলিত প্ৰচেষ্টাই ৰক্ষা কৰিছিল চহৰখন।

১৯৭৬-৭৭ ৰ কথা। ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভীষণ ৰূপ ধাৰণ কৰি ঐতিহ্যমণ্ডিত পৌৰাণিক চহৰখনলৈ ভয় আতংক আৰু ধ্বংসৰ বীজহে যেন কঢ়িয়াই আনিছে। চকুৰে চাই থাকোতেই মথলা-মাইজান-এথেলউড অঞ্চলৰ ডাঙৰ ডাঙৰ চাহ বাগানবিলাকৰ চাহাবৰ মনোমোহা বঙলা আৰু কলঘৰসমূহ ব্ৰহ্মপুত্ৰই গো-গ্ৰাসে গিলি আহিছে। মোহনঘাট, নগাখেলীয়া অঞ্চলৰ মানুহৰ ঘৰবিলাক নিমিষতে ব্ৰহ্মপুত্ৰৰ গৰ্ভত জাহ গৈছে আৰু বাৰীৰ দীঘল দীঘল বাঁহ গছবোৰ দীঘে দীঘে মাটিৰ তললৈ সোমাই গৈছে। গগনচুম্বী এডাল বাঁহ চকুৰ পিৰিকতি নৌ পেলাওঁতেই হুৰুসকৈ শব্দ কৰি ভূগৰ্ভত বিলীন হৈ গৈছে। সেইসময়ত আমি পল'গ্ৰাউণ্ডৰ সন্মুখত বসবাস কৰা চাংবঙলাৰ ঘৰটো থাকি থাকি কঁপি উঠিছে— নিশা শোৱাপাটীত পৰি ব্ৰহ্মপুত্ৰৰ হো-হোৱনি আমি কাণ পাতি শুনিছো।

এনে এক পৰিৱেশত ডিব্ৰুগড় নাগৰিক সংঘৰ দ্বাৰা আয়োজন কৰা হ'ল এক বৃহৎ ৰাজহুৱা সভা। ২৯-৫-৭৭ত স্থানীয় নাট্যমন্দিৰত অনুষ্ঠিত হোৱা এই সভাত বিশিষ্ট নাগৰিকসকল চৰ্দাৰ দালীপ সিংহ, স্বৰ্গীয় বিনন্দ চন্দ্ৰ বৰুৱা, স্বৰ্গীয় ভূৱন চন্দ্ৰ ডেকা, স্বৰ্গীয় চিবলি হাচান, স্বৰ্গীয় খগেন্দ্ৰ নাৰায়ণ চৌধুৰী, অধিবক্তা যোগেন বৰা আদিয়ে এক সঁজাতী দল দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰক সম্পূৰ্ণ চিত্ৰ এখন দিয়াৰ আৱশ্যকতা বৰ্ণনা কৰে আৰু সেইমতে ৰাজহুৱা সভাই বিনন্দ চন্দ্ৰ বৰুৱা, চৰ্দাৰ দালীপ সিংহ, গণেশ চন্দ্ৰ শৰ্মা আৰু জগত চন্দ্ৰ নেওগক লৈ এক সঁজাতী দল গঠন কৰি দিল্লীলৈ যাবলৈ দায়িত্ব দিয়ে।

সঁজাতী দল গঠন কৰা হ'ল ঠিকেই, সকলো দলিল পত্ৰও সাজু। কিন্তু নেওগে কোনোপধ্যে পইচা যোগাৰ কৰিব নোৱাৰাত প্ৰথম তিনিজনে মিলি নেওগৰ ৰেলৰ টিকটটো কাটি দিলে। খৰধৰ হোৱা বাবে ৰিজাৰ্ভেচন পোৱা নগ'ল আৰু বাৰাউনীলৈকে সঁজাতী দলটো তৃতীয় শ্ৰেণীৰ দবাত ভীষণ কষ্টত মহ-ডাঁহৰ কামোৰ খাই বাৰাউনী পালেগৈ আৰু বাৰাউনীতে টি টিজনক কৈ মেলি কোনোমতে ভাল মুকলি দবা এটাত উঠিল যদিও আলিগড়ত সেই দবাটোও কাটি দিয়াত পুনৰ আগৰ দবালৈকে দৌৰাদৌৰিকৈ ঘূৰি আহিবলগীয়া হ'ল। দিল্লীৰ ৰেল ষ্টেছনত নামি অট'ৱালাক প্ৰধানমন্ত্ৰীৰ সচিবালয়লৈ লৈ যাবলৈ কোৱাত অট'ৱালাই নেওগৰ ভৰিৰ এফাল ক্ষয় যোৱা হাৱাই ছেণ্ডেল যোৰলৈ চাই যিটোহে হাঁহি মাৰিলে নেওগে নিজে কোৱা মতে সঁজাতী দলৰ গা জ্বলি গ'ল।

**টেইলপিচ ঃ**

গোলাঘাট বৰুৱাবামুণগাঁৱৰ অৱসৰ প্ৰাপ্ত শিক্ষক শিৱপ্ৰসাদ শৰ্মাঠাকুৰে টেলিফোন যোগে জনাইছে যে তেওঁ এই লানি ধাৰাবাহিক প্ৰকাশ হৈ থকা আটাইকেইখন দৈনিক অগ্ৰদূত সংগ্ৰহ কৰি সংৰক্ষণ কৰি ৰখাৰ দিহা কৰিছে আৰু এখন মনোজ্ঞ উপন্যাস পঢ়ি লাভ কৰা স্বাদৰ দৰেই এক তৃপ্তি লাভ কৰিছে। তেওঁ কয় যে— যদিও ডিব্ৰুগড়ৰ অতীত লিখা হৈছে। তথাপিও এয়াই অসম বুৰঞ্জীৰ ঘটনাৱলী উন্মোচিত কৰিছে যি কথা বহুতৰ বাবেই অজানা হৈ আছিল। গুৱাহাটীৰ বিশিষ্ট লেখক আৰু অসংখ্য আপুৰুগীয়া সংকলনৰ সম্পাদক তথা ড° ভূপেন হাজৰিকা ফাউণ্ডেছনৰ সম্পাদক দীপাংক হাজৰিকাই ধাৰাবাহিকখনি পঢ়ি ভাল পোৱাৰ লগতে এই লেখা লানিৰ ওপৰত এটি আলোচনা লিখাৰ মনস্থ কৰিছে বুলি জনাইছে। এই লেখা লানি পঢ়ি-সঁহাৰি জনোৱা অন্যান্য ব্যক্তিসকল হৈছে— যোৰহাটৰ শিক্ষক ভৱ কলিতা, নলবাৰীৰ উৎপল কলিতা, উত্তৰ লক্ষীমপুৰৰ যদুজিৎ মহন্ত, নাজিৰাৰ বিমল গোস্বামী, গোলাঘাটৰ ৰঞ্জিত গায়ন, ঢিঙৰ পিংকু মজুমাদৰ, গুৱাহাটী নিজৰাপাৰৰ বিশিষ্ট কবি আৰু নাট্যকাৰ বনমালী ভূঞা আৰু ডিব্ৰুগড়ৰ দীপক বৰা। সকলোটিলৈ মোৰ তথা দৈনিক অগ্ৰদূত পৰিয়ালৰ কৃতজ্ঞতা ৰ'ল।

(আগলৈ)

*ফোন ঃ ৯৪৩৫০-২৮০০৮*

# থানাঘাট-হাতীখোঁক সংযোগী পকী দলং নিৰ্মাণৰ দাবীত জিলা উপায়ুক্তক স্মাৰকপত্ৰ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** শিৱসাগৰ নগৰৰ থানামুখৰ দিখৌনদী ঘাটৰ থানাঘাট হাতীখোঁক গাঁও সংযোগী পকী দলং নিৰ্মাণৰ দাবীত পূৰ্বোত্তৰ হিন্দুস্থানী যুৱ মঞ্চ শিৱসাগৰ জিলা সমিতিয়ে শিৱসাগৰ জিলা উপায়ুক্তক আজি স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে থানাঘাট, হাতীখোঁক, চুলীয়াপাৰ, মঠাদাওতে আদি কৰি এক বৃহৎ সংখ্যক অঞ্চল সামৰি থকা আৰু স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বহু সময়ত বিভিন্ন ৰোগীক শিৱসাগৰ নগৰলৈ যাতায়াত কৰাত দীৰ্ঘদিন ধৰি যথেষ্ট অসুবিধাৰ সমুখীন হৈ আহিছে। সংগঠনটোৱে স্মাৰক পত্ৰখনত উক্ত দলংখন নিৰ্মাণ হ'লে এক দীঘলীয়া সমস্যাৰ সমাধান হোৱাৰ উপৰিও বহু শিক্ষিত যুৱক-যুৱতীৰ ব্যৱসায়-বাণিজ্যৰ পথ সুচল হৈ পৰিব বুলিও উল্লেখ কৰে। পূৰ্বোত্তৰ হিন্দুস্থানী যুৱ মঞ্চ শিৱসাগৰ জিলা সমিতিৰ সভাপতি সুনিল সিং, সম্পাদক ৰাধাশ্যাম শ্ৰীবাস্তৱৰ স্বাক্ষৰিত স্মাৰকপত্ৰখন জিলা উপায়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, জলসম্পদ মন্ত্ৰী আৰু যোৰহাট লোকসভা সমিতিৰ সাংসদলৈ পৃথকে পৃথকে প্ৰেৰণ কৰে। উক্ত এই স্মাৰকপত্ৰ প্ৰেৰণৰ সময়ত সংগঠনটোৰ কাৰ্যকৰী সভাপতি ৰবি চুৰেং, উপ-সভাপতি ব্ৰিজকিশোৰ গুপ্তা, শ্ৰীনিবাস চাহুৰে ধৰি বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে।

## কঠিয়াতলিৰ তিৱাসকলৰ বিহু

*তিনি পৃষ্ঠাৰ পৰা* কৰে কঠিয়াতলি বজাৰ কমিটীৰ সভাপতি মোহিত বৰদলৈ, নগাঁও জিলা তিৱা সাংস্কৃতিক সম্পাদক ধৈৰ্য বৰদলৈ, বিজেপিৰ কৰ্মকৰ্তা মানিক মজুমদাৰৰ লগতে আৰু বহু লোকে বিলত মৎস্য চিকাৰ কৰা দৃষ্টিনন্দন দৃশ্য উপভোগ কৰে।

## লখিমপুৰৰ ২৫টা ভোটগ্ৰহণ

*তিনি পৃষ্ঠাৰ পৰা* হয়। জিলাখনৰ ২৫টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব পুৱা সাত বজাৰ পৰা। আনহাতে, বিয়লি চাৰি বজাত ভোটগ্ৰহণৰ অন্ত পৰিব। সকলো ৰাইজক বিবেক ভোট দিবলৈ আৰু জিলাখনত স্বচ্ছ, নিকা আৰু মুক্ত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লখিমপুৰ জিলা প্ৰশাসনে সকলো ৰাইজৰ সহযোগিতা কামনা কৰিছে।

## বিলাসীপাৰাত চালান

*তিনি পৃষ্ঠাৰ পৰা* জি এছ টি আই এন নম্বৰ ১৮ডিজেডইউপি ডি০৮৯১ জে১২১ আৰু বিশ্বজিৎ পালৰ নামত থকা পান নম্বৰ বি এফ এফ পি পি ৫৫৩৪আৰ ব্যৱহাৰ কৰি ভুৱা চালান প্ৰস্তুত কৰে। সেইমতে ভুৱা চালানেৰে তথা চালানতকৈ অধিক ধপাত বোজাই কৰি আনিছিল বাহনখনে। আৰক্ষীৰ হাতত জব্দ হোৱা বাহনখনৰ চালক ছফৰুদ্দিন আলীক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে।

## চৰকাৰী নিৰ্দেশনাক ভেঙুচালি

*তিনি পৃষ্ঠাৰ পৰা* উল্লেখ্য যে নদুৱাৰ শিক্ষাখণ্ডৰ অধীনৰ একাংশ বিদ্যালয়ত সম্প্ৰতি কৰ'না সংক্ৰমণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। আজি শিক্ষাখণ্ডটোৰ অধীনৰ বৰভগীয়া মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষকজনে কৰ'নাত আক্ৰান্ত হোৱাৰ পাছতেই অভিভাৱক ৰাইজৰ মাজত আতংকৰ সৃষ্টি হৈছে। আজি পুৱা চিকিৎসা বিভাগৰ এটি দলে বিদ্যালয়খনত উপস্থিতহৈ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত কৰ'না পৰীক্ষা কৰাৰ লগতে বিদ্যালয়খনত ছেনিটাইজাৰৰ ব্যৱস্থা কৰে। ইয়াৰ উপৰি বিদ্যালয়খনত অহা কালিৰ পৰা সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে শিক্ষা বিভাগে।

## তালাপৰ পৰা যুৱক সন্ধানহীন

*তিনি পৃষ্ঠাৰ পৰা* গাঁওখনতেই জন্ম লাভ কৰিছিল দিফুল মহন্তই। গাঁওখন অনন্ত নলাৰ খহনীয়াৰ কৱলত পৰাৰ ফলত পীড়িত ৰাইজে হাতীশাল বৰগড়া চৰণীয়া পথাৰত আশ্ৰয় গ্ৰহণ কৰিব লগা হয়। উক্ত গাঁও খনকেই নতুনকৈ নামকৰণ কৰিলে 'বিষ্ণুপুৰ' নামেৰে। ৯০ দশকতে গাঁওখনৰ ৰাইজে আশ্ৰয় গ্ৰহণ কৰিলে যদিও আজিও চৰকাৰীভাৱে মাটিৰ ম্যাদী পট্টা নাপালে গাঁও দুখনৰ ৰাইজে। উক্ত গাঁওখনৰ পৰাই ইতিমধ্যে কে'বাগৰাকীও যুৱকে আলফা সংগঠনত যোগদান কৰি সেনাৰ হাতত প্ৰাণ আহুতি দিব লগা হৈছে। সম্প্ৰতি পুনৰ এজন ৩৫ বছৰীয়া যুৱক নিৰুদ্দেশ হোৱাৰ খবৰে সকলোকে চিন্তিত কৰিছে। ঘৰত কোনেও নজনাকৈ ৰুগীয়া পিতৃক এৰি যোৱা ১৩ জানুৱাৰীৰ পৰা নিৰুদ্দিষ্ট দিফুল মহন্তও নিষিদ্ধ সংগঠন আলফা স্বাধীনলৈ ঢাপলি মেলিছে নেকি বুলি সন্দেহ প্ৰকাশ কৰা হৈছে।

## শিৱসাগৰত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** জাঁজীৰ পৰা ডিমৌৰ পৰা মৰাণলৈ বিগত চাৰি বছৰ ধৰি নিৰ্মাণ হৈ থকা চাৰিলেনযুক্ত পথৰ নিৰ্মাণত সংঘটিত হোৱা অনিয়ম আৰু পুঁজিৰ অপব্যৱহাৰৰ বিৰুদ্ধে সৰৱ হৈছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতি। ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দায়িত্বত থকা এনএইছআইডিচিএল আৰু উক্ত পথছোৱা নিৰ্মাণৰ ঠিকা লাভ কৰা জিডিচিএল প্ৰতিষ্ঠানৰ মাজত হোৱা বুজাবুজিৰ বাবে চাৰি বছৰত উক্ত পথছোৱাৰ নিৰ্মাণ ১০ শতাংশ হোৱা বুলি পৰিষদে অভিযোগ উত্থাপন কৰিছে। কাম লেহেমীয়া হোৱাৰ লগতে পুঁজিৰ অপপ্ৰয়োগৰ ফলত বহু থলুৱা যোগানকাৰী আৰু কেচিচি তথা কাপাচি নামৰ কোম্পানীত কৰ্মৰত বহু থলুৱা যুৱক-যুৱতীয়ে লাভ কৰা নাই কে'বামাহ দৰমহা। সেয়েহে শীঘ্ৰে চাৰিলেনযুক্ত পথৰ নিৰ্মাণ ক্ষিপ্ৰ কৰাৰ লগতে থলুৱা যোগানকাৰীক অনাদায় ধন আৰু দৰমহা প্ৰদানৰ দাবী উত্থাপন কৰিছে পৰিষদে।

## খালী হৈ আছে বহু শিক্ষা বিষয়াৰ পদ

*তিনি পৃষ্ঠাৰ পৰা* শিক্ষা বিষয়াৰ কাৰ্যালয় আছে। সেইকেইটা হৈছে জুৰীয়া, ৰূপহী, বটদ্ৰৱা, কপিলী, লাওখোৱা, খাগৰিজান, কঠিয়াতলী, নগাঁও সদৰ আৰু কলিয়াবৰ। ইয়াৰে জুৰীয়া আৰু বটদ্ৰৱা খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অধীনত দুবছৰৰো অধিক সময় ধৰি এজনো বিদ্যালয় পৰিদৰ্শক অৰ্থাৎ এছআই নাই। ফলত খণ্ড প্ৰাথমিক শিক্ষা বিষয়াগৰাকীয়ে সকলো দায়িত্ব পালন কৰিবলগা হোৱাত বিদ্যালয়সমূহ নিয়মিতভাৱে পৰিদৰ্শন কৰিব পৰা নাই। আনহাতে, কঠিয়াতলী খণ্ড প্ৰাথমিক শিক্ষা খণ্ডৰ বাহিৰে বাকী থকা জিলাখনৰ ছটা খণ্ড প্ৰাথমিক শিক্ষা খণ্ডত এজনকৈ উপ-পৰিদৰ্শক আছে। বিভাগীয় নিয়ম অনুসৰি, প্ৰতিটো শিক্ষা খণ্ডতে অতি কমেও দুজনকৈ পৰিদৰ্শক থাকিব লাগে। কিন্তু জিলাখনৰ দুখন শিক্ষা খণ্ডত এজনো উপ-পৰিদৰ্শক নথকাৰ বিপৰীতে ছটা শিক্ষা খণ্ডত মাত্ৰ এজনকৈ এছআই আছে। ইপিনে, শেহতীয়াকৈ নগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়াগৰাকীৰ পদোন্নতিসহ বদলি হোৱাৰ পাছত সেই পদত কোনো লোকক নিযুক্তি দিয়া হোৱা নাই। উল্লেখ্য যে নগাঁও সংমণ্ডল বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক মৃদুল কুমাৰ নাথক ভাৰপ্ৰাপ্ত জিলা শিক্ষা বিষয়াৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে।

## অমূল্য মান্নাই ফটোগ্ৰাফীৰ সাধনা কৰিছিল

*তিনি পৃষ্ঠাৰ পৰা* হৃদয়ৰ আৰ্কাইভত সংৰক্ষিতহৈ আছে। বঁটা গ্ৰহণ কৰি আলোকচিত্ৰ শিল্পী সমীৰ চৌধুৰীয়ে কয়, 'অমুল্য মান্নাৰ দৰে প্ৰথিতযশা আলোকচিত্ৰ শিল্পীৰ নামত বঁটা প্ৰদান কৰাৰ বাবে মই গৌৰৱান্বিত। অমুল্য মান্না কেৱল এজন ফটো সাংবাদিকেই নাছিল তেওঁ এজন যশস্বী চিত্ৰ পৰিচালকো আছিল। দৃশ্যমান কলা ফটোগ্ৰাফী এক শক্তিশালী গণ মাধ্যম।' সভাত অংশগ্ৰহণ কৰি বিশিষ্ট গল্পকাৰ শিৱানন্দ কাকতিয়ে কয়, 'অমুল্য মান্না আছিল নগাঁৱৰ আলোক চিত্ৰ শিল্প, ফটো সাংবাদিক, চলচ্চিত্ৰ পৰিচালনা আদি বিষয়ৰ বাটকটীয়া। তেওঁৰ সেই দেখুৱাই যোৱা পথৰে বাট বুলি বহুজন বৰ্তমান অসমৰ আলোকচিত্ৰ ক্ষেত্ৰখনত প্ৰতিষ্ঠিত হৈছে।' সভাত ভাষন প্ৰদান কৰি ইউ বি ফটোজৰ স্বত্বাধিকাৰী উৎপল বৰুৱাই ভাষণ প্ৰদান কৰি অমুল্য মান্নাই তেওঁলোকক প্ৰদান কৰা শিক্ষাৰ কথা সোঁৱৰে। সভাত অমুল্য মান্নাৰ পুত্ৰ তথা যশস্বী চলচ্চিত্ৰ পৰিচালক অৰূপ মান্নাই সমীৰ চৌধুৰীৰ আলোকচিত্ৰৰ সম্পৰ্কত আলোকপাত কৰি কয় যে তেওঁ জনজাতীয় সংস্কৃতিৰ প্ৰায়সমূহ সমল আলোকচিত্ৰৰে সংৰক্ষণ কৰি ৰাখিছে। অৰূপ মান্নাই শিল্পী অশ্বিনী শৰ্মা আৰু গকুল চেত্ৰীয়ে স্মাৰকটো প্ৰস্তুত কৰে বুলি ভাষণত উল্লেখ কৰি তেওঁলোক দুয়োজনকে ধন্যবাদ জ্ঞাপন কৰে। বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সমাজসেৱী মুকুট চন্দ্ৰ ভূঞা, কল্লোল সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক নৌচাদ আখতাৰ হাজৰিকা।

## বঙাইগাঁও শোধনাগাৰৰ প্ৰতিষ্ঠা দিৱসৰ

*তিনি পৃষ্ঠাৰ পৰা* বঙাইগাঁও শোধনাগাৰ পৰিয়ালৰ সদস্যসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ ইণ্ডিয়ান অইল আৰু বিশেষকৈ বঙাইগাঁও শোধনাগাৰে উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি সুৰক্ষাৰ দিশত অৱলম্বন কৰা সামগ্ৰীক ভূমিকাৰ প্ৰশংসা কৰে। ভাষণ প্ৰসঙ্গত এই শোধনাগাৰৰ সফলতাসমৃদ্ধৰ বিষয়ে ক'বলৈ গৈ তেওঁ উল্লেখ কৰে যে ইণ্ডিয়ান অইলৰ দ্বাৰা স্থাপন কৰা ইণ্ডমেক্স ইউনিট হৈছে 'আত্মনিৰ্ভৰ ভাৰত'ৰ এক প্ৰোজ্জ্বল উদাহৰণ। অনাগত দিনসমূহৰ শোধনাগাৰটোৰ অগ্ৰগতিৰ হকে তেওঁ শুভকামনা জনায়। এই সোণালী জয়ন্তী সমাৰোহে ইণ্ডিয়ান অইলৰ অধ্যক্ষ এছ এম বৈদ্যদেৱৰ উপিস্থিতিও প্ৰত্যক্ষ কৰে। এই স্মৰণীয় ক্ষণত বঙাইগাঁও শোধনাগাৰৰ সমগ্ৰ টীমটোক অভিনন্দন জনাই বৈদ্যদেৱে শোধনাগাৰটোৰ অতীত আৰু বৰ্তমানৰ সফলতাসমূহৰ বিষয়ে এক বাখ্যা কৰে। তেওঁ পুনৰ কয় যে সমৃদ্ধ পৰম্পৰাৰে বঙাইগাঁও শোধনাগাৰে ভাৰতবৰ্ষক এক সুদূৰ প্ৰসাৰী ভৱিষ্যতৰ দিশত কৰাৰ যাত্ৰাক আগুৱাই নিব। তেওঁ সকলৰ অৱদানৰ প্ৰতি শলাগ লয়। মন্ত্ৰীজনে ভাৰ্চুৱেলী অনুষ্ঠানত উপস্থিত থকা বিআৰপিএলৰ পূৰ্বৰ মুখ্য মহাপ্ৰৱন্ধকসকল আৰু বঙাইগাঁও শোধনাগাৰৰ পূৰ্বৰ কাৰ্যবাহী সঞ্চালক সকলকো অভিনন্দন জ্ঞাপন কৰে।

নিজৰ অভিজ্ঞতা বৰ্ণনা কৰি, ১৯৭৫ৰ পৰা ১৯৮০লৈ কাৰ্যনিৰ্বাহ কৰা পূৰ্বৰ বিআৰপিএলৰ প্ৰাক্তন মহাপ্ৰৱন্ধক আৰু ইয়াৰ আৰম্ভণিৰ ঠিক পাছতেই তৈল প্ৰতিষ্ঠানটোক আগবঢ়াই নিয়া দ্বিতীয়জন মুৰব্বী বিষয়া এছ আৰ মাথুৰে কয় যে সেই সময়ৰ ক্ষুদ্ৰ অৰ্থনীতি আৰু থলুৱা প্ৰযুক্তিৰ অভাৱে সেই সময়ত সমান্তৰালভাৱে বৃহৎ প্ৰত্যাহ্বান মাতি আনিছিল। তেওঁ লগতে কয় যে এই প্ৰত্যাহ্বানসমূহ অতিক্ৰম কৰাৰ বাবে বিভিন্ন ব্যৱস্থা আৰু উপায় অৱলম্বন কৰিবলগা হৈছিল বাবে শোধনাগাৰটোক কাৰ্যক্ষম কৰি তুলিবলৈ আৰু সুস্থিৰ কৰি তোলাৰ বাবে তেখেতে হাতে-কামে লাগি গৈছিল। অনুষ্ঠানটো আৰম্ভণিৰ পূৰ্বে শোধনাগাটোৰ মুৰব্বী বিষয়া আৰু ইডি এছ পি বৰুৱাদেৱে উপস্থিত অভ্যাগতসকলক আদৰণি জনায় আৰু উপস্থিত অগ্ৰজসকলক কৃতজ্ঞতা জনাই যিসকলৰ প্ৰচেষ্টাৰ পৰিণতিস্বৰূপে বঙাইগাঁও শোধনাগাৰৰ এই যাত্ৰা সম্ভৱ হৈ উঠিছে। সোণালী জয়ন্তী সমাৰোহৰ আৰম্ভ সমবেত শিল্পীবৃন্দৰ দ্বাৰা পৰিৱেশিত বঙাইগাঁও শোধনাগাৰৰ থীম চঙেৰে কৰা হয়। মন্ত্ৰী তেলীয়ে পূৰ্বৰ বিআৰপিএলৰ পৰা বৰ্তমান সময়ৰ বঙাইগাঁও শোধনাগাৰ, ইণ্ডিয়ান অইললৈ ৰূপান্তৰিত হোৱা এই শোধনাগাৰটোৰ পৰিক্ৰমাক উপস্থাপন কৰা বঙাইগাঁও শোধনাগাৰৰ থীম চঙটোৰ ওপৰত নিৰ্মিত অডিঅ'-ভিজুৱেল ছৱিখন ভাৰ্চুৱেলী উদ্বাধন কৰে। সমাৰোহৰ পূৰ্বে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত শৰৎ চন্দ্ৰ সিংহৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰা হয়। স্বৰ্গীয় সিংহদেৱে অসমৰ এই প্ৰান্তত বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ'-ৰাসায়নিক লিমিটেড (বিআৰপিএল), (বৰ্তমানৰ বি জি আৰ) স্থাপনত এক উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছিল। পুৱা শোধনাগাৰটোৰ মুৰব্বী তথা কাৰ্যাবাহী সঞ্চালক এছ পি বৰুৱাই বিজিআৰৰ পতাকা উত্তোলন কৰে। অনুষ্ঠানটোত বিআৰপিএলৰ প্ৰাক্তন মুখ্য প্ৰৱন্ধকসকল আৰু কাৰ্যবাহী সঞ্চালকসকলে ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানটোত সঞ্চালক আৰ এণ্ড ডি ড° আৰ এছ এছ ভি ৰামাকুমাৰ, সঞ্চালক (মানৱ সম্পদ), ৰঞ্জন কুমাৰ মহাপাত্ৰ, সঞ্চালক (বিত্ত) সন্দীপ কুমাৰ গুপ্তা, সঞ্চালক (বিপণন) ভি এছ কুমাৰৰ লগতে বিভিন্ন শোধনাগাৰ গোটসমূহৰ কাৰ্যবাহী সঞ্চালকসকল, ইণ্ডিয়ান অইলৰ জ্যেষ্ঠ বিষয়াবৰ্গ, বঙাইগাঁও শোধনাগাৰৰ কৰ্মচাৰীবৰ্গ আৰু পৰিয়ালৰ সদস্যসকলৰ স'তে অন্যান্য লোকসকলো উপস্থিত থাকে।

ইয়াৰ পাছতেই শাৰীৰিকভাৱে উপস্থিত থকা অতিথিসকলৰ বাবে এই ভাৰ্চুৱেল সমাৰোহৰ সামৰণি পৰে আৰু লগতে সমাৰোহ উপলক্ষে ইণ্ডিয়ান অইল অফিচাৰ্চ এছ'চিয়েচনৰ বঙাইগাঁও শোধনাগাৰ গোটৰ সম্পাদক এম চি গোস্বামী আৰু বঙাইগাঁও শোধনাগাৰ এম্পইজ ইউনিয়নৰ সম্পাদক ধৰ্মেশ্বৰ দাসেও নিজৰ নিজৰ মন্তব্য আগবঢ়ায়।

# কাইলৈ গৌৰীসাগৰ প্ৰেছ ক্লাবৰ বৰ্ষজোৰা ৰূপালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ১৯ জানুৱাৰী ঃ** গৌৰীসাগৰ প্ৰেছ ক্লাবৰ বৰ্ষজোৰা ৰূপালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান দিনজোৰা কাৰ্যসূচীৰে অহা ২১ জানুৱাৰীত অনুষ্ঠিত হ'ব। ১৯৯৬তে প্ৰতিষ্ঠা লাভ কৰা গৌৰীসাগৰ প্ৰেছ ক্লাবৰ উক্ত বৰ্ষজোৰা সামৰণি অনুষ্ঠানটো পুৱা ন বজাত পতাকা উত্তোলনেৰে আৰম্ভ হ'ব। কাৰ্যসূচী অনুসৰি পুৱা ৯-৩০ বজাত স্মৃতি তৰ্পণ, ১০ বজাত ন-পুৰণি সতীৰ্থ সন্মিলন আৰু দুপৰীয়া অনুষ্ঠিতব্য মুকলি সভা উদ্বোধন কৰিব শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট নিবন্ধকাৰ ড° সৌমাৰজ্যোতি মহন্তই। উক্ত অনুষ্ঠানত দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত বৰুৱা, গৌৰীসাগৰ জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া পংকজ হাজৰিকা, গৌৰীসাগৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজ্যোতি দাস বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব।

# নলবাৰীত দ্বিশতাধিক লোক ক'ভিডত আক্ৰান্ত, এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ১৯ জানুৱাৰী ঃ** নলবাৰী জিলাতো সম্প্ৰতি ক'ভিড সংক্ৰমণ উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। কালি জিলাখনৰ বিভিন্ন প্ৰান্তত ২২৯জন ক'ভিড ৰোগী চিনাক্ত হয়। আনহাতে, জিলাখনত আজি এজন লোকৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগে সদৰী কৰিছে। উল্লেখ্য যে ক'ভিডৰ তৃতীয় ঢৌত জিলাখনত এই পৰ্যন্ত ৬২৭জন লোক আক্ৰান্ত হৈছে। আজি আক্ৰান্তসকলৰ ভিতৰত চামতাৰ ১১জন, ঘগ্ৰাপাৰৰ ২৪জন, কমাৰকুছিৰ ২১জন, মুকালমুৱাৰ ২৮জন, টিহুৰ ১৪জন আৰু নলবাৰী চহৰৰ ১৩১জন বাসিন্দা।

# উচিত মূল্যত ধান ক্ৰয়ৰে নলবাৰীৰ কৃষকক সকাহ

## ঘগ্ৰাপাৰতো এটা ধান ক্ৰয়ৰ কেন্দ্ৰ ঘোষণা লৈ আনন্দিত কৃষকসমাজ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১৮ জানুৱাৰী ঃ** অসম চৰকাৰৰ তৰফৰ পৰা কৃষকক ধানৰ উচিত মূল্য পোৱাটো সুনিশ্চিত কৰাৰ লগতে ধান খেতিক এক লাভজনক খেতিলৈ ৰূপান্তৰিত কৰাৰ উদ্দেশ্যেৰে প্ৰত্যেক বছৰৰ দৰে এইবাৰো ন্যূনতম সমৰ্থিত মূল্যত ধান ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে। সমগ্ৰ ৰাজ্যৰ লগতে সকলো গাঁও পাঞ্চায়তে বিশেষ গাঁও সভাৰ আয়োজন কৰি কৃষক ৰাইজক সজাগ-সচেতন কৰাৰ চেষ্টা কৰা হৈছে আৰু তাৰ ফলশ্ৰুতিত কালি নলবাৰী জিলাতো জিলাখনৰ আটাইষ্কৰুইটা গাঁও পঞ্চায়তে অৰ্থাৎ ৬৫ টা গাঁও পাঞ্চায়তত বিশেষ গাঁওসভা সম্পন্ন হৈ যায়। প্ৰত্যেকখন গাঁও সভাতেই গাঁও পঞ্চায়তৰ সভাপতি, সম্পাদক তথা সদস্যসকলৰ উপৰি জিলা প্ৰশাসনৰ প্ৰতিনিধি যেনে-ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ প্ৰতিনিধি, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ প্ৰতিনিধি, জিলা কৃষি বিভাগ তথা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ প্ৰতিনিধি আদিৰ উপস্থিতিত ৰাইজক বিতংভাৱে অসম চৰকাৰৰ তৰফৰ পৰা কৃষক ৰাইজৰ হিতাৰ্থে লোৱা এই কল্যাণকামী পদক্ষেপৰ বিষয়ে অৱগত কৰা হয়। ইয়াৰে কিছু সংখ্যক সজাগতা সভাত জিলা উপায়ুক্ত, জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি জন প্ৰতিনিধি সমূহো উপস্থিত থাকে। কালিৰ এই সজাগতামূলক বিশেষ গাঁও সভাসমূহত বিপুল সংখ্যক লোকে অংশগ্ৰহণ কৰে। অসম চৰকাৰৰ তৰফৰ পৰা সমগ্ৰ ৰাজ্যতে এইবাৰ ২০২১-২২১ খাৰীফ বিপণন বতৰৰ ভিতৰত অৰ্থাৎ অহা ৩০ জুনৰ ভিতৰত প্ৰতি কুইণ্টলত ১৯৪০ দৰত ১০ লাখ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ স্থিৰ কৰিছে আৰু ইয়াৰ বিপৰীতে নলবাৰী জিলাতো ৪৭,৫০০ মেট্ৰিক টনৰ লক্ষ্য ধাৰ্য কৰা হৈছে। ইয়াকে লৈ জিলাখনৰ কৃষক ৰাইজ উৎফুল্লিত হৈ পৰিছে।

# আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ দক্ষিণ শালমাৰা ব্লকৰ উদ্যোগত ব্লক পৰ্যায়ৰ বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা সম্পন্ন

## জিলা পৰ্যায়লৈ বাছনি ন জন ছাত্ৰ-ছাত্ৰী

**অগ্ৰদূত বাৰ্তা**
**আগমনী, ১৯ জানুৱাৰী ঃ** দক্ষিণ শালমাৰা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে আজি ব্লক পৰ্যায়ৰ বিজ্ঞান ভিত্তিক প্ৰতিযোগীতাসমূহ অনুষ্ঠিত হৈ যায়। ব্লক পৰ্যায়ৰ প্ৰতিযোগীতাত মুখ্য অতিথিৰূপে উপস্থিত থাকে ধুবুৰী জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া ৰাতুল কুমাৰ দাস, জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আমজাদ হুছেইন মজুমদাৰ, চিৰাকুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হানিফ তালুকদাৰ, আইৰকাটা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুল আৱাল, আইৰকাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নুৰুল হক, হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হাজী ইছাহক আলী আদি কৰি বহু সংখ্যক শিক্ষাবিদ আৰু সমাজকৰ্মী। আনহাতে, দক্ষিণ শালমাৰা ব্লকৰ অন্তৰ্গত বহু কেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি বিদ্যা বিভাগৰ অধীনত এই আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহ যোৱা ২০০৮ৰ পৰাই চলি আছে আৰু গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বৈজ্ঞানিক আৱিষ্কাৰৰ দিশত আগুৱাই নিয়াৰ প্ৰয়াস কৰি অহা হৈছে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ দক্ষিণ শালমাৰা ব্লকৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে ধুবুৰী জিলাৰ হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ব্লক পৰ্যায়ৰ বছৰেকীয়া বিজ্ঞান ভিত্তিক প্ৰতিযোগীতাসমূহ অনুষ্ঠিত হয়। বিজ্ঞান ভিত্তিক আৰ্হি, পষ্টাৰ আৰু আকষ্মিক বক্তৃতা প্ৰতিযোগীতাত এই ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি নিজৰ নিজৰ মডেলসমূহ প্ৰদৰ্শন কৰোৱায় আৰু তাৰ বিশ্লেষণ কৰে। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ গোলকগঞ্জ ব্লকৰ সভাপতি তথা হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জায়িদুল ইছলাম মোল্লাৰ সভাপতিত্বত মুকলি তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। বঁটা বিতৰণী সভাত ধুবুৰী জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া ৰাতুল কুমাৰ দাস, জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আমজাদ হুছেইন মজুমদাৰ, জিলা আমোলা সন্থাৰ শহিদুৰ ৰহমান মন্ডল, ধুবুৰী জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক নজৰুল ইছলাম আৰু গোলকগঞ্জ বিদ্যাপীঠৰ অতুল সৰকাৰ বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীক উৎসাহ উদ্দীপনা বৃদ্ধি কৰাৰ লগতে বঁটা বিতৰণীত অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ আধুনিক জগতক নিজৰ প্ৰতিভাসমূহৰ জৰিয়তে নতুন নতুন উদ্ভাৱনৰ মাধ্যমত নিজকে চিনাকি কৰাই দিয়াৰ বাবে আহ্বান জনায়। আজিৰ দিনজোৰা কাৰ্যসূচীৰ গুৰি ধৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ দক্ষিণ শালমাৰা ব্লকৰ সমন্বয়ক মোক্তাধিৰ ৰহমান সৰকাৰে। আনহাতে, আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সভাপতি জায়েদুল ইছলাম মোল্লাই পুৱা পতাকা উত্তোলন কৰি প্ৰতিযোগীতাৰ আৰম্ভণি কৰে। জ্যোতিৰবিজ্ঞানী আৰু গনিতজ্ঞ আৰ্যভট্টৰ প্ৰতিচ্ছবিত মল্ল্যাৰ্পণ, বৃক্ষৰোপণ, বিজ্ঞান ভিত্তিক আৰ্হিৰ আৰম্ভণি কৰে শিক্ষাবিদ সকলে।



# বৃহত্তৰ সত্ৰকণৰাৰ আমছুৰ আঞ্চলিক সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ১৯ জানুৱাৰী ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ বৰপেটা জিলাৰ বৃহত্তৰ সত্ৰকণৰা আঞ্চলিক সমিতি গঠন কৰাৰ কাৰণে এখন সাধাৰণ সভা আজি পুৱা ১১ বজাত ছফিউৰ ৰমানৰ পৌৰোহিত্যত সত্ৰকণৰা চাচৰা হাইস্কুল প্ৰাংগণত অনুষ্ঠিত হয়। উক্ত সভাত আমছুৰ বৰপেটা জিলা সমিতিৰ সাধাৰণ সম্পাদক ছাইফ ইগবাল আৰু উপ-সভাপতি হামিদুল ইছলাম পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। সভাখনত আগন্তুক বৰ্ষৰ বাবে নাছিৰউদ্দিন আহমেদক সভাপতি বৰিদুল ইছলাম আৰু নাছিৰ আলীক কাৰ্যকৰী সভাপতি, মিজানুৰ ৰহমান আৰু ইদ্ৰছ আলীক সাধাৰণ সম্পাদকৰূপে লৈ ৩৬ জনীয়া সদস্যৰে আমছুৰ বৃহত্তৰ সত্ৰকণৰা আঞ্চলিক সমিতিখন গঠন কৰা বুলি বৰপেটা জিলা আছুৰ সভাপতি আব্দুল জুব্বাৰ আলীয়ে এক বিবৃতিত উল্লেখ কৰিছে।


# বৰছলা অঞ্চলত বাঘৰ মুক্ত বিচৰণ

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৯ জানুৱাৰী ঃ** শেহতীয়াকৈ বৰছলাত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা ঢেকীয়াপতীয়া বাঘে যোৱা সময়চোৱাত বহুকেইটা পশুধন হত্যা কৰি ভক্ষণ কৰাৰ লগতে এজন মানুহকো আক্ৰমণ কৰা ঘটনাই স্থানীয় ৰাইজক আতংকিত কৰি ৰখাৰ পৰিপ্ৰেক্ষিতত আজি শোণিতপুৰ প্ৰশাসনে বৰছলাত ১৪৪ধাৰা বলৱৎ কৰিছে। উল্লেখ্য যে দিন দুপৰতে জনাঞ্চলত বিচৰণ কৰা প্ৰকাণ্ড বাঘটোক পিঞ্জৰাবদ্ধ কৰাৰো পৰিকল্পনা কৰিছে বন বিভাগে। শোণিতপুৰ প্ৰশাসনে এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি, ঢেকীয়াজুলিৰ অন্তৰ্গত বৰছলা অঞ্চলত এটা ঢেঁকীয়াপটীয়া বাঘৰ মুক্ত বিচৰণে অঞ্চলটোত ৰাইজৰ মাজত আতংক সৃষ্টি কৰা, মানুহৰ জীৱন আৰু ঘৰচীয়া জীৱ-জন্তুৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশে ১৪৪ নম্বৰ ধাৰাৰ অধীনত নিশা বৰছলা অঞ্চলত সৰ্বসাধাৰণ ৰাইজৰ চলাচল কৰাত নিষেধাজ্ঞা আৰোপ কৰিছে। তৎকালীনভাৱে বলৱৎ হোৱাকৈ এই নিৰ্দেশ দিয়াৰ লগতে বন বিভাগে বাঘটো পিঞ্জৰাবদ্ধ নকৰা পৰ্যন্ত ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত বৰছলা অঞ্চলৰ চৌদিশে জাৰি কৰা হৈছে।ইপিনে,কেৱল এইটো বাঘেই নহয়,তেজপুৰৰ নিকটৱৰ্তী বৃহত্তৰ বিহগুৰি অঞ্চলৰ চাপৰিটো আন এটা ঢেকীয়াপতীয়া বাঘে প্ৰায় দুমাহে বিচৰণ কৰি আছে। দুদিন পূৰ্বে এইটো বাঘক বিহগুৰিৰ শিমলুগুৰি চাপৰিত দেখাপোৱা গৈছিল। গৰগৰীয়া চাপৰিত ভোগালী বিহুৰ পূৰ্বে এটা কুকুৰ হত্যা কৰা বাঘটোৱে ইতিমধ্যে জাৱনিকে ধৰি বিশাল চাপৰিৰ বিভিন্ন অংশত থকা গৰু ম'হৰ খুটিত একাধিক পশুধন হত্যা কৰিছে। আনহাতে, বৰ্তমান বৰছলা বিধানসভা সমষ্টিত দুটাকৈ বাঘৰ বিচৰণে সৰ্বসাধাৰণক চিন্তিত কৰাৰ লগতে ইয়াৰে এটা বাঘৰ স'তে পোৱালী থকা বুলিও আশংকা কৰা হৈছে। ইতিমধ্যে এই সন্দৰ্ভত বনবিভাগ এইপৰ্যন্ত নিশ্চিত নহয় য'দিও বাঘৰ পদচিহ্ন পৰীক্ষা কৰি বিহগুৰিৰ পৰা বৰছলা পৰ্যন্ত বিচৰণ কৰি থকা বাঘ দুটা পৃথক হয়নে নহয় সেইকথা নিশ্চিত কৰাৰ চেষ্টা চলোৱা হৈছে বুলিও বিভাগীয় সূত্ৰই প্ৰকাশ কৰিছে।



*শিল্পগ্ৰাম মহোৎসৱত পৰম্পৰাগত নৃত্য প্ৰদৰ্শন, বুধবাৰে।*

# কৃষি বিশ্ববিদ্যালয়ত 'অণুজীৱৰ সমৃদ্ধিকৰণ জৈৱিক কৃষি প্ৰযুক্তিৰ বাবে এক নতুনত্ব' শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ হ্ৰস্বম্যাদী পাঠ্যক্ৰম আৰম্ভ




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৯ জানুৱাৰী ঃ** 'সাম্প্ৰতিক সময়ত সময়ত অধিক মানদণ্ডৰ খাদ্যাভাসৰ বিপৰীতে অধিক স্বাস্থ্যমূল্যৰ খাদ্যাভাসে অধিক গুৰুত্ব লাভ কৰিছে। সমান্তৰালভাৱে উৎপাদন ব্যৱস্থাত মান আৰু পৰিমাণৰ ওপৰতো পূৰ্বতকৈ বিভিন্নতা পৰিলক্ষিত হৈছে। সেয়ে এনেবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি আমি কেনেকৈ জৈৱিক উপায়েৰে মাটিৰ গুণাগুণ বৃদ্ধি কৰি উৎপাদন বৃদ্ধি আৰু নতুন সম্ভাৱনীয়তা সৃষ্টি কৰিব পাৰো সেই দিশত লক্ষ্য ৰাখি কাৰিকৰী জ্ঞান বৃদ্ধি কৰিব পাৰো, তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব।' অসম কৃষি বিশ্ববিদ্যালয়ৰ প্লেন্ট পেথ'লজী বিভাগৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হোৱা 'অণুজীৱৰ সমৃদ্ধিকৰণ জৈৱিক কৃষি প্ৰযুক্তিৰ বাবে এক নতুনত্ব' শীৰ্ষক এক সংক্ষিপ্ত পাঠ্যক্ৰমৰ আৰম্ভণি অনুষ্ঠানত এই মত ব্যক্ত কৰে ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয়ৰ কৃষি আয়ুক্ত ড° এছ কে মালহোত্ৰাই। ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অৰ্থ সাহায্যৰে ১৯-২৮ জানুৱাৰীলৈ হ'বলগীয়া সংক্ষিপ্ত পাঠ্যক্ৰমৰ আৰম্ভণি অনুষ্ঠানৰ মুখ্য অতিথিৰূপে নিজৰ বক্তব্যত তেওঁ লগতে কয় যে উত্তৰ-পূব ভাৰত জৈৱিক কৃষিৰ এক সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ। জৈৱিক উৎপাদন ব্যৱস্থাৰ জৰিয়তে এই অঞ্চলে সামগ্ৰিক কৃষিক্ষেত্ৰলৈ ৰূপান্তৰ অনাৰ সম্ভাৱনা দেখুৱাইছে আৰু এই দিশত সঠিক পথ দেখুৱাই নিয়াৰ দিশত অসম কৃষি বিশ্ববিদ্যালয়েও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

পাঠ্যক্ৰম সমন্বয়ক ড° পপী বৰাই আঁত ধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যাত বিশ্ববিদ্যালয়ৰ কৃষি অনুষদৰ বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই জৈৱিক কৃষিৰ এক দীঘলীয়া ইতিহাস থকাৰ পাছত এই দিশত যথোচিত জ্ঞানৰ অভাৱতে এই দিশত বহু পাছপৰি থকা বুলি উল্লেখ কৰি অধিক ফলপ্ৰসুভাৱে বিস্তাৰিত কৰাৰ বাবে এনেধৰণৰ পাঠ্যক্ৰম গ্ৰহণ কৰা হৈছে বুলি সদৰী কৰে। বিশ্ববিদ্যালয়ৰ কৃষি গৱেষণা সঞ্চালক ড° অশোক ভট্টাচাৰ্যই দিনে দিনে বাঢ়ি অহা কৃষিক্ষেত্ৰৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাত আৰু গুণগতভাৱে উৎপাদন বৃদ্ধিত এইধৰণৰ পাঠ্যক্ৰম সহায়ক হ'ব বুলি প্ৰকাশ কৰে। এই সংক্ষিপ্ত পাঠ্যক্ৰমত ২৮জন গৱেষক বিজ্ঞানীয়ে অংশগ্ৰহণ কৰিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ বিজ্ঞানগুৰু ড° ডেইজী হাজৰিকায়ো অংশগ্ৰহণ কৰা এই অনুষ্ঠানত ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ যোৰহাটস্থ ভাৰপ্ৰাপ্ত সঞ্চালক ড° উদয় শইকীয়া আৰু প্লেন্ট পেথ'লজী বিভাগৰ মুৰব্বী পলাশ দেৱনাথেও বক্তব্য ৰাখে।

## অখিলেশক অস্বস্তিত পেলাই বিজেপিত যোগদান মুলায়মৰ পুত্ৰ বোৱাৰী অপৰ্ণাৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৯ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ আসন্ন নিৰ্বাচনৰ পূৰ্বে বৃহৎ অঘটনৰ সন্মুখীন হ'ল অখিলেশ যাদৱ নেতৃত্বাধীন সমাজবাদী পাৰ্টি। আজি পুৱাতে বিজেপিৰ পতাকা হাতত তুলি ল'লে মুলায়ম সিং যাদৱৰ কনিষ্ঠ পুত্ৰ বোৱাৰী অপৰ্ণা যাদৱে। যোগী আদিত্যনাথৰ মন্ত্ৰীসভাৰ তিনি মন্ত্ৰীসহ একাধিক বিধায়কে শেহতীয়াভাৱে বিজেপি ত্যাগ কৰি অখিলেশৰ দলত যোগদান কৰাৰ পাছতে এইবাৰ প্ৰত্যুত্তৰ দিলে বিজেপিয়ে। মুলায়মৰ কনিষ্ঠ পুত্ৰ প্ৰতীক সিং যাদৱৰ পত্নী অপৰ্ণাই আজি আনুষ্ঠানিকভাৱে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰিলে। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত লক্ষ্ণৌ কেণ্টনমেণ্টত সমাজবাদী পাৰ্টিৰ টিকটত প্ৰতিদ্বন্দ্বিতা কৰি অপৰ্ণাই বিজেপিৰ প্ৰাৰ্থী ৰীতা বহুগুণা যোশীৰ হাতত পৰাজিত হৈছিল। মুলায়ম পৰিয়ালৰ সদস্যই এইদৰে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত বিজেপিত যোগদান কৰাটো ৰাজনৈতিক দিশৰ পৰা তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে।

## হস্তিনাপুৰত কংগ্ৰেছৰ 'মিছ বিকিনি' প্ৰাৰ্থীক লৈ বিতৰ্ক তুংগত




নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৯ জানুৱাৰী ঃ উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত হস্তিনাপুৰ সমষ্টিত কংগ্ৰেছে প্ৰাৰ্থিত্ব প্ৰদান কৰিলে মডেল-অভিনেত্ৰী অৰ্চনা গৌতমক। ২৬ বছৰীয়া অৰ্চনাই ৰাজনীতিত প্ৰৱেশৰ পূৰ্বে মডেল হিচাপে জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে একাধিক সৌন্দৰ্য প্ৰতিযোগিতাতো স্বীকৃতি লাভ কৰিছিল। কে'বা বছৰ পূৰ্বে তেওঁ এক সৌন্দৰ্য প্ৰতিযোগিতাত 'মিছ বিকিনি ব'ডী' খিতাপ লাভ কৰিছিল। অৰ্চনাক কংগ্ৰেছে ঐতিহ্যমণ্ডিত হস্তিনাপুৰত প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ পাছত গ্লেমাৰ জগতৰ পৰা ৰাজনীতিত প্ৰৱেশ কৰা এইগৰাকী মহিলা প্ৰাৰ্থীৰ বিকিনি পৰিধান কৰা বহু ফটোগ্ৰাফ সামাজিক মাধ্যমত ভাইৰেল হৈছে। বিৰোধী দলসমূহে স্বল্প পোছাক পৰিধান কৰা মডেলক এইদৰে কংগ্ৰেছে হস্তিনাপুৰত প্ৰাৰ্থিত্ব প্ৰদান কৰাক লৈও প্ৰশ্ন উত্থাপন হৈছে। সামাজিক মাধ্যমত সম্প্ৰতি কংগ্ৰেছৰ এইগৰাকী মহিলা প্ৰাৰ্থীক লৈ বিতৰ্ক অব্যাহত আছে। অৰ্চনাই প্ৰকাশ কৰা মতে, তেওঁ প্ৰিয়ংকা গান্ধী ভদ্ৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাজনীতিত প্ৰৱেশ কৰিছে। বিধানসভাৰ আসন্ন নিৰ্বাচনত বিজেপিৰ বৰ্তমানৰ বিধায়ক দীনেশ খাতিকৰ বিৰুদ্ধে অৰ্চনাই প্ৰতিদ্বন্দ্বিতা কৰিব।

## গোৱাত প্ৰথম প্ৰাৰ্থী তালিকা প্ৰকাশ তৃণমূলৰ



**নিউজ ব্যুৰ', পানাজি, ১৯ জানুৱাৰী ঃ** গোৱা বিধানসভাৰ নিৰ্বাচন উপলক্ষে প্ৰথম দফাৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিলে তৃণমূল কংগ্ৰেছে। দলটোৱে প্ৰথম পৰ্যায়ত নিৰ্বাচনৰ বাবে ১১ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে। তৃণমূল কংগ্ৰেছে গোৱাত প্ৰাৰ্থিত্ব প্ৰদান কৰিলে ৰাজ্যখনৰ দুই প্ৰাক্তন মুখ্যমন্ত্ৰী লুইজিনহো ফালেইৰ' আৰু চাৰ্চিল আলেমাওক। নিজৰ পূৰ্বৰ সমষ্টিতে এইবাৰ তৃণমূল কংগ্ৰেছৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ফালেইৰ' আৰু আলেমাওকে। উল্লেখ্য যে যোৱা ছেপ্টেম্বৰত ফালেইৰ'ৰে কংগ্ৰেছ ত্যাগ কৰি তৃণমূল কংগ্ৰেছত যোগদান কৰিছিল। নিৰ্বাচনলৈ মাত্ৰ কেইদিনমান থকাৰ সময়তে দলৰ ৰাজ্যিক সমিতি ঘোষণা কৰিলে তৃণমূল কংগ্ৰেছে। কিৰণ কান্দোলকৰক সভাপতিৰ দায়িত্ব অৰ্পণৰে তৃণমূল কংগ্ৰেছে ৬৮ সদস্যৰে গোৱাৰ ৰাজ্যিক সমিতি গঠন কৰিলে।

## আই এন এছ ৰণবীৰত ভয়াৱহ বিস্ফোৰণত নিহত তিনি নৌসেনা কৰ্মী



**নিউজ ব্যুৰ', মুম্বাই, ১৯ জানুৱাৰী ঃ** মুম্বাইৰ নেভাল ডকইয়াৰ্ডত ভয়াৱহ বিস্ফোৰণ সংঘটিত হ'ল। প্ৰকাশিত বাতৰি অনুসৰি নৌসেনাৰ ৰণতৰী আই এন এছ ৰণবীৰৰ আভ্যন্তৰীণ কক্ষত সংঘটিত হোৱা এক বিস্ফোৰণৰ ঘটনাত তিনিজন নৌসেনা কৰ্মীৰ মৃত্যু হ'ল। তদুপৰি এই বিস্ফোৰণত আন কে'বাজনো নৌসেনাৰ কৰ্মী আহত হৈছে। কেনেকৈ আৰু কি কাৰণত বিস্ফোৰণ সংঘটিত হ'ল সেয়া এতিয়াও জানিব পৰা হোৱা নাই। বিস্ফোৰণৰ ঘটনাটোত ১১ জন লোক আহত হৈছে আৰু সম্প্ৰতি তেওঁলোক চিকিৎসাধীন হৈ আছে।


### শিক্ষকৰ ব্যাপক বিক্ষোভৰ পাছতো দেশৰ বিদ্যালয়সমূহ কৰ'নাৰ সংক্ৰমণৰ ফলত পুনৰ বন্ধ নকৰাৰ সিদ্ধান্ত ফ্ৰান্স চৰকাৰৰ

# সংক্ৰমণ বৃদ্ধি সত্ত্বেও নিষেধাজ্ঞা আৰোপ কৰা হোৱা নাই ইউৰোপত

**নিউজ ব্যুৰ' পেৰিছ, ১৯ জানুৱাৰী ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ইউৰোপত দ্ৰুতগতিত বৃদ্ধি অব্যাহত আছে। যোৱা সোমবাৰে ইউৰোপত ৮.৭৫ লাখ নতুন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। কিন্তু ক'ভিডৰ এনে ব্যাপক সংক্ৰমণৰ পাছতো ইউৰোপ স্তব্ধ হোৱা নাই। ইউৰোপৰ কেঁবাখনো দেশৰ চৰকাৰে ক'ভিডৰ শেহতীয়া সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত তলাবন্ধ অথবা আন কোনো কঠোৰ ক'ভিড বিধি বলৱৎ কৰাৰ পৰা বিৰত আছে। ফ্ৰান্স চৰকাৰে শিক্ষকসকলৰ ব্যাপক বিক্ষোভৰ পাছতো দেশখনৰ বিদ্যালয়সমূহ কৰ'নাৰ সংক্ৰমণৰ ফলত পুনৰ বন্ধ নকৰাৰ সিদ্ধান্ত ল'লে। ফ্ৰান্স চৰকাৰে কয় যে দুপালিকৈ প্ৰতিষেধক গ্ৰহণৰ পাছত দেশখনৰ নাগৰিকসকলে কৰ'নাৰ সংক্ৰমণৰ স'তে নিশ্চিতভাৱে সংগ্ৰাম কৰিব পাৰিব। ফ্ৰান্সত সম্প্ৰতি নতুনকৈ এক লাখ লোক কৰ'নাত সংক্ৰমিত হৈছে। ইউৰোপৰ আন এখন মুখ্য দেশ ব্ৰিটেইনতো চৰকাৰে তলাবন্ধৰ বিৰুদ্ধে সিদ্ধান্ত গ্ৰহণ কৰিলে। ব্ৰিটেইন চৰকাৰে প্ৰকাশ কৰা অনুসৰি, কৰ'নাৰ সংক্ৰমণ বাঢ়িলেও দেশখনে পূৰ্বৰ দৰে তলাবন্ধ অথবা প্ৰতিষেধক প্ৰমাণপত্ৰ প্ৰৱৰ্তন নকৰে। ব্ৰিটেইনত সম্প্ৰতি দৈনিক ৯০ হেজাৰ লোক ক'ভিডত সংক্ৰমিত হৈছে।



ইফালে, বৰদিনৰ সময়ত স্কটলেণ্ড চৰকাৰে বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰিছিল যদিও অহা ২৪ জানুৱাৰীৰ পৰা দেশখনে এই সকলো নিষেধাজ্ঞা বাতিল কৰিব। মঙলবাৰে স্কটলেণ্ডত ৩৬,৫২৬ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। স্পেইনত মাস্ক পৰিধান বাধ্যতামূলক যদিও দেশখনৰ কাৰ্যালয়, বজাৰ, বিদ্যালয় আৰু অন্যান্য ৰাজহুৱা স্থানসমূহ ক'ভিডৰ ব্যাপক সংক্ৰমণৰ পাছতো মুকলি ৰখা হৈছে। দেশখনত দৈনিক ১.১০ লাখ লোক কৰ'নাত আক্ৰান্ত হৈ আহিছে। ইউৰোপত সৰ্বপ্ৰথম তলাবন্ধ ঘোষণা কৰা হলেণ্ডেও অহা ২২ জানুৱাৰীৰ পৰা তলাবন্ধ প্ৰত্যাহাৰ কৰিব। জাৰ্মানীত দৈনিক ৫৪ হেজাৰ লোক কৰ'নাত আক্ৰান্ত হৈছে যদিও দেশখনত ৰাজহুৱা যাতায়াত ব্যৱস্থা বাহাল আছে। পৰ্তুগালতো দৈনিক ২১ হেজাৰ লোক কৰ'নাত সংক্ৰমিত হোৱাৰ পাছতো শিক্ষানুষ্ঠানসমূহ মুকলি ৰখা হৈছে। ৰাছিয়াত সম্প্ৰতি দৈনিক ৩০ হেজাৰ লোক কৰ'নাত আক্ৰান্ত হৈছে, কিন্তু দেশখনত তলাবন্ধ কৰা হোৱা নাই। ফিনলেণ্ড, পোলেণ্ড আৰু ছুইজাৰলেণ্ডতো কৰ'নাৰ সংক্ৰমণ ১৫-২২ হেজাৰৰ ভিতৰত আছে যদিও দেশকেইখনে স্বাভাৱিক জীৱন যাত্ৰা অব্যাহত ৰাখিছে।



## পাকিস্তানত আৰক্ষীক আক্ৰমণ সন্ত্ৰাসবাদীৰ, এজন আৰক্ষী নিহত

**নিউজ ব্যুৰ' ইছলামাবাদ, ১৯ জানুৱাৰী ঃ** পাকিস্তানৰ ইছলামাবাদত আৰক্ষী বিষয়াৰ বিৰুদ্ধে হিংসাত্মক ঘটনা বৃদ্ধি পাইছে। যোৱা সোমবাৰে নিশা আৰক্ষীকৰ্মীয়ে ছেক্টৰ জি-৮ত টহল দি থকাৰ সময়ত কৰাচী কোম্পানী পুলিচ চৌহদত হঠাতে গুলীয়াগুলিৰ ঘটনা সংঘটিত হৈছিল। প্ৰকাশিত বাতৰি অনুসৰি, টহলদাৰী আৰক্ষীয়ে মটৰ চাইকেলেৰে যাত্ৰা কৰা দুজন লোকক ৰখাবলৈ চেষ্টা চলোৱাৰ সময়ত দুই আৰোহীয়ে আৰক্ষীলৈ গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত এজন আৰক্ষীকৰ্মী নিহত হৈছিল আৰু আন দুজন গুৰুতৰভাৱে আহত হৈছিল। তিনিজনকৈ আৰক্ষী এইদৰে দুষ্কৃতিকাৰীৰ আক্ৰমণৰ বলি হোৱাৰ পাছত সম্প্ৰতি ইছলামাবাদত 'হাই এলাৰ্ট' জাৰি কৰা হৈছে।



## উচ্চতম ন্যায়ালয়ৰ ১০ ন্যায়াধীশ হ'ল ক'ভিড আক্ৰান্ত

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** উচ্চতম ন্যায়ালয়ত সন্ত্ৰাস সৃষ্টি কৰিছে কৰ'নাৰ সংক্ৰমণে। বৰ্তমানলৈকে দেশৰ শীৰ্ষ আদালতত কৰ্মৰত ১০ জন ন্যায়াধীশৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। ফলত বন্ধ হৈ আছে সৰ্বোচ্চ ন্যায়ালয়ৰ তিনিখন বিচাৰপীঠ। উচ্চতম ন্যায়ালয়ত এতিয়ালৈকে ৪০০ৰো অধিক কৰ্মচাৰী কৰ'নাত আক্ৰান্ত হৈছে। বিগত ১০ দিনত সৰ্বোচ্চ ন্যায়ালয়ত কৰ'না আক্ৰান্ত ন্যায়াধীশৰ সংখ্যা দ্বিগুণ হ'ল। মুঠ ৩২ ন্যায়াধীশৰ ১০ জন কৰ'নাত সংক্ৰমিত হৈছে। অৱশ্যে ইয়াৰে দুজন ন্যায়াধীশ ইতিমধ্যে সুস্থ হৈ উঠিছে। বৰ্তমানে আঠজন ন্যায়াধীশ ছুটীত আছে। সৰ্বোচ্চ ন্যায়ালয়ৰ যথেষ্টসংখ্যক ন্যায়াধীশ ক'ভিডত সংক্ৰমিত হোৱাৰ ফলত উচ্চতম ন্যায়ালয়ৰ কাম-কাজ প্ৰভাৱিত হৈছে।

## জাল্লিকাট্টুত উন্মত্ত ষাঁড়ৰ আক্ৰমণত ত্ৰিচিত এজনৰ মৃত্যু, আহত ৪৫ জন

**নিউজ ব্যুৰ', ত্ৰিচি, ১৯ জানুৱাৰী ঃ** তামিলনাডুৰ ত্ৰিচি জিলাত জাল্লিকাট্টুত পুনৰ উন্মত্ত ষাঁড়ৰ আক্ৰমণত মৃত্যুৰ ঘটনা সংঘটিত হ'ল। এইবাৰ প্ৰাণ হেৰুৱালে জাল্লিকাট্টু উপভোগ কৰিবলৈ অহা এজন দৰ্শকে। এই ঘটনাত কমেও ৪৫ জন লোক গুৰুতৰভাৱে আহত হৈছে। ক'ভিডৰ পৰিপ্ৰেক্ষিতত বিগত দুবছৰ ধৰি ত্ৰিচিত ঐতিহ্যমণ্ডিত ষাঁড়ৰ খেলা জাল্লিকাট্টু বন্ধ হৈ আছিল। এইবাৰ সীমিতসংখ্যক দৰ্শকৰ উপস্থিতিত প্ৰশাসনে জাল্লিকাট্টু অনুষ্ঠিত কৰাৰ অনুমতি দিছিল। কিন্তু ত্ৰিচিৰ নাবালুৰ কুট্টাপাট্টু গাঁৱত এই খেল উপভোগ কৰিবলৈ অগণন লোকে ভিৰ কৰে। জাল্লিকাট্টু অব্যাহত থকাৰ সময়তে এটা উন্মত্ত ষাঁড়ে আক্ৰমণ কৰাত এজন দৰ্শকৰ ঘটনাস্থলীতে মৃত্যু হয়। আহত ৪৫ জনৰ মাজৰ ১০ জনৰ অৱস্থা সংকটজনক। উল্লেখ্য যে তামিলনাডুত প্ৰতি বছৰে পুংগলত ঐতিহ্যবাহী জাল্লিকাট্টু অনুষ্ঠিত হৈ আহিছে।



# বিশ্বত এদিনত ৩০.১৭ লাখ লোক হ'ল ক'ভিড আক্ৰান্ত

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১৯ জানুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত ক'ভিডত নতুনকৈ আক্ৰান্ত হ'ল ৩০.১৭ লাখ লোক। অৱশ্যে বিগত এদিনত বিশ্বত ১৭.৭০ লাখ ক'ভিড ৰোগী সুস্থ হৈ উঠিল। ইফালে, কৰ'নাৰ সংক্ৰমণে বিশ্বৰ বিভিন্ন দেশত যোৱা ২৪ ঘণ্টাত পুনৰ ৮,০৩৯ জন লোকৰ প্ৰাণ কাঢ়িলে। সংক্ৰমণৰ ক্ষেত্ৰত যোৱা ২৪ ঘণ্টাত ৫.৪৬ লাখ আক্ৰান্তৰে শীৰ্ষত আছে আমেৰিকা। আনহাতে দৈনিক সংক্ৰমণত সম্প্ৰতি দ্বিতীয় স্থানত থকা ভাৰতত বিগত এদিনত ২.৮২ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। একেদৰে তৃতীয় স্থানত থকা ব্ৰাজিলত বিগত এদিনত ১.৩২ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। আমেৰিকাত যোৱা ২৪ ঘণ্টাত ১৭২০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। একেদৰে বিগত এদিনত ভাৰতত ৪৪১ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱালে। সক্ৰিয় ৰোগীৰ ক্ষেত্ৰত সম্প্ৰতি বিশ্বৰ ভিতৰতে শীৰ্ষত আছে আমেৰিকা। বিশ্বত বৰ্তমানে ৫.৮৬ কোটি সক্ৰিয় কৰ'না ৰোগী আছে। ইয়াৰে ২.৪৩ কোটি সক্ৰিয় ৰোগী আমেৰিকাত আছে। বিশ্বত বৰ্তমানলৈকে ৩৩.৫১ কোটি লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। ইতিমধ্যে ২৭.০৮ কোটি ক'ভিড ৰোগী বিশ্বৰ বিভিন্ন দেশত সুস্থ হৈ উঠিলে। আনহাতে, ক'ভিডৰ সমগ্ৰ পৰ্বটোত বিশ্বৰ বিভিন্ন দেশত মঙলবাৰলৈকে ৫৫.৭২ লাখ ৰোগীৰ মৃত্যু হ'ল। ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি নিউজিলেণ্ড চৰকাৰে দেশলৈ অহা সকলো লোকৰ ক্ষেত্ৰত ১০ দিনৰ নিভৃতবাস বাধ্যতামূলক ঘোষণা কৰিলে।




## মাস্ক নিপিন্ধা কৰ্ণাটকৰ মন্ত্ৰীয়ে ক'লে 'মাস্ক পিন্ধিবলৈ মোৰ আগ্ৰহ নাই'



**নিউজ ব্যুৰ', বাংগালুৰু, ১৯ জানুৱাৰী ঃ** কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত মাস্ক পৰিধান কৰাটো অত্যন্ত জৰুৰী বুলি চিকিৎসক-বিশেষজ্ঞসকলে পৰামৰ্শ দি আহিছে। স্বয়ং চৰকাৰেও দেশবাসীক ক'ভিড প্ৰতিৰোধৰ বাবে অন্যান্য নিয়ম-নীতি পালনৰ লগতে মাস্ক পৰিধান কৰিবলৈ দিহা দিছে। কিন্তু মাস্ক পৰিধানৰ এনে নিয়ম-নীতি দেশৰ একাংশ ৰাজনৈতিক নেতাই উলংঘন কৰি অহা প্ৰত্যক্ষ হৈ আহিছে। এইবাৰ মাস্ক পৰিধান নকৰাৰ বাবে সামাজিক মাধ্যমত সমালোচনাৰ সন্মুখীন হ'ল কৰ্ণাটকৰ মন্ত্ৰী উমেশ কট্টি। এক সামাজিক অনুষ্ঠানত মন্ত্ৰীজনে মাস্ক অবিহনে অংশ লৈছিল। বিজেপিৰ নেতা কট্টিয়ে মাস্ক পৰিধান নকৰাৰ কাৰণ সাংবাদিকে জানিব বিচাৰাত তেওঁ এইদৰে কয়, 'প্ৰধানমন্ত্ৰীয়ে কৈছিল যে নিষেধাজ্ঞা আৰোপ কৰা নহ'ব আৰু মাস্ক পৰিধান কৰাটো এক ব্যক্তিগত কথা। যিসকলে মাস্ক পিন্ধিব বিচাৰে তেওঁলোকে পিন্ধিব পাৰিব। মোৰ মাস্ক পৰিধানৰ প্ৰতি কোনো আগ্ৰহ নাই আৰু সেয়েহে মই পিন্ধা নাই। এয়া মোৰ ব্যক্তিগত সিদ্ধান্ত।'

## লণ্ডনৰ বিলাসী বাসগৃহও ত্যাগ কৰিব লাগিব মালিয়াই ঃ ন্যায়ালয়ৰ নিৰ্দেশ


**নিউজ ব্যুৰ' লণ্ডন, ১৯ জানুৱাৰী ঃ** ভাৰতীয় মূলৰ পলাতক ব্যৱসায়ী বিজয় মালিয়াই এইবাৰ লণ্ডনত থকা নিজৰ বিলাসী বাসগৃহ ত্যাগ কৰিব লাগিব। এই সন্দৰ্ভত মালিয়াই আদালতত দাখিল কৰা এক আবেদন ব্ৰিটিছ আদালতে নাকচ কৰাত এতিয়া ভাৰতৰ পৰা পলায়ন কৰি লণ্ডনত আশ্ৰয় গ্ৰহণ কৰা প্ৰৱঞ্চক ব্যৱসায়ীজনে লণ্ডনৰ বাসগৃহ ত্যাগ কৰাৰ বিকল্প নাই। দৰাচলতে কিছুদিন পূৰ্বে মালিয়াক এই ঘৰটো ত্যাগ কৰিবলৈ আদালতে নিৰ্দেশ দিছিল আৰু ইয়াৰ বিৰুদ্ধে তেওঁ আবেদন দাখিল কৰিছিল। কিন্তু আদালতে মালিয়াৰ এই আবেদন প্ৰত্যাখ্যান কৰে। ছুইছ বেংক ইউ বি এছৰ স'তে দীৰ্ঘদিনীয়া আইনী বিবাদৰ পাছত মালিয়াক আদালতে লণ্ডনৰ বাসগৃহটো খালি কৰি দিবলৈ নিৰ্দেশ দিছিল। উক্ত বাসগৃহটো ইউ বি এছ বেংকে বাজেয়াপ্ত কৰি নিলাম যোগে বিক্ৰীৰে মালিয়াৰ অনাদায়ী ঋণৰ ধন আদায়ৰ ব্যৱস্থা কৰিব। উল্লেখ্য যে ২০১৬ৰ মাৰ্চত মালিয়াই ব্ৰিটেইনলৈ পলাই গৈছিল। ভাৰতত নহেজাৰ কোটি টকাৰ ঋণ লৈ পৰিশোধ নকৰি প্ৰৱঞ্চক ব্যৱসায়ীজনে তেতিয়াৰে পৰা লণ্ডনতে বাস কৰি আহিছে।



# নীতিশক আৰ জে ডিৰ প্ৰস্তাৱ ঃ তেজস্বীক মুখ্যমন্ত্ৰী বনাই আপুনি কেন্দ্ৰলৈ যাওক, আমি দিম সমৰ্থন

**নিউজ ব্যুৰ', পাটনা, ১৯ জানুৱাৰী ঃ** বিহাৰৰ এন ডি এ চৰকাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ এসময়ত আৰ জে ডিৰ মহামৰ্চাৰ চৰকাৰত মুখ্যমন্ত্ৰী আছিল। সেই সময়ত আৰ জে ডিৰ নেতা তেজস্বী যাদৱ আছিল বিহাৰৰ উপ-মুখ্যমন্ত্ৰী। আৰ জে ডিয়ে নীতিশক এইবাৰ পুনৰ এক বৃহৎ প্ৰস্তাৱ আগবঢ়ালে। আৰ জে ডিয়ে কয় যে নীতিশে তেজস্বীক বিহাৰৰ মুখ্যমন্ত্ৰী পাতি নিজে কেন্দ্ৰীয় ৰাজনীতিলৈ গ'লে আৰ জে ডিয়ে তেওঁক সমৰ্থন দিব। আৰ জে ডিৰ মুখপাত্ৰ তথা বিধায়ক ভাই বীৰেন্দ্ৰই কয়, 'এতিয়া মুখ্যমন্ত্ৰী নীতিশ কুমাৰে কেন্দ্ৰীয় ৰাজনীতি কৰা উচিত। যদি তেওঁ তেজস্বী যাদৱক বিহাৰৰ মুখ্যমন্ত্ৰী পাতি নিজে কেন্দ্ৰৰ ৰাজনীতিলৈ যায়, তেন্তে আৰ জে ডিয়ে তেওঁক সম্পূৰ্ণ সমৰ্থন দিব।' আৰ জে ডিৰ এই প্ৰস্তাৱৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে জে ডি (ইউ)-এ। জে ডি (ইউ)ৰ বিধান পৰিষদৰ সদস্য সঞ্জয় সিঙে কয় যে একাংশ লোকে দিবাস্বপ্ন দেখি ভাল পায় আৰু কল্পনাৰ জগতত বিচৰণ কৰাটো তেওঁলোকৰ অভ্যাস। নীতিশ কুমাৰে আৰ জে ডিৰ পৰা সমৰ্থন বিচাৰিছে নেকি বুলিও সিঙে কটাক্ষ কৰে।





## গোৱাৰ নিৰ্বাচনত অমিত পালেকৰক মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী ঘোষণা আপৰ

**নিউজ ব্যুৰ', পানাজি, ১৯ জানুৱাৰী ঃ** আম আদমী পাৰ্টি (আপ)য়ে গোৱা বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে অমিত পালেকৰক দলৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে ঘোষণা কৰিলে। আপে পূৰ্বে প্ৰতিশ্ৰুতি দি কৈছিল যে তেওঁলোকে ভণ্ডাৰী সমাজৰ প্ৰাৰ্থীক মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে ঘোষণা কৰিব। মঙলবাৰে গোৱাত উপস্থিত হোৱা আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি এখন সংবাদমেলত অংশ লোৱাৰ সময়ত পালেকৰৰ নাম আপৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে ঘোষণা কৰে। পালেকৰ হৈছে ভণ্ডাৰী সমাজৰ প্ৰতিনিধি আৰু গোৱাৰ মুঠ জনসংখ্যাৰ ৩৫ শতাংশ হৈছে এই সম্প্ৰদায়ৰ লোক। পেছাত অধিবক্তা পালেকৰ সমাজকৰ্মী হিচাপেও গোৱাত পৰিচিত।

## উত্তৰ প্ৰদেশত বিজেপিৰ তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ, বাদ পৰিল বৰুণ-অজয়



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৯ জানুৱাৰী ঃ** ২০২২ৰ উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ প্ৰচাৰৰ বাবে বিজেপিয়ে নিজৰ তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিলে। বিজেপিৰ এই তাৰকা প্ৰচাৰকৰ তালিকাত মুঠ ৩০ জন নেতাৰ নাম অন্তৰ্ভুক্ত হ'ল। তালিকাখনৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিং, হেমামালিনী, যোগী আদিত্যনাথসহ দলৰ কে'বাজনো শীৰ্ষ নেতাৰ নাম অন্তৰ্ভুক্ত হৈছে। অৱশ্যে এই তালিকাত অন্তৰ্ভুক্ত নহ'ল বিজেপিৰ সাংসদ বৰুণ গান্ধী আৰু কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় মিশ্ৰ টেনীৰ নাম। নিৰ্বাচন আয়োগে কৰ'নাৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি অহা ২২ জানুৱাৰীলৈকে নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৰাজ্যকেইখনত সকলোবোৰ সভাত নিষেধাজ্ঞা আৰোপ কৰিছে।

## দেশৰ ৭১ শতাংশ কৰ্মচাৰীয়ে কৰ্মজীৱনক লৈ নহয় সন্তুষ্ট ঃ সমীক্ষাৰ তথ্য

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৯ জানুৱাৰী ঃ** কৰ'না মহামাৰীত দেশৰ কৰ্মক্ষেত্ৰসমূহ সৰ্বাধিক প্ৰভাৱিত হৈছে। ক'ভিড পৰিস্থিতিত দেশৰ বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজিত ৭১ শতাংশ কৰ্মচাৰীয়ে নিজৰ কেৰিয়াৰৰ সন্দৰ্ভত পুনৰ বিবেচনা কৰিবলৈ বাধ্য হৈছে। শেহতীয়া এক সমীক্ষাৰ তথ্য অনুসৰি, সম্প্ৰতি ভাৰতৰ ব্যক্তিগত খণ্ডত নিয়োজিত ৭১ শতাংশ কৰ্মচাৰীয়ে নতুন কেৰিয়াৰ আৰম্ভ কৰাৰ কথা চিন্তা-চৰ্চা কৰিছে। কৰ'না মহামাৰীৰ তৃতীয়টো ঢৌৰ স'তে দেশৰ অৰ্থ ব্যৱস্থাই যুঁজ দিয়াৰ সময়তে প্ৰকাশিত সমীক্ষাটোৰ তথ্য অনুসৰি, বিগত দুটা ক'ভিড ঢৌৰ দ্বাৰা ভাৰতৰ কৰ্মক্ষেত্ৰসমূহ সৰ্বাধিক প্ৰভাৱিত হৈছিল। ইণ্ডিড ইণ্ডিয়াৰ ২০২১ৰ দ্বিতীয়টো ছমহীয়া নিযুক্তি বিষয়ক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি দেশৰ ৭১ শতাংশ ব্যক্তিগত খণ্ডৰ কৰ্মচাৰীয়ে ক'ভিডৰ দুটা ঢৌৰ পাছত নিজৰ কৰ্মজীৱনৰ সন্দৰ্ভত পুনৰ বিবেচনা কৰিব বিচাৰিছে। এইসকল লোকে সমীক্ষাটোত প্ৰকাশ কৰা মতে, তেওঁলোকে ক'ভিড কালত কৰ্মজীৱনত যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছিল আৰু সেয়েহে এতিয়া তেওঁলোকে নতুন কৰ্মক্ষেত্ৰৰ সন্ধান কৰিব বিচাৰিছে। ইণ্ডিড ইণ্ডিয়াই ভেলইউবক্সৰ জৰিয়তে যোৱা অক্টোবৰ-নৱেম্বৰ ২০২১ সময়ছোৱাত এই সমীক্ষা সম্পন্ন কৰিছিল। সমীক্ষাটোত ১২১৯ জন নিয়োগকৰ্তা আৰু ১,৫১১ জন কৰ্মচাৰীৰ মতামত গ্ৰহণ কৰা হৈছিল।



## লক্ষ্ণৌ-বাৰানসীত অখিলেশৰ হৈ প্ৰচাৰ চলাব মমতাই



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৯ জানুৱাৰী ঃ** প্ৰাৰ্থী প্ৰক্ষেপৰে পোনপটীয়া প্ৰতিদ্বন্দ্বিতাত নহয়, উত্তৰ প্ৰদেশৰ বিধানসভাৰ আসন্ন নিৰ্বাচনত সমাজবাদী পাৰ্টিক সমৰ্থন দিব মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱৰ দূত কিৰণময় নন্দক এই কথা স্পষ্টভাৱে অৱগত কৰি মমতাই কয় যে উত্তৰ প্ৰদেশত বিজেপি বিৰোধী প্ৰচাৰত অংশ ল'ব তৃণমূল কংগ্ৰেছে। সমাজবাদী পাৰ্টিৰ মুৰব্বীৰ স'তে লক্ষ্ণৌত এখন যৌথ সংবাদমেলত অংশ লোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লোকসভা সমষ্টি বাৰানসীতো প্ৰচাৰ চলাব মমতাই। অহা আঠ ফেব্ৰুৱাৰীত মমতাই লক্ষ্ণৌত উপস্থিত হ'ব। অৱশ্যে বাৰানসীত তৃণমূল কংগ্ৰেছৰ নেত্ৰীয়ে ভাৰ্চুৱেল পদ্ধতিৰে সমাজবাদী পাৰ্টিৰ হৈ প্ৰচাৰত অংশ ল'ব। বিজেপি বিৰোধী যুঁজ অধিক সবল কৰিবলৈ উত্তৰ প্ৰদেশৰ নিৰ্বাচনত মমতাৰ সহযোগিতা বিচাৰিছে অখিলেশে।

# তামুলপুৰৰ দোংপাৰ এছবিআইৰ গ্ৰাহক সেৱা কেন্দ্ৰত অৰাজকতা

## এটিএমৰ গোপন নম্বৰ সংগ্ৰহ কৰি গ্ৰাহকৰ ধন লুট




**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১৯ জানুৱাৰী ঃ** তামুলপুৰৰ দোংপাৰত এছবিআইৰ গ্ৰাহক সেৱা কেন্দ্ৰত আজি বহুদিন ধৰি এক অৰাজকতা সৃষ্টি হৈ আহিছে। ফলত গ্ৰাহক সেৱা কেন্দ্ৰটোৰ বেছিভাগ গ্ৰাহকে সেৱা কেন্দ্ৰৰ পৰিচালকজনৰ ওপৰত ৰুষ্ট হৈ পৰা দেখা গৈছে। জানিব পৰা মতে, গ্ৰাহক সেৱা কেন্দ্ৰৰ পৰিচালক গৌতম বৰ্মনে বিগত বহুদিন ধৰি গ্ৰাহকৰ একাউন্টৰ পৰা জমা ধন লুট কৰি থকাৰ গুৰুতৰ অভিযোগ আনিছে একাংশ ভুক্তভোগী গ্ৰাহকে। এই লৈ আজি দিনৰ ভাগত দোংপাৰস্থিত গ্ৰাহক সেৱা কেন্দ্ৰটোত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় গ্ৰাহকসকলে জনোৱা মতে, কেন্দ্ৰটোৰ পৰিচালকজনে অতি কৌশলেৰে কেন্দ্ৰটোৰ পৰা ধন উলিয়াব অহা গ্ৰাহকসকলৰ এটিএমৰ গোপন নম্বৰ সংগ্ৰহ কৰি দুবাৰকৈ ধন উলিওৱা কথাটো কে'বাজনো গ্ৰাহকে ধৰা পেলোৱাত আজি কেন্দ্ৰটোৰ পৰিচালকজনক নিজৰ জমাধন বিচাৰি জবাব দিহি কৰে। আজি গ্ৰাহক সেৱা কেন্দ্ৰটোত উপস্থিত থকা কে'বাজনো গ্ৰাহকে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে, কেন্দ্ৰটোৰ পৰিচালকগৰাকীয়ে বহুদিন ধৰি দুটাকৈ স্বুইপ মেচিন ব্যৱহাৰ কৰি গ্ৰাহকৰ পৰা এটিএমৰ গোপন নম্বৰ সংগ্ৰহ কৰি দুবাৰকৈ ধন উলিয়াই আহিছিল। ম'বাইলত দুবাৰকৈ ধন উলিওৱা মেচেজ লাভ কৰি আচৰিত হৈ পৰা গ্ৰাহকসকলে চিএচপিৰ পৰিচালকজনক কথাটো অৱগত কৰোৱাত বিষয়টো এৰাই চলি আহিছিল যদিও নিজৰ জমা ধন বিচাৰি আজি গ্ৰাহকসকলে উত্তেজিত হৈ পৰে। উল্লেখ্য যে গ্ৰাহকসকলে একাউন্টত কষ্টোপাৰ্জিত ধন জমা থলেও কমকৈ ধন জমা কৰাৰ অভিযোগ থকা এছবিআইৰ দোংপাৰস্থিত গ্ৰাহক সেৱা কেন্দ্ৰটোৰ পৰিচালকজনৰ মইমতালিত অঞ্চলটোৰ বহু দুখীয়া লোক হাৰাশাস্তিৰ সন্মুখীন হোৱা অভিযোগ আনিছে। এই ক্ষেত্ৰত গ্ৰাহক সেৱা কেন্দ্ৰৰ পৰিচালনাৰ দায়িত্বত থকা বিভাগীয় কৰ্তৃপক্ষক বিষয়টো গুৰুত্বসহকাৰে লৈ গ্ৰাহকসকলৰ সমস্যা সমাধান কৰিবলৈ দাবী জনাইছে দোংপাৰ অঞ্চলৰ বিশিষ্ট নাগৰিক তথা ৰাইজে।

# ৰাজ্যত উপৰ্যুপৰি অভিলেখ ভংগ আক্ৰান্তৰ

*এক পৃষ্ঠাৰ পৰা* কৰ্মক্ষেত্ৰলৈ ওলাই আহিব পাৰিব। অৱশ্যে হাস্পতালত ভৰ্তি হৈ থকাসকলৰ ক্ষেত্ৰত নিয়মটো অলপ সলনি হ'ব।' এই বৈঠকতে অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত অসমত কমেও ৯০ শতাংশ লোকক দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হয়। এই সন্দৰ্ভতে মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ২.২ কোটি লোকক প্ৰতিষেধক দিব লাগে। এতিয়ালৈকে চাৰি কোটিতকৈ অধিক পালি প্ৰতিষেধক দিয়া হৈছে। ১.৭২ কোটি দ্বিতীয় পালি ইতিমধ্যে প্ৰদান কৰিলেও ৫০ লাখ পালি দিবলৈ বাকী আছে। সেইখিনি অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত শেষ কৰা হ'ব।

### পুনৰ অভিলেখ ভংগ আক্ৰান্তৰ ঃ যুৱচামৰ মাজত সংক্ৰমণ বৃদ্ধি

ৰাজ্যত ক'ভিডৰ তিনিওটা ঢৌত দৈনিক আক্ৰান্তৰ সংখ্যাই উপৰ্যুপৰি ভংগ কৰিছে অভিলেখ। কালি ৮,০৭২ জন আক্ৰান্তৰ বিপৰীতে আজি সেই সংখ্যা ৮,৩৩৯ জনলৈ বৃদ্ধি হয়। ইয়াৰ ফলত আক্ৰান্তৰ হাৰো সৰ্বোচ্চ ১২.৮৯ শতাংশলৈ বৃদ্ধি হয়। কালি এই হাৰ আছিল ১২.৬ শতাংশ। আজি ১৫ জন লোকৰ মৃত্যুও হয়। জিলাবোৰৰ ভিতৰত কামৰূপ মহানগৰত আজিও ৰাজ্যৰ জিলাবোৰৰ ভিতৰত সৰ্বাধিক ১৯২৯ জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। ইয়াৰ পাছতে ডিব্ৰুগড়ত ৫১৩, যোৰহাটত ৪১৪ আৰু কাছাৰত ৩৯৬ জন লোকৰ শৰীৰত সংক্ৰমণৰ তথ্য পোহৰলৈ আহে। আনহাতে, শোণিতপুৰত সৰ্বাধিক তিনিজন ৰোগীৰ মৃত্যু হয়। দুজনকৈ ৰোগীৰ মৃত্যু হয় গোলাঘাট আৰু যোৰহাটত। বাগ্‌সা, বঙাইগাঁও, কাছাৰ, দৰং, ডিব্ৰুগড়, হাইলাকান্দি, মৰিগাঁও আৰু তিনিচুকীয়াত প্ৰাণ হেৰুৱায় এজনকৈ ক'ভিড আক্ৰান্তই।

ইপিনে, স্বাস্থ্য বিভাগৰ তথ্যত পোহৰলৈ আহিছে যে ২১ৰ পৰা ৩০ বছৰৰ ভিতৰৰ লোকৰ মাজতে তৃতীয় ঢৌত অসমত সংক্ৰমণৰ মাত্ৰাও অধিক। ইয়াৰ গড় হাৰ হ'ল ১৯.৭২ শতাংশ। ইয়াৰ পাছতে ৫১ৰ পৰা ৬০ বছৰৰ ভিতৰৰ লোক অধিক আক্ৰান্ত হৈছে। আনহাতে, ৩১ৰ পৰা ৪০ বছৰৰ ভিতৰৰ লোকৰ মাজত তৃতীয় সৰ্বাধিক আক্ৰান্তৰ তথ্য পোহৰলৈ আহিছে। যুৱচামটোৰ মাজত ক'ভিড বিধি উলংঘাৰ প্ৰৱণতা অধিক হোৱা বাবে তেওঁলোকৰ মাজত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে।

**কোকৰাঝাৰত দ্ৰুতগতিত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি ঃ কৰ্মচাৰী সন্থাৰ অধিৱেশন স্থগিত**

**কোকৰাঝাৰৰ অগ্ৰদূত বাৰ্তা ঃ** ৰাজ্যৰ আন আন প্ৰান্তৰ সমান্তৰালকৈ কোকৰাঝাৰ জিলাতো দিনক দিনে ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে। জিলাখনত আজি নতুনকৈ ৮৮জন লোকৰ দেহত ক'ভিডৰ অৱস্থিতি ধৰা পৰে। ফলত জিলাখনত বৰ্তমানলৈ আক্ৰান্তৰ সংখ্যা ৩৪২জনলৈ বৃদ্ধি পালে। ইপিনে, কোকৰাঝাৰত অহা ২১ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া কোকৰাঝাৰ জিলা কৰ্মচাৰী সন্থাৰ বিংশশতিতম দ্বি-বাৰ্ষিক অধিৱেশনখন আজি এক জৰুৰী সভাৰ সিদ্ধান্ত মৰ্মে জিলাখনত ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধিলৈ লক্ষ্য কৰি সাময়িকভাৱে স্থগিত ৰাখিছে। আজি কাকতলৈ এক বিবৃতিযোগে সন্থাৰ সাধাৰণ সম্পাদক কমল দেৱনাথে এই কথা জনায়।

### ওদালগুৰিত ১২০জন নতুনকৈ ক'ভিড পজিটিভ

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ক'ভিডৰ তৃতীয় ঢৌৱে ৰাজ্যখনক চুই যোৱাৰ সময়তে হঠাৎ ওদালগুৰি জিলাতো বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। তৃতীয় ঢৌত বৰ্তমানলৈ আজি জিলাখনত ১২০জন ক'ভিড-১৯ ৰোগী চিনাক্ত হৈছে। আজি জিলাখনত ১১৯৩জন লোকক ক'ভিড পৰীক্ষা কৰা হৈছিল। আজিৰ সংক্ৰমণৰ হাৰ হৈছে ১০.০৬ শতাংশ। উল্লেখ্য যে ওদালগুৰি জিলাত শনিবাৰে ৪৯জন, দেওবাৰে ১৮জন আৰু সোমবাৰে ৯৯জন পজিটিভ হোৱাৰ পাছত কালি জিলাখনত ক'ভিডৰ তৃতীয় ঢৌত সৰ্বাধিক ১৩৬জন লোক আক্ৰান্ত হৈছিল। ইয়াকে লৈ পাঁচ দিনত ওদালগুৰি জিলাখনত ৪২২জন লোক আক্ৰান্ত হৈছে। ক'ভিডৰ তৃতীয় ঢৌত আজি পৰ্যন্ত জিলাখনত ৫১৭জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ভিতৰত ৪২৭জন ক'ভিড ৰোগী সক্ৰিয় হৈ আছে।

### শিক্ষাৰ্থী আক্ৰান্ত হোৱাত আজমলৰ দুই শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশ ঃ এদিনতে ২৪২ ৰোগী চিনাক্ত

**হোজাইৰ অগ্ৰদূত বাৰ্তা ঃ** আজি হোজাই জিলা প্ৰশাসনে আজমল চি এছ আৰৰ অধীনস্থ দুখন শিক্ষানুষ্ঠান বন্ধৰ নিৰ্দেশ দিয়ে। হোজাইৰ বৰপুখুৰীৰ মৰিয়ম আজমল ৱ'মেন কলেজ আৰু হাম হাস্পতালত থকা হাম নাৰ্ছিং কলেজ দুখন আজিৰে পৰা অহা ২৫ জানুৱাৰীলৈকে বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। এই শিক্ষানুষ্ঠান দুখনত আজি ক'ভিড পৰীক্ষা কৰোতে মৰিয়ম আজমলত ৩৪গৰাকী আৰু নাৰ্ছিং কলেজত ২৭ গৰাকীৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ পাছতে হোজাইৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে এক নিৰ্দেশ যোগে আজমলৰ এই শিক্ষানুষ্ঠান দুখন সাময়িকভাৱে বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে। ইফালে, আজি হোজাই জিলাত সৰ্বাধিক ২৪২জন লোক ক'ভিডত আক্ৰান্ত হয়। আজিৰ আক্ৰান্তসকলকে ধৰি জিলাখনত সম্প্ৰতি ৫৪৩জন সক্ৰিয় ৰোগী আছে। ক'ভিডৰ তৃতীয় লহৰত হোজাইত আজিলৈকে মুঠ ১,০৬৫জন লোক আক্ৰান্ত হোৱাৰ তথ্য জিলা প্ৰশাসনৰ নথিত প্ৰকাশ পাইছে।

### মৰিয়নিত ক'ভিডৰ ভয়াৱহ সংক্ৰমণ ঃ হটস্পটত পৰিণত ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ

**মৰিয়নিৰ অগ্ৰদূত বাৰ্তা ঃ** মৰিয়নিত ক'ভিডৰ সংক্ৰমণে ভয়াৱহ ৰূপ লৈছে। মৰিয়নিৰ অধিকাংশ লোকৰ মাজত থকা অসচেতনতা আৰু বেপৰোৱা মনোভাৱৰ বাবেই দ্ৰুতগতিত সংক্ৰমণ অব্যাহত আছে। শেহতীয়াকৈ মৰিয়নিৰ বিদ্যালয় আৰু স্বাস্থ্য কেন্দ্ৰ হৈ পৰিছে কক্সভিড সংক্ৰমণৰ অন্যতম হটস্পট। মৰিয়নিৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয় (গাৰ্লছ হাইস্কুল)ৰ তিনিগৰাকী শিক্ষয়িত্ৰী আৰু এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ দেহত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ পাছত স্বাভাৱিকতে শিক্ষানুষ্ঠানখনত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিদ্যালয়খন খোলা থকাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়লৈ অহা শিক্ষক - শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰীসকল যথেষ্ট সমস্যাত পৰিবলগীয়া হয়। অৱশেষত আজি যোৰহাট জিলা প্ৰশাসনে বিদ্যালয়খন মাইক্ৰ'-কন্টেইনমেন্ট অঞ্চল ঘোষণা কৰি বিদ্যালয়খন বন্ধ কৰি দিয়ে। বিদ্যালয়খনলৈ সকলো লোকৰে আহ-যাহ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছে। ইফালে, মৰিয়নিৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰও এতিয়া ক'ভিড সংক্ৰমণৰ অন্যতম হটস্পট হৈ পৰিছে। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ মুঠ পাঁচজন কৰ্মচাৰীৰ দেহত ক'ভিড-১৯ ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। যোৱা ১২ জানুৱাৰীত দুজনকৈ কৰ্মচাৰী ক'ভিড পজিটিভ হোৱাৰ পাছত আজি পুনৰ তিনিজন কৰ্মচাৰী আক্ৰান্ত হয়। ফলত স্বাস্থ্য কেন্দ্ৰটোলৈ যোৱা ৰোগীৰ বাবে এতিয়া বিপজ্জনক হৈ পৰা বুলি মৰিয়নিত চৰ্চা আৰম্ভ হৈছে। বিশেষকৈ স্বাস্থ্য কেন্দ্ৰটোৰ প্ৰসূতি ৰোগী আৰু নৱজাতকৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰাতো অতি জৰুৰী হৈ পৰা বুলি সচেতন ৰাইজে মতপোষণ কৰিছে । উল্লেখ্য যে আজি মৰিয়নি নগৰত পুনৰ নজনকৈ লোক ক'ভিড পজিটিভ হৈছে। কালিও সাতজন লোক পজিটিভ ওলাইছিল। সংক্ৰমণৰ সংখ্যা দিনে দিনে উদ্বেগজনকভাৱে বৃদ্ধি পোৱা দেখা গৈছে। অথচ মৰিয়নিত অধিকাংশ লোকেই ক'ভিড বিধি মানি চলা দেখা নাযায়। মাস্ক ব্যৱহাৰ নকৰাৰ লগতে অধিকাংশ লোকেই এতিয়া সামাজিক ব্যৱধানো মানি নচলে। তাৰোপৰি মৰিয়নিৰ বিদ্যালয়সমূহৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও মাস্ক ব্যৱহাৰ নকৰাৰ লগতে সামাজিক ব্যৱধান মানি চলা দেখা পোৱা নাযায়। যাৰ বাবেই বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অধিক সংক্ৰমণ হোৱাৰ আশংকা সৃষ্টি হৈছে।

### নাজিৰাত নতুনকৈ ৫৪জন আক্ৰান্ত

**নাজিৰাৰ অগ্ৰদূত বাৰ্তা ঃ** নাজিৰাত আজি মুঠ ২৯৬জনৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ৫৪জন লোক শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ পূৰ্বে ১৮ জানুৱাৰীত ৪৩জন লোক আক্ৰান্ত হৈছিল। এই পৰ্যন্ত তৃতীয় ঢৌত নাজিৰাত ২,৫০৪জন লোক পজিটিভ হৈছে।

### বজালীত আজি আক্ৰান্ত ১০২জন

**পাঠশালাৰ বিশেষ সংবাদদাতা ঃ** বজালী জিলাতো অব্যাহত আছে ক'ভিডৰ দ্ৰুত সংক্ৰমণ। জিলাখনত আজি পুনৰ ১০২জন লোক কৰ'নাত আক্ৰান্ত হয়। জিলাখনৰ নিত্যানন্দ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজিৰ দিনটোত ৫৭জন, ভৱানীপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৪১জন, সতীশ শৰ্মা মেম'ৰিয়েল হাস্পতালত এজন আৰু পাঠশালা মেটাৰনিটি হাস্পতালত তিনিজন লোকৰ দেহত ক'ভিড সংক্ৰমণ ধৰা পৰে। ইয়াকে লৈ তিনি দিনত জিলাখনত মুঠ আক্ৰান্তৰ সংখ্যা ৩১৫জন হৈছে।

### চিৰাঙত ৬৩জন ক'ভিড পজিটিভ

**গৰুভাষাৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাত আজি নতুনকৈ ৬৩জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। চৰকাৰী তথ্য অনুসৰি, জিলাখনত এই পৰ্যন্ত ২,৯৮৩জন লোক আক্ৰান্ত হৈছে। আনহাতে, আজি জিলাখনত ২৪জন লোক ক'ভিডমুক্ত হয়। সম্প্ৰতি চিৰাঙত ২৭৪জন সক্ৰিয় ৰোগী আছে।


### বিশ্বনাথত নতুনকৈ শতাধিক লোক আক্ৰান্ত

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ জিলাত আজি নতুনকৈ ১০২জন লোকৰ শৰীৰত কৰ'নাৰ উপস্থিতি ধৰা পৰে। আজি জিলাখনত প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ তৰফৰ পৰা ১,০৯৪জন লোকৰ ক'ভিড পৰীক্ষা কৰা হৈছিল। ক'ভিডৰ তৃতীয় ঢৌত জিলাখনত এই পৰ্যন্ত ৯,৩৭৫জন লোক পজিটিভ হৈছে। ইয়াৰে ৮,৯৫৬জন ইতিমধ্যে সুস্থ হৈছে। সম্প্ৰতি জিলাখনত ৩১০জন সক্ৰিয় ৰোগী আছে। ইয়াৰ ভিতৰত ২৬জন বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

# মধ্য গাতি শাখা ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত কমিটী গঠন

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৯ জানুৱাৰী ঃ** বাগ্‌সাৰ গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত মছলাবাৰী, সোণপেৰাবড়ী, খয়েৰবাৰী, সৰুগাতি, আওহাটা, ডুমৰুগুৰি, দক্ষিণ খয়েৰবাৰী, শান্তি বজাৰ আদিক সামৰি মধ্য গাতি শাখা ছাত্ৰ সন্থা গঠন কৰা হয়। গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ উজীৰৰ সভাপতিত্বত গাতিৰ শান্তিমন্দিৰ ৰাস মহোৎসৱ প্ৰাংগনত অলপতে অনুষ্ঠিত এখন সভাৰ জৰিয়তে ডেনিয়েল দাসক সভাপতি,প্ৰাঞ্জল নাথক উপ সভাপতি,হীৰোকজ্যোতি দাসক সাধাৰণ সম্পাদক,ডিম্পল তালুকদাৰক সহকাৰী সম্পাদক,চাণক্য দাসক মুখ্য সাংগঠনিক সম্পাদক,অংগৰাগ দাসক সাংগঠনিক সম্পাদক,সত্যজিৎ তালুকদাৰক শিক্ষা সম্পাদক,সোণমণি দাসক বিত্ত সম্পাদক,উৎপল দাসক সাংস্কৃতিক সম্পাদক,দীপাংকৰ বৰ্মনক তথ্য ও প্ৰচাৰ সম্পাদক,ৰূপম দাসক ক্ৰীড়া সম্পাদক,কৌশিক দাসক কাৰ্যালয় সম্পাদক আৰু অসীম দাস,উদিত দাস,উপেন দাস,সমীৰণ দাসক কাৰ্যনিৰ্বাহক সদস্য হিচাপে নিৰ্বাচিত কৰি মুঠ ১৮ জনীয়া মধ্য গাতি শাখা ছাত্ৰ সন্থাৰ কমিটিখন গঠন কৰা হয়।উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ শৈক্ষিক আৰু সাংগঠনিক দিশত বক্তব্য প্ৰদান কৰে সদৌ বাগসা জিলা ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক জুবিন দাসে। সভাত গাতি আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক মিণ্টু দাস, সহকাৰী সম্পাদক ৰূপম দাস, মুখ্য সাংগঠনিক সম্পাদক বিদ্যুত দাস, বিত্ত সম্পাদক ৰণ্টু দাস আদি উপস্থিত থাকে।

# ভূৰাগাঁৱৰ পুত্ৰহত্যাত অভিযুক্ত পিতৃক গ্ৰেপ্তাৰ



**ভূৰাগাঁও, ১৯ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰজাবড়ী গাঁৱত যোৱা ১১ জানুৱাৰীত সংঘটিত হোৱা হত্যাকাণ্ডৰ মূল অভিযুক্ত বাবুলাল মণ্ডলক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। হত্যাকাণ্ডৰ পাছৰে পৰা পলাতক হৈ থকা অভিযুক্তজনক আৰক্ষীয়ে গাঁওবাসীৰ প্ৰত্যক্ষ সহযোগত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ভূমিকেন্দ্ৰিক বিবাদৰ বাবে ৰজাবড়ী গাঁৱত নিজৰ জ্যেষ্ঠপুত্ৰ পৰিমল মণ্ডলক পত্নী আৰু পুত্ৰ-কন্যাৰ চকুৰ সন্মুখতে পাঁচ সতীয়া ভ্ৰাতৃক লগাই পথাৰত মৰিয়াই মৰিয়াই হত্যা কৰাইছিল অভিযুক্ত বাবুলালে। আনকি পৰিমলক বচাবলৈ আগবাঢ়ি যোৱা পত্নী আৰু কন্যাক ভেটা দি আক্ৰমণ কৰা বুলি আজি পৰিমলৰ পত্নীয়ে সাংবাদিকক জানিব দিয়ে। পত্নীয়ে জানিব দিয়া মতে, প্ৰথমে এজন সতীয়া ভ্ৰাতৃয়ে পৰিমলক কুঠাৰেৰে ভৰিত মাৰি পথাৰৰ বোকাত পেলাই দিয়ে আৰু তাৰ পাছতে পাঁচজন সতীয়া ভায়ে আগুৰি লাঠি আৰু লোৰ চিপ্ৰাং আদিৰে আক্ৰমণ কৰি তেওঁৰ চকুৰ সন্মুখতে স্বামীক হত্যা কৰে। আনকি শহুৰ বাবুলালে বোৱাৰীয়েকক মুখত লাঠিৰে আক্ৰমণ কৰে। পৰিমলৰ সংজ্ঞাহীন দেহ পথাৰৰ বোকাত তেনেদৰে পেলাই থৈ অহাৰ পাছতহে পত্নী-পুত্ৰই মিলি চিকিৎসালয়লৈ নিয়ে আৰু চিকিৎসকে মৃত ঘোষণা কৰিছিল। মূল অভিযুক্ত বাবুলালে পথাৰৰ পৰা মৃতপ্ৰায় স্বামীক উঠাই অনাৰ সময়তো পৰিমলৰ পত্নীক সতৰ্কবাণী শুনাইছিল বুলিও তেওঁ কয়। এই বিষয়ত প্ৰতিবাদ কৰিলে পৰিমলৰ পুত্ৰকো হত্যা কৰি জেললৈ যাব বুলি পৰিমলৰ পত্নীক বাবুলালে সতৰ্ক কৰি দিছিল। ১২ জানুৱাৰীত পৰিমলৰ মৃত্যু হোৱাৰ পাছত ৰাইজে ভূৰাগাঁও আৰক্ষীক খবৰ দি ঘটনাৰ দিনাই হত্যাকাৰী পাঁচ সতীয়া ভ্ৰাতৃক আৰক্ষীক গতাই দিছিল। ৰাইজ-পৰিয়ালৰ অভিযোগৰ ভিত্তিতে ছয় হত্যাকাৰীৰ বিৰুদ্ধে তদন্তকাৰী বিষয়াজনে গোচৰো লৈছিল, কিন্তু তদন্তকাৰী বিষয়া লাহন নাথে ৰহস্যজনকভাৱে মূল অভিযুক্ত বাবুলালক ঘৰত পায়ো আটক নকৰাকৈ গুচি যায়। পৰৱৰ্তী কালত তদন্তৰ বাবে আহিও লাহনে আটক কৰা নাছিল বাবুলালক। ১৩ জানুৱাৰীৰ পুৱা বাবুলাল অন্তৰ্ধান হয় ঘৰৰ পৰা। লাহন নাথে বাবুলালক গ্ৰেপ্তাৰ নকৰি পাঁচ সতীয়া হত্যাকাৰী ভ্ৰাতৃক জেল হাজোতলৈ প্ৰেৰণ কৰিয়ে দায়িত্ব সামৰাৰ অভিযোগ তুলি বাবুলালক গ্ৰেপ্তাৰ নকৰা পৰ্যন্ত পৰিমলৰ মৃতদেহ সৎকাৰ কৰিবলৈ অস্বীকাৰ কৰে ৰাইজে। দুদিন ধৰি চোতালত মৃতদেহ পৰি থকাৰ পাছত লাহৰীঘাট আৰক্ষীৰ চক্ৰ পৰিদৰ্শক আৰু ভূৰাগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই ২৪ ঘণ্টাৰ ভিতৰত বাবুলালক গ্ৰেপ্তাৰ কৰাৰ আশ্বাস দিয়াত ৰাইজে পৰিমলৰ শৱদেহ সৎকাৰ কৰে। ইপিনে, গাঁৱৰ একাংশ লোকে বাবুলাল ক্ষেত্ৰীৰ পানীখাইতিত আত্মগোপন কৰি থকাৰ খবৰ লাভ কৰি ভূৰাগাঁও আৰক্ষীৰে যোগাযোগ কৰে। সেই অনুসৰি গাঁৱৰ দুই যুৱক ভূৰাগাঁও আৰক্ষীৰ লগত গৈ আজি ক্ষেত্ৰীত উপস্থিত হয়। ক্ষেত্ৰীৰ পানীখাইতীত এঘৰ আত্মীয়ৰ ঘৰৰ ভিতৰত দিনতে আঁঠুৱা তৰি আত্মগোপন কৰি থকা অৱস্থাত বাবুলালক আৰক্ষীয়ে আটক কৰি আজি ভূৰাগাঁও থানালৈ আনে।

# চিৰাঙত অবৈধ আধাৰকেন্দ্ৰ উৎখাত আৰক্ষীৰ

## আধাৰকাৰ্ডৰ বিভিন্ন সামগ্ৰীসহ এজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১৯ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত তিনি নম্বৰ দক্ষিণ মাক্ৰাত আৰক্ষীয়ে অভিযান চলাই এচাম দুষ্ট চক্ৰই আধাৰৰ নামত চলাই থকা অবৈধ বেহা তথা অবৈধ আধাৰকেন্দ্ৰ উৎখাত কৰে। সম্প্ৰতি বিভাগীয়ভাৱে আধাৰকাৰ্ড বনোৱা বন্ধ যদিও চিৰাং জিলাৰ বিজনীৰ তিনি নম্বৰ দক্ষিণ মাক্ৰাত এচাম দুষ্ট চক্ৰই চলাই গৈছিল আধাৰকাৰ্ডৰ অবৈধ ব্যৱসায়। বৰপেটা জিলাৰ আইডি ব্যৱহাৰ কৰি চিৰাঙৰ তিনি নম্বৰ দক্ষিণ মাক্ৰাত অনধিকাৰ আধাৰ কেন্দ্ৰ স্থাপন কৰি স্থানীয় এগৰাকী মহিলাৰ সহযোগত বৰপেটাৰ হাউলীৰ হাজিপাৰা নিবাসী আবুল কালাম আজাদে চলাই গৈছিল আধাৰৰ এই অবৈধ বেহা। গ্ৰাহকৰ পৰা ডেৰ-দুই হেজাৰ পৰ্যন্ত ধন লোৱা বুলি অভিযোগ আছিল দুষ্ট চক্ৰটোৰ বিৰুদ্ধে। এই খবৰ লাভ কৰি বল্লামগুৰী উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সিদ্ধেশ্বৰ কলিতাৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে তিনি নম্বৰ দক্ষিণ মাক্ৰাস্থিত অবৈধ আধাৰ কেন্দ্ৰটোত অভিযান চালাই আধাৰকাৰ্ড বনোৱাত ব্যৱহৃত প্ৰিণ্টাৰ মেছিন, স্কেনাৰ, ফিংগাৰ প্ৰিণ্ট থাম্প, আই ৰিছ, আধাৰ কাৰ্ডৰ যাৱতীয় নথিপত্ৰসহ এএছ-১৫এন-৬১৩৬ নম্বৰৰ এখন বাজাজ চিটি১০০ মটৰ চাইকেল জব্দ কৰে যদিও অবৈধ চক্ৰটো পলাই সাৰিবলৈ সক্ষম হয়। পাছত নিশাৰ ভাগতেই ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনৰ নেতৃত্বত বৰপেটাৰ হাউলীৰ হাজিপাৰাৰ নিজ গৃহৰ পৰা এটা লেপটপসহ শোৱাপাটীৰ পৰাই গ্ৰেপ্তাৰ কৰে আবুল কালাম আজাদ নামৰ অভিযুক্তগৰাকীক। আনহাতে আনগৰাকী মহিলা অভিযুক্তগৰাকী সম্প্ৰতি পলাতক অৱস্থাত আছে বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। ইফালে, আৰক্ষীৰ এজাহাৰৰ ভিত্তিত ১৮/২২ নম্বৰত বিজনী থানাত গোচৰ ৰুজু কৰা হয় বুলি জানিব পৰা গৈছে।

# বন বিভাগে লগোৱা জুইত ভস্মীভূত পৰ্যটনৰ বাহন ঃ চালকসহ আহত শিশু

## মানাহ ৰাষ্ট্ৰীয় উদ্যানত পুনৰ ভয়ংকৰ ঘটনা



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৯ জানুৱাৰী ঃ** বিপদে যেন লগ নেৰা হৈছে বিশ্ব ঐতিহ্যক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানক। উদ্যানখনত পৰ্যটকৰ বাহনত গঁড়, হাতীৰ আক্ৰমণৰ ঘটনাৰ পাছত এইবাৰ আন এক অঘটন সংঘটিত হ'ল। মানাহত এইবাৰ হঠাতে জ্বলি ভস্মীভূত হ'ল এখন পৰ্যটকৰ বাহন। মানাহৰ বাঁহবাৰী ৰেঞ্জৰ বুঢ়াবুঢ়ী বন শিবিৰৰ সমীপত সংঘটিত হৈছে এই ঘটনা। বাহনখনত থকা ৰঙিয়াৰ পৰ্যটকৰ দলটো সৌভাগ্যক্ৰমে ৰক্ষা পৰে যদিও বাহনখনৰ চালক আৰু এটি শিশু কিছু পৰিমাণে আঘাতপ্ৰাপ্ত হয়। জানিব পৰা মতে, মানাহৰ দুখনকৈ পৰ্যটক কঢ়িওৱা জীপচী গাড়ী মানাহৰ ভাৰত-ভূটান সীমান্তৱৰ্তী মথনগুৰিৰ পৰা বাঁহবাৰীলৈ উভতি অহাৰ পথত আগে আগে গৈ থকা জীপচীখনৰ তেলৰ টেংকীত বনবিভাগে উদ্যানখনৰ পথৰ কাষৰ জংঘলত লগোৱা জুইৰ লেলিহান শিখাই হঠাত আবৰি ধৰে। পথতেই জ্বলিবলৈ আৰম্ভ কৰে জীপচীখন। জীপচীখনৰ চালকে ততাতৈয়াকৈ পৰ্যটক কেইগৰাকীক জীপচীৰ পৰা নমাই মূল পথৰ পৰা জীপচীখন আঁতৰাই লগত অহা আনখন জীপচীৰ জৰিয়তে পৰ্যটকসকলক সুকলমে লৈ যোৱা হয় যদিও অৱশেষত জ্বলি ভস্মীভূত হয় মানাহৰ বাঁহবাৰী ৰেঞ্জৰ ৩৮ নম্বৰৰ জীপচী গাড়ীখন। স্মৰ্তব্য যে ইতিপূৰ্বে ৰাষ্ট্ৰীয় উদ্যানখনত গঁড়, হাতী আদিয়ে কে'বাবাৰো পৰ্যটকৰ বাহনত আক্ৰমণত চলোৱাৰ নজিৰ আছে।

# মুখ্যমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি বিধায়ক গোবিন্দ বসুমতাৰীৰ

## প্ৰয়োজনত আজিয়েই পিএছঅ' এৰিবলৈ সাজু

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ১৯ জানুৱাৰী ঃ** 'চৰকাৰে সিদ্ধান্ত ল'লে মইও ব্যক্তিগত নিৰাপত্তাৰক্ষী এৰিবলৈ সাজু। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানৰ প্ৰতি মোৰ সমৰ্থন আছে আৰু মই একমত।' এই মন্তব্য বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ। বিধায়কজনে আজি ওদালগুৰি মণিটৰিং কেম্পত মুখ্যমন্ত্ৰীৰ সাহায্য নিধিৰ চেক বিতৰণৰ এক চৰকাৰী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ অন্তত সাংবাদিকৰ সন্মুখত এই মন্তব্য প্ৰকাশ কৰে। তেওঁ কয়, 'ৰাইজে যদি আমাক ভাল পাই নিৰ্বাচনত জয়ী কৰাইছে, তেন্তে ৰাইজ আমাৰ লগত আছে। আমি কোনো ধৰণৰ নিৰাপত্তা লোৱাৰ প্ৰয়োজন নাই। কিন্তু এনে নিৰ্বাচিত প্ৰতিনিধিসকলৰ নিৰাপত্তাৰ বাবে চৰকাৰীভাৱে ব্যক্তিগত নিৰাপত্তাৰক্ষী প্ৰদান কৰাতো চৰকাৰী এক নিয়ম আছে। যদি চৰকাৰে মোক দিয়া নিৰাপত্তাৰক্ষীসমূহ উঠাই নিয়ে তেন্তে মোৰ আপত্তি নাই। চৰকাৰে যদি আতৰাব খোজে, মই এতিয়াই এৰি দিবলৈ সাজু আছো। যিহেতু ৰাইজে মোক জয়ী কৰা আনিছে গতিকে ৰাইজ মোৰ লগত আছে আৰু ৰাইজেই মোৰ নিৰাপত্তাৰ দ্বায়িত্ব ল'ব। আমি যদি সৎ কাম কৰো, ৰাইজৰ হৈ কাম কৰো তেন্তে ৰাইজে আমাক সহযোগিতা কৰিবই। ইয়াৰ বাবে কোনো নিৰাপত্তাৰক্ষী বা অস্ত্ৰৰ প্ৰয়োজন নাই। ভাল কাম কৰি গ'লে কাৰো পৰা ভাবুকি অহাৰ সন্দেহ নাই যাৰ বাবে পিএছঅ'ৰো প্ৰয়োজন নাথাকে। ৰাইজ আমাৰ লগত সকলো সময়তে আছে বুলি মোৰ বিশ্বাস আছে।ক্ট উল্লেখ্য যে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে পিঞ্জএছঞ্জঅক্স সংস্কৃতি এৰাৰ বাবে মন্ত্ৰী-বিধায়কসকলক আহ্বান জনোৱাৰ পাছত একাংশঞ্জ নেতাই বিভিন্ন কাৰণৰ বাবে পিএঞ্জঞ্জজঅক্স প্ৰয়োজন বুলি প্ৰতিফলিত কৰিব বিচৰাৰ সময়তে আজি বিটিআৰৰ উপমুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ এনে মন্তব্য তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। সমান্তৰালভাৱে পূৰ্বৰ বিটিচি চৰকাৰৰ তুলনাত বৰ্তমানৰ নতুন চৰকাৰখনৰ দিনত দুৰ্নীতি হ্ৰাস হোৱা বুলি বিধায়কগৰাকীয়ে দাবী কৰি এইক্ষেত্ৰত সময়ে সময়ে ভিচিডিচিসমূহক সকিয়াই থকাৰ কথাও সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে।



*নগৰবেৰাত অবাধে বন ধ্বংস*

# কোকৰাঝাৰত কুখ্যাত ড্ৰাগছ ব্যৱসায়ী আটক

## ২০ লাখ টকা মূল্যৰ হেৰ'ইন জব্দ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ, ১৯ জানুৱাৰী ঃ** ৰাজ্যত ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ অভিযান অব্যাহত থকাৰ সময়ছোৱাতে কোকৰাঝাৰ আৰক্ষীয়ে আজি জিলাখনৰ বৰুৱাপাৰাত অভিযান চলাই এজন কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে ১৮৬ টা হিৰ'ইনৰ কণ্টেইনাৰ জব্দ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীয়ে সদৰী কৰা মতে, জব্দ হেৰ'ইনৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য ২০ লাখ টকা হ'ব। ইপিনে, আৰক্ষীৰ অভিযানত আটক হোৱা ড্ৰাগছ সৰবৰাহকাৰীগৰাকী ধুবুৰী জিলাৰ লক্ষীগঞ্জ থানাৰ অন্তৰ্গত হাজাৰীপাৰাৰ নিবাসী গুল হুছেইন (১৯)। উল্লেখ্য যে কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেছাৰে সদৰী কৰা মতে, বিটিআৰৰ সদৰ কোকৰাঝাৰ জিলাত দীৰ্ঘদিনৰ পৰা গুল হুছেইন নামৰ ড্ৰাগছৰ বেপাৰীজনে গোপনে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল আৰু আজি বিশেষ সূত্ৰৰ পমখেদি কোকৰাঝাৰ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনেশ্বৰ বে'ৰ নেৰ্তৃত্বত আৰক্ষীৰ এটা দলে সাধাৰণ পোছাকত অভিযান চলোৱাত কুখ্যাত ড্ৰাগছ ব্যৱসায়ীজনক হেৰ'ইনসহ হাতে-লোটে কৰায়ত্ত কৰে। সম্প্ৰতি ধৃত ড্ৰাগছ ব্যৱসায়ী গুল হুছেইনক (১৯)ক অধিক জেৰা অব্যাহত ৰাখিছে আসম আৰক্ষীয়ে।

**NOTICE**

OFFICE OF THE DISTRICT LEGAL SERVICES AUTHORITY, KAMRUP (M)
(Ist Floor, New Building, District & Sessions Judge's Court Campus, Panbazar, Guwahati-01)

It is to inform all concerned who have received summon/notices to appear in the State Lok Adalat scheduled to be held on 22/01/2022 in the Chief Judicial Magistrate establishment, Kamrup (M) that, as directed by the Assam State Legal Services Authority, the said State Lok Adalat is hereby postponed until further orders considering the sudden surge in COVID-19 cases throughout the State and the SOP issued by the Government of Assam, for the Safety of the litigants and all concerned.

Sd/-
Chairperson, DLSA, -cum-
District & Sessions Judge,
Kamrup (M), Guwahati.

Janasanyog/D/13696/21

**FLOATING TENDER NOTICE**

Sealed tenders affixing Court fee Stamp of Rs. 8.25 (Rupees eight and twenty five paisa only) are invited from Registered Dealers/Distribution Suppliers etc. for supply of Comsumable items and printing and stationary items at Regional Dental College, Guwahati. The interested firms are directed to collect the tender papers along with term and conditions during office working hours on payment of Rs. 1000/- (One thousand only) by demand draft in favour of 'Member Secretary. Hospital Management Society, Regional Dental College, Guwahati payable at SBI, GMC Branch from 28-01-2022 to 05-02-2022. The tender along with necessary documents as per Govt. Rules are to be submitted to the undersigned on before 10th February. 2022 upto 2PM and sealed tender will be opened on 11-2-2022 at 2 PM.

Sd/-
Member Secretary
Hospital Management Society
Regional Dental College, Guwahati-32

Janasanyog/C/10781/21

# নদী পথেৰে সৰবৰাহ বৃহৎ পৰিমাণৰ চোৰাং কাঠ

## ■ কামৰূপ-গোৱালপাৰাৰ বিভিন্ন স্থানত অব্যাহত আছে চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায়



**আলোপতি, ১৯ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰে কঠোৰ স্থিতি গ্ৰহণৰ পাছতো ৰাজ্যৰ ভিন্ন প্ৰান্তত অব্যাহত আছে বনজ সম্পদৰ ওপৰত ধাৰাবাহিক লুণ্ঠন। দিনে-নিশাই বন বিভাগে অভিযান চলাই থকাৰ সময়তে দিন দুপৰতে বনজ সম্পদ লুণ্ঠনকাৰীয়ে শ শ চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰখা পৰিলক্ষিত হৈছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ ভিন্ন প্ৰান্তৰ পৰা চোৰাং ব্যৱসায়ীসকলে সম্প্ৰতি চোৰাং কাঠ সৰবৰাহৰ বাবে সহজ পথ হিচাপে বাছি লৈছে নদী পথ। কামৰূপ জিলাৰ বকো সমষ্টিৰ মালিবাৰী, ছমৰীয়া অঞ্চলত গাড়ীৰে শ শ কাঠৰ কুণ্ডা নিশাৰ ভাগত পেলাই সেইসমূহ ভটভটী নাৱেৰে জলজলী নদীয়েদি সমষ্টিৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপেটা জিলাৰ চৰাঞ্চললৈ পঠিওৱা হয়। একাংশ চোৰাং কাঠ ব্যৱসায়ীয়ে মালিবাৰী, জামলাই, ৰংগেশ্বৰী পামকে ধৰি কে'বাটাও ঘাটত শ শ টুকুৰা চোৰাং কাঠ পেলাই সেইসমূহ বিভিন্ন প্ৰান্তলৈ পঠিওৱাৰ অভিযোগ উঠিছে। অনুৰূপভাৱে গোৱালপাৰা জিলাৰ শিমলীতোলা, বহতী, দলগোমা আদিকে ধৰি কে'বাটাও স্থানত নিশাৰ ভাগত গাড়ীৰে চোৰাং কাঠ পেলাই সেই সমূহ নাৱেৰে পাৰ কৰি বৰপেটা জিলাৰ চৰাঞ্চললৈ পঠিওৱা হয়। বন বিভাগৰ কে'বাটাও কাৰ্যালয়ৰ লগতে আৰক্ষী থানা পাৰ হৈ কেনেকৈ চোৰাং ব্যৱসায়ীসকলে গাড়ীৰে শ শ কুণ্ডা কঢ়িয়াই নদীৰ ঘাটত পেলাব পাৰিলে সেয়াও ৰহস্যজনক বুলি একাংশ লোকে অভিযোগ উত্থাপন কৰিছে। সমগ্ৰ কাৰবাৰটোত বন বিভাগৰ একাংশ অসাধু বিষয়া-কৰ্মচাৰী জড়িত থকাৰো অভিযোগ উত্থাপিত হৈছে। কামৰূপ আৰু গোৱালপাৰা জিলাৰ ভিন্ন স্থানত চলি থকা চোৰাং কাঠৰ ৰমৰমীয়া ব্যৱসায় বন্ধ কৰাৰ লগতে বনজ সম্পদ লুণ্ঠনকাৰীৰ বিৰুদ্ধে কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দাবী জনাইছে প্ৰকৃতিপ্ৰেমী লোকে।

# তামুলপুৰৰ কাউলীত অবৈধ সুৰাৰ ঘাটি উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ১৯ জানুৱাৰী ঃ** তামুলপুৰ মহকুমাৰ ভূটান সীমান্তৰ কাউলী অঞ্চলত যোৱা ১৬ জানুৱাৰীৰ নিশা কুমাৰীকাটা আৰক্ষীয়ে অভিযান চলাই এক অবৈধ সুৰাৰ ঘাটি উচ্ছেদ কৰাৰ লগতে বৃহৎ পৰিমাণৰ দেশীৰ সুৰা ধ্বংস কৰে। কুমাৰীকাটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া প্ৰাঞ্জল বৰুৱাই সদৰী কৰা মতে, কাউৰী সীমান্তৱৰ্তী দুই নম্বৰ পাহাৰপুৰত একাংশ অসাধু লোকে বিগত কিছুদিন ধৰি অঞ্চলটোত অবৈধভাৱে চুলাই মদ তথা দেশীয় আৰু ভূটানী সুৰাৰ ব্যৱসায় চলাই আহিছিল। যাৰ ফলত অঞ্চলটোৰ সামাজিক বাতাবৰণ বিঘ্নিত হৈ পৰিছিল। স্থানীয় একাংশ সচেতন লোক অবৈধ সুৰাৰ ঘাটি উচ্ছেদ কৰি অঞ্চলটোৰ সামাজিক পৰিৱেশ ৰক্ষা কৰিবলৈ কুমাৰীকাটা আৰক্ষী চকীত মৌখিকভাৱে জনাইছিল। স্থানীয় লোকৰ অভিযোগৰ ভিত্তিতে নিশা আৰক্ষীৰ এটা দলে স্থানীয় গাঁওবুঢ়া ৰঞ্জিত দেৰ সহযোগত দুই নম্বৰ পাহাৰপুৰ বজাৰত অবৈধ সুৰাৰ বিৰুদ্ধে এক অভিযান চলায়। অভিযান কালত আৰক্ষীয়ে দুই নম্বৰ পাহাৰপুৰ বজাৰৰ পৰা প্ৰায় ৩০ লিটাৰতকৈ অধিক চুলাই, কে'বা কাৰ্টন বিয়েৰ, দেশীয় সুৰা আৰু ভূটানী সুৰা জব্দ কৰি নষ্ট কৰি পেলায় আৰক্ষীৰ দলটোৱে। আনহাতে, আৰক্ষীৰ অভিযানৰ উমান পাই পলাই যায় অবৈধ সুৰাৰ ব্যৱসায়ীসকলে। উল্লেখ্য যে তামুলপুৰ মহকুমাৰ ভূটান সীমান্তত একাংশ অসাধু ব্যৱসায়ীয়ে বহু দিন ধৰি অবৈধভাৱে চুলাইৰ লগতে দেশীয় তথা ভূটানী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে।

# ভূৰাগাঁৱত অসম সন্মিলিত মহাসংঘৰ আঞ্চলিক সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১৯ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ নিজ চহৰীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত অসম সন্মিলিত মহাসংঘৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোত যোৱা ১৮ জানুৱাৰীত এখন খিলঞ্জীয়াৰ সজাগতা সভা অনুষ্ঠিত হয়। ভূৰাগাঁৱৰ নিজ চহৰীয়া প্ৰাথমিক বিদ্যালয়ত সমাজকৰ্মী হৰেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত হৈ অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদত মাটি, ভূগৰ্ভ আৰু প্ৰাকৃতিক সম্পদৰ ওপৰত থকা অধিকাৰ তথা ৰাজনৈতিক ক্ষমতা সম্পৰ্কে উল্লেখ থকাৰ বিষয়ে বিস্তাৰিতভাৱে বক্তব্য দাঙি ধৰে। সমান্তৰালকৈ সভাত মহাসংঘৰ যুৱ পৰিষদৰ অন্যতম আহ্বায়ক উজ্জ্বল নাথে খিলঞ্জীয়াৰ অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ মহাসংঘৰ পতাকাৰ তলত সমবেত হ'বলৈ সকলোকে আহ্বান জনায়। উপস্থিত ৰাইজৰ সন্মতি সাপেক্ষে এই সভাতে মহাসংঘৰ ভূৰাগাঁও আঞ্চলিক গঠন কৰি দিয়া হয়। সমাজকৰ্মী উপেন ভূএগ্তাক সভাপতি, তুলসী নাথক কাৰ্যকৰী সভাপতি আৰু আব্দুল্লা হাজৰিকাক সম্পাদক হিচাপে লৈ ১১ জনীয়া সদস্যৰে মহাসংঘৰ ভূৰাগাঁও আঞ্চলিক সমিতিখন গঠন কৰি দিয়া হয়। সভাখনত বক্তব্য ৰাখি বক্তাসকলে ৰাষ্ট্ৰসংঘৰ খিলঞ্জীয়া লোকৰ অধিকাৰ চনদৰ আধাৰত খিলঞ্জীয়াৰ সুৰক্ষা প্ৰতিষ্ঠা কৰাৰ দাবী কৰে।

# ডিমৌত আছুৰ শিল্পী দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ১৯ জানুৱাৰী ঃ** শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু দিনটো সমগ্ৰ অসমৰ লগতে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাই সোমবাৰে দিনজোৰা কাৰ্যসূচীৰে 'শিল্পী দিৱস' উদ্‌যাপন কৰে। ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগ আৰু ডিমৌ টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ডিমৌ টাউন উচ্চ মাধ্যমিক বিদ্যালয়, ৰাইচাইত অনুষ্ঠিত কৰা শিল্পী দিৱসৰ কাৰ্যসূচী অনুসৰি পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰশান্ত শেনচোৱাই, ছহিদ তৰ্পণ কৰে আছু ডিমৌ আঞ্চলিকৰ সাধাৰণ সম্পাদক প্লাৱন বুঢ়াগোহাঁয়ে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভ কৰে ডিমৌ টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাৰত শৰ্মাই। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কবিতা আবৃত্তি আৰু জ্যোতি সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখন উদ্বোধন কৰে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি আদিত্য শৰ্মাই। শিল্পী দিৱসৰ এই অনুষ্ঠানত সংবাদ কৰ্মী উমেশ চেতিয়া, হিন্দুজ্যোতি গগৈ, চানী ৰজ ইংলিছ স্কুলৰ অধ্যক্ষ পুনা গগৈকে ধৰি ডিমৌৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা বিভিন্ন প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত প্ৰতিযোগীসকলক উদ্যোক্তাসকলে একোখনকৈ প্ৰশংসা পত্ৰ, কিতাপৰ টোপোলা, কলম আৰু নগদ ধনেৰে পুৰস্কৃত কৰে। লগতে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাই ডিমৌ টাউন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীক একোখনকৈ ফুলাম গামোচাৰে শ্ৰদ্ধা নিবেদন কৰে।

# এসপ্তাহৰ ভিতৰত সাত তীৰ বুকীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১৯ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ওদালগুৰিতো তীৰ বুকীৰ বিৰুদ্ধে অব্যাহত আছে আৰক্ষীৰ অভিযান। বিগত এসপ্তাহৰ ভিতৰত ওদালগুৰিৰ বিভিন্ন প্ৰান্তত ওদালগুৰি জিলা আৰক্ষীয়ে অভিযান চলাই সাত তীৰ বুকীক গ্ৰেপ্তাৰ কৰাৰ লগতে নগদ ২,০২১ টকা জব্দ কৰে। গ্ৰেপ্তাৰ হোৱা আটাইকেইজনৰ ওপৰতে আৰক্ষীয়ে গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰোৱাই ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখ্য যে বিগত ২০২১ত ওদালগুৰি আৰক্ষীয়ে জিলাখনত চলি থকা অবৈধ কাৰ্যকলাপৰ সমান্তৰালভাৱে তীৰ খেলৰ লগত জড়িত জুৱাৰীসকলৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই জিলাখনত একপ্ৰকাৰ এই খেল হ্ৰাস কৰিছিল। কিন্তু আৰক্ষীৰ চকুত ধূলি দি একাংশই এনে কাৰ্য অব্যাহত ৰাখিছিল। কিন্তু নতুন বৰ্ষৰ প্ৰথমটো মাহতে আৰক্ষীয়ে পুনৰ এই তীৰ খেলৰ চক্ৰটোৰ বিৰুদ্ধে কঠোৰ হৈ পৰাত জিলাখনৰ বিভিন্ন আৰক্ষী থানাৰ অঞ্চলৰ পৰা এটা সপ্তাহৰ ভিতৰতে সাতগৰাকীকৈ তীৰ বুকীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে।

# শিক্ষকৰ বিদায় সম্বৰ্ধনা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত খনামুখ দোৱদৰীয়া মধ্য ইংৰাজী বিদ্যালয়ত কালি এখন বিদায় সভা অনুষ্ঠিত হয়। খনামুখ মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰবীণ গগৈৰ সভাপতিত্বত অনুষ্ঠিত উক্ত সভাত খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰূপন চন্দ্ৰ গগৈ, ন-পাম বোকাজান মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক যোগেন শইকীয়া, খনামুখ প্ৰেছ ক্লাবৰ সম্পাদক অৰুণ হাজৰিকাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক অমৃত বৰুৱাই আদৰণি ভাষণ আগবঢ়ায়। সহ শিক্ষক বিজয় গগৈয়ে আঁত ধৰা উক্ত সভাত কোঁৱৰপুৰ মজলীয়া বিদ্যালয়ৰ সহ শিক্ষয়িত্ৰী লীনা দাস, খনামুখ মজলীয়া বিদ্যালয়ৰসহ শিক্ষক দিনেশ গগৈ, বুতুল নাথ, ভূপেন দুৱৰা, পংকজ কোঁৱৰ, অৱসৰপ্ৰাপ্ত শিক্ষক টংকেশ্বৰ গগৈ, পদ্মেশ্বৰ শইকীয়া, তৰুণ গগৈ, খনামুখ আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি শ্ৰীমন্ত দত্ত, সহ শতাধিক ছাত্ৰ-ছাত্ৰী, অভিভাৱক- অভিভাৱিকা আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। সদ্য অৱসৰপ্ৰাপ্ত বিদায়ী শিক্ষক ক্ষীৰোদ গগৈ আৰু যতীন গগৈক বিদ্যালয়ৰ তৰফৰ পৰা গামোচা, চেলেং, সঁফুৰা ফুলৰ থোপা, ধৰ্মগ্ৰন্থ, কিতাপৰ টোপোলা, ছাতি, সম্বৰ্ধনা পত্ৰ আদিৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত শলাগৰ শৰাই আগবঢ়ায় সহ শিক্ষক গিৰিণ শইকীয়াই।

# ঘগ্ৰাপাৰত বিজ্ঞান ভিত্তিক প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৯ জানুৱাৰী ঃ** অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত পূব নলবাৰী হাইস্কুলৰ অধীনত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ খণ্ড পৰ্যায়ৰ প্ৰতিযোগিতাখন অহা ২২ জানুৱাৰীত সম্পূৰ্ণ ক'ভিড বিধি মানি শংকৰদেৱ শিশু বিদ্যা নিকেতন, ঘগ্ৰাপাৰত বিজ্ঞান ভিত্তিক মডেল প্ৰস্তুত কৰা, বিজ্ঞান ভিত্তিক পোষ্টাৰ অংকন, বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা আৰু বিজ্ঞান ভিত্তিক ধাৰণা লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মাজত অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। উক্ত প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্তসকলক মানপত্ৰ, ট্ৰফী, কিতাপ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। লগতে স্থানপ্ৰাপ্তসকলক জিলা পৰ্যায়ৰ প্ৰতিযোগিতালৈ পঠোৱাৰ ব্যৱস্থা কৰা হ'ব। জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলে গুৱাহাটীত হ'ব লগা ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ নলবাৰী জিলা সমিতিৰ সভাপতি ড° দীনমণি ভাগৱতী, জিলা সমন্বয়ক প্ৰদীপ মহন্ত আৰু খণ্ড সমন্বয়ক সঞ্জয় দাসে উক্ত প্ৰতিযোগিতাসমূহতক ছাত্ৰ-ছাত্ৰীসকলক যোগদানৰ বাবে বিদ্যালয়খনৰ প্ৰধানসকল অনুৰোধ জনাইছে। অধিক জানিবৰ বাবে ৬৯০০১৯৩২৩৭ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# ভাওৰাগুৰিত ইউপিপিএলৰ যোগদান কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**দোতমা, ১৯ জানুৱাৰী ঃ** গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰিস্থিত ভিচিডিচি কাৰ্যালয়ত যোৱা ১৮ জানুৱাৰীত এক যোগদান সভা অনুষ্ঠিত হয়। ইউপিপিএলৰ ভাওৰাগুৰি প্ৰাইমেৰী কমিটীৰ সভাপতি অহেদ আলীৰ সভাপতিত্বত অনুষ্ঠিত সভাত ২৬ জনীয়া এটা বিপিএফ কৰ্মীৰ দলে ইউপিপিএলত যোগদান কৰে। বিটিআৰৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰীয়ে ২৬ জনীয়া দলটোক ফুলাম গামোছাৰে দললৈ আদৰণি জনাই সকলোকে দলৰ নীতি-আদৰ্শ মানি একেলগে দল তথা ৰাইজৰ হৈ কাম কৰি যাবলৈ আহ্বান জনায়। সভাত বিটিআৰৰ কাৰ্যবাহী সদস্য উকীল মুছাহাৰী, ইউপিপিএল কচুগাঁও ব্লক সভাপতি সুকুমাৰ বড়ো, উপ-অধ্যক্ষ আনোৱাৰ হুছেইন, ভাওৰাগুৰি প্ৰাইমেৰী সভাপতি অহেদ আলী, সম্পাদক বিকাশ পাল, ভাওৰাগুৰি ভিচিডিচিৰ সদস্য বিক্ৰম ৰক্ষিত প্ৰমুখ্যে আন আন বিষয়ববীয়া কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# কঠিয়াতলিত ৰূপকোঁৱৰৰ স্মৃতি দিৱস উদ্‌যাপন

## ■ শিল্পী ঘন বৰদলৈক সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১৯ জানুৱাৰী ঃ** কঠিয়াতলি শশীপ্ৰভা কলাকেন্দ্ৰ আৰু অংকালয় বিদ্যালয়ৰ ব্যৱস্থাপনাত সোমবাৰে অসমীয়া কৃষ্টি-সংস্কৃতিৰ বাহক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱসটো বৰ্ণিল ৰূপত পালন কৰা হয়। অনুষ্ঠানটোৰ প্ৰতিষ্ঠাপক তথা প্ৰশিক্ষক অৱসৰ প্ৰাপ্ত শিক্ষক ধৰ্মেশ্বৰ বৰাৰ মাতৃৰ নামত উছৰ্গিত অনুষ্ঠানত পুৱা বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা হয়। ১২ বজাৰ পৰা শিক্ষাৰ্থীসকলৰ মাজত কালজয়ী শিল্পী গৰাকীৰ গীত-মাতৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে চিত্ৰাংকন প্ৰদৰ্শনী এখনো অনুষ্ঠিত কৰা হয়। ৰূপকোঁৱৰৰ ৭২ সংখ্যক স্মৃতি দিৱসৰ লগত সংগতি ৰাখি কঠিয়াতলিৰ সুসন্তান তথা ৭০ দশকৰ সময়ছোৱাৰ গীতিকাৰ সুৰকাৰ কণ্ঠশিল্পী ঘন বৰদলৈক ফুলাম গামোচা, জাপি, শৰাই আৰু সম্বৰ্ধনা পত্ৰৰে বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি জুমৰমুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মদন বৰাই জ্যোতি প্ৰসাদ আগৰৱালাৰ সৃষ্টি আৰু কৰ্মজীৱনৰ বিষয়ে আলোকপাত কৰে। মুকলি সভাত অৱসৰপ্ৰাপ্ত শিক্ষক অশ্বিনী কুমাৰ পাল, বিজয় বিশ্বাস, কমল শইকীয়া, দীপক বৰা, ৰবিন্দ্ৰ বৰা, প্ৰণতি ডেকা, সুৰেন দাস, ৰুমী বৰা, ধন্তি গোহাঁই আৰু দেৱশ্ৰী নাথৰ লগতে অঞ্চটোৰ সাংস্কৃতিকপ্ৰেমী ৰাইজ উপস্থিত থাকে।

# ডিগবৈত শিল্পী দিৱস উদ্‌যাপন

**ডিগবৈ, ১৯ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে তৈলনগৰী ডিগবৈতো নতুন সাহিত্য পৰিষদ গণনাট্য সংঘ আৰু নিখিল ভাৰত গণতান্ত্ৰিক মহিলা সমিতি ডিগবৈ শাখাৰ যৌথ উদ্যোগত লুইত শিল্পী সমাজৰ প্ৰেক্ষাগৃহত অনুষ্টুপীয়াকৈ শিল্পী দিৱস উদ্‌যাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টিৰাজি আৰু উঠি অহা প্ৰজন্মৰ মাজত কিদৰে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক জীয়াই ৰাখিব পাৰি সেই সন্দৰ্ভত বক্তব্য আগবঢ়ায় পৰিষদৰ ৰাজ্যিক কমিটীৰ সদস্য অজিত কৰে। বন্তি প্ৰজ্বলন কৰে নতুন সাহিত্য পৰিষদৰ ৰাজ্যিক কমিটীৰ প্ৰাক্তন সভাপতি মদন মোহন চৌধুৰী আৰু যতীন ফুকনে। সমবেত সংগীত পৰিৱেশন কৰে গণনাট্য সংঘ ডিগবৈ শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী প্ৰণতি চৌধুৰীৰ সহযোগত গণনাট্য সংঘৰ শিল্পীসকলে। অনুষ্ঠানত কবিতা আবৃত্তি কৰে অনুৰাধা বৰুৱা, পলাশজ্যোতি গায়ন আৰু ৰাণু নাথে। নৃত্য পৰিৱেশন কৰে শিশুশিল্পী আকাংক্ষা দাস আৰু সংগীবৃন্দই। জ্যোতি সংগীত পৰিৱেশন কৰে জুহি সিং, দৃষ্টি গোস্বামী, বনশ্ৰী বৰুৱা, সংগীতা দাস আৰু আজিজুৰ ৰহমানে। অনুষ্ঠানৰ শেষত দীপালী খাউণ্ড বৰ্মনে শলাগৰ শৰাই আগবঢাই অনুষ্ঠান সামৰণি মাৰে।

# 'নতুন মিছিল' গোষ্ঠীৰ উদ্যোগত শিল্পী দিৱস উদ্‌যাপন, লোকশিল্পীৰ গ্ৰন্থ উন্মোচন



অগ্ৰদূত বাৰ্তা

**মেলামাটি, ১৯ জানুৱাৰী ঃ** ত্ৰৈমাসিক আলোচনী 'নতুন মিছিল' গোষ্ঠীৰ উদ্যোগত আৰু অসম-নগালেণ্ড সীমান্তৱৰ্তী ফুলবাৰীৰ আৰোহণ জাতীয় বিদ্যালয়ৰ সহযোগত যোৱা ১৭ জানুৱাৰীত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। নতুন মিছিল গোষ্ঠীৰ তিতাবৰ অফছেট প্ৰিন্টাৰ্ছৰ স্বত্বাধিকাৰী ৰিজু আহমেদে আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজ কৰ্মী শৈলেন্দ্ৰ নাথ বৰাই। এই অনুষ্ঠানতে তিতাবৰৰ লোক জীৱনৰ স্বনামধন্য শিল্পী, অসম ঢুলীয়া শিল্পী সন্মিলনৰ প্ৰতিষ্ঠাপক দেবেন্দ্ৰ চৰণ বৰবৰুৱাৰ লেখা সমৃদ্ধ সংকলন 'লোক কৃষ্টি বিবিধা' গ্ৰন্থখন উন্মোচন কৰি তিতাবৰ প্ৰেছ ক্লাবৰ উপদেষ্টা বিমান শইকীয়াই কয় যে পণ্ডিতসকলে কেৱল সমাজখনৰ চৰিত্ৰ বিশ্লেষণহে কৰে, আচল কথাটো হ'ল সমাজখনৰ পৰিৱৰ্তন সাধন কৰা। সভাত যুৱ সমাজ কৰ্মী ভাস্কৰজ্যোতি শইকীয়া ঠেঙাল, সাংবাদিক দাদু কছাৰী, দেবেন্দ্ৰ চৰণ বৰবৰুৱাৰ পুত্ৰ হৃষিকেষ বৰবৰুৱা, কন্যা প্ৰজ্ঞা বৰবৰুৱা, মেৰাপানী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ পল্লব বৰবৰা, শিল্পী লক্ষী শৰ্মাৰ উপৰি নতুন মিছিল গোষ্ঠীৰ মৃদুল কুমাৰ হাজৰিকাই ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা আৰু লোকশিল্পী দেবেন্দ্ৰ চৰণ বৰবৰুৱাৰ জীৱনৰ কৃতি আৰু কৃতিত্ব সম্পৰ্কে বক্তব্য প্ৰদান কৰে। নতুন মিছিল গোষ্ঠীৰ সঞ্চালক মণ্ডলীৰ প্ৰণৱজ্যোতি খাউণ্ডে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আৰোহণ জাতীয় বিদ্যালয়ৰ অধ্যক্ষা কবিতা শইকীয়াই বক্তব্য প্ৰদান কৰে। আৰোহণ জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত-মাত আৰু নৃত্য পৰিৱেশন কৰে।

# লখিমপুৰ শংকৰী সংগীত বিদ্যালয়, লখিমপুৰ সংগীত মহাবিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৯ জানুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে উত্তৰ লখিমপুৰতো বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত দিনজোৰা কাৰ্যসূচীৰে যোৱা ১৭ জানুৱাৰীত শিল্পী দিৱস উদ্‌যাপন কৰা হয়। লখিমপুৰ শংকৰী সংগীত বিদ্যালয়ত 'দিবা মনোৰথ' শীৰ্ষক কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিৰণ্য সভাপণ্ডিতে।অনুষ্ঠান উদ্বোধন কৰে লখিমপুৰ শংকৰী বিদ্যালয়ৰ উপদেষ্টা ডাঃ নৰকৃষ্ণ ৰাজখোৱাই। ভাষণ প্ৰসংগত ৰাজখোৱাই সাম্প্ৰতিক প্ৰেক্ষাপটত জ্যোতিপ্ৰসাদৰ প্ৰাসংগিকতা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। বিদ্যালয়ৰ ছাত্ৰীসকলে এটি বৰগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানত, জ্যোতি সংগীত, কবিতা আবৃত্তি পৰিৱেশনৰ লগতে শংকৰী নৃত্য-গীতৰ অনুষ্ঠানো অনুষ্ঠিত হয়। বিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত শ্ৰীমন্ত শংকৰ সংঘৰ জিলা শাখা সভাপতি চক্ৰধৰ সোণোৱাল, সাহিত্যিক ধনেশ্বৰ তামুলী ফুকন, সংগীত শিল্পী শান্তি, বড়ি, বালিৰাম নাথ, প্ৰণৱজ্যোতি শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। লখিমপুৰ সংগীত মহাবিদ্যালয় আৰু সংগীত কানন লখিমপুৰৰো যুটীয়া উদ্যোগত যোৱা ১৭ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে লখিমপুৰ সংগীত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত শিল্পী দিৱস পালন কৰা হয়। অনুষ্ঠানটোত শিল্পী সীমান্ত কাকতি আৰু গীতিকাৰ-সুৰকাৰ ভবানন্দ বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। লখিমপুৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ মীৰা বেগমে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত এখন প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰাৰ লগতে সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা গীতৰ অনুষ্ঠানো অনুষ্ঠিত হয়।



ডিব্ৰুগড়ত হিতাধিকাৰীক পাৱাৰ টিলাৰ বিতৰণ, বুধবাৰে।

# ঘিলাধাৰী বিদ্যালয়ত পৰিৱেশ সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ১৯ জানুৱাৰী ঃ** গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ৰ অন্তৰ্গত ঘিলাধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত ক'ভিড বিধি মানি সংশ্লিষ্ট বিদ্যালয়খনৰ 'ৰাইন ইক' ক্লাবৰ তত্ত্বাৱধায়ক তথা বিজ্ঞান শিক্ষক দেৱজিত বৰাৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিৱেশ সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচী ইংৰাজী নৱবৰ্ষৰ আৰম্ভৰ পৰা অব্যাহত আছে বুলি জনায়। উল্লেখ্য যে বাটৰ নাট, প'ষ্টাৰ ৰাইটিং প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান আদি সম্পন্ন হয়। ইয়াৰ উপৰি বিদ্যালয়খনৰ অধ্যক্ষা পাৰিজাত শইকীয়াৰ প্ৰচেষ্টাত জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীসকলে বৃহত্তৰ ঘিলাধাৰী অঞ্চলটোৰ ভিন্ন প্ৰজাতিৰ জীৱনৰ আলোকচিত্ৰ-তথ্যচিত্ৰৰ প্ৰতিবেদন প্ৰস্তুত কৰি ভৱিষ্যতে উত্তৰ পুৰুষে অঞ্চলটোত সিঁচৰিত হৈ থকা উদ্ভিদকুল আৰু জীৱকুলৰ বিষয়ে জানিব পৰাকৈ চেষ্টা অব্যাহত ৰাখিছে। ফৰকাটিং আৰু ঘিলাধাৰী অঞ্চলটোৰ এগৰাকী বিশিষ্ট প্ৰকৃতিপ্ৰেমী তথা আদৰ্শৱান শিক্ষক দেৱজিত বৰাৰ নেতৃত্বত অনুষ্ঠিত হোৱা 'ৰাইন ইক' ক্লাবে দীৰ্ঘদিনৰ পৰা ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনত জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এই ক্ষেত্ৰত শিক্ষক গোটৰ হৈ পাপৰি গগৈ, জ্যোতিপ্ৰভা দাস তথা কৰ্মচাৰীবৃন্দই পূৰ্ণ সহযোগিতা আগবঢ়াইছে।

# বৰপেটাৰ ছয়সীমানা বজাৰত ধৃত পাঁচ জুৱাৰী ঃ নগদ ধন, জুৱা খেলৰ সামগ্ৰী জব্দ

**আলোপতি, ১৯ জানুৱাৰী ঃ** ৰাজ্যজুৰি অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে আৰক্ষীয়ে। যোৱা ১৭ জানুৱাৰীত বৰপেটা জিলাৰ আলোপতি চৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোৰঞ্জন কোঁৱৰৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ছয়সীমানা বজাৰত অভিযান চলাই পাঁচজন জুৱাৰীক গ্ৰেপ্তাৰ কৰে। বজাৰখনত জুৱা খেলি থকা অৱস্থাত হাতে-লোটে পাঁচ জুৱাৰীক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আন কে'বাজন জুৱাৰী দৌৰি পলাই যাবলৈ সক্ষম হয়। আৰক্ষীয়ে সদৰী কৰা মতে গোৱালপাৰা জিলাৰ সিধাবাৰীৰ একাব্বৰ আলী, বহতীৰ এন গাঁৱৰ ৰহমত আলী, বসন্তপুৰৰ জয়নাল আবেদিন আৰু বৰপেটা জিলাৰ কদমতোলা গাঁৱৰ ৰাজ আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জুৱা খেলৰ তিনিটা ডাব্বু, ১২টা জুৱা খেলৰ গুটি, এটা ছীটা আৰু নগদ ১৯ হেজাৰ টকাও জব্দ কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি উক্ত সাপ্তাহিক বজাৰখনত বজাৰ কমিটীৰ ছত্ৰছায়াতে অবৈধ জুৱা খেল চলাই যোৱাৰ অভিযোগ উঠিছে। বজাৰখনত কে'বা লাখ টকাৰ বিনিময়ত অঞ্চলটোৰ লগতে সমীপৱৰ্তী গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তৰ একাংশ জুৱাৰীয়ে দীৰ্ঘদিন ধৰি অবৈধ জুৱাৰ আড্ডা চলাই আহিছে।

# আমি কৰ্মৰ বান্ধোনত ডুব খাই আছো

## ■ নগাঁৱত অসম কবি সন্মিলনৰ গৃহৰ আধাৰশিলা

বিশেষ সংবাদদাতা

**নগাঁও, ১৯ জানুৱাৰী ঃ** অসম কবি সন্মিলনৰ স্থায়ী গৃহৰ আজি আধাৰশিলা স্থাপন কৰা হয়। নগাঁও চহৰৰ কচলুখোৱাত থকা অসম কবি সন্মিলনৰ ভূমিত এই আধাৰশিলা স্থাপন কৰে অসম সাহিত্য সভাৰ উপ-সভাপতি তথা অসম কবি সন্মিলনৰ উপদেষ্টা মৃণালিনী দেৱীয়ে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ কয় 'আমি পাৰ্থিৱ জগতত বহু কাম কৰিব পাৰো।' তেওঁ পুনৰ কয়, 'কৰ্মই ভগৱান। আমি সকলো কৰ্মৰ বান্ধোনত ডুব খাই আছো। কৰ্মৰ মাধ্যমেৰে ভগৱানক পাব পাৰি।' শিশুসকলক সঠিক দিশত আগুৱাই নিবলৈ মাতৃসকলে ভাল চিন্তাৰে কাম কৰিব লাগিব। যাতে শিশুসকল মানৱ সম্পদলৈ ৰূপান্তৰিত হোৱাৰ ক্ষেত্ৰত ঘৰতে সকলো শিক্ষা লাভ কৰিব পাৰে।' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, স্বামী বিবেকানন্দ, মহাযোগী অৰবিন্দ, শংকৰাচাৰ্য আদি মনীষীসকলৰ বিষয়ে উল্লেখ কৰি তেওঁ পুনৰ কয়, 'বস্তুবাদৰ সলনি আমি আধ্যাত্মিক পৰিৱেশত কাম কৰিব লাগিব।' তেওঁ লগতে কয় যে কবিতা গল্প, প্ৰবন্ধ লিখিব পাৰি। লিখিলেই কবি সাহিত্যিক হ'ব নোৱাৰে। ইয়াৰ বাবে লাগিব সাধনা। ভগৱানৰো সাধনা কৰিব লাগিব। উক্ত অনুষ্ঠানত অসম সাহিত্য সভাৰ বিষ্ণু ডেকা, অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি নৰকুমাৰ মহন্ত, উপদেষ্টা ৰেণু মহন্ত, সদস্যা গীতা দত্ত, ৰুমা ভট্টাচাৰ্যৰ লগতে ৰাজ্যিক সমিতিৰ বিষয়ববীয়া, কবি সন্মিলনৰ নগাঁও জিলা সমিতিৰ সভাপতি গৌৰীবল্লভ গোস্বামী, সম্পাদিকা নিজৰা শইকীয়া আৰু চন্দনা বৰুৱা, কমল শৰ্মাই অংশগ্ৰহণ কৰে। অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক নীলকমল বৰাই অসম কবি সন্মিলনৰ লগত প্ৰস্তাৱিত গৃহ নিৰ্মাণৰ বিষয়ে ব্যাখ্যা কৰে।

# মহেশ্বৰ বৰকটকী বিদ্যালয়ৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৯ জানুৱাৰী ঃ** পূব যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস অন আৰু অফ লাইনৰ সমাহাৰত কালি পালন কৰা হয়। অধ্যক্ষা মেৰিনা বেগমে পুৱা পতাকা উত্তোলন কৰাৰ পাছতে বিদ্যালয় প্ৰতিষ্ঠাৰ লগত জড়িতসকলৰ স্মৃতিৰ লগতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিতো পুষ্পাঞ্জলি প্ৰদান কৰে শিক্ষক হেমেন কুমাৰ শইকীয়া, বন্তিশিখা বৰাই। প্ৰতিষ্ঠা আৰু শিল্পী দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত কৰা প্ৰতিযোগিতাৰ কবিতা আবৃত্তি, গীত অনুভাষ যন্ত্ৰ যোগে প্ৰচাৰ কৰা হয়। প্ৰতিযোগিতাৰ কবিতা আবৃত্তিৰ নিম্ন শাখাত অন্বেষা ফুকন প্ৰথম, অংকুৰিমা দোলাকাষৰীয়া দ্বিতীয়, শুভলক্ষ্মী বৰুৱা, চাহিস্তা অঞ্জুমা আহমেদ তৃতীয়, উচ্চ শাখাত চয়নিকা বৰুৱা প্ৰথম, ছায়া ফুকন দ্বিতীয় হয়। বক্তৃতাত প্ৰাচুৰ্য প্ৰিয়ম ফুকনক উদগনি বঁটা প্ৰদান কৰে। জ্যোতি সংগীতৰ নিম্ন শাখাত অন্বেষা ফুকন প্ৰথম, অংকুৰিমা দোলাকাষৰীয়া দ্বিতীয়, জ্যোৎস্না বুঢ়াগোহাঁই তৃতীয়, উচ্চ শাখাত মানসী চুটীয়াই উদ্‌গনি বঁটা লাভ কৰে। প্ৰতিযোগিতা পৰিচালনা কৰে শিক্ষয়িত্ৰী অসীমা বৰা, নয়নমণি বৰা, বিজয়লক্ষ্মী শইকীয়াই।

## অস্বস্তিত চৰকাৰ ঃ আৰক্ষীক হেঁচা

*এক পৃষ্ঠাৰ পৰা* কৰাটো স্পষ্ট হয়। এনে এটা অডিঅ' ক্লিপ কিদৰে ৰাজহুৱা হ'ল আৰু কি উদ্দেশ্যত বিধায়কজনৰ বক্তব্য ৰেকৰ্ড কৰা হৈছিল তাৰ তথ্য উদ্ধাৰ কৰিবলৈ দিছপুৰে অসম আৰক্ষীক তীব্ৰ হেঁচা দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি ভাৰপ্ৰাপ্ত বিষয়া পুষ্পকমল বৰুৱা উলুবাৰীস্থ বিশেষ আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত হাজিৰ হয়। আজি হাজিৰ হ'বলৈ বিষয়াজনক মুখ্য কাৰ্যালয়ৰ পৰা তলব কৰা হৈছিল। বিশেষ আৰক্ষী সঞ্চালকপ্ৰধানৰ আগত সেই মতে বৰুৱা আজি দুপৰীয়া উপস্থিত হয়। ভাৰপ্ৰাপ্ত বিষয়াজনে অডিঅ' ক্লিপটো কিদৰে ৰাজহুৱা হ'ল সেই সন্দৰ্ভত অজ্ঞতা প্ৰকাশ কৰে। উল্লেখ্য যে বিধায়ক ভূঞাই দেখদেখকৈ বেআইনী কাৰ্য সংঘটিত কৰা সত্ত্বেও এই পৰ্যন্ত তেওঁৰ বিৰুদ্ধে বিজেপি দল আৰু চৰকাৰে ব্যৱস্থা নোলোৱাৰ অভিযোগ উত্থাপিত হৈছে। ওলোটাই আৰক্ষী বিষয়াজনহে বলিৰ পঠা হোৱাৰো আশংকা কৰিছে বিভিন্নজনে।

## তিনি লাখৰ দুৱাৰমুখত, দেশত এদিনতে

*এক পৃষ্ঠাৰ পৰা* দৈনিক সংক্ৰমণৰ হাৰো ১৪.৪৩ৰ পৰা ১৫.১৩ শতাংশলৈ বৃদ্ধি পাইছে। বিগত ২৪ ঘণ্টাত দেশত অ'মিক্ৰনত আক্ৰান্ত হয় আঠ হেজাৰ ৯৬১জন। মঙলবাৰৰ তুলনাত অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা বাঢ়িছে এক শতাংশ। আনহাতে, বিগত ২৪ ঘণ্টাত সমগ্ৰ দেশত ৪৪১জন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। মঙলবাৰে ৩১০জন লোকৰ মৃত্যু হৈছিল। এই সময়ছোৱাৰ ভিতৰত দেশত ১৮ লাখ ৬৯ হেজাৰ লোকৰ কৰ'নাৰ নমুনা পৰীক্ষা কৰা হয়।

ইপিনে, দেশত তৃতীয় ঢৌৱে ক্ৰমাৎ ভয়াৱহ ৰূপ লোৱাৰ সময়তে এক আশাৰ বতৰা শুনালে 'ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিছাৰ্চ' (আইচিএমআৰ)ৰ বিজ্ঞানীয়ে। আইচিএমআৰৰ অতিমাৰী বিভাগৰ মুৰব্বী সমীৰণ পাণ্ডেৰ মতে, ১১ মাৰ্চৰ পাছৰ পৰা ক'ভিড-১৯ ভাৰতত এক সাধাৰণ ৰোগত পৰিণত হ'ব পাৰে। দেশৰ এক আগশাৰীৰ সংবাদ মাধ্যমক পাণ্ডেয়ে কয়, 'অনুমান কৰা হৈছে যে অ'মিক্ৰনৰ প্ৰভাৱ ভাৰতত ১১ ডিচেম্বৰৰ পৰা আৰম্ভ হৈ তিনি মাহ থাকিব। অৰ্থাৎ ১১ মাৰ্চৰ পাছৰ পৰা আমি এই ৰোগৰ পৰা কিছু অব্যাহতি পাব পাৰো।' পাণ্ডেয়ে কয় যে ১১ মাৰ্চৰ পাছৰ পৰা ক'ভিড-১৯ ভাৰতত এক সাধাৰণ ৰোগতো পৰিণত হ'ব পাৰে। অৱশ্যে ইয়াৰ বাবে কে'বাটাও বিষয়ত দৃষ্টি ৰখাৰ প্ৰয়োজন আছে। কৰ'নাৰ যদি কোনো নতুন ৰূপৰ আবিৰ্ভাৱ নঘটে আৰু যদি অ'মিক্ৰন ৰূপে ডেল্টা ৰূপক প্ৰতিস্থাপন কৰে, তেতিয়াহে কৰ'না এবিধ সাধাৰণ ৰোগত পৰিণত হ'ব পাৰে বুলি বিজ্ঞানীজনে মন্তব্য কৰিছে।

ক'ভিড-১৯ ভাৰতত এক সাধাৰণ ৰোগত পৰিণত হ'লে এই ভাইৰাছে তুমলামূলকভাৱে কম সংক্ৰমণ ঘটাব আৰু এটা নিৰ্দিষ্ট অঞ্চলতে সীমাবদ্ধ থাকিব। পাণ্ডেয়ে লগতে কয় যে দিল্লী আৰু মুম্বাইত কৰ'নাৰ আকাৰ শীৰ্ষত উপনীত হৈছে নে নাই, সেয়া এতিয়াই নিশ্চিতভাৱে কোৱা সম্ভৱ নহয়। তেওঁ কয়, 'দিল্লী আৰু মুম্বাইত কৰ'না স্ফীতি শীৰ্ষত উপনীত হৈছে নে নাই, সেয়া জানিবলৈ আমি আৰু দুসপ্তাহ অপেক্ষা কৰিব লাগিব। আমি কেৱল কিছু দিন আক্ৰান্তৰ সংখ্যা আৰু সংক্ৰমণৰ হাৰ কমাৰ ওপৰত ভিত্তি কৰি চূড়ান্ত সিদ্ধান্তত উপনীত হ'ব নোৱাৰো।' উল্লেখ্য যে দিল্লী আৰু মুম্বাইত অ'মিক্ৰন আৰু ডেল্টা ৰূপৰ অনুপাত ৮০ আৰু ২০ শতাংশ। সম্প্ৰতি ভাৰতৰ ৰাজ্যসমূহো অতিমাৰীৰ বিভিন্ন পৰ্যায়ত আছে। সেয়ে এতিয়াই একো জনোৱা সম্ভৱ নহয় বুলি পাণ্ডেয়ে কয়।

## ৬০ বছৰীয়া টাৰ্জান ঃ একাত্ম হৈছে গছ

*এক পৃষ্ঠাৰ পৰা* হাতী, গঁড় আদি জন্তুৰে।

হাতী-মানুহৰ সংঘাতে সমগ্ৰ ৰাজ্যতে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ সময়তে অৰণ্যপ্ৰেমী ভূঞাক দেখিলেই বনৰীয়া হাতীয়েও শুঁৰ দাঙি নমস্কাৰ দিয়ে। তদুপৰি টঙী ঘৰৰ তলত গৰু-ছাগলীৰ লেখীয়াকৈ চৰি ফুৰে বিভিন্ন বন্য জন্তু। ভূঞাই নিজ মুখেৰে এই কথা সদৰী কৰি কয় যে বনৰীয়া হাতী প্ৰায়েই আহে তেওঁৰ টঙীঘৰৰ তললৈ। বন্য জন্তুৱে বুজি পোৱা ভাষাৰে বনৰীয়া হাতীৰ স'তেও ভাবৰ আদান-প্ৰদান কৰে ভূঞাই। হাতীয়ে শুঁৰ দাঙি তেওঁক জনায় নমস্কাৰ আৰু তেওঁ যাচে মৰম। এইদৰে ৩৫ বছৰীয়া সহাৱস্থানত প্ৰকৃতিৰ স'তে এক এৰাব নোৱৰা চেনেহৰ বান্ধোন গঢ় লৈছে ভূঞাৰ। এই প্ৰকৃতিপ্ৰেমেই তেওঁক এদিন মানুহৰ সান্নিধ্যৰ পৰা আঁতৰাই লৈ গৈছিল জামুগুৰিহাটৰ পৰা ১৫ কিলোমিটাৰ নিলগৰ অৰণ্যলৈ। জন্মগাঁও বাঁহবাৰী সত্ৰ পৰিত্যাগ কৰি এদিন অৰণ্যলৈ গুচি যোৱা ভূঞা আৰু কেতিয়াও মানৱ সংগৰ মাজলৈ উভতি নাহিল। কিয় তেওঁ গুচি গ'ল অৰণ্যলৈ? 'মানুহৰ ব্যভিচাৰ, অত্যাচাৰী ৰূপ দেখি ভাল নলগা হ'ল। সেয়েহে মানুহৰ মাজত থাকিবলৈ মন নোযোৱা হ'ল।' ভূঞাই এইদৰে কয়। অৱশ্যে কেতিয়াবা মানুহ চাবলৈ মন যায়। তেতিয়া তেওঁ অৰণ্যৰ বাহিৰলৈ ওলাই আহি কোনো স্থানত ৰৈ মানুহ চায় আৰু পুনৰ উভতি যায়। 'কেতিয়াবা মন যায় মানুহ চাবলৈ। তেতিয়া ওলাই যাওঁ। কোনোবা দিনা মন গ'লে জামুগুৰি চেণ্টাৰত অথবা আন কোনো ঠাইত ৰৈ মানুহ চাওঁ আৰু অৰণ্যলৈ উভতি যাওঁ। তাতে আছে প্ৰশান্তি।' এইদৰে কৈ যায় ভূঞাই। পৰিয়ালৰ লোকে তেওঁক ঘৰলৈ নিব বিচাৰে যদিও এই প্ৰস্তাৱ তেওঁ সদায় প্ৰত্যাখ্যান কৰি আহিছে। পৰিয়ালৰ লোকে জনোৱা মতে, বৰকৈ টানি ধৰিলে কেতিয়াবা ঘৰলৈ আহে যদিও বিশেষ কথা-বতৰা নাপাতে। তদুপৰি থাকিবলৈ ইচ্ছা নকৰে। সামান্য সময় থাকিয়ে উভতি যায়। অৱশ্যে পৰিয়ালৰ লোকে মাজে-সময়ে তেওঁক ৰচদ পাতিৰ যোগান ধৰে।

গভীৰ নিশা জীৱ-জন্তু আৰু চৰাই-চিৰিকটিৰ মাত শুনি আপোন পাহৰা হয় এই অৰণ্যপ্ৰেমী। টঙীঘৰৰ তলত আহে গঁড় আৰু তেওঁ দিয়া চাউল খাই আঁতৰি যায়। তেওঁৰ টঙীঘৰত বিভিন্ন ধৰণৰ পক্ষী আহি বহি থাকে। নিৰাপদ অনুভৱ কৰে ভূঞাৰ সন্মুখত। কাৰণ তেওঁ কেতিয়াও জীৱ-জন্তুৰ অনিষ্ট কৰা নাই। প্ৰকৃতিক প্ৰাণ ভৰি ভাল পোৱা ভূঞাই কয়, 'মানুহে একো নকৰিলে বনৰীয়া জীৱ-জন্তুৱেও কাৰো অপকাৰ নকৰে।' অৱশ্যে একাংশ লোকে এতিয়াও জংঘলৰ চৰাই-চিৰিকটি বধ কৰিবলৈ অহা দেখি উদ্বিগ্ন আৰু চিন্তিত হয়। কাজিৰঙাৰ ষষ্ঠ সংযোজনৰ এই অঞ্চললৈ প্ৰৱেশ কৰা চিকাৰীক বাধা দিয়ে লোকজনে।

যিটো সময়ত একাংশ মানৱে অৰণ্যৰ গছ-গছনি কাটি ছিঙি তহিলং কৰাৰ লগতে বন্য জীৱ-জন্তুৰ ওপৰত নিষ্ঠুৰ হাতোৰা অব্যাহত ৰাখিছে সেই সময়তে প্ৰকৃতিৰ প্ৰেমত পৰি সুদীৰ্ঘ ৩৫ বছৰ ধৰি জংঘলত বসবাস কৰি প্ৰকৃতিৰ লগত একাত্ম হোৱা জামুগুৰিহাটৰ এই লোকজনৰ প্ৰকৃতি প্ৰেম সঁচাই মনকৰিবলগীয়া।

## আজি চাৰিখন জিলাৰ ঠেঙাল কছাৰী

*এক পৃষ্ঠাৰ পৰা* বৰাই মনোনয়ন প্ৰত্যাহাৰ কৰি বিজেপিত যোগদান কৰে। ফলত সেই সমষ্টিৰ পৰা মিত্ৰজোঁটৰ বিজেপি প্ৰাৰ্থী ৰাজু শইকীয়া বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়।

তিতাবৰ সমষ্টিত ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে ইতিমধ্যে জিলা নিৰ্বাচন বিভাগৰ তৎপৰতাত প্ৰিজাইডিং আৰু পুলিং বিষয়াসকল ভোটগ্ৰহণ কেন্দ্ৰসমূহত গৈ উপস্থিত হৈছে। এইবাৰ অনুষ্ঠিত হ'বলগীয়া ঠেঙাল পৰিষদীয় নিৰ্বাচনত তিতাবৰ বিধানসভাৰ অন্তৰ্গত অঞ্চলত থকা ১০টা পৰিষদীয় সমষ্টিত সৰ্বমুঠ ৪৮,০০৮জন ভোটাৰে ভোটদান সাব্যস্ত কৰিব। বেলট পেপাৰত অনুষ্ঠিত হ'বলগীয়া ভোটদান প্ৰক্ৰিয়া সমষ্টিটোৰ ৫৮টা কেন্দ্ৰত সম্পন্ন হ'ব। তিতাবৰ মহকুমা প্ৰশাসনে প্ৰকাশ কৰা এক জাননী অনুসৰি, কাইলৈ ভোটগ্ৰহণৰ বাবে তিতাবৰত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। কাইলৈৰ দিনটোত ঠেঙাল পৰিষদীয় অঞ্চলৰ অন্তৰ্ভুক্ত প্ৰায় ৪৮ হেজাৰ ভোটাৰে তিতাবৰত ২৭জন প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত মিত্ৰজোঁটৰ বিজেপিৰ সাতজন, অগপৰ তিনিজন, কংগ্ৰেছৰ ১০জন, চিপিআইৰ দুজন আৰু পাঁচজন নিৰ্দলীয় প্ৰাৰ্থী আছে। উল্লেখ্য যে নিৰ্বাচনী কাৰ্য পৰিচালনা কৰিবলৈ তিতাবৰ মহকুমা প্ৰশাসনে যাৱতীয় প্ৰস্তুতিত ব্যস্ত থকাৰ সময়তে শাসকীয় দল বিজেপিৰ কৰ্মকাণ্ডই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ অধিসূচনা অনুসৰি, ঠেঙাল পৰিষদীয় নিৰ্বাচনৰ প্ৰচাৰকাৰ্য কালি বিয়লি পাঁচ বজাতে উকলি যায়। তৎসত্ত্বেও নিজকে বিজেপিৰ বুলি পৰিচয় দিবলৈ যোৱা একাংশ নেতাই গুৰুগোঁসাই নামানি প্ৰচাৰ চলোৱাৰ অভিযোগ উঠে। তিতাবৰ বিজেপি গ্ৰাম্য মণ্ডলৰ দিগন্ত হাজৰিকা আৰু অনুসূচিত জাতি উন্নয়ন পৰিষদৰ তিতাবৰ মহকুমাৰ অধ্যক্ষ নিতুল দাসে ৰঙা প্লেটযুক্ত গাড়ীত উঠি আজি দিনৰ ভাগতো জালুকনিবাৰী সমষ্টিৰ অন্তৰ্গত চাপৰি ঠেঙাল গাঁৱত নিৰ্বাচনী প্ৰচাৰ চলাই থকা বুলি কংগ্ৰেছ দলে অভিযোগ তোলাৰ পাছতে দুই পক্ষৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ সৃষ্টি হয়। পাছত জালুকনিবাৰী আৰক্ষী চকীৰ পৰা আৰক্ষী দল এটাই উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। এটা চৰকাৰী সাংবিধানিক পদবীত অধিষ্ঠিত হৈ চৰকাৰী নিৰ্দেশনা উলংঘা কৰি ৰঙা প্লেটযুক্ত নামফলকৰ গাড়ীত উঠি ক্ষমতাৰ অপব্যৱহাৰ কৰা বুলি অনুসূচিত জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ দাসৰ বিৰুদ্ধে আইনগত ব্যৱস্থা ল'ব লাগে বুলি কংগ্ৰেছ দলে দাবী উত্থাপন কৰিছে।

ইপিনে, লখিমপুৰ জিলাতো প্ৰশাসনে ভোটগ্ৰহণৰ সকলো প্ৰস্তুতি সম্পন্ন কৰি তুলিছে। স্বায়ত্তশাসিত পৰিষদৰ ১৭ নম্বৰ (পাভ) লালুক সমষ্টিত কাইলৈ ভোটাৰ ৰাইজে নিৰ্ণয় কৰিব তিনি প্ৰাৰ্থীৰ ভাগ্য। মুঠ ১,৬৮১জন ভোটাৰ থকা সমষ্টিটো এইবাৰ কাৰ দখললৈ যায়, সেয়া কাইলৈ নিৰ্ধাৰণ হ'ব। সমষ্টিটোৰ পৰা মিত্ৰজোঁটৰ হৈ এজন বিজেপি প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ঠেঙাল কছাৰী ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি কেশৱ নেওগে অলপতে পদত্যাগ কৰি বিজেপিত যোগ দিয়াৰ পাছত তেওঁ এইবাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰূপে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। তেওঁৰ প্ৰধান প্ৰতিদ্বন্দ্বীৰূপে চিহ্নিত হৈছে কংগ্ৰেছ প্ৰাৰ্থী মহেন্দ্ৰ শইকীয়া। আনহাতে, বিগত কাৰ্যকালৰ ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সমষ্টিটোৰ সদস্য থানেশ্বৰ শইকীয়াই এইবাৰ নিৰ্দলীয় প্ৰাৰ্থীৰূপে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিছে।

## মিত্ৰতা বিচাৰি বিজেপিৰ দ্বাৰস্থ বিপিএফ

*এক পৃষ্ঠাৰ পৰা* সভাপতি কলিতাই আজি এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'ক কয়, 'ইউপিপিএলৰ পৰা এই ক্ষেত্ৰত আপত্তি আছে।' এই সন্দৰ্ভত বিজেপিৰ সূত্ৰই কয় যে বিপিএফৰ প্ৰস্তাৱটোক বিজেপিয়ে প্ৰথমৰ পৰাই ইতিবাচকভাৱে লৈছে। তাকে লৈ বিপিএফৰ লগত কে'বালানি আলোচনাও হৈছে; কিন্তু ইউপিপিএলে ইয়াৰ দুৰ্ঘোৰ আপত্তি কৰি আহিছে আৰম্ভণিৰে পৰা। ইউপিপিএলৰ আপত্তিক উলাই কৰাটো বিজেপিৰ বাবেও সহজ নহয়। বিজেপিয়ে ইউপিপিএলৰ লগত বৰ্তমানৰ সম্পৰ্কক বাহাল ৰাখি বিপিএফৰ লগত বন্ধুত্ব কৰাৰ স্থিতিতো আছে; কিন্তু ইউপিপিএল কোনো কাৰণতে বিজেপিৰ স্থিতিৰ পক্ষে নাই।

ইয়াৰ বিপৰীতে বিপিএফে নিজৰ তৎপৰতা সমানে অব্যাহত ৰাখিছে। শেহতীয়াকৈ পুনৰ দলীয় নেতৃত্বই মুখ্যমন্ত্ৰীক ইয়াকে লৈ সাক্ষাৎ কৰে। দলৰ সাধাৰণ সম্পাদক প্ৰবীণ বড়োৱে সদৰী কৰা অনুসৰি ৰাজ্যৰ ৰাজনীতিত তেওঁলোক চৰকাৰৰ লগত থাকিব বিচাৰে। সেই কাৰণে বিধানসভাতে হওক অথবা বিধানসভাৰ বাহিৰত বিপিএফে চৰকাৰক সমৰ্থন জনাই আহিছে। তদুপৰি বড়োৱে কয় যে মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি দলে মিত্ৰতা অথবা বন্ধুত্বৰ প্ৰস্তাৱ দিছে। 'আমি কৈছো যে বিপিএফ বিৰোধী হিচাপে নাথাকে। সুকীয়া ৰাজনৈতিক দল হিচাপে বিপিএফে চৰকাৰৰ লগত মিত্ৰতাত থাকিব বিচাৰে।' এইদৰে বড়োৱে কয়। অৱশ্যে ৰাজ্যৰ ৰাজনীতিত শাসক দলৰ লগত থাকিব বিচাৰিলেও বিটিআৰত বিৰোধী হিচাপে বিপিএফ থাকিব। কাৰণ বিটিআৰত বৰ্তমানৰ পৰিষদখনত বিজেপি থাকিলেও নেতৃত্বত আছে বিপিএফৰ বিৰোধী দল ইউপিপিএল। ৰাজ্যিক ৰাজনীতিৰ ক্ষেত্ৰতে ভাল খবৰ সোনকালে আহিব বুলি আশাবাদী বিপিএফৰ বিধায়ক দুৰ্গাদাস বড়ো।

২০২০ৰ ডিচেম্বৰত বিটিএডিত দীৰ্ঘদিন শাসনৰ বাঘজৰী ধৰি থকা বিপিএফৰ ছন্দপতন ঘটে। ১৭ বছৰ বিটিচিৰ শাসকপক্ষ হৈ থকাৰ পাছত ২০২০ৰ ডিচেম্বৰত ইউপিপিএল-বিজেপি মিত্ৰজোঁটৰ লক্ষ্যণীয় উত্থান ঘটে আৰু প্ৰমোদ বড়ো নেতৃত্বাধীন ইউপিপিএলে বিটিচি নিৰ্বাচনত ১২খন আসন লাভ কৰে আৰু বিজেপিয়ে লাভ কৰে নখন। তদুপৰি কংগ্ৰেছে এখন, গণসুৰক্ষা পাৰ্টিয়ে এখন আসন লাভ কৰে। বিপিএফে ১৭খন আসন লাভ কৰি একক সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত হয় যদিও পৰিষদ গঠন কৰিব নোৱাৰিলে। ইউপিপিএল, বিজেপি আৰু গণসুৰক্ষা পাৰ্টিয়ে সন্মিলিতভাৱে পৰিষদ গঠন কৰে। ইয়াৰ পাছত ২০২১ৰ বিধানসভা নিৰ্বাচনতো বিপিএফে ৰাজনৈতিকভাৱে বৃহৎ আঘাতৰ সন্মুখীন হয়। ইয়াৰ পূৰ্ববৰ্তী নিৰ্বাচনবোৰত বিটিচি অঞ্চলৰ ১২খন বিধানসভা আসন দখল কৰিবলৈ সক্ষম হোৱা বিপিএফে ২০২১ৰ বিধানসভা নিৰ্বাচনত পূৰ্বৰ ভেটি হেৰুৱায়। ইউপিপিএলে লাভ কৰে ১২খনৰ ভিতৰত ছখন আসন। উল্লেখ্য যে এই বিধানসভা নিৰ্বাচনতে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফে কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটত চামিল হৈ মিত্ৰপাশত আবদ্ধ হৈছিল যদিও নিৰ্বাচনৰ ফলাফলৰ পাছতেই এই মিত্ৰতা ভংগ কৰে। ২০২১ৰ মাৰ্চত সম্পন্ন হোৱা বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পাছতে কংগ্ৰেছ সংগ ত্যাগ কৰা বিপিএফে পুনৰ বিজেপিলৈ উভতি যোৱাৰ চেষ্টা আৰম্ভ কৰে। এই প্ৰচেষ্টাত বিজেপিলৈ বন্ধুত্বৰ হাত আগবঢ়াই ইতিমধ্যে মুখ্যমন্ত্ৰী শৰ্মাক একাধিকবাৰ সাক্ষাৎ কৰিছে বিপিএফ নেতৃত্বই। মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি বিগত বৰ্ষৰ ছেপ্টেম্বৰত বন্ধুত্বৰ প্ৰস্তাৱৰে এখন পত্ৰও মুখ্যমন্ত্ৰীৰ হাতত তুলি দিয়ে বিপিএফ নেতৃত্বই। তাত তেওঁলোকে স্পষ্ট কৰে যে বিপিএফে বিৰোধীৰ অৱস্থানত থাকিব নিবিচাৰে। তেওঁলোকে চৰকাৰৰ স'তে একেলগে কাম কৰিব বিচাৰে আৰু সেয়েহে বিজেপিৰ মিত্ৰ হ'বলৈ আগ্ৰহী। মুখ্যমন্ত্ৰী শৰ্মাই সেই সময়ত এনে বন্ধুত্বৰ প্ৰস্তাৱৰ প্ৰতি সঁহাৰি জনাই কয় যে কোনোবাই বন্ধু হ'ব বিচাৰিলেও বিজেপিয়ে এই বিষয়টো বিবেচনা কৰিব। সেই সময়ত বিপিএফ নেতা বড়োৱে সংবাদ মাধ্যমক কৈছিল যে মুখ্যমন্ত্ৰীয়ে পোনপটীয়াকৈ খোলোচা কৰা নাই যদিও তেওঁলোক আশাবাদী। সেই সময়ৰ পৰাই ৰাজহুৱা বিভিন্ন স্থানত বিপিএফে বিজেপিৰ স'তে মিত্ৰতাৰ বিষয়টো কৈ আহিছে আৰু এতিয়াও দলটোৰ এই প্ৰচেষ্টা অব্যাহত আছে। বিটিএডিৰ সবল বিৰোধীৰ ভূমিকা পালন কৰাৰ সলনি বিপিএফে বিজেপিৰ মিত্ৰ হ'বলৈ সম্পূৰ্ণ কুচকাৱাজ অব্যাহত ৰাখিছে আৰু অতি শেহতীয়া পদক্ষেপে তাৰে প্ৰমাণ দিলে।

## লক্ষণ নাথাকিলে পাঁচদিনৰ দিনা

*এক পৃষ্ঠাৰ পৰা* আৰু দুদিন ঘৰত আইছ'লেছনত থকাৰ পাছত ৰোগীজনক সুস্থ বুলি বিবেচনা কৰা হয়। অৰ্থাৎ মুঠ সাতদিন আইছ'লেছনত থকাৰ পাছত সুস্থ বুলি বিবেচনা কৰা হ'ব ৰোগীক। ইপিনে, ঘৰতে আইছ'লেছনত থকা উপসৰ্গবিহীন ৰোগীক সাতদিনৰ দিনা মুক্ত বুলি বিবেচনা কৰা হ'ব। আজি অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে জাৰি কৰা নিৰ্দেশনাত এইদৰে উল্লেখ কৰা হয়।

আনহাতে, ক'ভিড পৰীক্ষাৰ ক্ষেত্ৰত কোৱা হৈছে যে সন্তান প্ৰসৱ আৰু অস্ত্ৰোপচাৰকে ধৰি জৰুৰীকালীন প্ৰক্ৰিয়াসমূহ ক'ভিড পৰীক্ষা নোহোৱা বাবে বিলম্বিত হ'ব নালাগে। যিকোনো মেডিকেল কলেজ, জিলা হাস্পতাল অথবা অন্যান্য চৰকাৰী অথবা বেচৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানৰ জৰুৰীকালীন বিভাগলৈ অহা ৰোগীৰ যদিহে ক'ভিড সম্পৰ্কীয় কোনো লক্ষণ নাথাকে তেন্তে ক'ভিড পৰীক্ষাৰ ফলাফলৰ বাবে অপেক্ষা কৰাৰ নালাগে। তদুপৰি হাস্পতালত চিকিৎসাধীন অস্ত্ৰোপচাৰ অথবা অন্যান্য প্ৰক্ৰিয়া সম্পন্ন কৰিবলগীয়া লক্ষণবিহীন ৰোগীৰ প্ৰয়োজন নহ'লে অথবা লক্ষণ দেখা নিদিলে ক'ভিড পৰীক্ষা কৰিব নালাগে। হাস্পতালত চিকিৎসাধীন গৰ্ভৱতী অথবা সন্তান সম্ভৱা মাতৃৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য হ'ব। তদুপৰি ক'ভিড পৰীক্ষা ব্যৱস্থা নথকা বাবে আন স্থানলৈ ৰোগীক হস্তান্তৰ কৰিব নালাগে। ক'ভিডৰ নমুনা সংগ্ৰহৰ ব্যৱস্থা কৰি দিব লাগিব।

## অসম কবি সন্মিলনৰ প্ৰাক্তন

*এক পৃষ্ঠাৰ পৰা* প্ৰাক্তন সভাপতি, ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষাবিদ, সমাজকৰ্মী, বিশিষ্ট কবি অতুল বৰুৱাৰ আজি ফুলগুৰিস্থিত বাসগৃহত মৃত্যু হয়। বিগত প্ৰায় সাত বছৰ ধৰি এলজাইমাৰ ৰোগত আক্ৰান্ত হৈ থকা বৰুৱাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮৫ বছৰ। কবি বৰুৱাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে নগাঁও জিলাত শোকৰ ছাঁ পৰে।

১৯৩৭ৰ ২১ অক্টোবৰত জিলাখনৰ ফুলগুৰিত জন্মগ্ৰহণ কৰা বৰুৱা বিভিন্ন সাহিত্য আৰু সামাজিক সংগঠনৰে জড়িত আছিল। বৰুৱাই অসম আন্দোলনতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ লগতে কাৰাবাস খাটিবলগীয়া হৈছিল। বৰুৱাই সাংবাদিকতা কৰা কাকত-আলোচনী কেইখনমান হৈছে নতুন অসমীয়া, অসম বাতৰি, গণতন্ত্ৰ, দৈনিক অসম, মাতৃভূমি, অসম বাণী আদি। জীৱিতকালত বিভিন্ন অনুষ্ঠান আৰু সংগঠনৰ অনেক বিষয়বাব থাকি তেওঁ দক্ষতাৰে, পৰিশীলিততাৰে কাম-কাজ সম্পাদন কৰিছিল। বৰুৱাই এসময়ত দায়িত্ব বহন কৰা বিভিন্ন অনুষ্ঠানসমূহ হৈছে অসম কবি সন্মিলনৰ সভাপতি (১৯৯০-২০০৪), অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য, নগাঁও জিলা সাহিত্য সভাৰ সভাপতি, অসম হাইস্কুল শিক্ষক সন্থাৰ উপ-সভাপতি, নগাঁও জিলা হাইস্কুল শিক্ষক সন্থাৰ সভাপতি, হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰৰ সহকাৰী তত্ত্বাবধায়ক, সাঁচিপতীয়া পুথি, জিকিৰ, ঝুমুইৰ, লোকগীত, অসম সুৰবৰ্ম (ফকৰা যোজনা আদিৰ সংগ্ৰহ, সংৰক্ষণ আৰু বাণীবদ্ধকৰণ অনুষ্ঠান)ৰ কাৰ্যকৰী সভাপতি, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্ম সমাজ অসমৰ সাহিত্য সমিতিৰ সভাপতি, অসম নাট্য পৰিষদৰ প্ৰতিষ্ঠাপক সম্পাদক, অসম নাট্য সন্মিলনৰ ফুলগুৰি শাখাৰ ক্ৰমে সাধাৰণ সম্পাদক আৰু উপ-সভাপতি, অসম নাট্য সন্মিলনৰ ২৫সংখ্যক কেন্দ্ৰীয় নাট কৰ্মশালাৰ প্ৰশিক্ষক আৰু শিবিৰ সঞ্চালক, ফুলগুৰিত গঠন হোৱা ভ্ৰাম্যমাণ নাট্য দল শিল্পী সন্থাৰ সভাপতি, অসম সাহিত্য সভাৰ ৰহা অধিৱেশনৰ আদৰণি সমিতিৰ যুটীয়া সম্পাদক, ফুলগুৰি শাখা সাহিত্য সভাৰ সভাপতি (১৯৮৩-৯৮), নগাঁৱত অনুষ্ঠিত সদৌ অসম কবি সন্মিলনৰ দ্বিতীয় বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি, বটদ্ৰৱাৰ শ্ৰীমন্ত শংকৰদেৱৰ চ'ৰাৰ পৃষ্ঠপোষক, শ্বিলঙৰ কিশলয় শিল্পী সমাজৰ সম্পাদক, অসম ৰাজ্যিক সংহতি পৰিষদৰ নগাঁও জিলা সমিতিৰ সদস্য, অসম হাইস্কুল শিক্ষক সন্থাৰ বিংশতিতম ৰাজ্যিক অধিৱেশনৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি, জাগীয়াল মৌজাৰ বৃহত্তৰ সমবায় সমিতিৰ সভাপতি, নগাঁও মহকুমা মাদকদ্ৰব্য নিবাৰণী সমিতিৰ সদস্য, ফুলগুৰি ৰাজ্যিক চিকিৎসালয়ৰ উপদেষ্টা সমিতিৰ সভাপতি, ফুলগুৰি আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱৰ সমিতিৰ সাধাৰণ সম্পাদক আৰু সভাপতি, ফুলগুৰি আঞ্চলিক উন্নয়ন সমিতিৰ সম্পাদক, নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি, সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য, ফুলগুৰি আঞ্চলিক গণ সংগ্ৰাম পৰিষদৰ উপদেষ্টা, ৰহা মহাবিদ্যালয়ৰ গৱৰ্ণিং ব'ডীৰ সদস্য, নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যনিৰ্বাহক সদস্য, নগাঁও মহকুমা গ্ৰাম্য ক্ৰীড়া প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক, নগাঁও জিলা আন্তঃহাইস্কুল মাণ্ডলিক প্ৰতিযোগিতাৰ অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক, ভাৰতীয় দলিত একাডেমীৰ নগাঁও জিলা শাখাৰ উপদেষ্টা, অসমৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক সন্মিলনৰ যুটীয়া সম্পাদক আৰু মুখপত্ৰৰ সম্পাদক, নগাঁও জিলা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত শিক্ষক সন্মিলনৰ যুটীয়া সম্পাদক আৰু মুখপত্ৰৰ সম্পাদক, নগাঁও প্ৰেছ ক্লাবৰ সদস্য আদি। অসমৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়িত্ব গ্ৰহণ কৰি তেওঁ সাংগঠনিক কাম-কাজত নেতৃত্ব লৈ সক্ৰিয় ভূমিকা পালন কৰিছিল। কৃতী শিক্ষকৰূপে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছিল তেওঁ। শ্বিলঙত ৰাজধানী থকাৰ সময়তে বৰুৱাই অসম সচিবালয়ত চাকৰিত যোগদান কৰিছিল, কিন্তু ঘৰুৱা দায়িত্বৰ বাবে ঘৰলৈ ঘূৰি আহি অপ্ৰাদেশিকীকৃত স্কুলত শিক্ষকতা কৰিছিল। ৰবাৰ্ট ক্লাইভৰ প্ৰতিভা, বুদ্ধিমত্তা আৰু কৰ্মকুশলতাক ঘাই উপজীৱ্যৰূপে লৈ সপ্তম শ্ৰেণীত পঢ়ি থাকোতেই বৰুৱাই 'ৰবাৰ্ট ক্লাইভ' নামৰ মঞ্চনাট ৰচনা আৰু পণ্ডিচেৰীৰ শাসনকৰ্তা মাৰ্কুইচ ডুপ্লেৰ চৰিত্ৰত অভিনয়েৰে সাহিত্য আৰু সাংস্কৃতিক জীৱনৰ পাতনি মেলিছিল।

বিশিষ্ট কবিজনৰ নশ্বৰদেহ আজি পুৱা পুষ্পসজ্জিত বাহনত উঠাই ফুলগুৰি অঞ্চলত পৰিভ্ৰমণ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। আনহাতে কবিজনৰ বাসগৃহত হাইস্কুল শিক্ষক সংস্থাৰ নগাঁও জিলা সমিতি আৰু ৰহা আঞ্চলিক সমিতি, সদৌ অসম কৰ্মচাৰী পৰিষদৰ নগাঁও জিলা সমিতি আৰু ৰহা আঞ্চলিক সমিতি, গ্ৰাম্য পুথিভঁৰাল সংস্থা আদি বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিয়ে শ্ৰদ্ধা নিবেদন কৰে।

## ডিমা হাছাওৰ কে'বাটাও

*এক পৃষ্ঠাৰ পৰা* উন্নয়নমূলক কাৰ্যসূচীসমূহ পৰ্যালোচনা কৰে। উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত তেওঁৰ কেবিনেট সতীৰ্থ, ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদ আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য, কেবাজনো বিধায়ক আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

এই বৈঠকত এম অ' এছ, জে জে এম, এম এ চি উন্নয়ন পুঁজি, ডি আৰ ডি এ, পি এম কিষাণ, এন এফ এছ এ, কে-এন ইউ এল এম ইত্যাদিৰ অধীনত ৰূপায়িত হৈ থকা আঁচনিসমূহৰ সবিশেষ পৰ্যালোচনা কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে পৰিষদক সৰ্বাধিক ৰাজহ আহৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়াৰ লগতে ৰাজহ আহৰণৰ ক্ষেত্ৰত থকা সুৰুঙাসমূহ বন্ধ কৰিবলৈও কয়। এই বৈঠকৰ পিছতে মুখ্যমন্ত্ৰীয়ে ডি আই পি আৰ অ'য়ে ডিমা হাছাওৰ সবিশেষ আলোকপাত কৰি প্ৰস্তুত কৰা এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰত্নতত্ত্ব, পঞ্চায়ত আৰু গ্ৰামোন্নয়নৰ সফলতা, শিক্ষা সম্বলিত গ্ৰন্থৰ লগতে ডিমা হাছাওৰ পৰ্যটকক সহায়ক হোৱাকৈ প্ৰস্তুত কৰা গ্ৰন্থও উন্মোচন কৰে।

মুখ্যমন্ত্ৰীয়ে তেওঁৰ কেবিনেট সহকৰ্মীসকলৰ উপস্থিতিত হাফলঙত নতুনকৈ নিৰ্মাণ কৰা কৃষি ভৱনটোও উদ্বোধন কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা কেন্দ্ৰীয় পৃষ্ঠপোষকতা আঁচনিৰ অধীনত ইয়াক নিৰ্মাণ কৰা হৈছে। এই গৃহত জিলা কৃষি বিষয়া, উদ্যান শস্য বিভাগ, কৃষি বিপণন বিভাগ, কৃষি অভিযান্ত্ৰিক বিভাগ, কৃষি (পাৰ্বত্য) সহকাৰী সঞ্চালকৰ লগতে সভাকক্ষ তথা কৃষি প্ৰশিক্ষণ প্ৰেক্ষাগৃহও থাকিব। অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, ডিমা হাছাও পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচাও উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে হাফলঙৰ গোপীনাথ বৰদলৈ স্মাৰক প্ৰাথমিক বিদ্যালয়ত নতুন নিৰ্মাণ কৰা বাস্কেট বল কৰ্ট এখনো উদ্বোধন কৰে। এই বাস্কেট বল কৰ্টখন ২০২১-২২ বিত্তীয় বৰ্ষৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ অধীনত জিলা প্ৰাথমিক শিক্ষা বিভাগে নিৰ্মাণ কৰি উলিয়াইছে। মুখ্যমন্ত্ৰীয়ে সেই বিদ্যালয়ৰ শিক্ষকসকলৰ স'তেও মত-বিনিময় কৰে। অনুষ্ঠানত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, ডিমা হাছাও পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য গাৰ্লোচাও উপস্থিত আছিল।

মুখ্যমন্ত্ৰীয়ে হাফলঙৰ জয়া থাওছেন পাৰ্কত এটা জিপ লাইনিং উদ্বোধন কৰে। এই জিপ লাইনিঙে ডিমা হাছাওৰ পৰ্যটন খণ্ডক এটা নতুন মাত্ৰা প্ৰদান কৰিব। উল্লেখ্য যে উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ উপনিমিত্ত পুঁজিৰ পৰা ৪৫ লাখ টকা ব্যয় সাপেক্ষে জিপ লাইনিঙৰ উন্নয়ন সাধন কৰা হয়।

হাফলঙত উপস্থিত হোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আৰৰ্ত ভৱনৰ পৰা বৰাইল পাহাৰৰ সৌন্দৰ্য উপভোগ কৰে। মুখ্যমন্ত্ৰীয়ে পৰ্যটকসকলক আকৰ্ষিত কৰিব পৰাকৈ আৰৰ্ত ভৱনৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে পদক্ষেপ লোৱাৰ দিশতো পৰামৰ্শ আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণ কালত হাফলঙত তিনিমহলীয়া আৰ চি চি দৰ্মেটৰী সহিতে এন এল ডাউলাগুপু ক্ৰীড়া ষ্টেডিয়ামো উদ্বোধন কৰে। উল্লেখ্য যে এন এল চি পি আৰৰ অধীনত ১৬১১.১৮ লাখ টকা ব্যয় সাপেক্ষে এই ক্ৰীড়া চৌহদটো নিৰ্মাণ কৰা হৈছে আৰু ইয়ে জিলাখনৰ ক্ৰীড়াৰ বিকাশৰ দিশত অৰ্থৱহ অৰিহণা যোগাবলৈ সমৰ্থ হ'ব। অনুষ্ঠানত ক্ৰীড়া মন্ত্ৰী বিমল বৰা, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, সাংসদ হৰেন বে' উপস্থিত আছিল।

জিলাখনৰ আন্তঃগাঁথনি প্ৰকল্পৰ ভিতৰত মুখ্যমন্ত্ৰীয়ে হাফলং অসামৰিক চিকিৎসালয়, পি এম কেয়াৰ্ছৰ অধীনত অক্সিজেন প্লাণ্ট এটা জনসাধাৰণৰ সেৱাৰ উৎসৰ্গিত কৰে। অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত আছিল।

## পৰীক্ষা স্থগিত অথবা অনলাইনযোগে

*এক পৃষ্ঠাৰ পৰা* সাধাৰণ সম্পাদকে কয় যে বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ বহু ছাত্ৰ-ছাত্ৰী ক'ভিড সংক্ৰমিত হৈছে। তদুপৰি বহু ছাত্ৰ-ছাত্ৰীৰ মাজত ক'ভিডৰ লক্ষণ পৰিস্ফুট হৈছে। তদুপৰি অসমত এদিনতে এই পৰ্যন্ত সৰ্বাধিক সংখ্যক ক'ভিডত আক্ৰান্ত হোৱা দেখা গৈছে। আবেদনপত্ৰত সন্থাই উল্লেখ কৰে যে বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠান ক'ভিড সংক্ৰমণৰ ঊৰ্ধ্বমুখী গতিৰ বাবে বন্ধ কৰি দিয়া হৈছে। এই পৰিস্থিতিত শ্ৰেণী কোঠাৰ পাঠদান আৰু শ্ৰেণী কোঠাত পৰীক্ষা অনুষ্ঠিত কৰাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত এই ভাইৰাছ অধিক সংক্ৰমিত হ'ব পাৰে বুলি সন্থাই শংকা ব্যক্ত কৰে। তদুপৰি এই সময়ছোৱাত দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰী বিশ্ববিদ্যালয়লৈ অহা-যোৱাৰ সময়তো সংক্ৰমিত হোৱাৰ আশংকা থাকে। সেয়েহে এই পৰিস্থিতিত সন্থাৰ নেতৃত্বই বিষয়টো বিবেচনা কৰি সাম্প্ৰতিক পৰিস্থিতিত পৰীক্ষা পিছুৱাবলৈ অথবা অনলাইনযোগে পৰীক্ষা সম্পন্ন কৰিবলৈ পত্ৰযোগে অনুৰোধ জনায়।

## অমঞ্জুৰিকৃত কলেজ শিক্ষকৰ পদ

*এক পৃষ্ঠাৰ পৰা* তেওঁলোকৰ পদ আৰু বিভাগসমূহ নিয়মীয়াকৰণ কৰা নহ'ল। মাহিলি পাঁচ-ছয় হেজাৰ টকা মানিনত শিক্ষকসকলে বছৰ বছৰ ধৰি কৰ্তব্য সম্পাদন কৰি আহিছে। ফলত এতিয়া নিজৰ চাকৰিক লৈ অনিশ্চয়তাত ভুগি চৰকাৰক শীঘ্ৰে তেওঁলোকৰ পদ আৰু বিভাগসমূহ নিয়মীয়াকৰণৰ দাবী জনাইছে। আজি ইয়াত এক সংবাদমেলত সদৌ অসম অমঞ্জুৰিকৃত কলেজ শিক্ষক সন্থাৰ সভাপতি পিনাকী ৰয়ে কয়, 'ইউজিচি'ৰ মূল্যায়নৰ সময়ত অসমৰ মহাবিদ্যালয়সমূহত বিভিন্ন বিষয় বা বিভাগ মুকলি কৰি অমঞ্জুৰিকৃত কলেজ শিক্ষকক নিযুক্তি দিছিল।' তেওঁ পুনৰ কয়, 'ৰাজ্যৰ প্ৰায় এশখন মহাবিদ্যালয়ত এনে শিক্ষক ডেৰশতকৈয়ো অধিক আছে। এই শিক্ষকসকলে নতুনকৈ মুকলি কৰা বিষয়টোত শিক্ষাদান কৰাৰ উপৰি মহাবিদ্যালয়ৰ অন্য দায়িত্বও পালন কৰি আহিছে। গুণোৎসৱ, নিৰ্বাচনী দায়িত্বৰ লগতে চৰকাৰী প্ৰতিটো দায়িত্ব আমি পালন কৰি আহিছো; কিন্তু ইমানৰ পাছতো আমাৰ পদ তথা বিভাগসমূহ নিয়মীয়াকৰণ কৰা নহ'ল। আমি সামান্য মানিনত শিক্ষাদান কৰি আহিছো।' ইতিমধ্যে বিগত বৰ্ষৰ ২৪ ডিচেম্বৰত দাবী সম্বলিত এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰীলৈ প্ৰেৰণ কৰা বুলি তেওঁ উল্লেখ কৰে। শীঘ্ৰে পদ আৰু বিভাগসমূহ নিয়মীয়া কৰিবলৈ তেওঁ চৰকাৰক দাবী জনায়।

## উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ সূচী

*এক পৃষ্ঠাৰ পৰা* উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে প্ৰকাশ কৰে পৰীক্ষাৰ সময়সূচী। এই সূচী অনুসৰি ১৫ মাৰ্চৰ পৰা আৰম্ভ হৈ ১২ এপ্ৰিলত পৰীক্ষাৰ অন্ত পৰিব। বিভিন্ন বিষয়ৰ আগবেলাৰ পৰীক্ষাসমূহ পুৱা ন বজাৰ পৰা দিনৰ ১২ বজালৈ অনুষ্ঠিত হ'ব। তেনেদৰে পিছবেলা দিনৰ ১.৩০ বজাৰ পৰা বিয়লি ৪.৩০ বজালৈ পৰীক্ষা অনুষ্ঠিত হ'ব। তিনিটা শাখাত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত বৰ্ষৰ পৰীক্ষা ১৫ মাৰ্চত ইংৰাজী বিষয়ৰে আৰম্ভ হৈ বায়'টেকন'লজি বিষয়ৰে ১২ এপ্ৰিলত অন্ত পৰিব। ইপিনে, ২১ ফেব্ৰুৱাৰীৰ পৰা ১০ মাৰ্চৰ ভিতৰত অনুষ্ঠিত হ'ব ব্যৱহাৰিক পৰীক্ষাসমূহ। শিক্ষা সংসদৰ এক সূত্ৰই জনোৱা অনুসৰি এইবাৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত মুঠ দুই লাখ ৪৫ হেজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ক'ভিড নিয়ম-নীতি মানি সুকলমে পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে শিক্ষা সংসদে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইপিনে, ৰাজ্য চৰকাৰেও উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীসকলৰ লগতে প্ৰথম বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক ক'ভিড প্ৰতিষেধক প্ৰদান কৰি আছে। উল্লেখ্য যে বিগত বৰ্ষত ক'ভিডৰ বাবেই অনুষ্ঠিত হোৱা নাছিল উচ্চতৰ মাধ্যমিক আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষা; কিন্তু এইবেলি শিক্ষা বিভাগে সকলো ক'ভিড নিয়ম-নীতি পালনেৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে পৰীক্ষাগৃহত সকলোৰে বাবে ক'ভিড নিয়ম-নীতি মানি চলাটো বাধ্যতামূলক কৰিছে বুলি শিক্ষা সংসদে সদৰী কৰিছে।

## ৰাজ্য চৰকাৰৰ নীতিয়ে অসমৰ সীমা

*এক পৃষ্ঠাৰ পৰা* চুবুৰীয়া কে'বাখনো ৰাজ্যৰ সীমা সমস্যা চলি আহিছে। মেঘালয়ৰ সংশ্লিষ্ট ছটা স্থানৰ ক্ষেত্ৰত ভূমি এৰি দিয়াৰ যি পদ্ধতিৰে সমস্যাৰ সমাধান কৰিব বিচৰা হৈছে তাৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী হ'ব। আন ৰাজ্যবোৰকো অসমে নিজৰ ভূমি এৰি দিবলৈ বাধ্য হ'ব; কিন্তু সেইবোৰ দিশ উপেক্ষা কৰি কাৰোবাৰ ৰাজনৈতিক সুৰক্ষাৰ অংকৰে মেঘালয়ক ভূমি এৰি দি সমস্যাটোৰ সমাধান কৰিব বিচৰা হৈছে।' বৰাই কয় যে যদিহে চৰকাৰে সিদ্ধান্ত সলনি নকৰি নিজৰ স্থিতিত থাকে তেন্তে কংগ্ৰেছ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব। মুখ্যমন্ত্ৰীয়ে চুবুৰীয়া ৰাজ্যই বেদখল কৰা অসমৰ ভূমি আধা আধাকৈ ভগাই সমস্যাটো সমাধান কৰিব বিচাৰিছে বুলি উল্লেখ কৰি বৰাই এই নীতি মুখ্যমন্ত্ৰীক প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। তেওঁ লগতে মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে যে নিজৰ ভূমি বেদখলকাৰী চুবুৰীয়া ৰাজ্যক এৰি দি সীমা সমস্যাৰ সমাধান কৰিব বিচৰাটোহে বিজেপিৰ জাতি-মাটি-ৰক্ষাৰ নীতি নেকি? অসমৰ সীমা ৰক্ষাত চৰকাৰখন ব্যৰ্থ হোৱা বুলি মন্তব্য কৰি বৰাই কয়, 'চুবুৰীয়া ৰাজ্যই আগ্ৰাসী নীতিৰে সীমাৰ ভিতৰলৈ সোমাই আহি অসমৰ ভূমি বেদখল কৰিব আৰু তাৰ পাছত বুজাবুজিৰে অসমে সেই ভূমি আধা আধাকৈ ভগাই লোৱা নীতি অতি ভয়ংকৰ। এই নীতিয়ে অসমৰ পৰিসীমা সংকুচিত কৰি অনাটো স্পষ্ট হৈছে। এই নীতিৰ পৰিৱৰ্তে চৰকাৰে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ কিয় হ'ব নোৱাৰে? আন্তঃৰাজ্যিক সীমা সমস্যা সমাধানৰ বাবে সংবিধানে আন ব্যৱস্থাও দিছে। সেইবোৰ অনুসৰণ কৰা উচিত। তাৰ পৰিৱৰ্তে চৰকাৰে সীমাক লৈ আপোচ কৰা নীতি কংগ্ৰেছে কেতিয়াও মানি নলয়।' সীমান্তৰ বাসিন্দাৰ সমস্যাৰ সমাধান আৰু সীমান্ত অঞ্চলবোৰৰ উন্নয়নত বিজেপি চৰকাৰ ব্যৰ্থ হোৱা বুলিও বৰাই সমালোচনা কৰে।

## আৰক্ষীয়ে জব্দ কৰিলে ৫০টা গৰু

*এক পৃষ্ঠাৰ পৰা* সৰবৰাহ কৰা হৈছিল। এক গোপন সূত্ৰৰ ভিত্তিত কমলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন বৰুৱাৰ নেতৃত্বত আৰক্ষীৰ দল এটাই ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত গৰু সৰবৰাহ কৰা এখন ট্ৰেইলৰ ৰখাবলৈ নিৰ্দেশ দিয়ে। অৱশ্যে চালকে আৰক্ষীৰ বেড় ভাঙি ট্ৰেইলৰখন চলাই নিয়ে যদিও মদনপুৰ টোল গেটত ৰখাবলৈ বাধ্য হয়। তেতিয়াই অন্ধকাৰৰ সুযোগ লৈ চালক-হেণ্ডিমেন আদিয়ে পলায়ন কৰে। আৰক্ষীয়ে ট্ৰেইলৰৰ পৰা ২৬টা গৰু উদ্ধাৰ কৰে। আগে-পাছে বিভিন্ন সামগ্ৰীৰ বস্তাৰে গৰুসমূহ ঢাকি অনা হৈছিল। গৰুৰ লগতে আৰক্ষীয়ে ট্ৰেইলৰখনো জব্দ কৰে। মহানগৰীৰ দিশে আহি থকা জব্দকৃত আৰ জে-০২ জি এইছ-৬৮২০ নম্বৰৰ ট্ৰাকখন নম্বৰ প্লেটৰ বাবে ৰাজস্থানৰ বুলি সন্দেহ কৰা হৈছে। ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বৰুৱাই জনায় যে জব্দকৃত গৰুসমূহৰ বজাৰমূল্য প্ৰায় ৫০ লাখ টকা হ'ব। ইতিমধ্যে গৰুসমূহ কনিহাস্থিত গো-শালালৈ প্ৰেৰণ কৰা হৈছে। লগতে আঘাতপ্ৰাপ্ত গৰুকেইটাৰ চিকিৎসাৰো ব্যৱস্থা কৰিছে আৰক্ষীয়ে। কমলপুৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ এদল চিকিৎসকে আঘাতপ্ৰাপ্ত গৰুকেইটাৰ চিকিৎসা অব্যাহত ৰাখিছে। ঘটনাৰ সন্দৰ্ভত কমলপুৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ইপিনে, অবৈধভাৱে গৰু সৰবৰাহৰ চেষ্টা চলাই আৰক্ষীৰ জালত পৰা দুই চোৰাং সৰবৰাহকাৰীয়ে কৰ্তব্যৰত আৰক্ষীক নগদ ৪০ হেজাৰ টকা উৎকোচ দিয়াৰ ব্যৰ্থ চেষ্টা চলাই শোণিতপুৰৰ বালিপৰাত। আজি পুৱা প্ৰায় পাঁচ বজাত সংঘটিত এই ঘটনাৰ পাছতে আৰক্ষীয়ে শোণিতপুৰৰ পৰা মেঘালয়লৈ চোৰাংভাৱে কঢ়িয়াই নিবলৈ চেষ্টা চলোৱা ২৪টা গৰুসহ এএছ-০১ইচি-৮২৫০ নম্বৰৰ ট্ৰাকখন জব্দ কৰাৰ লগতে জোৰাইৰ উত্তৰ টিটন আৰক্ষী থানাৰ অন্তৰ্গত মৌ বখান গাঁৱৰ জয়চোৰাৰ দখাৰ আৰু ৰিমা ছেলাক আটক কৰিছে। উল্লেখ্য যে আজি পুৱা শোণিতপুৰৰ জীয়াভৰলী নৈৰ পাৰত এই গৰুসমূহ ট্ৰাকখনত উঠোৱা হৈছিল আৰু কোনোধৰণৰ প্ৰয়োজনীয় নথি-পত্ৰ অবিহনেই মেঘালয়লৈ নিয়াৰ কথা চাৰিদুৱাৰ আৰক্ষীৰ তালাচী চকীত পোহৰলৈ আহে। আৰক্ষীৰ জালত পৰা ট্ৰাকখনৰ চালক আৰু হেণ্ডিমেন দুজনে সেই সময়ত কৰ্তব্যৰত আৰক্ষীক ৪০ হেজাৰ টকা উৎকোচ আগবঢ়োৱাৰ চেষ্টা কৰে যদিও আৰক্ষীয়ে দুয়োকে আটক কৰে। উল্লেখ্য যে চাৰিদুৱাৰ আৰক্ষী থানা অন্তৰ্গত তথা জীয়াভৰলীৰ পাৰৰ একাধিক অঞ্চলৰ পৰা বিগত সময়চোৱাত এনেদৰে চোৰাংভাৱে পশুধন সৰবৰাহ কৰিবলৈ লোৱাৰ সময়ত আৰক্ষীৰ অভিযানত একাধিকবাৰ পশুধনসহ ট্ৰাক জব্দ হোৱাৰ উপৰি চোৰাং সৰবৰাহত জড়িত লোকো গ্ৰেপ্তাৰ হৈছে। সম্প্ৰতি জীয়াভৰলীৰ পাৰৰ কেতবোৰ অঞ্চলত একাংশ স্থানীয় এজেণ্টে বিভিন্ন স্থানৰ পৰা সংগ্ৰহ কৰা গৰু মজুত কৰি পৰৱৰ্তী সময়ত সেইবোৰ চোৰাংভাৱে নগাঁও, বাইহাটা চাৰিআলি আদিলৈ সৰবৰাহ কৰি আহিছে। বিশেষকৈ নগাঁৱৰ এটা চক্ৰ ইয়াৰ আঁৰত থকাটো ইতিমধ্যে স্পষ্ট হোৱাৰ পাছত আজি একেদৰেই মেঘালয়লৈ চোৰাংভাৱে গৰু সৰবৰাহৰ ঘটনা আৰক্ষীৰ অভিযানত পোহৰলৈ আহে। সম্প্ৰতি এই ঘটনাৰ অনুসন্ধান অব্যাহত আছে বুলি প্ৰকাশ কৰিছে শোণিতপুৰ আৰক্ষীয়ে।

## মেঘালয়ৰে সীমা সমস্যা সমাধানৰ সূত্ৰত

*এক পৃষ্ঠাৰ পৰা* কৰা হ'ব। আন্তঃৰাজ্যিক সীমা সমস্যাৰ বিষয়টো গৃহ মন্ত্ৰণালয়ৰ অধীনস্থ বাবেই অনুমোদনৰ বাবে প্ৰেৰণ কৰাটো নিয়ম। আমাৰ আজিৰ কেবিনেট বৈঠকত সমস্যাটোৰ সমাধান সূত্ৰত অনুমোদন দিয়াৰ পাছতে এই সিদ্ধান্ত লোৱা হয়।' সীমাৰ বিষয়টোৰ উপৰি আন কে'বাটাও দিশত আজিৰ কেবিনেটত সিদ্ধান্ত লোৱা হয়। হাফলঙত বৈঠকখন অনুষ্ঠিত হোৱাৰ সূত্ৰে পাহাৰীয়া জিলাখনৰ বিকাশৰ বাবেও কে'বাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি গুৱাহাটীৰ বাহিৰত পৰৱৰ্তী কেবিনেট বৈঠক শিলচৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্তও আজি লোৱা হয়।

অসম বিজ্ঞান আৰু বাণিজ্য শিক্ষাত যথেষ্ট পিছপৰি আছে। বহু মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য পাঠ্যক্ৰম অধ্যয়নৰ সুবিধা নাই। ইয়াৰ প্ৰভাৱ বিজ্ঞান আৰু বাণিজ্য পাঠ্যক্ৰম অধ্যয়নৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰিছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক কেবিনেটে আঠখন মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰু দুখনত বাণিজ্য শাখা মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আগন্তুক শিক্ষাবৰ্ষৰ পৰা উপলব্ধ হ'বলগীয়া বিজ্ঞান শাখা সংযোজনৰ সিদ্ধান্ত লোৱা মহাবিদ্যালয়কেইখন হ'ল ধেমাজিৰ মৰিচল মহাবিদ্যালয়, বজালীৰ ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়, বাগ্‌সাৰ শালবাৰী মহাবিদ্যালয়, টিংখং মহাবিদ্যালয়, তেজপুৰ মহাবিদ্যালয়, বাসুগাঁও মহাবিদ্যালয়, বাগ্‌সা বি আৰ কিষাণ মহাবিদ্যালয় আৰু কাছাৰৰ মাধৱ চন্দ্ৰ দাস মহাবিদ্যালয়। বাণিজ্য শাখা সংযোজন হ'বলগীয়া দুখন মহাবিদ্যালয় হ'ল মৰিগাঁও মহাবিদ্যালয় আৰু শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়। শিক্ষাৰ লগত জড়িত আন এক সিদ্ধান্ত অনুসৰি, এতিয়াৰে পৰা অসমৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয়বোৰত কৰ্মৰত অধ্যাপক-অধ্যাপিকাসকলে 'এছিউৰড কেৰিয়াৰ প্ৰমোচন স্কীম'ৰ জৰিয়তে সৰ্বভাৰতীয় চিকিৎসা মহাবিদ্যালয়বোৰৰ দৰে নিৰ্ধাৰিত সময়ত পদোন্নতি লাভ কৰিব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়, 'অসমত এই ব্যৱস্থাটো হৈ উঠা নাছিল। পদবী নথকাত আমি পদোন্নতি দিব পৰা নাছিলো। ইয়াৰ ফলত অধ্যাপক-অধ্যাপিকাসকল হতাশাত ভুগিছিল; কিন্তু এতিয়াৰে পৰা পদবী নাথাকিলেও তেওঁলোকে সময় মতে পদোন্নতি লাভ কৰিব।' এই বৈঠকত নতুনকৈ গঠন কৰা মৰাণ, মটক, বড়ো-কছাৰী কল্যাণ আৰু কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বিধিত অনুমোদন দিয়া হয় বুলি মুখ্যমন্ত্ৰীয়ে জনায়। অহা ২৪ জানুৱাৰীত ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মানৰূপে ঘোষিত অসম গৌৰৱ আৰু অসম সৌৰভ সন্মান প্ৰদানৰো সিদ্ধান্ত এই বৈঠকে লয়। মুখ্যমন্ত্ৰীয়ে লগতে সদৰী কৰে যে শিলচৰত অসমৰ দ্বিতীয়খন চিৰিয়াখানা স্থাপন কৰা হ'ব। আজি এই সিদ্ধান্ত গ্ৰহণ কৰি ২৪০ কোটি টকাৰ অনুমোদন দিয়া হয়। মুখ্যমন্ত্ৰীয়ে কয় যে শিলচৰ চিৰিয়াখানাখন অসম ৰাজ্যিক চিৰিয়াখানাৰ দৰে নহ'ব। প্ৰস্তাৱিত চিৰিয়াখানাখনত জীৱ-জন্তুবোৰক আবদ্ধ কৰি ৰখা নহ'ব। দৰ্শনাৰ্থীয়েহে আবদ্ধ হৈ চিৰিয়াখানাখন উপভোগ কৰিব পাৰিব।

### ডিমা হাছাওক লৈ কে'বাটাও সিদ্ধান্ত

হাফলঙত কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ লগত সম্পৰ্ক ৰাখি ডিমা হাছাওক লৈ কে'বাটাও সিদ্ধান্ত আজিৰ বৈঠকত গ্ৰহণ কৰা হয়। সেই বিষয়ে সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'উত্তৰ কাছাৰ স্বায়ত্তশাসিত পৰিষদৰ বিষয়া-কৰ্মচাৰীসকলক দৰমহা দিওঁতে সঘনে সমস্যাৰ সৃষ্টি হয়। সেই সমস্যা লাঘৱ কৰিবলৈ পৰিষদখনৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ এশজন বিষয়া-কৰ্মচাৰীৰ দৰমহাৰ দায়িত্ব এতিয়াৰে পৰা পৰিষদৰ পৰিৱৰ্তে অসম চৰকাৰে ল'ব। এই সিদ্ধান্তই পৰিষদখনক যথেষ্ট সকাহ দিব। ৰাজ্য চৰকাৰে দৰমহাৰ এটা ডাঙৰ অংশ বহন কৰিবলৈ সিদ্ধান্ত লোৱাত অন্য কৰ্মচাৰীক দৰমহা দিয়াত পৰিষদৰ বোজা কমিব। হাফলঙত এখন ষ্টেডিয়াম নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে আৰু তাৰ বাবে আজি ২০ কোটি টকাৰ অনুমোদন দিয়া হয়। হাফলং নগৰত পানীৰ অভাৱ দূৰ কৰাৰ বাবে এখন পানী যোগান আঁচনি স্থাপনৰ সিদ্ধান্ত কেবিনেটত লোৱা হয়। ইয়াৰ বাবেও ১১০ কোটি টকাৰ অনুমোদন দিয়া হয়।' ডিমা হাছাওত পৰ্যটনৰ অজস্ৰ সমল আছে। কিন্তু আন্তঃগাঁথনিৰ অভাৱত জিলাখনৰ পৰ্যটন উদ্যোগৰ প্ৰয়োজনীয় বিকাশ হোৱা নাই। মুখ্যমন্ত্ৰীয়ে সংবাদমেলত কয় যে ভিষ্টাডম ৰেলখন হাফলঙলৈ চলাচল কৰাৰে পৰা জিলাখনলৈ অধিকসংখ্যক পৰ্যটকৰ আগমন হ'বলৈ ধৰিছে। কিন্তু পৰ্যটক থকাৰ বিশেষ সা-সুবিধা নাই। তাৰ প্ৰতি লক্ষ্য ৰাখি বৈঠকত পৰ্যটন আন্তঃগাঁথনি গঢ়াৰ সিদ্ধান্ত লোৱা হয়। তেওঁ কয়, 'আমি আজি সিদ্ধান্ত লৈছো যে উমৰাংছ', পানীমূৰা আৰু হাফলঙত অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডে ৫০ কোটি টকা ব্যয়ৰে পৰ্যটনৰ বিকাশৰ কাম কৰিব। সেই ধনৰাশিতো আজি অনুমোদন দিয়া হয়। ডিমা হাছাওত থকা পুৰাতাত্ত্বিক সম্পদবোৰ ইউনেস্কোৰ ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃত কৰাৰ চেষ্টাও আমাৰ চলিব।'

# মেডিকেল-ছেলছ্‌ ৰিপ্ৰেজেনটেটিভছৰ ধৰ্মঘট




## সৰ্বভাৰতীয় প্ৰতিবাদৰ যোৰহাটত সৰ্বাত্মক প্ৰভাৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/পশ্চিম যোৰহাট, ১৯ জানুৱাৰী ঃ** মেডিকেল আৰু ছেলছ্‌ ৰিপ্ৰেজেনটেটিভছৰ সৰ্বভাৰতীয় সংগঠন এফএমআৰএআইএ আজি সৰ্বভাৰতীয় ধৰ্মঘটৰ কাৰ্যসূচী ৰূপায়ণ কৰে। ১৬ দফীয়া দাবীৰ সমৰ্থনত আহ্বান জনোৱা এই ধৰ্মঘট মেডিকেল ৰিপ্ৰেজেনটেটিভছৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগঠন চিআৰইউ (উত্তৰ-পূৰ্বাঞ্চল) এই সফল কৰে। যোৰহাটতো যোৰহাট জিলা সমিতিৰ নেতৃত্বত ধৰ্মঘটৰ সৰ্বাত্মক ৰূপ পৰিলক্ষিত হয়। শ্ৰম সংহিতা বাতিল কৰি শ্ৰম আইনসমূহ আখৰে আখৰে পালন কৰা, ঔষধ আৰু চিকিৎসা সা-সৰঞ্জামৰ মূল্য হ্ৰাস কৰা আৰু ইয়াৰ ওপৰত থকা সামগ্ৰী আৰু সেৱা কৰ প্ৰত্যাহাৰ, মুঠ ঘৰুৱা উৎপাদনৰ পাঁচ শতাংশ স্বাস্থ্য খণ্ডত বিনিয়োগ, ৰাজহুৱা খণ্ডৰ ঔষধ প্ৰতিষ্ঠান আৰু প্ৰতিষেধক উদ্যোগসমূহ পুনৰুজ্জীৱিত কৰা, ঔষধৰ অনলাইন বিক্ৰী বন্ধ, ক্ষেত্ৰ কৰ্মীৰ বাবে নিম্নতম মজুৰি ২৬ হেজাৰ টকা ধাৰ্য, ক্ষেত্ৰ কৰ্মীৰ চাকৰিৰ নিৰাপত্তা সুনিশ্চিত, অতিমাৰীৰ সময়ত জীৱন-জীৱিকা ৰক্ষাৰ ব্যৱস্থা গ্ৰহণ, ঔষধ আৰু স্বাস্থ্য খণ্ডত স্বচ্ছতা বজাই ৰখা আদি দাবীৰ সমৰ্থনত শতাধিক মেডিকেল আৰু ছেলছ্‌ ৰিপ্ৰেজেনটেটিভছে যোৰহাট চহৰৰ ৰাজপথত এক সমদল উলিয়ায়। পাছত জিলা উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সম্পূৰ্ণ ক'ভিড বিধি মানি চলা যোৰহাটৰ উক্ত কাৰ্যসূচীত নেতৃত্ব প্ৰদান কৰে চিআৰইউৰ উত্তৰ-পূৰ্বাঞ্চলৰ সভাপতি যামিনী বৰবৰুৱা, সম্পাদক মণ্ডলীৰ সদস্য দিব্যেন্দু দাস জিলা সম্পাদক সুভেন্দু দাস আৰু জিলা নেতৃত্ব।

# আনন্দ বজাৰত মাঘী উৎসৱ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৯ জানুৱাৰী ঃ** বাগ্‌সাৰ আনন্দ বজাৰৰ সমীপৱৰ্তী বৃহত্তৰ পাটলা গাঁৱৰ পাটলা নৱমিলন পুথিভঁৰালৰ উদ্যোগত আজি দিনজোৰ কাৰ্যসূচীৰে পাটলা ৰাখল মধ্য ইংৰাজী বিদ্যালয় খেলপথাৰত মাঘী উৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ছহিদ তৰ্পণ, পতাকা উত্তোলন, বৃক্ষৰোপণ, খেল-ধেমালি, পিঠা-পনা প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। মাঘী উৎসৱ উদ্‌যাপন সমিতিৰ সাংস্কৃতিক সম্পাদক নবীন দাসে এটি বৰগীত পৰিৱেশনেৰে মহিলাৰ বীৰনাম প্ৰতিযোগিতা উদ্বোধন কৰে। ইয়াৰ পাছতে থিয়নাম পৰিৱেশন, অন্তৰংগ আলাপ আদি অনুষ্ঠিত হয়। আবেলি বঁটা বিতৰণী সভাৰ লগতে অনুষ্ঠিত হয় গীত-মাতৰ অনুষ্ঠান। উক্ত অনুষ্ঠানত স্থানীয় ভৱানীপুৰ সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বৰভাগত খণ্ড পৰ্যায়ৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞান ভিত্তিক প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ১৯ জানুৱাৰী ঃ** অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত অসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদৰ দ্বাৰা ৰূপায়িত স্থানীয় অনুষ্ঠান বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধীনত প্ৰতিষ্ঠিত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, বৰভাগ উন্নয়ন খণ্ডৰ খণ্ড পৰ্যায়ৰ প্ৰতিযোগিতাখন অহা ২৫ জানুৱাৰীত বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, বিজ্ঞান ভিত্তিক মডেল প্ৰস্তুত কৰা, বিজ্ঞান ভিত্তিক পোষ্টাৰ অংকন, বিজ্ঞান ভিত্তিক আকস্মিক বক্তৃতা আৰু বিজ্ঞান ভিত্তিক ধাৰণা লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। বৰভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ মাজত অনুষ্ঠিত হ'ব লগা প্ৰতিযোগিতাত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতা প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্তক মানপত্ৰ, ট্ৰফী আদিৰে পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাৰ শীৰ্ষৰ তিনিটা স্থানপ্ৰাপ্ত প্ৰতিযোগীক জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ পাব। আনহাতে, জিলা পৰ্যায়ৰ প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলে গুৱাহাটীত হ'ব লগা ৰাজ্যিক পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ নলবাৰী জিলা সমিতিৰ সভাপতি ড° দীনমণি ভাগৱতী, জিলা সমন্বয়ক প্ৰদীপ মহন্ত আৰু খণ্ড সমন্বয়ক অলিস্মিতা দাসে প্ৰতিযোগিতাসমূহত ছাত্ৰ-ছাত্ৰীসকলক যোগদান কৰাবৰ বাবে বিদ্যালয়ৰ প্ৰধানসকলক অনুৰোধ জনাইছে। অধিক জানিবৰ বাবে ৯৫৭৭১০৮৭৭৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

# বিলাসীপাৰাত চিকিৎসক ক'ভিডত আক্ৰান্ত

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ১৯ জানুৱাৰী ঃ** ৰাজ্যত ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ ধৰিছে ক'ভিড আক্ৰান্তৰ সংখ্যা। ইয়াৰ সমান্তৰালভাৱে জনতাৰ সেৱাত ব্ৰতী চিকিৎসকৰ শৰীৰতো ধৰা পৰিছে ক'ভিডৰ উপস্থিতি। ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমা সদৰ চহৰস্থিত সহকাৰী চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ মুৰ্তজা জামান ক'ভিডত আক্ৰান্ত হৈছে। সম্প্ৰতি তেওঁ হোম আইছ'লেচনত আছে।

# তেজপুৰত পাঁচগ্ৰাম্য শিল্পীক সম্বৰ্ধনা



**তেজপুৰ, ১৯ জানুৱাৰী ঃ** ৰাজ্যজুৰি সমাদৃত তথা প্ৰসিদ্ধ তেজপুৰৰ ঐতিহাসিক জাপিসজীয়াত সজা দৃষ্টিনন্দন জাপিসমূহ সজা শিল্পীসকলক সংকল্প অসম কেন্দ্ৰীয় সমিতিয়ে কেন্দ্ৰীয় শিল্পী দিৱস উদ্‌যাপনৰ লগত সংগতি ৰাখি যোৱা ১৭ জানুৱাৰীত এক ঐতিহ্য ধৰি ৰখা এইসকলৰ অৱশিষ্ট শিল্পীৰ ভিতৰত অন্যতম তেজপুৰৰ জাপিসজীয়াৰ বুদ্ধেশ্বৰ কেওটক সংগঠনটোৰ সদস্যসকলে তেওঁৰ বাসগৃহতে সম্বৰ্ধনা আগবঢ়ায়। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আনুষ্ঠানিক কাৰ্যসূচীৰ বিপৰীতে শিল্পীজনৰ বাসগৃহত উপস্থিত হৈ সংগঠনটোৰ সাধাৰণ সম্পাদক জয় বৰা, সহ-সম্পাদক ধ্ৰুৱজ্যোতি বৰুৱা, প্ৰচাৰ সম্পাদক পবিত্ৰ বৰা আৰু তেজপুৰ সমষ্টি সমিতিৰ সাংগঠনিক সম্পাদক প্ৰিয়াংশু দাসে শিল্পীজনক এই সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে, অসম নাট্য সন্মিলনৰ মধ্য তেজপুৰ শাখায়ো শাখাৰ অন্তৰ্গত বৃহত্তৰ মাজগাঁও অঞ্চলৰ চাৰিগৰাকী অশীতিপৰ নাট্যশিল্পী হৰমোহন শইকীয়া, মহেন্দ্ৰ হাজৰিকা, তোলন চন্দ্ৰ ভূঞা আৰু কিৰণ বৰাৰ সহধৰ্মিণী ডিম্বেশ্বৰী বৰাকো বাসগৃহতে গৈ সভাপতি অৰুণ কুমাৰ শৰ্মাৰ নেতৃত্বত শাখাটোৰ কে'বাগৰাকীও বিষয়ববীয়াই সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে এই সকল বৰ্ষীয়ান শিল্পীয়ে নাট ভাওনাৰ জৰিয়তে দীৰ্ঘকাল স্থানীয় সাংস্কৃতিক ক্ষেত্ৰখনলৈ বিশেষ বৰঙণি যোগাই আহিছে।

# বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ নতুন সভাপতি

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১৯ জানুৱাৰী ঃ** ভাৰতীয় জনতা যুৱ মৰ্চাৰ নলবাৰী জিলা সমিতিৰ অন্তৰ্গত চাৰিটা মণ্ডলত যোৱা ১৭ জানুৱাৰীত নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ আৰু ভাৰতীয় জনতা যুৱ মৰ্চাৰ সভাপতি হেমন্ত বৰ্মনে স্বাক্ষৰিত কৰি উক্ত মণ্ডলৰ যুৱ মৰ্চাৰ সভাপতিসকলক নিযুক্তি দিয়ে। ঘগ্ৰাপাৰৰ বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ সভাপতিৰূপে বিজেপিৰ যুৱনেতা তথা খাতিকুছি গাঁও পঞ্চায়তৰ প্ৰভাৰী হৰেশ্বৰ দাসক নিযুক্তি দিয়ে। বড়িগোগ বনভাগ মণ্ডলৰ মুখ্য কাৰ্যালয়ত, বড়িগোগ বনভাগ মণ্ডল যুৱ মৰ্চাৰ নৱ নিযুক্ত সভাপতি দাসক সাংসদ দিলীপ শইকীয়া, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাসহ দলীয় কাৰ্যকৰ্তাসকলে অভিনন্দন জনায়। যুৱ মৰ্চাৰ মণ্ডল সভাপতিজনে সম্বৰ্ধনা গ্ৰহণ কৰি আগন্তুক দিনত যুৱ মৰ্চাৰ সাংগঠনিক ভেটি আৰু অধিক শক্তিশালী কৰাত বিশেষ গুৰুত্ব দিব বুলি মন্তব্য কৰে। ইফালে, দলটোৰ বিভিন্ন চেলৰ কাৰ্যকৰ্তাৰ লগতে বড়িগোগ বনভাগ অ'বিচি মৰ্চাৰ সভাপতি ৰঞ্জিত দাস, উপ-সভাপতি দ্বীজেন দাসসহ এটি দলে নৱ নিযুক্তি মণ্ডল যুৱ মৰ্চাৰ সভাপতিৰ গৃহত উপস্থিত হৈ অভিনন্দন জ্ঞাপন কৰে।

# লখিমপুৰ নগৰৰ কে বি ৰোডত ডকাইতি


**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ১৯ জানুৱাৰী ঃ** লখিমপুৰ নগৰৰ কে বি ৰোডৰ ১৩ নম্বৰ ৱাৰ্ডৰ নিবাসী ব্যৱসায়ী জাকিৰ হুছেইনৰ বাসগৃহত যোৱা ১৭ জানুৱাৰীত ফুট গধূলিতে ডকাইতি কাণ্ড সংঘটিত হয়। সন্ধিয়া ৭-৪০ বজাত হুছেইনৰ ঘৰত হঠাৎ কলিং বেল বাজি উঠাত তেওঁৰ আঠ বছৰীয়া পুত্ৰই আলহী অহা বুলি ভাবি দুৱাৰ খুলি দিয়ে। উল্লেখ্য যে সেই সময়ত হুছেইন বাথৰুমত মুখ-হাত ধুই আছিল। বাথৰুমৰ পৰা হুছেইন ওলাই অহাৰ লগে লগে চাৰি জনীয়া এটা ডকাইতৰ দলে তেওঁৰ টেঁটু চেপি মুখ-হাত বান্ধে। লগে লগে দুজন বন্দুকধাৰীয়ে মূৰত পিষ্টল থৈ ঘৰত লুটপাট আৰম্ভ কৰে। উল্লেখ্য যে ডকাইতৰ দলটোৱে হুছেইনৰ ঘৰত ৪৫ মিনিট লুটপাত চলাই দুই লাখ টকা, মূল্যবান আ-অলংকাৰসহ ২০ লাখ টকাৰ সা-সম্পত্তি লুট কৰে। এই সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে ইতিমধ্যে লখিমপুৰ সদৰ থানাত এজাহাৰ দাখিল কৰিছে।

# সংস্থাৰ নামত নথিভুক্ত সম্পাদকৰ পুত্ৰৰ নামত নামজাৰি

## ■ খাৰিজৰ পাছতো ঘাইপথ প্ৰাধিকাৰীৰ ধন আদায়ৰ চেষ্টা

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ১৯ জানুৱাৰী ঃ** সংস্থা এটাৰ নামত নামজাৰি হোৱা ভূমি বিষয়া আৰু লাটমণ্ডলৰ চক্ৰান্তত সংস্থাটোৰ প্ৰয়াত সম্পাদকৰ পুত্ৰৰ নামত উত্তৰাধিকাৰী সূত্ৰে ৰহস্যজনকভাৱে হোৱা নামজাৰি খাৰিজৰ পাছতো ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ প্ৰাধিকাৰীৰ পৰা ক্ষতিপূৰণৰ ধন আদায় কৰিবলৈ চেষ্টা চলোৱা কাৰ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এই ঘটনা সংঘটিত হৈছে বঙাইগাঁও জিলাৰ যোগীঘোপাত। বিষয়টো সন্দৰ্ভত নাগৰিক সুৰক্ষা মঞ্চ, অসমৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে সদৰী কৰা মতে, জিলাখনৰ বইটামাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত যোগীঘোপাৰ চটপাৰাত আমবাৰী দং কমিটীৰ নামত এক বৃহৎ ভূমি নামজাৰি হৈছিল। কমিটীখনৰ নামত পট্টা নম্বৰ ৬৬ (নতুন) ৫৬ নম্বৰ দাগত ২৫ বিঘা চাৰি কঠা তিনি লেচা, ৫৭ নম্বৰ দাগত চাৰি কঠা দুই লেচা, ৫৮ নম্বৰ দাগত ১৪ বিঘা দুই কঠা ১৯ লেচা, ৬২ নম্বৰ দাগত ১০ বিঘা দুই কঠা সাত লেচাসহ মুঠ ৫১ বিঘা তিনি কঠা ১১ লেচা ভূমি নথিভুক্ত হৈছিল। পৰৱৰ্তী সময়ত বইটামাৰী ৰাজহ চক্ৰ বিষয়া আৰু লাটমণ্ডল আমিনুল খান ওৰফে আপেলৰ চক্ৰান্তত দং কমিটীৰ সম্পাদক প্ৰয়াত মুছলেমউদ্দিনৰ ছয়পুত্ৰ ক্ৰমে ছহিদুল ৰহমান, ওমৰ আলী, মফিদুল ইছলাম, মফাজুল, আব্দুল ওৱাহাব আৰু নুৰুল ইছলামৰ নামত নীতিবহিৰ্ভূতভাৱে বৃহৎ ধনৰ বিনিময়ত নামজাৰি কৰে। সমূহীয়া সংস্থা এটাৰ নামত থকা ভূমি ৰহস্যজনকভাৱে ব্যক্তিগত লোকৰ নামত বিষয়া আৰু লাটমণ্ডলৰ চক্ৰান্তত নামজাৰি হোৱা কাৰ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এনে সময়তে জিলা উপায়ুক্তক দিয়া অভিযোগ মৰ্মে ৰাজহ বিভাগৰ অতিৰিক্ত উপায়ুক্তৰ নিৰ্দেশ মৰ্মে ৰাজহ চক্ৰ বিষয়া আৰু লাটমণ্ডল ধনেশ সৰকাৰে ২০১৯ৰ ২০ জুলাইত নামজাৰি খাৰিজ কৰে বুলি মঞ্চৰ সভাপতি বৰ্মনে কয়। ইতিমধ্যে এছ ৯৯ (এ)/২০১৯/৭৬ নম্বৰ নিৰ্দেশ মৰ্মে নামজাৰি খাৰিজ কৰাৰ লগতে লাটমণ্ডল আমিনুল খানক নিলম্বন কৰা হৈছে। পৰৱৰ্তী সময়ত যোগীঘোপাত মাল্টিমডেল লজিষ্টিক হাব নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে আগবঢ়াত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ প্ৰাধিকাৰীয়ে ৰাখালডুবিৰ পৰা যোগীঘোপালৈ চাৰিলেনযুক্ত পথ নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ বাবে দং কমিটীৰ প্ৰায় ২৫ বিঘা ভূমি ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে প্ৰয়োজন হয়। ইপিনে, উক্ত ভূমিৰ বাবদ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰীয়ে ভূমিৰ বাবদ ধন আদায় দিয়ে। উক্ত ধন জিলা উপায়ুক্তৰ কাৰ্যালয়ত জমা আছে বুলি বৰ্মনে কয়। ইয়াৰ পাছতে নামজাৰি খাৰিজ কৰা মুছলেম উদ্দিনৰ পুত্ৰই ধন আদায় বিচাৰি ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। যিহেতু বৰ্তমানে দং কমিটীৰ বিষয়ববীয়া বা সদস্য জীৱিত অৱস্থাত নাই, তেনে অৱস্থাত ক্ষতিপূৰণৰ ধন চৰকাৰৰ ৰাজকোষত জমা কৰাৰ পোষকতা কৰিছে নাগৰিক সুৰক্ষা মঞ্চ, অসমে।

# ৰঙাপৰাত ছাত্ৰী হিৰ চিনেমাৰ নায়কৰ প্ৰতিভা বাছনি শিবিৰ



**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ১৯ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা নগৰৰ এমপ্লইজ ইউনিয়নৰ (শাখা) সহযোগত আৰু বৰদৈ চিলা ডান্স একাডেমীৰ উদ্যোগত স্থানীয়ভাৱে এখন ছাত্ৰী ছবি 'হিৰ' নিৰ্মাণৰ বাবে নায়ক বাছনি শিবিৰ ইউনিয়নৰ কাৰ্যালয়ত কালি অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত ৰঙাপৰা বহু সাংস্কৃতিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আঁত ধৰে সাংস্কৃতিক কৰ্মী সঞ্জীৱ বৈশ্য আৰু ইনামূল হকে। ইপিনে, অনুষ্ঠানলৈ সহায়ৰ হাত আগবঢ়ায় ইউনিয়নৰ সভাপতি নজমুল হক আৰু সম্পাদক দেৱমনী বৰঠাকুৰে। নিজৰ বক্তব্যত ইউনিয়নৰ কৰ্তৃপক্ষই আশ্বাস দিয়ে যে ভৱিষ্যতে বিভিন্ন ধৰণৰ সামাজিক অনুষ্ঠানৰ বাবে ৰঙাপৰা এমপ্লইজ ইউনিয়ন শাখা বদ্ধপৰিকৰ। উল্লেখ্য যে শিবিৰত চিনেমাখনৰ নায়কৰ বাছনি পৰীক্ষাত অঞ্চলটোৰ ১৫জন অভিনেতাই অংশগ্ৰহণ কৰে।

# টেঁঙাখাত জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালন



**অগ্ৰদূত বাৰ্তা**
**টেঁঙাখাত, ১৯ জানুৱাৰী ঃ** টেঁঙাখাত জাতীয় বিদ্যালয়ৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ১৮ জানুৱাৰীত অনুষ্ঠুপীয়াকৈ পালন কৰা হয়। ক'ভিড প্ৰট'কল মানি পালন কৰা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি দুৰ্লভ ৰঞ্জন গগৈয়ে। সম্পাদক দিগন্ত হাজৰিকাই বন্তি প্ৰজ্বলনৰে মুকলি কৰা স্মৃতি তৰ্পণ কাৰ্যসূচীত বিদ্যালয়ৰ অধ্যক্ষ লক্ষ্মীনাথ শৰ্মা আৰু প্ৰধান শিক্ষক ঘনকান্ত হাজৰিকাই অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত অধ্যক্ষ লক্ষ্মীনাথ শৰ্মাই বিদ্যালয়খনৰ ২১ বছৰীয়া ইতিহাস আৰু বিদ্যালয়খনৰ সফলতাৰ দিশৰ ওপৰত আলোচনা কৰাৰ লগতে বিদ্যালয়খনৰ উন্নয়নৰ দিশত আগুৱাই নিবলৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ সহযোগিতা কামনা কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষয়িত্ৰী বৰুৱা, তৰু দুৱৰাক ধৰি কে'বাজনো শিক্ষক-শিক্ষয়িত্ৰীয়ে বক্তব্য ৰাখে। শিক্ষয়িত্ৰী ৰুমী হাজৰিকা, বিনীতা গগৈয়ে গীত পৰিৱেশনৰ লগতে শিক্ষয়িত্ৰী বেবী বেগমে স্বৰচিত কবিতা পাঠ কৰে। শিক্ষক দীপক গগৈয়ে আঁত ধৰা অনুষ্ঠানত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দুৰ্লভ ৰঞ্জন গগৈ আৰু সম্পাদক দিগন্ত হাজৰিকাই অংশগ্ৰহণ কৰে।

# আমগুৰিত ক'ভিডত আক্ৰান্ত ৪১জন

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১৯ জানুৱাৰী ঃ** আমগুৰিত আজিলৈকে মুঠ ৪১ জন লোকক ক'ভিড পজিটিভ বুলি চিনাক্ত কৰা হৈছে। যোৱা ১৭ জানুৱাৰীত অঞ্চলটোত ১৯ জনকৈ লোকক ক'ভিড পজিটিভ বুলি চিনাক্ত কৰাৰ পাছত কালি ১৩ জন আৰু আজি বাতৰি লিখা পৰলৈকে ৪০ জন লোকক ক'ভিড পজিটিভ বুলি চিনাক্ত কৰা হয়। এই সকলৰ ভিতৰত আমগুৰি চক্ৰ বিষয়া, আমগুৰি খণ্ড উন্নয়ন বিষয়া, আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ লগতে পঞ্জাৱ নেছনেল বেংকৰ মেনেজাৰ সহ আমগুৰি শাখাৰ দুজনকৈ বিষয়াও ক'ভিডত আক্ৰান্ত হৈছে বুলি আমগুৰি সামূহিক চিকিৎসালয়ে উল্লেখ কৰিছে। ইয়াৰ ভিতৰতে আমগুৰি মহাবিদ্যালয়ৰো দুজন শিক্ষক ক'ভিডত আক্ৰান্ত হৈছে। উল্লেখ্য যে ক'ভিডৰ এনে ঢৌ সত্ত্বেও নগৰখনত জনসমাগম, সভা-সমিতি অনুষ্ঠিত হৈ আছে। পূৰ্বৰ তুলনাত ৰাইজে ক'ভিড নীতি শিথিল কৰি চলাটো জনস্বাস্থ্যৰ প্ৰতিয়েই ভাবুকি হিচাপে দেখা দিছে।

# ঘাঁহী-ম'হমৰীয়া আঞ্চলিক হাইস্কুলৰ বৰ্ষপূৰ্তি সমাৰোহৰ লাইখুঁটা স্থাপন

## ■ বিদ্যালয়লৈ বিধায়কৰ ৫০ লাখ টকাৰ অনুদান ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**বেবেজীয়া, ১৯ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁৱতো ৰাষ্ট্ৰীয় যুৱ বঁটা বিজয়ী সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত ঘাঁহী-ম'হমৰীয়া আঞ্চলিক হাইস্কুল আৰু শংকৰজ্যোতি শাখা সাহিত্য সভাৰ সহযোগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭১ সংখ্যক মৃত্যু দিৱসটি 'শিল্পী দিৱস'ৰূপে পৱাহি দিনজোৱা কাৰ্যসূচীৰে ঘাঁহী-ম'হমৰীয়া আঞ্চলিক হাইস্কুল প্ৰাংগণত অনুষ্ঠিত কৰা হয়। ঘাঁহী-ম'হমৰীয়া আঞ্চলিক হাইস্কুলৰ ৪৩ সংখ্যক বৰ্ষপূৰ্তি সমাৰোহৰ লগত সংগতি ৰাখি আয়োজন কৰা শিল্পী দিৱস উপলক্ষে স্বচ্ছ ভাৰত, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, কুইজ প্ৰতিযোগিতা, সুৰবাহিনী আদি কাৰ্যসূচী ৰূপায়ণৰ লগতে বিদ্যালয়ৰ বৰ্ষপূৰ্তি সমাৰোহৰ লাইখুঁটা স্থাপন, বিদ্যালয়ৰ চৌহদত ছহিদবেদী আৰু স্মৃতিসৌধৰ আধাৰশিলা স্থাপন কৰা হয়। এই উপলক্ষে পুৱা বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰিয়নাথ দাস আৰু ঘাঁহী আঞ্চলিক শাখা সাহিত্য সভাৰ সম্পাদক বেৰকান্ত দাসে স্বচ্ছ ভাৰত কাৰ্যসূচী মুকলি কৰাৰ পাছত সুৰবাহিনী কাৰ্যসূচী মুকলি কৰে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি জীৱন চন্দ্ৰ শৰ্মাই। ইয়াৰ পাছতে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিশিষ্ট চিত্ৰশিল্পী গকুল ছেত্ৰী আৰু ঘাঁহী আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি হৰেন বৰাই। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে বৰ্ষপূৰ্তি সমাৰোহৰ লাইখুঁটা স্থাপন কৰাৰ লগতে বিদ্যালয়ৰ চৌহদত প্ৰয়াত তিলক শৰ্মা ন্যাসৰ উদ্যোগত নিৰ্মাণ কৰিব লগা ছহিদ বেদী আৰু প্ৰয়াত পূৰ্ণানন্দ (গাঁওবুঢ়া) দাসৰ সোঁৱৰণত বিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ কৰ্মকৰ্তাসকলৰ স্মৃতিত নিৰ্মাণ কৰিব লগা স্মৃতিসৌধৰ আধাৰশিলাও স্থাপন কৰে। বিদ্যালয়ৰ লাইখুঁটা স্থাপন উপলক্ষে অনুষ্ঠিত ৰাজহুৱা সভাত বিধায়ক শশীকান্ত দাসে অংশগ্ৰহণ কৰি বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নত সকলো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে এটি নতুন বিদ্যালয় ভৱন নিৰ্মাণৰ বাবে ৫০ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে। বিদ্যালয়ৰ বৰ্ষপূৰ্তি সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি বল্লদেৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত ৰাজহুৱা সভাত বিশিষ্ট গৱেষক, আনন্দৰাম বৰুৱা বঁটা প্ৰাপক ড° নৰেন কলিতা, বিশিষ্ট লেখিকা-সাহিত্যিক পেঞ্চনাৰ ড° থুনু কলিতা, বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ লক্ষীনাৰায়ণ শৰ্মা আৰু বিশিষ্ট সমাজকৰ্মী কাৰ্তিক সাহাই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। সভাত ঘাঁহী গাঁও পঞ্চায়তৰ সভানেত্ৰী কবিতা বৰা, জিলা পৰিষদৰ সদস্যা কবিতা বৰা আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য মদন বৰা, বিশিষ্ট অভিনেতা ৰাগ ঐনিতম আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জীৱন চন্দ্ৰ শৰ্মাই নিমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে। বিদ্যালয় প্ৰধান শিক্ষক প্ৰিয়নাথ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক ভদ্ৰ দাসে জ্যোতি সংগীত পৰিৱেশন কৰে। অনুষ্ঠানত বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডিম্বেশ্বৰ দাস, বিশিষ্ট সমাজকৰ্মী ফটিক চন্দ্ৰ দাস, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সহকাৰী সম্পাদক খগেন চন্দ্ৰ নাথ, সদস্য ধেনুৰাম নাথ প্ৰমুখ্যে ভালেসংখ্যক গণ্যমান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে। সভাত ছহিদ বেদী দাতাৰ পৰিয়ালৰ হৈ হেমপ্ৰভা দেৱী আৰু স্মৃতিসৌধৰ দাতা চন্দ্ৰ দাসৰ মাতৃ মহেশ্বৰী দাসক সম্বৰ্ধনা জনোৱা হয়। জাতীয় সংগীতেৰে সামৰণি পৰা সভাখনত শলাগৰ শৰাই আগবঢ়াই উদ্‌যাপন সমিতিৰ সম্পাদক ভূপেন চন্দ্ৰ নাথে।

# আগিয়া মদন মোহন শাখা সত্ৰৰ পালনাম স্থগিত

**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ১৯ জানুৱাৰী ঃ** আগিয়া দোৱাপাৰা গাঁৱৰ মাজমজিয়াস্থিত শ্ৰীশ্ৰী মদন মোহন শাখা সত্ৰ প্ৰাংগণত উদ্‌যাপন সমিতিৰ দ্বাৰা অহা ২১ জানুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিতব্য প্ৰথম বাৰ্ষিক পালনাম মহোৎসৱ সাময়িকভাৱে স্থগিত ৰখা হৈছে বুলি এক বিবৃতিত উল্লেখ কৰিছে পালনাম মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি বিভূতি কলিতা আৰু যুটীয়া সম্পাদকদ্বয় প্ৰশান্ত কলিতা আৰু তাপস (ৰমেন) কলিতাই। কৰ'নাকেন্দ্ৰিক পৰিস্থিতিৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি সদৰী কৰিছে উদ্‌যাপন সমিতিয়ে। পৰৱৰ্তী কৰ'না পৰিস্থিতিৰ শাম কাটিলে অক্টোবৰ-নৱেম্বৰৰ ভিতৰত পুনৰ উক্ত পালনাম মহোৎসৱৰ আয়োজন কৰা হ'ব বুলি বিবৃতিত উল্লেখ কৰা হৈছে।

# অসম সমবায় সমিতিৰ ২০২০-২২ত সংগ্ৰহ কৰিছে ৭৭ কোটি টকা

## ■ হাউলীত অসম বহুমুখী সমবায় সমিতিৰ সজাগতা সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ১৯ জানুৱাৰী ঃ** অসম বহুমুখী সমবায় সমিতিৰ নামনি অসম মাণ্ডলিক কাৰ্যালয়ৰ অন্তৰ্গত হাউলী শাখা মহিলা সমিতিৰ উদ্যোগত কালি এখন সম্বৰ্ধনা আৰু সজাগতা সভা হাউলী শাখা চৌহদত অনুষ্ঠিত হয়। বৰপেটা এপেক্স বেংকৰ অৱসৰপ্ৰাপ্ত শাখা পৰিচালক ভদ্ৰেশ্বৰ দাসৰ পৌৰোহিত্যত সম্বৰ্ধনা আৰু সজাগতা সভাখন অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে অসম বহুমুখী সমবায় লিমিটেডৰ সঞ্চালক আব্দুল হামিদে। উক্ত সজাগতা সভাত অসম বহুমুখী সমবায় সমিতি লিমিটেডৰ মুখ্য সচিব দিব্যধৰ ফুকনে মুখ্য অতিথিৰূপে উপস্থিত থাকি প্ৰতিটো শাখাৰ বিষয়া-কৰ্মচাৰীসকলে দক্ষতাৰে কাৰ্য সম্পাদন কৰি সমবায় সমিতিখন আগবঢ়ায় নিবলৈ আহ্বান জনোৱা লগতে তেওঁ জনায় যে সমবায় সমিতিখনে ২০২০-২১ত বিভিন্ন শাখা




আনকি ৰাইজৰ পৰা ৭৭ কোটি টকা ইতিমধ্যে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। অসমৰ ১৪৭ টা শাখাৰ প্ৰতিটো শাখাই কামৰ অগ্ৰগতি আৰু যোগ্যতাৰ ভিত্তিতহে আই, এফ চি কোড লাভ কৰিব বুলি ফুকনে মন্তব্য কৰে। উক্ত সভাত এ বি এছ এছ এলৰ কাৰ্যকৰী সঞ্চালক প্ৰগ্ৰেছ কুমাৰ দাস, সঞ্চালক বীৰবাহু বসুমতাৰী, সঞ্চালক বাবুৰাম বৰ্মন, প্ৰশাসনিক বিষয়া দিলীপ বৰা, হাউলীৰ শাখা পৰিচালক প্ৰসন্ন নাথ আদি উপস্থিত থাকি অসম বহুমুখী সমবায় সমিতিখনৰ বিভিন্ন কামৰ অগ্ৰগতি তথা সমস্যা আৰু অসমৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতী আৰু গ্ৰাম্য অঞ্চলৰ অতিকৈ দৰিদ্ৰ-দুখীয়া শ্ৰেণীৰ লোকক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি কৰ্ম সংস্থাপনৰ আঁচনি কিদৰে ৰূপায়ণ কৰিব পৰা যায় তাৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। আজিৰ সভাত হাউলী শাখাৰ অন্তৰ্গত বিভিন্ন মহিলা গোটৰ পৰা প্ৰায় শতাধিক মহিলা, বিষয়া-কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## টীয়কত ভয়ংকৰ অগ্নিকাণ্ড ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৯ জানুৱাৰী ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত টীয়কৰ হাস্পতাল তিনিআলিস্থিত প্ৰজ্ঞা ফাৰ্ণিচাৰ এণ্ড গ্ৰ'চাৰী নামৰ এক ব্যৱসায়িক প্ৰতিষ্ঠানত যোৱা নিশা এক অগ্নিকাণ্ড সংঘটিত হয়। শ্বৰ্ট চাৰ্কিটৰ ফলতে উক্ত অগ্নিকাণ্ড সংঘটিত হোৱা বুলি সন্দেহ কৰা হৈছে। নিশা ১০ বজাত স্থানীয় একাংশ যুৱকে দোকানখনত ধোঁৱা প্ৰত্যক্ষ কৰি দোকানৰ স্বত্বাধিকাৰ সঞ্জীৱ সভাপণ্ডিতক অৱগত কৰাৰ লগতে স্থানীয় আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়ে। পাছত টীয়ক আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় ৰাইজৰ তৎপৰতাত জুই নিৰ্বাপিত কৰে। অগ্নিকাণ্ডত ১০ লক্ষাধিক মূল্যৰ সা-সম্পত্তি নষ্ট হয়।

## ৰঙাপৰাত শ্ৰেষ্ঠ স্বেচ্ছাসেৱক সন্মান অৰ্জন কৰাক অভিনন্দন



**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৯ জানুৱাৰী ঃ** বৃহত্তৰ ৰঙাপৰা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে ৰঙাপৰা মহাবিদ্যালয়ৰ শুভংকৰ দে নামৰ ছাত্ৰজনে। ৰঙাপৰা মহাবিদ্যালয়ৰ পৰা উচ্চ শিক্ষা গ্ৰহণৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰা ছাত্ৰজনক ২০২০-২১ৰ স্বেচ্ছাসেৱক শ্ৰেণীত ৰাষ্ট্ৰীয় সেৱা আঁচনিত অসম ৰাজ্যিক বঁটা লাভ কৰিছে। ছাত্ৰজনে ৰঙাপৰালৈ গৌৰৱ কঢ়িয়াই অনাত অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে তেওঁক অভিনন্দন জনাইছে। পৰহি সন্ধিয়া ৰঙাপৰা প্ৰেছ ক্লাব, অসম কেশৰী প্ৰগতি সংঘ আৰু অসম যুৱ-ছাত্ৰ পৰিষদ ৰঙাপৰা আঞ্চলিক সমিতিয়ে শুভংকৰক জাপি আৰু ফুলাম গামোচাৰে অভিনন্দন জ্ঞাপন কৰে।

ক'ভিড নিয়ম মানি সন্ধিয়া সাত বজাত অসম কেশৰী প্ৰগতি সংঘৰ প্ৰেক্ষাগৃহত ছাত্ৰজনক অভিনন্দন জ্ঞাপন কৰা অনুষ্ঠানটোত ৰঙাপৰা প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা সুনিল ম'ৰ, সম্পাদক শশীভূষণ শৰ্মা, সহকাৰী সভাপতি চাহিন আহমেদ, অসম কেশৰী প্ৰগতি সংঘৰ সভাপতি বিজয় কলিতা, সম্পাদক আব্দুল ৰাছিদ, যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য উপেন্দ্ৰ কুমাৰ নাথ আৰু সমাজকৰ্মী মৃদুল ডেকা আৰু অৰূপ পাটোৱাৰী উপস্থিত থাকে। উল্লেখ্য যে ৰঙাপৰা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দলটোৱে ক'ভিডকালীন সময়ত ৰাইজৰ মাজত সজাগতা সৃষ্টি, মাস্ক বিতৰণ, তলাবন্ধৰ সময়ত দৰিদ্ৰ লোকৰ মাজত আৰু যাতায়াত বন্ধ হৈ পৰা একাংশ ৰেলযাত্ৰীক আহাৰ বিতৰণ কৰিছিল। দলটোক সুশৃংখলিতভাৱে গঢ়ি তোলাৰ বাবে শুভংকৰসহ স্বেচ্ছাসেৱকসকলে সেৱা আগবঢ়াই আহিছিল। যোৱা ১২ জানুৱাৰীত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত এক অনুষ্ঠানত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ৰাষ্ট্ৰীয় সেৱা আঁচনি, অসম ৰাজ্যিক বঁটা ছাত্ৰ শুভংকৰক প্ৰদান কৰিছিল।

### বন বিভাগে ম'হ খেদাৰ ব্যৱস্থা নকৰাত ক্ষোভ ৰাইজৰ

## পুৰণিগুদাম জলাহত বনৰীয়া ম'হৰ সন্ত্ৰাস



**অগ্ৰদূত বাৰ্তা/বিশেষ সংবাদদাতা**

**নগাঁও/চামগুৰি, ১৯ জানুৱাৰী ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ নিকটৱৰ্তী তথা নগাঁও সদৰ আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনৰ জলাহ গাঁৱত এটা বনৰীয়া ম'হে বিগত এসপ্তাহ ধৰি উপদ্ৰৱ চলাই আহিছে। বনৰীয়া ম'হটোৰ সন্ত্ৰাসত এতিয়া অঞ্চলটোৰ লোকসকল পথাৰলৈ যাব নোৱাৰা হৈছে। নিশা হ'লে ম'হৰ আক্ৰমণৰ ভয়ত ঘৰৰ পৰা ওলাবলৈ ভয় কৰা পৰিৱেশ বিৰাজ কৰিছে। বিগত এসপ্তাহ ধৰি জলাহৰ পথাৰত বনৰীয়া ম'হটোৱে উপদ্ৰৱ চলাই খেতি পথাৰ অনিষ্ট কৰাৰ লগতে মানুহ দেখিলেই খেদি অহাৰ উপৰি পশুধনৰো ক্ষতিসাধন কৰিছে। বনৰীয়া ম'হটোৱে সন্ত্ৰাস চলাই থকা বুলি জলাহৰ ৰাইজে বন বিভাগক খবৰ দি আহিছে যদিও আজি পৰ্যন্ত বন বিভাগে ম'হটো খেদাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। উত্থাপিত অভিযোগ মতে, বন বিভাগৰ টহলদাৰী দলে প্ৰতিদিনেই দূৰৰ পৰা বনৰীয়া ম'হটো পৰ্যবেক্ষণ কৰি উভতি যায়। নগাঁও সদৰ আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ বনকৰ্মীৰ সঠিক পৰিকল্পনা আৰু সদিচ্ছাৰ অভাৱৰ বাবেই আজি পৰ্যন্ত বনৰীয়া ম'হটো খেদি পঠিয়াব পৰা নাই বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। আনহাতে, বনৰীয়া ম'হটোৱে জলাহৰ পথাৰত উপদ্ৰৱ চলাই সন্ত্ৰাস সৃষ্টি কৰাত নিশা হ'লেই অঞ্চলটোৰ লোকসকল ম'হৰ আক্ৰমণৰ ভয়ত পেঁপুৱা লাগিছে যদিও জিলাখনৰ বন বিভাগৰ কোনো উচ্চপদস্থ বিষয়া ঘটনাস্থলীত উপস্থিত নোহোৱাত স্থানীয় ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে।

## কলিতাপাৰাত ভাগৱত ভ্ৰমণ কাৰ্যসূচী সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৯ জানুৱাৰী ঃ** দৰং-কামৰূপ জিলাৰ সীমান্তৰ গণেশকুঁৱৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত কলিতাপাৰা বাসুদেৱ মন্দিৰৰ প্ৰাংগণত যোৱা ১৬ জানুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে ভাগৱত ভ্ৰমণ অনুষ্ঠান ৰূপায়ণ কৰা হয়। ১৮০৯ত স্থাপিত ঐতিহাসিক বাসুদেৱ মন্দিৰ প্ৰাংগণত বিগত ১৪ বছৰে ভাগৱত ভ্ৰমণ অনুষ্ঠান কলিতাপাৰা গাঁৱৰ ৰাইজে পালন কৰি আহিছে। এইবাৰো ক'ভিড বিধি মানি ভাগৱত ভ্ৰমণ কাৰ্যসূচী ৰূপায়ণ কৰে গাঁওখনৰ ৰাইজে। ভাগৱত যাত্ৰা উদ্বোধন কৰে এসময়ৰ নাগাৰা নামৰ পাঠক তথা অৱসৰী শিক্ষক ধৰ্মকান্ত ডেকাই। ভাগৱত যাত্ৰাৰ পাছতে ভাগৱত পাঠ কৰে কলিতাপাৰা গাঁৱৰ জ্যেষ্ঠ ব্যক্তিসকলে। ভাগৱত ভ্ৰমণ আৰু পাঠ কাৰ্যসূচীত স্থানীয় মহিলা-যুৱক-যুৱতীসকলে অংশগ্ৰহণ কৰে।

## ৰঙাগড়াঘাটত অগ্নিকাণ্ডত পাঁচখন দোকান ভস্মীভূত



**খুমটাই, ১৯ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়াঘাটত যোৱা নিশা এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। উল্লেখ্য যে নিশা ১০ বজাত ৰঙাগড়াঘাট তিনিআলিৰ এখন ব্ৰইলাৰ দোকানৰ পৰা প্ৰথমে জুইৰ সূত্ৰপাত হৈ কাষতে থকা আন চাৰিখন দোকান ভস্মীভূত হয়। পাছত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। উক্ত অগ্নিকাণ্ডত ১০ লক্ষাধিক টকাৰ সা-সম্পত্তি নষ্ট হয়।

## ঘিলাধাৰী বৰজানৰ সৰবৰহী মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১৯ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ মাটিখোলা পঞ্চায়তৰ অন্তৰ্গত দুই নম্বৰ বৰজান গাঁৱৰ সৰবৰহী মহিলা লাৱণ্য দত্ত (৪৫)ৰ আজি পুৱা গুৱাহাটী চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হয়। উল্লেখ্য যে ধৰ্মপ্ৰাণা মহিলাগৰাকী দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ নিজ ঘৰতে চিকিৎসাধীন হৈ আছিল। তেওঁৰ মৃত্যুত গোলাঘাট জিলা মইনা পাৰিজাত, দক্ষিণ গোলাঘাট আঞ্চলিক মইনা পাৰিজাত, জামুগুৰি, ফৰকাটিং-ঘিলাধাৰী প্ৰেছ ক্লাব, পূব গোলাঘাট কেন্দ্ৰীয় পালনাম সমিতি, শ্ৰীমন্ত শংকৰজ্যোতি কেন্দ্ৰীয় সমাজ, শ্ৰীমন্ত শংকৰজ্যোতি আঞ্চলিক কলামঞ্চ, লক্ষীবাৰী ক্ৰীড়া সন্থা, লক্ষীবাৰী শাখা সাহিত্য সভা, পূৰেৰুণ বয়জ ক্লাব, সোণাপুৰ বৰনামঘৰ, বৰজান বিষ্ণুজ্যোতি নামঘৰ, বৰজান বিশ্বজ্যোতি যুৱ সংঘ, অংকুৰ মইনা পাৰিজাত, গোবিনপুৰ উদয়ন মইনা পাৰিজাত, বৰজান প্ৰাথমিক বিদ্যালয়, দুই নম্বৰ বৰজান গাঁৱৰ আত্মসহায়ক গোট আদি অনেক অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ স্বামী, পুত্ৰ আৰু কন্যাক এৰি যায়।

## তিনিচুকীয়াত পৰিৱেশ সুৰক্ষা সমিতিৰ ক'ভিড-১৯ৰ সজাগতা কাৰ্যসূচী



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৯ জানুৱাৰী ঃ** আজি তিনিচুকীয়া জিলাত ক'ভিড-১৯ৰ বৰ্ধিত সংক্ৰমণ সম্পৰ্কে ৰাইজৰ নিৰাপত্তা আৰু সুৰক্ষাৰ বাবে সজাগতা সৃষ্টিৰ উদ্দেশ্যে পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত এক সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত কাৰ্যসূচী তিনিচুকীয়া চহৰৰ জিএনবি পথত অৱস্থিত চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত আৰম্ভ হয়। তাৰ পাছত চলিহা নগৰত অৱস্থিত পৰিৱেশ সুৰক্ষা সমিতিৰ নিজা জিলা কাৰ্যালয়ত আৰু চলিহা নগৰ নিজা কাৰ্যালয়ত মাস্ক পৰিধান নকৰা লোকক মাস্ক বিতৰণ কৰা হয়। তদুপৰি তিনিচুকীয়া চহৰৰ তিনিকোণীয়া, বৰদলৈ নগৰ, এ টি ৰোড আৰু ৰঙাগৰা পথত সহস্ৰাধিক মাস্ক বিতৰণ কৰা হয়। সমিতিয়ে ৰাজহুৱা স্থানত মাস্ক পৰিধান কৰা, হাত দুখন বাৰে বাৰে পৰিষ্কাৰ কৰা, শাৰীৰিক দূৰত্ব মানি চলা আৰু ক'ভিড-১৯ৰ প্ৰতিষেধক লৈ স্বাস্থ্য সুৰক্ষিত কৰিবলৈ ৰাইজক আহ্বান জনায়। উক্ত কাৰ্যসূচীত পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱা, জিলা সভাপতি পৱন বৰুৱা, কেন্দ্ৰীয় সদস্য অপূৰ্ব দাস, জিলা সহকাৰী সম্পাদক ৰাজিদ খান উপস্থিত থাকে।

## কমলাবাৰী শাখা সত্ৰৰ সত্ৰীয়া শিল্পী উপেন বৰাক অভিনন্দন



**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৯ জানুৱাৰী ঃ** যোৰহাট জিলাৰ মুদৈজানস্থিত কমলাবাৰী শাখা সত্ৰৰ বুঢ়াভকত তথা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য লাভ কৰা সত্ৰীয়া শিল্পী উপেন বৰালৈ চলিত বৰ্ষৰ শিল্পী পেঞ্চন আগবঢ়োৱা হৈছে। ১৯৫১ত টীয়ক টিঙৰ গাঁৱত জন্মগ্ৰহণ কৰা বৰাক চাৰি বছৰ বয়সতে ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী কমলাবাৰী সত্ৰলৈ নিয়ে আৰু তেতিয়াৰে পৰা বুঢ়াভকত দামোদৰ ভৰালীৰ কঠোৰ অনুশাসন আৰু সত্ৰীয়া আবেষ্টনীত থাকি গুণমালা ভটিমাৰ পৰা আৰম্ভ কৰি নাম-প্ৰসংগ, সত্ৰীয়া নৃত্য, গীত, বাদ্যৰ শিক্ষা গ্ৰহণ কৰে। ডেকা অৱস্থাতে মাজুলীৰ বিভিন্ন ৰংগমঞ্চৰ লগতে অসমৰ বিভিন্ন স্থানত সত্ৰীয়া নৃত্যানুষ্ঠান প্ৰদৰ্শন কৰি দৰ্শকৰ সমাদৰ লাভ কৰাৰ লগতে দিল্লী, চিমলা, শ্বিলং আদিত সত্ৰীয়া নৃত্য পৰিৱেশনৰ সুবিধা লাভ কৰিছিল। মহাবাহু ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কবলত পৰি ঐতিহাসিক কমলাবাৰী সত্ৰখন বহুধাবিভক্ত হোৱাত তাৰে এটা ভাগ টীয়ক মুদৈজান নৈৰ পাৰত নিজ ভূমি ক্ৰয় কৰি কমলাবাৰী শাখা সত্ৰ হিচাপে ধৰ্ম, সাহিত্য, সংস্কৃতিৰ সুবাস বিলাই টীয়কত খ্যাতি লাভ কৰিছে। এইজন নীৰৱ সত্ৰীয়া শিল্পীয়ে শেহতীয়াকৈ হ'লেও ৰাজ্য চৰকাৰে প্ৰদান কৰা শিল্পী পেঞ্চন লাভ কৰাত শিষ্যসকলৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তি উৎফুল্লিত হৈ পৰিছে। মুদৈজান কমলাবাৰী সংগীত মহাবিদ্যালয়, ত্ৰিমূৰ্তি ফাউণ্ডেছন, আঞ্চলিক যুৱ সংঘ, বেচৰকাৰী সংস্থা-ৰেঙণি-এটি আশা, আপকু যোৰহাট জিলা সমিতি, টীয়ক প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰে।

## গৰুভাষাৰ পদুমপাৰা পথত গছপুলি যতন প্ৰকৃতিপ্ৰেমীৰ



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৯ জানুৱাৰী ঃ** বিভিন্ন ঠাইত গছপুলি ৰোপণ কৰি বেৰ, জেওৰা দি লক্ষ লক্ষ টকা আত্মসাৎ কৰাৰ অঘোষিত প্ৰতিযোগিতা চলাই আহিছে একাংশই। গছপুলি ৰোপণৰ অন্তত দায়িত্ব যেন ইমানতেই সমাপ্ত হৈছে। আনকি এবছৰ পাছতে গছপুলিৰ কোনো চিন-মোকাম দেখিবলৈ পোৱা নাযায়। অৱশ্যে এদিনৰ ভিতৰতে কে'বা লাখ গছপুলি ৰোপণ কৰি গিণিজ বুকত নাম লিপিবদ্ধ কৰিবলৈও একাংশ অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰতিযোগিতাত লিপ্ত হোৱাৰো উদাহৰণ আছে। ঠিকাদাৰৰূপী একাংশ স্বেচ্ছাসেৱী সংস্থা, নিজকে প্ৰকৃতিপ্ৰেমীৰ ভাও লোৱা একাংশ লোকে এনে কাম সঘনাই কৰি আহিছে। ইয়াৰ বিপৰীতে জৰেগাঁৱৰ একাংশ যুৱকে গছপুলি ৰোপণ কৰাই নহয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংস্থা, বিভিন্ন লোকে য'তে-ত'তে ৰোপণ কৰা গছপুলি জেওৰা মেৰামতি কৰি গছপুলি সুৰক্ষিত কৰি আহিছে। কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত জৰেগাঁও নিবাসী বিটিচিৰ শ্ৰেষ্ঠ প্ৰকৃতিপ্ৰেমীৰ খ্যাতি অৰ্জন কৰি প্ৰমাণপত্ৰ লাভ কৰা ভৃগু মুনি ৰায়, ধনঞ্জয় কুমাৰ ৰায়, জনোৰঞ্জন ৰায়, পৱিত্ৰ কুমাৰ ৰায় আদিৰ নেতৃত্বত জৰেগাঁৱৰ পদুমপাৰালৈ যোৱা পথৰ দুয়োফালে সৌন্দৰ্যবৰ্ধন, ঔষধি আৰু ফল-মূলৰ গছপুলিৰ গুৰি চিকুণাই খাছা, জেওৰাসমূহ মেৰামতি কৰিছে। ভোগালীৰ ৰাজবংশী সমাজত চাৰিদিনীয়া ৰং-ৰহচৰ অন্তত আজি গছপুলিসমূহৰ যতন লয়।

## শুৱালকুছিৰ শ্মশান বন্ধু পঞ্চানন ডেকাৰ আকস্মিক বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৯ জানুৱাৰী ঃ** বস্ত্ৰনগৰী শুৱালকুছি শান্তিটোলৰ নিবাসী শ্মশান বন্ধু পঞ্চানন ডেকা (৬৫)ৰ যোৱা নিশা এক বজাত মৃত্যু হয়। তেওঁ পৰিয়ালৰ স'তে নিশাৰ আহাৰ গ্ৰহণৰ পাছত শোৱাপাটীলৈ যাওঁতেই শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ শুৱালকুছি মহাত্মা গান্ধী চিকিৎসালয়লৈ নিয়ে যদিও ইয়াৰ পূৰ্বেই তেওঁৰ মৃত্যু হয়। মৃত্যুৰ খবৰ বিয়পি পৰাত নিশাই তেওঁৰ বাসগৃহত অগণন লোকে ভিৰ কৰে। তেওঁ শান্তিটোল ৰাইজ গয়ৰহৰ প্ৰাক্তন সম্পাদক আছিল। উল্লেখ্য যে তেওঁ বৃহত্তৰ শুৱালকুছি অঞ্চলৰ কোনো লোকৰ মৃত্যুৰ খবৰ পালে অন্ত্যেষ্টিক্ৰিয়াত উপস্থিত হৈছিল। তেওঁৰ এই কৰ্মৰ বাবে শান্তিটোল ৰাইজ গয়ৰহে তেওঁক শ্মশান বন্ধু উপাধি প্ৰদান কৰে। আনহাতে, তেওঁৰ সমাজসেৱাৰ বাবে ৭১ সংখ্যক গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় উদ্‌যাপন সমিতি হাজো ৰাজহ চক্ৰ, শুৱালকুছি খণ্ড উন্নয়ন কাৰ্যালয়ে মানপত্ৰ প্ৰদান কৰে। মৃত্যুৰ আগলৈকে ১২১৮জনৰ অন্ত্যেষ্টিক্ৰিয়া তেওঁ সমাপন কৰে। তেওঁৰ মৃত্যুত শান্তিটোল ৰাইজ গয়ৰহ, ডেকা ৰাইজ গয়ৰহ, চেমনীয়া ৰাইজ গয়ৰহ, ত্ৰিবেণী যুৱক সমাজ, শংকৰ মাধৱ কলা বিকাশ কেন্দ্ৰই শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি দুগৰাকী কন্যা এৰি যায়।

## জুৰীয়াত ড্ৰাগছ ব্যৱসায়ী ধৃত

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ১৯ জানুৱাৰী ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত পূব মুকুন্দআটিত আজি আৰক্ষীয়ে তাফাজ্জুল হক নামৰ এজন ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ লগতে নগদ ৮,২৫০ টকা আৰু বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। হকে নিজ ঘৰতে দীৰ্ঘদিন ধৰি ড্ৰাগছৰ ব্যৱসায় চলোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছিল।

## নাজিৰাৰ নগা আলি পুনৰ নিৰ্মাণৰ দাবীত বিৰোধী দলপতিৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৯ জানুৱাৰী ঃ** নাজিৰাৰ সাধাৰণ ৰাইজৰ লগত বিধানসভাৰ বিৰোধী দলপতি তথা বিধায়কে আজি ৰাজপথত প্ৰতিবাদ সাব্যস্ত কৰে। বাৰম্বাৰ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক আবেদন কৰিও কোনো সঁহাৰি নাপাই অৱশেষত আজি ৰাইজৰ স'তে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৰাজপথত পদযাত্ৰা কৰি প্ৰতিবাদ সাব্যস্ত কৰিছে। উল্লেখ্য যে নগা আলিৰ বিধ্বস্ত ৰূপটোৱে বছৰ বছৰ ধৰি ৰাইজক জ্বলা-কলা খুৱাইছে। বৃহত্তৰ অঞ্চলটোৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো ৰাইজৰে অহা-যোৱাৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিছে এই পথটোৱে। লোক নিৰ্মাণ তথা গড়কাপ্তানী বিভাগ তথা চৰকাৰে নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰাক লৈ ক্ষুব্ধ ৰাইজে চাৰি কিলোমিটাৰ খোজ কাঢ়ি প্ৰতিবাদ সাব্যস্ত কৰি নাজিৰাস্থিত পথ সংমণ্ডল বিভাগৰ কাৰ্যালয় ঘেৰাও কৰে। লগতে নাজিৰা মহকুমাধিপতিৰ কাৰ্যালয়ৰ সন্মুখত আয়তীৰ উৰুলি, বৰকাঁহৰ গুঞ্জণ আৰু বিভিন্ন চৰকাৰ বিৰোধী ধ্বনিৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পাছত নাজিৰা আৰু আমগুৰি পথ সংমণ্ডলৰ কাৰ্যবাহী বিষয়া আৰু নাজিৰাৰ মহকুমাধিপতিক অতি শীঘ্ৰে ঐতিহাসিক নগা আলি পুনৰ নিৰ্মাণৰ দাবীত গণ স্বাক্ষৰিত একোখনকৈ স্মাৰকপত্ৰ প্ৰদান কৰে।

### অসাৰ ৰূপায়ণ চৰকাৰৰ জল জীৱন আঁচনি ঃ আইঅ'চিৰো নাই কোনো গুৰুত্ব

## ডিগবৈত বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ



**ডিগবৈ, ১৯ জানুৱাৰী ঃ** চৰকাৰৰ অভিলাষী আঁচনি ঘৰ ঘৰ নল, ঘৰ ঘৰ জল, জল জীৱন আঁচনিয়ে যেন বৰ্তমানো সামৰি ল'ব পৰা নাই তৈলনগৰী ডিগবৈ চহৰক। মূল চহৰখনৰে বিভিন্ন প্ৰান্তত এটুপি বিশুদ্ধ খোৱা পানীৰ বাবে বছৰ বছৰ ধৰি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। পুৱা আৰু সন্ধিয়া হ'লেই ডিগবৈ চহৰবাসীয়ে হাতে হাতে পানী আনিবলৈ গেলন, বাল্টিকে আদি কৰি বিভিন্ন বাচন-বৰ্তন লৈ ঘন্টা ঘন্টা ধৰি অপেক্ষা কৰাৰ দৃশ্য একেবাৰেই সুলভ। চৰকাৰে ৰূপায়ণ কৰা অভিলাষী আঁচনি কেৱল মাত্ৰ কাগজ-পত্ৰয়ে থকাৰ বিপৰীতে জনসাধাৰণ উপকৃত হোৱাকৈ ৰূপায়ণ কৰিবলৈ দাবী জনাইছে ডিগবৈবাসীয়ে। উল্লেখ্য বিষয় যে ডিগবৈ মূল চহৰখনৰ জনবসতিৰ বিপৰীতে সামান্য কেইটামান স্থানত বিগত বহু বছৰৰ পৰাই ডিগবৈ শোধনাগাৰে চহৰবাসীক বিশুদ্ধ খোৱাপানী যোগান ধৰি আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় জনসংখ্যাৰ তুলনাত নগণ্য পৰিমাণৰ পানী যোগান ধৰা টেপৰ ব্যৱস্থাই খোৱাপানীৰ সমস্যা সমাধান কৰিবলৈ সক্ষম হোৱা নাই। ভুক্তভোগী ডিগবৈবাসীয়ে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাৰ সন্দৰ্ভত আইঅ'চিৰ উচ্চপদস্থ বিষয়াবৰ্গক বাৰম্বাৰ অৱগত কৰি অহাৰ পাছতো আজি পৰ্যন্ত দিয়া নাই কাণসাৰ। জীৱন দায়িনী সাধাৰণ বিশুদ্ধ পানীটুপি যোগান ধৰিবলৈ সক্ষম নোহোৱা শতবৰ্ষ গৰকা ডিগবৈ শোধনাগাৰ কৃৰ্তপক্ষৰ সামাজিক দায়বদ্ধতাৰ প্ৰতি সচেতন হোৱা বুলি ৰাইজে অভিযোগ কৰিছে। কিছুদিনৰ পূৰ্বে কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে কে'বা কোটি টকাৰ ব্যয় সাপেক্ষে ডিগবৈত বিশুদ্ধ খোৱাপানী যোগান প্ৰকল্প এটাৰ আধাৰশিলা স্থাপন কৰে যদিও প্ৰকল্পটোৰ কাম সম্পূৰ্ণ নোহোৱা পৰ্যন্ত ডিগবৈবাসীয়ে এটুপি খোৱাপানীৰ বাবে যমৰ যাতনা খাব লগা হোৱাত আই অ' চিক গুৰুত্ব প্ৰদান কৰিবলৈ দাবী জনাইছে।

## বকুলতলত পূৰ্ণিমা সবাহৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৯ জানুৱাৰী ঃ** হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ বকুলতল (বাৰাংহাটী)ত ১৭ জানুৱাৰীৰ পৰা দুদিনীয়াকৈ আয়োজিত মাঘৰ পূৰ্ণিমা সবাহৰ কালি সন্ধিয়া সামৰণি পৰে। পহিলা দিনা পুৱা ধৰ্মীয় পতাকা উত্তোলনেৰে আৰম্ভণি কৰাৰ পাছতে ক্ৰমে ভাগৱত স্থাপন আৰু পাঠ, গছপুলি ৰোপণ, দুপৰীয়া আয়তীৰ নাম, আবেলি বৰগীত পৰিৱেশন, সন্ধিয়া বন্তি প্ৰজ্বলন, টোপধ্বনি আৰু নাগাৰা নাম প্ৰদৰ্শন কৰে। দ্বিতীয় দিনা পুৱা সমূহীয়া চাফাই, গছপুলি ৰোপণ, আয়তীৰ নাম, আবেলি আমন্ত্ৰিত নাগাৰা নামৰ নাম প্ৰদৰ্শন, সন্ধিয়া টোপধ্বনি আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## লখিমপুৰ 'এ' টীম খেলপথাৰত গণৰাজ্য দিৱসৰ প্ৰস্তুতি



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৯ জানুৱাৰী ঃ** সমাগত গণৰাজ্য দিৱসৰ বাবে লখিমপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ 'এ' টীম খেলপথাৰত প্ৰস্তুতি চলিছে। উল্লেখ্য যে লখিমপুৰ গৃহৰক্ষী বিভাগৰ অধিনায়ক ৰূপজ্যোতি টায়ে আৰু লখিমপুৰ আৰক্ষী বিভাগৰ পৰিদৰ্শক বাবুল বৰাৰ নেতৃত্বত আজিৰে পৰা লখিমপুৰ সশস্ত্ৰ বাহিনী, যানবাহন নিয়ন্ত্ৰণ বিভাগৰ ত্ৰয়োদশ অসম আৰক্ষী বিভাগৰ বেণ্ড শাখা, লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় কেডেট কোৰে এই কুচকাৱাজ অনুশীলনত অংশগ্ৰহণ কৰিছে। উল্লেখ্য যে সম্প্ৰতি ক'ভিড পৰিস্থিতিৰ বাবে উক্ত অনুশীলনত স্কুলীয়া ছাত্ৰ-ছাত্ৰীক অংশগ্ৰহণৰ অনুমতি প্ৰদান কৰা হোৱা নাই।



# ডক'ভিচৰ অনুপস্থিতিত মেলব'ৰ্ণত বছৰৰ প্ৰথম গ্ৰেণ্ডশ্লাম খিতাপ জয় কৰাৰ সুযোগ ক্লে ক'ৰ্টৰ সম্ৰাট ৰাফেল নাডালৰ

**মেলব'ৰ্ণ, ১৯ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ আজি অনুষ্ঠিত হোৱা দ্বিতীয় ৰাউণ্ডৰ মেচত জয়লাভ কৰি দুই তাৰকা ৰাফেল নাডাল আৰু আলেজান্দাৰ জেৰভ হেলাৰণ্ডে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত স্পেইনৰ নাডালে 6-2, 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হানমানক। উল্লেখ্য যে কেৰিয়াৰৰ 21 সংখ্যক গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ জয়ৰ লক্ষ্য লৈ মেলবৰ্ণলৈ আহিছে নাডাল। উল্লেখ্য যে বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনৰ প্ৰথমদিনাৰ খেলত শীৰ্ষ বাছনিৰ নাডালে প্ৰথম ৰাউণ্ডৰ মেচত 6-1, 6-4, 6-2 ৰ ব্যৱধানত পৰাস্ত কৰিছিল মাৰ্কাছক। ইফালে, আজি অনুষ্ঠিত হোৱা পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত জাৰ্মানীৰ তাৰকা জেৰভে 6-4, 6-4, 6-0 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে মিলমানক। ইয়াৰপূৰ্বে পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জেৰভে দেশৰে সতীৰ্থ ডেনিয়েলক 7-6, 6-1, 7-6 ৰ ব্যৱধানত পৰাস্ত কৰিছিল। উল্লেখ্য যে দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ইংলণ্ডৰ এণ্ডি মাৰেও। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত মাৰে পাঁচটা ছেটৰ অন্তত 6-1, 3-6, 6-4, 6-7, 6-4 ৰ ব্যৱধানত পৰাস্ত কৰে নিক'ল'জক। তিনি ঘণ্টা 52 মিনিট ধৰি চলে মেচখন। উল্লেখ্য যে 2017 ৰ পাছত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত জয়ৰ মুখ দেখিলে মাৰে। ইফালে, দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে ডানিলেও। পুৰুষৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত তেওঁ 6-1, 6-4, 7-6 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে হেনৰীক।



## অধিনায়ক বাভুমা-মিডল অৰ্ডাৰ ডুছানৰ অনবদ্য শতক

# প্ৰথম এদিনীয়াত দক্ষিণ আফ্ৰিকাৰ জয়



**পাৰ্ল, ১৯ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত 31 ৰাণত জয়লাভ কৰিছে। উল্লেখ্য যে এই জয়ৰে ঘৰুৱা দলটোৱে তিনিখনীয়া এদিনীয়া শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। পাৰ্লত হোৱা মেচখনত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই ভাৰতৰ সন্মুখত 297 ৰাণৰ বিজয়লক্ষ্য ৰাখিছিল। কিন্তু ভাৰতে নিৰ্ধাৰিত 50 অভাৰত আঠ উইকেট হেৰুৱাই 265 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ অপেনাৰ শিখৰ ধৱনে 79, বিৰাট কোহলিয়ে 51 আৰু শ্বাৰ্দুল ঠাকুৰে অপৰাজিত 50 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় ৰাহুল (12], ঋষভ পণ্ট (16], শ্ৰেয়াছ আয়াৰ (17] আৰু ভেংকটেশ আয়াৰ (2] ¼ উল্লেখ্য যে ধৱন আৰু বিৰাটে বেটিং কৰি থকালৈকে ভাৰতৰ জয়ৰ আশা আছিল যদিও উভয় বেটছমেন একেলগে আউট হোৱাত দলৰ পৰাজয় নিশ্চিত হয়। ইয়াৰপূৰ্বে পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত 296 ৰাণ কৰে। উল্লেখ্য যে দলে মাত্ৰ 68 ৰাণতে দুই অপেনাৰ ডিক'ক (27], মালান (6] আৰু মাৰ্কৰামৰ ৰূপত তিনিটা উইকেট হেৰুৱাই বিপদত পৰিছিল যদিও দুই সুদক্ষ মিডল অৰ্ডাৰ বেটছমেন টেম্বা বাভুমা আৰু ডুছানৰ শতকৰ সহায়ত দৃঢ় স্থিতিত উপনীত হয়। দক্ষিণ আফ্ৰিকাক নেতৃত্ব দিয়া বাভুমাই 110 ৰাণ কৰি আউট হোৱাৰ বিপৰীতে ডুছানে 96 বলত 129 ৰাণ কৰি অপৰাজিত থাকে। উভয়ৰ মাজত 202 ৰাণৰ যুটি হয়। ভাৰতৰ হৈ বুমৰাহে দুটা উইকেট পায়। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া টেষ্ট শৃংখলাটো সমাপ্ত হোৱাৰ পাছত এতিয়া আৰম্ভ হৈছে তিনিখনীয়া এদিনীয়া শৃংখলা। উল্লেখ্য যে প্ৰথম টেষ্টত জয়লাভ কৰাৰ পাছতো টীম ইণ্ডিয়াই দখল কৰিব নোৱাৰিলে তিনিখনীয়া টেষ্ট শৃংখলাটো। দ্বিতীয় আৰু তৃতীয় টেষ্টত ভাৰতক পৰাস্ত কৰি ঘৰুৱা দল দক্ষিণ আফ্ৰিকাই 2-1 ৰ ব্যৱধানত দখল কৰে তিনিখনীয়া টেষ্ট শৃংখলা। এতিয়া ভাৰতৰ লক্ষ্য তিনিখনীয়া এদিনীয়া শৃংখলাটো দখল কৰা। কিন্তু প্ৰথম মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখিন হৈছে ভাৰত। এয়া টীম ইণ্ডিয়াৰ ক্ৰমাগত তৃতীয় পৰাজয় দক্ষিণ আফ্ৰিকাত। উল্লেখ্য যে নতুন অধিনায়ক লোকেছ ৰাহুলৰ নেতৃত্বত খেলিছে ভাৰতীয় দলে।

## কামৰূপ জিলাত সকলো ক্ৰীড়া প্ৰতিযোগিতা বাতিলৰ নিৰ্দেশ

**ছয়গাঁও, ১৯ জানুৱাৰী ঃ** ক'ভিড আক্ৰান্তৰ ক্ৰমবৰ্ধমান বৃদ্ধি আৰু অ'মিক্ৰণ বিস্তাৰৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ জিলাত সকলো ক্ৰীড়া প্ৰতিযোগিতা এইসময়ত বাতিলৰ নিৰ্দেশ জাৰি কৰা হৈছে। কামৰূপৰ ভাৰপ্ৰাপ্ত জিলা ক্ৰীড়া বিষয়া ধ্ৰুবজ্যোতি ডেকাই আজি জাৰি কৰা এক নিৰ্দেশনাত ক্ৰীড়া ক্ষেত্ৰৰ এই বাধা নিষেধৰ কথা উল্লেখ কৰিছে। এই নিৰ্দেশ পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত বাহাল থাকিব। ইফালে, ক'ভিডৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনৰ সকলো ক্ৰীড়া সন্থা আৰু সংঘৰ এই ক্ষেত্ৰত সহযোগিতা ক্ৰীড়া বিষয়া গৰাকীয়ে কামনা কৰিছে।

## ইংলণ্ডৰ পাঁচ মহিলা ক্ৰিকেটাৰ নিৰ্বাচিত ভাৰতৰ স্মৃতি মান্ধানাৰ বৰ্ষশ্ৰেষ্ঠ টি-২০ দলত স্থান লাভ



**ডুবাই, ১৯ জানুৱাৰী ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) আজি 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দল ঘোষণা কৰিছে। সেই অনুসৰি ভাৰতৰ স্মৃতি মান্ধানাই ঘোষিত বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত স্থান লাভ কৰিছে। উল্লেখ্য যে ভাৰতৰ একমাত্ৰ সদস্যা হিচাপে স্মৃতি মান্ধানাই 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত স্থান লাভ কৰিছে। আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে আজি ঘোষণা কৰা দলত আছে ইংলণ্ডৰ পাঁচগৰাকী মহিলা ক্ৰিকেটাৰ। উল্লেখ্য যে মান্ধানাৰ জড়িয়তে সন্মান ৰক্ষা হৈছে ভাৰতীয় ক্ৰিকেটৰ। কাৰণ পুৰুষৰ 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত নাই এজনো ভাৰতীয় ক্ৰিকেটাৰ। উল্লেখ্য যে যোৱাবৰ্ষত ভাৰতীয় ক্ৰিকেট দলে আই চি চি টি-20 বিশ্বকাপৰ লগতে অন্য শৃংখলাতো হতাশাজনক প্ৰদৰ্শন কৰা কৰিছিল। যাৰবাবে টীম ইণ্ডিয়াৰ এজনো ক্ৰিকেটাৰ আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ দলত অন্তৰ্ভুক্ত নহ'ল।

## কিৰমানি-সেৱাগৰ পাছত তৃতীয় ভাৰতীয় ক্ৰিকেটাৰ ৰাহুল



**পাৰ্ল, ১৯ জানুৱাৰী ঃ** প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অধিনায়কৰ দায়িত্ব নলোৱাকৈয়ে পোনে পোনে ভাৰতীয় দলক এদিনীয়া আন্তৰ্জাতিক মেচত নেতৃত্ব দি আজি অনন্য গৌৰৱ লাভ কৰিছে লোকেছ ৰাহুলে। উল্লেখ্য যে ইয়াৰপূৰ্বে দক্ষিণ আফ্ৰিকাৰ মাটিত টেষ্ট অধিনায়ক হিচাপে অভিযেক কৰা ভাৰতৰ লোকেছ ৰাহুলে আজি এদিনীয়াৰ অধিনায়কৰূপেও নতুন পৰিচয় লাভ কৰিলে। প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অধিনায়কৰ দায়িত্ব নলোৱাকৈয়ে টীম ইণ্ডিয়াক নেতৃত্ব দিয়া ৰাহুল এই গৌৰৱ লাভ কৰা তৃতীয়জন ভাৰতীয় ক্ৰিকেটাৰ। ইয়াৰপূৰ্বে উইকেটৰক্ষক বেটছমেন ছয়ীদ কিৰমানি আৰু বিস্ফোৰক বেটছমেন বীৰেন্দ্ৰৰ সেৱাগে ৰাহুলৰ দৰেই প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত অধিনায়কৰ দায়িত্ব নলোৱাকৈয়ে ভাৰতক এদিনীয়া মেচত নেতৃত্ব দিছিল। উল্লেখ্য যে ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত তিনিখনীয়া এদিনীয়া শৃংখলাত টীম ইণ্ডিয়াক নেতৃত্ব দিছে তাৰকা অ'পেনাৰ লোকেছ ৰাহুলে। বি চি চি আয়ে শেহতীয়াকৈ কোহলিক নেতৃত্বৰ পৰা আঁতৰাই ৰোহিত শৰ্মাক এদিনীয়া দলৰ অধিনায়ক নিযুক্ত কৰিছিল। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চলিত এদিনীয়া শৃংখলাত ৰোহিতেই ভাৰতীয় দলৰ অধিনায়কৰ দায়িত্ব গ্ৰহণৰ কথাও আছিল। কিন্তু আঘাতৰ বাবে তেওঁ দক্ষিণ আফ্ৰিকালৈ যাব নোৱাৰিলে। সেয়ে ৰাহুলৰ নেতৃত্বত খেলিছে ভাৰতীয় দলে। উল্লেখ্য যে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা টেষ্ট শৃংখলালৈ প্ৰস্তুতি চলাই থকাৰ সময়তে ৰোহিত শৰ্মাই হেমষ্ট্ৰিঙৰ আঘাতৰ সন্মুখীন হৈছিল। শেহতীয়াকৈ তেওঁ বাংগালুৰুস্থিত ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত নিজকে সুস্থ কৰি তোলাৰ প্ৰক্ৰিয়া চলাই আছিল। কিন্তু সময় মতে সুস্থ হৈ উঠিব নোৱাৰাত ৰোহিত এদিনীয়া শৃংখলাৰ পৰাও বাহিৰ হয়।

## গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেন

# তৃতীয় ৰাউণ্ডত শীৰ্ষ বাছনিৰ বাৰ্টি



**মেলব'ৰ্ণ, ১৯ জানুৱাৰী ঃ** বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানৰ মহিলা টেনিছ খেলুৱৈ অষ্ট্ৰেলিয়াৰ বাৰ্টি চলিত অষ্ট্ৰেলিয়ান অপেনৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। উল্লেখ্য যে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনৰ আজি অনুষ্ঠিত হোৱা মহিলাৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত বাৰ্টিয়ে 6-1, 6-1 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ইটালীৰ লুছিয়াক। ঘৰুৱা সমৰ্থকৰ সন্মুখত খেলা বাৰ্টিয়ে মাত্ৰ 52 মিনিটতে দ্বিতীয় ৰাউণ্ডৰ মেচখনত জয়লাভ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ প্ৰথমদিনা মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত অষ্ট্ৰেলিয়াৰ বাৰ্টিয়ে প্ৰতিদ্বন্দ্বী লেছিয়াক 6-0, 6-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল। চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত ইতিমধ্যে মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে নাওমি অ'ছাকা, ছিমনা হালেপ আৰু গাৰ্বিন মুগুৰাজাই। হালেপে 6-4, 6-3 ৰ পোনপটীয়া ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে মুগুৰাজাই 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈ অগ্ৰগতি লাভ কৰে। আনহাতে, জাপানৰ অ'ছাকাই প্ৰথম ৰাউণ্ডৰ মেচত 6-3, 6-3 ৰ ব্যৱধানত পৰাস্ত কৰে কামিলাক।

## মালৌপথাৰলৈ গৌৰৱ কঢ়িয়াই অনা চাৰি খেলুৱৈক অভিনন্দন

**ষ্টাফ ৰিপৰ্টাৰ, যোৰহাট, ১৯ জানুৱাৰী ঃ** বিহাৰৰ ভাগলপুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত 65 কেজি শাখাত ৰূপৰ পদক অৰ্জন কৰা প্ৰাঞ্জল কলিতা, 50 কেজি শাখাত সোণৰ পদক অৰ্জন কৰা প্ৰাণদীপ শইকীয়া, 35 কেজি শাখাত ৰূপৰ পদক অৰ্জন কৰা দীপাংকৰ দত্ত, 25 কেজি শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰা মিলনজ্যোতি দাসক আজি যোৰহাট মালৌপথাৰৰ ৰান্ধনীজানৰ সন্মিলিত যুৱ মঞ্চৰ প্ৰেক্ষাগৃহত ৰাজহুৱাকৈ অভিনন্দন জনোৱা হয়। স্থানীয় পঞ্চায়তৰ সভাপতি প্ৰশান্ত বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত যোৰহাট জিলা পৰিষদৰ সৰুচৰাইৰ সদস্য মঞ্জু দত্ত, ৰান্ধনীজান হাইস্কুলৰ প্ৰধান শিক্ষক দিগন্ত ৰাজখোৱা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে। মালৌপথাৰলৈ খেলুৱৈকেইজনে গৌৰৱ কঢ়িয়াই অনাৰ বাবে সন্মিলিত যুৱ মঞ্চ, উদয়জ্যোতি মহিলা গোট, ৰান্ধনীজান গাঁওৰক্ষী বাহিনীয়ে অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰিছিল। স্থানীয় গাঁও প্ৰধান পূৰ্ণিমা দত্তই শলাগ জ্ঞাপন কৰা অভিনন্দন অনুষ্ঠানত ভালেসংখ্যক লোক উপস্থিত আছিল।



# দ্বিতীয় এদিনীয়াত শ্ৰীলংকাৰ বিৰুদ্ধে জিম্বাব'ৱেৰ জয়লাভ

**পাল্লেকালে, ১৯ জানুৱাৰী ঃ** শ্ৰীলংকা ভ্ৰমণলৈ অহা জিম্বাব'ৱে ক্ৰিকেট দলে তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন মেচত জয়লাভ কৰি 1-1 ত সমতা স্থাপন কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা শৃংখলাৰ দ্বিতীয়খন মেচত জিম্বাব'ৱে ক্ৰিকেট দলে 22 ৰাণত পৰাস্ত কৰে শ্ৰীলংকাক। পোনতে বেটিং কৰা জিম্বাব'ৱে 50 অভাৰত আঠ উইকেট হেৰুৱাই 302 ৰাণ কৰে। দলৰ হৈ ক্ৰেইগ ইৰভানে সৰ্বাধিক 91 ৰাণ কৰাৰ বিপৰীতে ছিকন্দৰ ৰাজাই 56, উইলিয়ামছে 48 আৰু চাকাভাই 47 ৰাণ কৰে। প্ৰত্যুত্তৰত, শ্ৰীলংকাই 50 অভাৰত ন উইকেটত 280 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। শ্ৰীলংকাৰ হৈ ছানাকাই 102 ৰাণৰ শতকীয় ইনিংছ খেলাৰ বিপৰীতে মেণ্ডিজে 57 ৰাণ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে শ্ৰীলংকাই তিনিখনীয়া এদিনীয়া শৃংখলাৰ প্ৰথমখন মেচত জয়লাভ কৰি 1-0 ৰ ব্যৱধানত অগ্ৰগতি লৈছিল। কেণ্ডিত হোৱা প্ৰথম মেচত শ্ৰীলংকাই পাঁচ উইকেটত পৰাস্ত কৰে জিম্বাব'ৱেক। পোনতে বেটিং কৰা জিম্বাব'ৱে 50 অভাৰত ন উইকেট হেৰুৱাই 296 ৰাণ কৰে। দলৰ হৈ শতক অৰ্জন কৰিছিল উইলিয়ামছে (100 ৰাণ)। আনহাতে, ৰেগিছে 72 ৰাণ কৰে। প্ৰত্যুত্তৰত, শ্ৰীলংকাই পাঁচ উইকেটত 300 ৰাণ কৰি জয় অৰ্জন কৰে। ঘৰুৱা দলৰ হৈ চন্দিমল আৰু নিছাংকাই 75 ৰাণকৈ তথা আছালংকাই 71 ৰাণ কৰে। এতিয়া শৃংখলা নিশ্চিত হ'ব তৃতীয় এদিনীয়াত।



# কেৰিয়াৰৰ শততম টেষ্টত দলক নেতৃত্ব দিবলৈ বিৰাটক অনুৰোধ বি চি চি আইৰ

**মুম্বাই, ১৯ জানুৱাৰী ঃ** ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়ক বিৰাট কোহলিয়ে টেষ্ট দলৰ নেতৃত্বৰ পৰা ইতিমধ্যে পদত্যাগ কৰিছে যদিও বি চি চি আয়ে কোহলিক নিজৰ শততম টেষ্টখনত দলক নেতৃত্ব দিবলৈ অনুৰোধ কৰিছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাতে বিৰাটে কেৰিয়াৰৰ শততম টেষ্টখন খেলাৰ কথা আছিল। কিন্তু আঘাতৰ বাবে তিনিখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয় টেষ্টত বিৰাটে খেলিব নোৱাৰিলে। সেয়ে কোহলিয়ে এতিয়া শ্ৰীলংকাৰ বিৰুদ্ধে বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত নিজৰ শততম টেষ্টখন খেলিব। অহা মাহত ভাৰত ভ্ৰমণ কৰিব শ্ৰীলংকা ক্ৰিকেট দলে। কিন্তু এইদিশত কোহলিৰ সিদ্ধান্ত কি হ'ব সেয়া জানিব পৰা হোৱা নাই। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তিনিখনীয়া টেষ্ট শংখলা হেৰুওৱাৰ পাছতে টেষ্ট দলৰ অধিনায়ক পদ এৰিছে বিৰাটে। ছ'ছিয়েল মিডিয়াযোগে নিজৰ সিদ্ধান্তৰ কথা অৱগত কৰিছিল বিৰাটে। ইয়াৰপূৰ্বে বিৰাটে আই চি চি টি-20 বিশ্বকাপৰ পাছতে টি-20 ৰ অধিনায়ক পদৰ পৰা দায়িত্ব এৰিছিল, তদুপৰি দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ সময়ত বি চি চি আয়ে এদিনীয়া দল ঘোষণা কৰি কোহলিক 50 অভাৰৰ খেলৰ নেতৃত্বৰ পৰা আঁতৰাইছিল। উল্লেখ্য যে ৰোহিত শৰ্মাক ইতিমধ্যে টি-20 আৰু এদিনীয়াৰ অধিনায়কৰ দায়িত্ব দিছে বি চি চি আয়ে। আনহাতে, টেষ্টৰো সহঃঅধিনায়ক পদত আছে ৰোহিত। বিৰাটে পদত্যগ কৰাত এতিয়া টেষ্ট দলৰ নতুন অধিনায়ক কোন হ'ব সেয়া ভাৰত-শ্ৰীলংকা শৃংখলাৰ সময়তে গম পোৱা যাব। চৰ্চাত আছে ৰোহত, অশ্বিন, ঋষভৰ নাম। উল্লেখ্য যে কোহলিয়ে টেষ্ট দলৰ নেতৃত্বৰ পৰা আনুষ্ঠানিকভাবে পদত্যাগ কৰি কাৰ্যতঃ ভাৰতীয় দলৰ নেতৃত্বৰ সাত বছৰীয়া কেৰিয়াৰৰ অন্ত পেলালে। 2014 ৰ ভাৰতীয় দলৰ অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত টেষ্ট শৃংখলাৰ মাজতে তেতিয়াৰ অধিনায়ক এম এছ ধোনিয়ে টেষ্ট দলৰ নেতৃত্ব ত্যাগ কৰাত বিৰাটে প্ৰথমবাৰৰ বাবে টীম ইণ্ডিয়াৰ অধিনায়ক পদ লৈছিল। ভাৰতীয় টেষ্ট দলক বিশ্ব ৰেংকিঙৰ শীৰ্ষস্থানত উন্নীত কৰা কোহলিয়ে কিন্তু অধিনায়ক হিচাপে এটাও আই চি চি ট্ৰফী লাভ কৰিবলৈ সক্ষম নহ'ল। অৱশ্যে টেষ্টত জয়ৰ দৃষ্টিকোনেৰে অধিনায়ক বিৰাটৰ সফলতা অনবদ্য। 68 খন টেষ্টত ভাৰতীয় দলক নেতৃত্ব দিয়া বিৰাটে 40 খনতে জয়লাভ কৰাৰ বিপৰীতে 11 খন ড্ৰ কৰিছে আৰু 17 খনত পৰাস্ত হৈছে।



## বাবৰ আজম অধিনায়ক

# ২০২১ ৰ বৰ্ষশ্ৰেষ্ঠ টি-২০ দলত নাই ভাৰতীয় সদস্য

**ডুবাই, ১৯ জানুৱাৰী ঃ** আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে (আই চি চি) বিগত বৰ্ষৰ টি-20 দলটো ঘোষণা কৰিছে। কিন্তু 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ আই চি চিৰ টি-20 দলত নাই এজনো ভাৰতীয় ক্ৰিকেটাৰ। উল্লেখ্য যে যোৱাবৰ্ষত ভাৰতীয় ক্ৰিকেট দলে আই চি চি টি-20 বিশ্বকাপৰ লগতে অন্য শৃংখলাতো আশানুৰূপ প্ৰদৰ্শন কৰা নাছিল। যাৰবাবে টীম ইণ্ডিয়াৰ এজনো ক্ৰিকেটাৰ আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে ঘোষণা কৰা 2021 বৰ্ষৰ বৰ্ষশ্ৰেষ্ঠ দলত অন্তৰ্ভুক্ত নহ'ল। আই চি চিৰ বৰ্ষশ্ৰেষ্ঠ দলৰ অধিনায়কৰ দায়িত্ব লাভ কৰিছে পাকিস্তানৰ বাবৰ আজমে। আনহাতে, এই দলত আছে পাকিস্তানৰ মহম্মদ ৰিজৱান আৰু শ্বাহীন আফ্ৰিদী। অন্য সদস্যসকল হ'ল-জ'ছ বাটলাৰ, মাৰ্কৰাম, মিচেল মাৰ্শ্ব, ডেভিদ মিলাৰ, ছামছি, জ'ছ হাজলউদ, হাছাৰাংগা আৰু মিস্তাফিজুৰ ৰহমান।



## বিলাসনন্দন চ'ৰা



# মুডী কী বাত

**ভাইয়ো** অউৰ বেহেনো, কথা এটা কওকচোন। এই যে অনাতাঁৰত আপোনালোকে মন কী বাত শুনি আহিছে, শুনোতে শুনোতে আপোনালোকৰ তাঁৰ ছিগি যায় নেকি বাৰু? অনাতাঁৰত শুনি শুনি আপোনাৰ তাঁৰ ছিগি যাওক বা নাযাওক, মোৰ কিন্তু বাত কৰোতে কৰোতে মন খালী হৈ গৈছে। এতিয়া স্বয়ং মনটোৱেও ক'বলৈ ধৰিছে— 'কিনো বকবকাই থাকেহে! গুদাম দেখোন খালী হৈ গৈছে। জোঁকাৰি থাকিলেও এটাও 'বাত' ওলাই নাহে। তাৰ পাছতো যদি মন কী বাত কৰি থাকে, মনৰে কিন্তু বাত বিষ হৈ যাব কৈ দিছো।' মনৰ বিপৰীতে গৈ মন কী বাত কৰিবলৈ মুঠেই মন নাই মোৰ। সেই কাৰণে ভাবিছো—কিবা এটা পৰিৱৰ্তন কৰা হওক। এনেয়েও ভোটবোৰ আহি আছে। ভোটৰ টাইমত আমি ক'বই লাগিব যে দেছলৈ আমি বহু পৰিৱৰ্তন আনিলো। বেলেগ একোতেতো পৰিৱৰ্তন কৰাটো সম্ভৱ নহয়। সেই কাৰণে ভাবিছো—মন কী বাতৰে পৰিৱৰ্তন কৰা যাওক। বহুতে কৈ থাকে— কিনো অনবৰতে মন কী বাত কৰি থাকে? কাম কী বাত নকৰে কিয়? এইবোৰ কথাক মই মুঠেই হাৰা নিদিওঁ। কাম মানুহে চাইহে ভাল পায়। কাম কী বাত কোনেও নুশুনে। আৰু কাম কী বাত ক'ব খুজিলেও এটা প্ৰ'ব্লেম আছে। কিয়নো কাম বহু প্ৰকাৰৰ আছে। এটা আছে কামত অহা কাম আৰু আনটো হ'ল কামত নহা কাম। কামত অহা কাম কী বাত যদি কৰিবলৈ যাওঁ, তেন্তে দুবাৰমান কোৱাৰ পাছত শেষেই হৈ থাকিব নহয়। চাফা ভাৰতৰ দৰে দুই-এটাহে কামত অহা কাম আছে। অৱশ্যে কামত নহা কাম বহু আছে। নোটবন্দীৰ পৰা গংগাডুবকীলৈ অজস্ৰ কামত নহা কাম আছে। সেইবোৰ যদি ক'বলৈ আৰম্ভ কৰা যায়, তেন্তে বছৰ বছৰ লাগি যাব। বেলেগে পাঁচ বছৰত যিমান কাম কৰে, আমি পাঁচ বছৰত তাৰ পাঁচগুণ কামত নহা কাম কৰি চাফা কৰি পেলাইছো। এইবোৰ কামত নহা কাম কী বাত ক'বলৈ আৰম্ভ কৰি মিছাতে জেং চপাই ল'ব নোৱাৰি।



বহুতৰে ডিমাণ্ড—মই বোলে চায়ে কী বাত কৰিব লাগে। নহয় মানে সৰুতে মই ৰেলে ৰেলে চাহ বেচি ফুৰিছিলো যে, সেই কাৰণে বহুতৰে দাবী— মই চায়ে কী বাত কৰিব লাগে; কিন্তু কথা হ'ল— মই চাহ দোকানত চাহ বেচা নাছিলো। বেচিছিলো ৰেলে ৰেলে। গতিকে চায়ে কী বাত কৰিব লাগিলে মই সদায় ৰেলত উঠিব লাগিব আৰু ৰেলৰ পৰা ক'বলৈ ল'লেহে চায়ে কী বাত অনৰ্গল ওলাই থাকিব। সদায় সদায়েতো আৰু ৰেলত উঠি বাত কৰাটো সম্ভৱ নহয়। ছিকিউৰিটী লেপচ্ হৈ যাব! হওক বা নহওক, লেপচ্ কৰায়ো দিব পাৰে। আৰু এটা কাৰণত চায়ে কী বাত কৰিবলৈ মন নাই। বহুতে 'চায়ে কী বাত'ক 'চাহ কী বাত' বুলিও কয়। শুনোতে এনেকুৱা লাগে যেন সেয়া 'চাহ কী বাত' নহয়, শ্বাহ কী বাতহে। মই কিয় শ্বাহৰ কথা ক'বলৈ যামহে? হাতৰ কুঠাৰ ভৰিত মাৰিম নেকি মই?

অনেকে কয়—'ধ্যান কী বাত কৰক! আৰে ভাই, ধ্যান কী বাত কেনেকৈ কৰিমহে? এইটো সঁচা কথা যে এটা সময়ত মই জংঘলত গৈ ধ্যান কৰিছিলো। এদিনৰ কাৰণে কৰিছিলো, খুব বেছি এঘণ্টাৰ কাৰণে কৰিছিলো। কেমেৰাৰ ক্লিক ক্লিক শব্দবোৰ বন্ধ হোৱাৰ লগে লগে মোৰ ধ্যানো ভংগ হৈ গ'ল। এই ফটোবোৰেই এতিয়া মোৰ মাৰ্কেটিঙত ব্যৱহাৰ হৈ আছে। কিন্তু কথা হ'ল বাত কৰি থাকিলে ধ্যান নহয়। ধ্যানৰ সময়ত মুঠেই বাত কৰিব নাপায়। দুই-একে কৈছে আপুনিতো যথেষ্ট যোগ-সাধনা কৰে। গতিকে আপুনি যোগী কী বাত কৰক! খং উঠি গ'ল! আৰে কিয় কৰিমহে যোগী কী বাত! হাতত থকা কলটো মই কি যোগীক খাবলৈ দি নিজে বাকলিটো চুহি থাকিম! য়ে চৰ নেহী চলেগা!

ভাইয়ো অউৰ বেহেনো, সৱ বাদ! এটা কথা খাটাং কৰা হ'ল যে জধে-মধে আৰু বাত কৰি থকা নহয়। বাত তেতিয়া কৰা যাব যেতিয়া দেছৰ মুড ঠিকে থাকে, দেছবাসীৰ মুড ঠিকে থাকে। আৰে কেৱল বাত কৰি গৈ থাকিলে নহ'বতো! বাত শুনিবলৈ দেছবাসীৰ মুডো থাকিব লাগিব। আৰু বাত কৰিবলৈ আমাৰো মুড থাকিব লাগিব। আটায়ে মুডী হৈ ল'লেহে বাত কৰি ভাল লাগে? সেই কাৰণে এইবাৰ যি বাত কৰা হ'ব তাৰ চিধাচিধি নাম হ'ব—মুডী কী বাত। নিজৰ নামটোৰ মাৰ্কেটিং কৰা যেন ভাবিব নেকি? যিয়ে যি বুজে বুজক!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

ঘৰলৈ জোঁৱাইৰ আগমন ঘটিলে আপ্যায়নৰ বাবে খদমদম লাগে শহুৰ-শাহুৰেকৰ। এনে আদৰৰ নামত যে কেতিয়াবা অত্যাচাৰো হয়, তাৰেই এক নিদৰ্শন দেখা গ'ল অন্ধ্ৰপ্ৰদেশত। সংক্ৰান্তি উপলক্ষে ভাবী শহুৰেকৰ ঘৰলৈ আমন্ত্ৰণ জনোৱা হৈছি হ'বলগীয়া জোঁৱাইক। অথচ তেওঁৰ বাবে কিহে অপেক্ষা কৰিছে সেয়া ভাবী জোঁৱায়েকে কল্পনাও কৰিব পৰা নাছিল।

**বছৰৰ শুভকামনাৰে সংক্ৰান্তিত বিশেষ আয়োজন শাহুৰেকৰ**

# ভাবী জোঁৱাইক ৩৬৫ বিধ খাদ্যৰে আপ্যায়ন




**নিউজ ব্যুৰ'**
**হায়দৰাবাদ, ১৯ জানুৱাৰী ঃ** ভাৰতীয় সংস্কৃতিত সকলো পৰিয়ালতে জোঁৱাইৰ বিশেষ আদৰ আছে। ঘৰলৈ জোঁৱাইৰ আগমন ঘটিলে আপ্যায়নৰ বাবে খদমদম লাগে শহুৰ-শাহুৰেকৰ। এনে আদৰৰ নামত যে কেতিয়াবা অত্যাচাৰো হয়, তাৰেই এক নিদৰ্শন দেখা গ'ল অন্ধ্ৰপ্ৰদেশত। সংক্ৰান্তি উপলক্ষে ভাবী শহুৰেকৰ ঘৰলৈ আমন্ত্ৰণ জনোৱা হৈছি হ'বলগীয়া জোঁৱাইক। অথচ তেওঁৰ বাবে কিহে অপেক্ষা কৰিছে সেয়া ভাবী জোঁৱায়েকে কল্পনাও কৰিব পৰা নাছিল। হ'বলগীয়া পত্নীৰ ঘৰত খোৱাৰ টেবুলৰ ফালে চায়েই চকু থৰ হৈ পৰিল জোঁৱাইৰ। কাৰণ সজাই থোৱা আছে ৩৬৫ বিধ খাদ্য সামগ্ৰী। কিমান খাব তেওঁ? এই ঘটনা অন্ধ্ৰপ্ৰদেশৰ পশ্চিম গোদাবৰী জিলাৰ।

সংক্ৰান্তিৰ দিনা জোঁৱায়েকক ভোজন কৰোৱাৰ পৰম্পৰা আছে তেলুগু সংস্কৃতিত। সেই পৰম্পৰা ৰক্ষাৰ বাবেই সংক্ৰান্তিৰ দিনা দুপৰীয়া ভাবী জোঁৱাই ছাইকৃষ্ণক আমন্ত্ৰণ জনাইছিল ভেংকটেশ্বৰা ৰাও আৰু তেওঁৰ পত্নী মাধৱীয়ে। হ'বলগীয়া জোঁৱাইক খুওৱাৰ কথা। সেয়ে মহা আয়োজন কৰিছিল ৰাও দম্পতীয়ে। ইফালে, খোৱাৰ টেবুলত বহি ছাইকৃষ্ণৰ মূৰত হাত দিবলগীয়া অৱস্থা। টেবুলৰ উপৰি কোঠাৰ সমগ্ৰ মজিয়াতে সজাই ৰখা হৈছে নানা তৰহৰ খাদ্য সম্ভাৰ। হিচাপ কৰি দেখিলে মুঠ ৩৬৫ বিধ খাদ্য তেওঁৰ বাবে যোগাৰ কৰিছে ভাবী শাহুৰেকে। ভাবী শাহুৰেক মাধৱীয়ে জনায় যে জোঁৱাইৰ বছৰৰ প্ৰতিটো দিন যাতে ভালেৰে পাৰ হয়, সেই বাবেই ৩৬৫ বিধ খাদ্যৰ ব্যৱস্থা কৰা হৈছিল।

খাদ্যৰ তালিকাত আছিল ৩০ প্ৰকাৰৰ তৰকাৰী, ভাত, বিৰিয়ানি, পুলিহৰা, আধুনিক আৰু পুৰাতন মিলাই এশবিধ মিষ্টান্ন, ১৫ প্ৰকাৰৰ আইচক্ৰীম, পেষ্ট্ৰী, কে'ক, শীতল পানীয়, গৰম পানীয় আৰু বিবিধ ফল। এই মহাভোজত কিমানখিনি জোঁৱায়েকে উদৰস্থ কৰিব পাৰিলে, সেয়া জনা নগ'ল। অৱশ্যে সেই ভোজনৰ পাছতে ছাইকৃষ্ণৰ স'তে ৰাও দম্পতীৰ কন্যা কুণ্ডাভিৰ বিবাহ সম্পন্ন হয়।

# ৰেলৰ গাৰ্ডৰ বিদায়!
## দায়িত্ব ল'ব ৰেল মেনেজাৰে

■ **নিউজ ব্যুৰ'**
**কলকাতা, ১৯ জানুৱাৰী ঃ** গাৰ্ডবাবু অথবা গাৰ্ড চাহাব। এই নামেৰে সচৰাচৰ সম্বোধন কৰা হয় ভাৰতীয় ৰেলৰ গাৰ্ডজনক। গাৰ্ড চাহাব, এই ৰেলখন ক'লৈ যাব। লোকেল ৰেলত উঠাৰ আগতে বিভিন্নজনে এনে প্ৰশ্ন কৰে ৰেলৰ গাৰ্ডক। অৱশ্যে এতিয়াৰ পৰা এই নামেৰে আৰু মাতিব নোৱাৰিব। কিয়নো এতিয়া ৰেলৰ গাৰ্ড হৈ পৰিল মেনেজাৰ। নতুন নামকৰণ কৰিলে ৰেলে। অৱশ্যে ইয়াৰ বাবে গাৰ্ডসকলক দৰমহাৰ গাঁথনিৰ সম্পূৰ্ণ পৰিৱৰ্তন নহ'ব। কেৱল মাত্ৰ তেওঁলোকক এতিয়াৰ পৰা মেনেজাৰ বুলি সম্বোধন কৰিব লাগিব। কিহৰ বাবে এই সলনি। ৰেলৰ তৰফৰ পৰা এই সম্পৰ্কে বিস্তাৰিত কোনো তথ্য জনোৱা হোৱা নাই। অৱশ্যে ৰেলৰ সূত্ৰত প্ৰকাশ যে দীৰ্ঘদিন ধৰি এই দাবী উত্থাপন হৈ আহিছে। দাবীৰ আঁৰৰ প্ৰধান যুক্তি হৈছে গাৰ্ডসকলৰ সামাজিক পৰিচয়। সাধাৰণতে গাৰ্ড বুলি ক'লে নিৰাপত্তাৰক্ষী বুলিয়ে ধাৰণা হয়। সেয়েহে ৰেলৰ গাৰ্ডকো বিভিন্নজনে কোনো সংস্থাৰ নিৰাপত্তাৰক্ষী বুলি ধাৰণা কৰাৰ বিষয়ে সৰৱ হৈ আহিছে ৰেলৰ এটা মহল। মূলতঃ এই যুক্তিতে তেওঁলোকক মেনেজাৰ উপাধিৰে সম্বোধন কৰাৰ দাবী উঠিছে।



এই দাবীকে মানি লৈছে ৰেলে। ধাৰণা কৰা হৈছে যে ইয়াৰ ফলত গাৰ্ডসকলৰ সামাজিক সন্মান বৃদ্ধি পাব। বিভিন্ন ধৰণৰ ৰেলৰ গাৰ্ডৰ নতুন নামকৰণ কৰা হৈছে। যেনে সহকাৰী ৰেল মেনেজাৰ, যাত্ৰীবাহী ৰেল মেনেজাৰ, ছিনিয়ৰ পেছেঞ্জাৰ ৰেল মেনেজাৰ আদি।



বৈদিক ক্ৰিকেটত ধাৰাভাষ্য দিয়া হ'ল সংস্কৃতত

# ধূতি পিন্ধি, কপালত তিলক আঁকি খেলপথাৰত ক্ৰিকেটাৰ

**নিউজ ব্যুৰ'**
**ভূপাল, ১৯ জানুৱাৰী ঃ** দুটা দলৰ ক্ৰিকেটাৰে ক্ৰিকেট খেলাৰ বাবে খেলপথাৰত নামিছে। অথচ তেওঁলোকৰ শৰীৰত পৰিচিত পেণ্ট-ছাৰ্ট নাই। বৰঞ্চ সকলোৰে পিন্ধি আছে ধূতি-পঞ্জাৱী। ডিঙিত ৰুদ্ৰাক্ষৰ মালা, কপালত তিলক। আনকি খেলখনৰ ধাৰাভাষ্যও দিয়া হৈছে সংস্কৃতত। সম্প্ৰতি এনে এক অভিনৱ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে মধ্যপ্ৰদেশৰ ভূপালত।

মহৰ্ষি বৈদিক ব্ৰাহ্মণ সমাজ আৰু সংস্কৃতি বাচাও মঞ্চৰ যৌথ উদ্যোগত এই ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মহৰ্ষি মহেশ যোগীৰ জন্মবাৰ্ষিকী উপলক্ষে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। যোৱা বছৰৰ পৰা এই প্ৰতিযোগিতা আৰম্ভ হৈছে। এইবাৰ কে'বাটাও দলে অংশগ্ৰহণ কৰে। খেল আৰম্ভ হোৱাৰ পূৰ্বে সংস্কৃত মন্ত্ৰ উচ্চাৰণ কৰা হয়। আনকি টছো পইচাৰে নহয়, মন্ত্ৰৰ সাহায্যতহে কৰা হয়। খেলৰ ধাৰাভাষ্যৰ পৰা আৰম্ভ কৰি সকলো ঘোষণা সংস্কৃত ভাষাতে কৰা হৈছিল। এই অভিনৱ ক্ৰিকেটৰ প্ৰতিখন খেল চোৱাৰ বাবে অসংখ্য দৰ্শকে ভিৰ কৰিছিল। আয়োজকসকলে জনাইছে যে বাৰ্ষিক ভিত্তিত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব। কাইলৈ প্ৰতিযোগিতাৰ ফাইনেল অনুষ্ঠিত হ'ব। বিজয়ী দলক ১১ হেজাৰ টকাৰ পুৰস্কাৰ দিয়া হ'ব বুলিও আয়োজকে জনাইছে।

## কবিতাৰ পাণ্ডুলিপি আৰু কবিতা প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা
পশ্চিম যোৰহাট, ১৯ জানুৱাৰী ঃ যোৰহাটৰ অগ্ৰণী প্ৰকাশন গোষ্ঠী দিগদৰ্শন প্ৰকাশনে নবীন লেখক-লেখিকাৰ মাজত সদৌ অসম ভিত্তিত স্ব-ৰচিত কবিতাৰ পাণ্ডুলিপি আৰু এখনি স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহী সকলে পাণ্ডুলিপিৰ বাবে নিম্নতম ৬০টা কবিতা প্ৰেৰণ কৰিব পাৰিব। আনহাতে স্ব-ৰচিত কবিতা প্ৰতিযোগিতালৈ এটাকৈ কবিতা প্ৰেৰণ কৰিব পাৰিব। সম্পূৰ্ণ নাম-ঠিকনা সহ কবিতা আৰু পাণ্ডুলিপি অহা ৩০জানুৱাৰীৰ ভিতৰত পংকজ কুমাৰ দাস, দিগদৰ্শন প্ৰকাশন,মাৰফৎ:ৰাজহংস,ভকত পমুৱা,ডাক:সত্ৰীয়া,যোৰহাট ঠিকনাত প্ৰেৰণ কৰিব পাৰে।

বজ্ৰাঙ্গ

এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।
অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।
শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

# সুধাকণ্ঠৰ গীতৰ দৰেই বিবাহৰ প্ৰস্তুতি মনেশ্বৰৰ
## ■ কোকৰাঝাৰত এখন বিশেষ বিয়াৰ বাবে খদমদম ৰজাঘৰীয়া-প্ৰজাঘৰীয়াৰ

■ **মনালিছা শৰ্মা**
**কোকৰাঝাৰ, ১৯ জানুৱাৰী ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত '...বনজুয়ে হোম দিলে/বিজুলীয়ে ৰভা দিলে/জিলিয়ে যে বিয়ানাম গায়...!' শীৰ্ষক গীতটি নুশুনা মানুহ হয়তো নাই। সেই গীত শুনাৰ লগে লগে শ্ৰোতাৰ মাজত যেনে এখন বিবাহৰ কাল্পনিক চিত্ৰ মানসপটত ভাহি উঠে, তেনে এক প্ৰতিচ্ছবিয়েই সম্প্ৰতি কোকৰাঝাৰবাসীৰ মনত ভাহি আছে শীঘ্ৰে অনুষ্ঠিত হ'বলগীয়া এখন বিশেষ বিবাহক কেন্দ্ৰ কৰি। বিয়াখন সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰাৰ প্ৰধান কাৰণ হৈছে এই বিবাহৰ পাত্ৰ প্ৰাক্তন এবছু নেতা তথা সুদীৰ্ঘ কালৰ সংগ্ৰামী মনেশ্বৰ দৈমাৰীৰ।

নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ৰ একান্ত অনুগামী তথা নিস্বাৰ্থ কৰ্মীৰূপে বড়ো সমাজত বিপুল জনপ্ৰিয়তা অৰ্জন কৰা মনেশ্বৰে অৱশেষত ৪৪ বছৰ বয়সত নিজৰ জীৱনক নতুন ৰূপ দিয়াৰ বাবে সাজু হৈছে। সামাজিক মাধ্যম ফেচবুকৰ জৰিয়তে এগৰাকী যুৱতীৰ স'তে তেওঁৰ পৰিচয় ঘটিছিল আৰু ফেচবুকতে সেই পৰিচয়ে কিছু ঘনিষ্ঠতা লাভ কৰিছিল। তৎসত্বেও সেই গৰাকী যুৱতীয়েই যে তেওঁৰ জীৱনত 'চম্পা' ফুলাব, সেয়া মনেশ্বৰৰ ধ্যান-ধাৰণাত নাছিল। আকস্মিকভাৱে মনেশ্বৰৰ জীৱনত চম্পাৰ সুবাস বিয়পোৱাৰ প্ৰথম প্ৰস্তাৱ আহিছিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা। মুখ্যমন্ত্ৰীৰ প্ৰস্তাৱত লগে লগে হয়ভৰ দিছিল উপস্থিত থকা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, বিধায়ক লৰেন্স ইছলাৰী আদিয়ে। মূৰত সৰগ পাতিছিল মনেশ্বৰৰ। কেনেকৈ বিয়া পাতিব? তেওঁৰ দেখোন একোৱেই নাই?



সৰলমনা স্বভাৱৰ মনেশ্বৰক ৰাইজে ইমানেই ভাল পায় যে ঘৰ নিৰ্মাণৰ বাবে মাটি, ইটা-শিল-বালি, শ্ৰমিকৰ মজুৰী আদি প্ৰদানৰ দায়িত্বও বিভিন্নজনে বহন কৰি কোকৰাঝাৰ চহৰৰ সংলগ্ন খাৰগাঁৱত এটা বাসগৃহ সাঁজি দিছিল। তথাপি পৰিয়াল পোহপাল দিবলৈ উপাৰ্জনৰ প্ৰয়োজন। সেয়ে কোনো ব্যৱসায়ত হাত দিয়াৰ কথা তেওঁ ভাবি আছিল। তেনে সময়তে মুখ্যমন্ত্ৰীৰ পৰা প্ৰস্তাৱ আহিল বিবাহৰ। বিয়াৰ দায়িত্ব নিজে গ্ৰহণ কৰাৰ লগতে বাকী সমস্যাবোৰো সময়ত সমাধানৰ আশ্বাস দিলে। মুখ্যমন্ত্ৰীৰ আশ্বাসৰ লগে লগে বহু শুভাকাংক্ষী, জনপ্ৰতিনিধিয়ে ভাগে ভাগে বিভিন্ন দায়িত্ব মূৰ পাতি লৈ এখন স্মৰণীয় বিবাহ আয়োজনৰ মনস্থ কৰিলে। যুদ্ধকালীন তৎপৰতাৰে আৰম্ভ হ'ল মনেশ্বৰৰ বিয়াৰ প্ৰস্তুতি। বিভিন্নজনে বিভিন্ন দায়িত্ব লৈ ক'ভিড বিধিৰ বাবে একাধিক বিবাহ মণ্ডপ নিৰ্মাণ কৰিছে। সমগ্ৰ অঞ্চলটোতে এতিয়া উথপথপ পৰিৱেশ। এই বিয়াখন সুচাৰুৰূপে সম্পন্ন কৰাৰ দায়িত্ব মূৰ পাতি লৈছে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক ড° বিৰফুং নাৰ্জাৰী আৰু চেৰফাংগুৰিস্থিত জনতা মহাবিদ্যালয়ৰ অধ্যাপক ড° মিহিৰ কুমাৰ ব্ৰহ্মই। ৰাইজৰ মৰমৰ মাজেৰে 'গৌদান হুৱা' (দৰা) হৈ শীঘ্ৰেই মনেশ্বৰে নিজৰ সংসাৰলৈ আদৰি আনিব বাগ্‌সা জিলাৰ তামুলপুৰৰ 'গৌদান হিঞ্জাও' (ন-কইনা) বড়ো সাহিত্যত স্নাতকোত্তৰ ডিগ্ৰীধাৰী চম্পা বড়োক।

বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ পুখুৰীপাৰ গাঁৱত ১৯৭৭ত জন্মগ্ৰহণ কৰা মনেশ্বৰে এবছুৰ স'তে জড়িত হোৱাৰ পাছৰে পৰাই ছাত্ৰ সংগঠনটোৰ একনিষ্ঠ কৰ্মী হৈ পৰিছিল। পৰৱৰ্তী সময়ত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যালয় সম্পাদক, সাংস্কৃতিক সম্পাদক আদি পদ অলংকৃত কৰি যোৱা বছৰ তেওঁ এবছুৰ পৰা অব্যাহতি লৈছিল। সুদীৰ্ঘ কালত এবছুৰ বহু শীৰ্ষ নেতাৰ সান্নিধ্য পোৱা মনেশ্বৰক এসময়ত অধুনালুপ্ত এনডিএফবিয়ে আন এক অধুনালপ্ত সশস্ত্ৰ সংগঠন বিএলটিৰ সদস্য বুলি দুবাৰ অপহৰণ কৰিছিল। সেইদৰে একাধিকবাৰ গ্ৰেপ্তাৰ হৈ তেওঁ আৰক্ষীৰ নিৰ্যাতনো সহ্য কৰিছিল। তৎসত্বেও এবছুৰ প্ৰতি থকা দায়বদ্ধতাৰ বাবেই তেওঁ সংগ্ৰামী জীৱনৰ পৰা আঁতৰি যোৱা নাছিল।

অৱশ্যে জীৱনৰ প্ৰতি নামি অহা ভাবুকিৰ কথা অনুমান কৰিয়ে মনেশ্বৰক কোকৰাঝাৰলৈ আনি তদানীন্তন এবছু নেতা তথা বৰ্তমানৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ হাতত তুলি দিছিল এতিয়াৰ অসম বিধানসভাৰ অধ্যক্ষ দৈমাৰীয়ে। তেতিয়াৰ পৰাই জন্মস্থান আৰু পৰিয়ালৰ পৰা বিচ্ছিন্ন হৈ এবছুৰ সাংগঠনিক দায়িত্বতে নিৰিড়ভাৱে লাগি থাকি তেওঁ এসময়ত সংগঠনটোৰ কেন্দ্ৰীয় নেতাতো পৰিণত হৈছিল। সংগঠনটোৰ সাংস্কৃতিক সম্পাদকৰূপে ৰাজ্যৰ বাহিৰত বিভিন্ন স্থানত বড়ো সংস্কৃতিক পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰতো অহোপুৰুষাৰ্থ কৰিছিল।




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com